SIPAHI BIDROH
ARU
PARVATIA BARUA

A Book in Assamese on the Great Sepoy Mutiny of India, 1857 and the Sepoy Mutiny in Assam and the Life of Rai Bahadur Hara Nath Parvatia Barua Sadaramin, written by Golokeswar Barua, published by Shrimati Kumudeswari Devi, C/o Dr. Bhupendra Nath Barua, Tarajan, Jorhat—1
Price Rupees Six only.

প্ৰকাশিকা ঃ শ্ৰীমতী কুমুদেশ্বৰী দেৱী ● মাৰফৎ ঃ ডাক্তৰ ভূপেন্দ্ৰনাথ বৰুৱা ● তৰাজান ● যোৰহাট–১

প্ৰথম প্ৰকাশ ঃ অক্তোবৰ, ১৯৭৪ চন

বেটুপাত ঃ শ্ৰীত্ৰৈলোক্য দত্ত

লিখকৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত

ছপা ঃ সমকাল প্ৰিন্টাৰ্স ● জু ৰ'ড ● গুৱাহাটী ৭৮১০০৩

মূল্য ঃ ছয় টকা মাত্ৰ

স্মৃতিতৰ্পণ ঃ ভূমিকা

॥ ৰায়বাহাদুৰ সদৰামীন হৰনাথ পৰ্ব্বতীয়া বৰুৱা ॥

শ্ৰীগোলোকেশ্বৰ বৰুৱাদেৱৰ এই কিতাপখন হাতে-লিখি থোৱা অৱস্থাতে আমাৰ চকু ফুৰাব পৰাৰ ভাগ্য ঘটিছিল। কিতাপখন ভাল আৰু উপাদেয় হৈছে আৰু অসমীয়া জীৱনী সাহিত্যৰ ভড়াললৈ ই এটা মূল্যবান দান হৈছে।

সেইদিনৰ অ-ভাৰতীয় চৰ্কাৰৰ বিৰুদ্ধে বিদ্ৰোহীৰ লেখত পৰা সকলক ধৰি দিয়াৰ কাৰণে এইজন কৰ্ত্তব্যনিষ্ঠ পুৰুষক দানৱীয় অসজলোক বুলিয়েই কোনো কোনোৱে কব খোজে বা কোনো কোনো ব্যৱসায়ীয়ে চলচিত্ৰত সেই ধৰণেৰে চৰিত্ৰ অঙ্কণ কৰে। ই কেতিয়াও কাৰো কাৰণে সমীচিন হব নোৱাৰে।

বীৰ নেপোলিয়নৰ এবট্টে লিখা জীৱনী গ্ৰন্থখনৰ প্ৰথম শাৰীটো হ'ল, 'Life of Napoleon has always been written by his enemies.'

১।১।৫৯ তাৰিখে লিখকৰ অভিৱৰ্ত্তন উদ্বোধন কৰি প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহৰুৱে কৈছিল,—'I had noticed that in India there was a tendency either to praise too much or condemn vehemently. The middle course was not being adopted. The biographies written in India were not proper biographies. Such writings either made a god or a monster of the individual although we are neither gods nor monsters but human beings.'

এবট্টৰ আৰু জৱাহৰলালৰ কথা আমাৰ অসমৰ বীৰ-বীৰঙ্গণাসকলৰ কাৰ্য্যৰ কথন-মথনতো খাটিছে।

বৃটিছ চৰ্কাৰ, ভাৰতৰ স্বাধীনতা আন্দোলনৰ আগত ৰাষ্ট্ৰসমৰ্থিত আছিল। মোহনদাস কৰমচাঁদ গান্ধী (পিচত মহাত্মা) নিজেও সেই চৰ্কাৰৰ এসময়ত সমৰ্থক আৰু সেৱক আছিল। সেই সময়ৰ দেশৰ প্ৰশাসনত সহায়

কৰাটো ৰাষ্ট্ৰীয় কৰ্তব্য আছিল। হৰনাথ পৰ্ব্বতীয়া বৰুৱা সেই কালৰ এজন আদৰ্শ কৰ্তব্যপৰায়ণ চৰ্কাৰী চাকৰিয়াল আছিল। তেওঁৰ নিচিনা আদৰ্শ চাকৰিয়াল সকলো যুগৰ চৰ্কাৰৰ কাৰণে অপৰিহাৰ্য্যৰূপে আৱশ্যক। নহ'লে শান্তি পথ কাটি ৰাষ্ট্ৰ উন্নতিত আগবাঢ়িব নোৱাৰে। হৰনাথ পৰ্ব্বতীয়া বৰুৱাই সেই সময়ত কৰ্তব্যনিষ্ঠাৰে কাম নকৰা হ'লে বৃটিছ চৰ্কাৰৰ বন্দুকৰ গুলিয়ে অসমক বৃন্দাবন কৰি অসমখনক তেজৰ ঘুলি কৰিলেহেঁতেন। কিন্তু বহুতে সেই কালৰ লগত ৰজিতা খুৱাই কৰা কৰ্তব্যৰ মৰ্য্যাদা চিন্তা কৰি নেচাই বৰ্তমান কালৰ লগত জাপি লৈ বিচাৰৰ ভেটি বান্ধে। অইনকি এনেকৈয়ো কিছুমানৰ মুখত শুনিছিলোঁ যে হৰনাথ দাৰোগাই মণিৰামৰ ফাঁচিৰ হুকুম চৰ্কাৰে সলনি কৰাৰ তাঁৰৰ বাৰ্তাটো হৰকৰাৰপৰা লৈ লুকুৱাই থ'লে। এই কথা কওঁতে পাহৰি যায় যে তেতিয়া তাঁৰৰ খবৰৰ বাহন বিভাগ এই অঞ্চলত হোৱা নাছিল। গোলোকগঞ্জলৈকে মাত্ৰ তাঁৰ বান্ধিছিল। মণিৰামক ফাঁচিৰ হুকুমৰ ৩য় দিনা ফাঁচি দিছে। ৰেহাই দিয়া বতৰা কেনেকৈ অসম পাবহি পাৰে! হুকুমৰ খবৰ কলিকতালৈ যাওঁতেও তিনদিনত পাবগৈ নোৱাৰে। এনেকুৱা অপলাপেৰেই মানুহৰ জীৱনী বিচাৰ।

সেই সময়ত নতুন চৰ্কাৰক আহ্বান আদৰণি জনাই অসমৰ এহেজাৰ এজন মানুহে চহী কৰি তেতিয়াৰ চৰ্কাৰক আবেদন জনাইছিল। এই আবেদনৰ প্ৰতিলিপি শ্বিলঙৰ চৰ্কাৰী কাৰ্য্যালয়ত এতিয়াও পোৱা যায়। তেতিয়া হ'লে হৰনাথ বৰুৱাই কৰ্তব্যনিষ্ঠ হৈ কৰা কাম সেই সময়ৰ সৰ্বসাধাৰণ ৰাইজৰ সমৰ্থিত আছিল।

উপ-প্ৰধানমন্ত্ৰী বল্লভভাই পেটেলে এবাৰ আৰক্ষী বিভাগৰ চাকৰিয়াল-সকলক কৈছিল—'তেওঁলোকে আমাক স্বাধীনতা আন্দোলনত ধৰি নি ফাটেক দিয়াইছিল। এতিয়া আমি চৰ্কাৰ পতাত তেওঁলোকে ভয় খাইছে, কোনো ভয় নাই। একে কৰ্তব্যনিষ্ঠাৰে বৰ্তমানৰ ৰাষ্ট্ৰীয় চৰ্কাৰক তেওঁ-লোকে সহায় কৰি য'ক'। যুগে যুগে দেশৰ সন্ধিক্ষণত আৰু সাধাৰণ অৱস্থাতো সেৱা কৰি অহা কৰ্তব্যপৰায়ণ মহান লোকসকলক এনেকুৱা চকুৰেই চাই শিক্ষা আৰ্জন কৰি দেশৰ ক্ৰমোন্নতিত হেচুক একোটাইত দি যাব লাগিব।

১৯৫৯ চনৰ ১ জানুৱাৰীত ভুবনেশ্বৰত বহা সৰ্বভাৰতীয় লিখক অভি-বৰ্তনত সভাপতিত্ব কৰি ডাঃ ৰাধাকৃষ্ণণে কৈছিল,—'Literary writers are the guardians of the human spirit, its conscience and its faith, and that for a literature to be alive, the time must flow into it. The most vital currents of the age should permeate it and only then could it enter into the blood-stream of the Community. Literary writers are judges of their time and servants of the future'.

'মানৱীয় আত্মা, ইয়াৰ বিবেক আৰু আস্থাৰ সাহিত্যিকসকল প্ৰতিপালক। এটা সাহিত্য সজীৱ হবলৈ হ'লে সময়ৰ সোঁত ইয়ালৈ বব লাগিব। যুগটোৰ প্ৰধানতম প্ৰাণভূত সলিলাই ইয়াক চোৱাব লাগিব আৰু তেতি-য়াহে সমাজৰ শোণিতসোঁতলৈ সাহিত্য বোৱঁতি হ'ব পাৰিব। লিখক সকল তেওঁলোকৰ যুগটোৰ বিচাৰক আৰু ভবিষ্যতৰ সেৱক'।

যুগৰ বিচাৰ নকৰাকৈ যুক্তিহীন আলাপেৰে ভবিষ্যত পুৰুষৰ সেৱা কেতিয়াও হ'ব নোৱাৰে।

মোৰ প্ৰথম ইংৰাজী শিকোৱা শিক্ষাগুৰু স্বনামধন্য শিক্ষাবিদ লিখক উপেন্দ্ৰনাথ বৰুৱাই অসম বুৰঞ্জীৰ পাঠত সাধু কথাৰ দৰে হৰনাথ পৰ্ব্বতীয়া বৰুৱাৰ কৰ্তব্যনিষ্ঠাৰ কথা কৈ অসমৰ সেই সময়ৰ বেয়া দিন আৰু বেচি বেয়া কৰাৰ পৰা অসমীয়া মানুহক তেওঁ ৰক্ষা কৰিলে বুলি সূচাইছিল, আৰু নানা মানুহে তাৰ বিপৰীতে কোৱা কথাবিলাক আলোচনা কৰি কোঁদোৰ দৰে গোঁ-গোঁৱাই থকা আমি নিজে দেখিছিলো। সেই একে ধৰণেৰেই আমাৰ দদাইদেউ বুৰঞ্জীবিদ সাহিত্যিক হিতেশ্বৰ বৰবৰুৱাই কৈছিল আৰু উপদেশ দিছিল।

সি যিকিনহওক, ভ্ৰাতৃৱৎ বন্ধু শ্ৰীগোলোকেশ্বৰ বৰুৱাক হৰনাথ পৰ্ব্বতীয়া বৰুৱা সদৰামীনৰ জীৱনী প্ৰস্তুত কৰাৰ কাৰণে আমাৰ স্বৰ্ণকমল হিয়াৰ কৃতজ্ঞতা জনালোঁ আৰু জীৱনীখনৰ বহুল প্ৰচাৰ কামনা কৰিলোঁ। ইতি—

শ্ৰীশশীচন্দ্ৰ বৰবৰুৱা

২ অক্টোবৰ '৭৩ চন — যোৰহাট

লিখকৰ দু-আষাৰ

বিংশ শতিকাৰ আৰম্ভণিৰ পৰা এশ্ৰেণী লিখকে কবলৈ ধৰে, চিপাহী বিদ্ৰোহ ভাৰতৰ স্বাধীনতাৰ প্ৰথম যুদ্ধ আছিল। চিপাহী বিদ্ৰোহৰ আচল ৰূপটি এই গ্ৰন্থৰ প্ৰথম ভাগত দাঙি ধৰা হৈছে। স্বাধীনতাৰ পিচত অসমৰ এদল unscrupulous লিখকে এবিধ নতুন নাটক, কথা-ছবি আৰু বুৰঞ্জী ৰবঙণি দিছে। বুৰঞ্জীৰ অপলাপ কৰি ঐতিহাসিক পুৰুষ হৰনাথ পৰ্ব্বতীয়া বৰুৱাক অকথ্য ভাষাৰে গালি পৰাই এই ৰবঙণিৰ বৈশিষ্ট্য। unscrupulous, ৰাজদ্ৰোহী, দেশদ্ৰোহী, জাতিদ্ৰোহী, ধূমকেতু, প্ৰতাৰক, বিশ্বাসঘাতক আছিল মণিৰাম নে হৰনাথ দ্বিতীয় ভাগ পঢ়িলে সুধী পাঠকে বুজি পাব। বিশ্ববৰেণীয় স্বামী বিবেকানন্দ, বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰ, মহাত্মা গান্ধী, ভাৰত ৰত্ন জৱাহৰলাল নেহৰু বহুতৰ কাৰণে বুৰ্জোৱা, দেশৰ শত্ৰু। এওঁলোকৰ প্ৰথম দুজনাৰ প্ৰস্তৰ মুৰ্তি ১৯৭১ চনত আলকাতৰা ঢালি কলঙ্কিত কৰা হৈছিল। এইসকল অমৰ পুৰুষক বিশ্বজগতে শ্ৰদ্ধা জনাই আছে। হৰনাথ পৰ্ব্বতীয়া বৰুৱাৰ এওঁলোকৰ লগত তুলনা নহয়। পৰ্ব্বতীয়া বৰুৱাকো হাজাৰ হাজাৰ লোকে, 'দেশখন ৰক্ষা কৰিলে, আমাক ৰক্ষা কৰিলে' বুলি কৃতজ্ঞতা জনাইছিল। হৰনাথৰ লগত পিয়লী ফুকনৰ কোনো সম্পৰ্ক নাই। অথচ নাট্যকাৰে পিয়লী ফুকন ছবিত হৰনাথক দানৱীয় ৰূপত সজাই আসুৰিক আত্ম প্ৰসাদ উপভোগ কৰিছে। দেৱানে ১০৮ জন ইংৰাজক মহামায়াৰ আগত বলি দিবলৈ নিৰ্দেশ দিছিল; দেৱানে নিজ মুখে হৰনাথক শাও দিছিল 'বৰ পুতেকৰ মূৰ খাব'। দানৱ আছিল মণিৰাম নে হৰনাথ? শ্ৰীবেণুধৰ শৰ্মাই মণিৰাম দেৱানৰ ১ম সংস্কৰণৰ পাতনি লিখিছে—'বৰ দাৰোগাৰ পোছাক পিন্ধি হৰনাথ পৰ্ব্বতীয়া বৰুৱাই প্ৰতিপক্ষক সহায় নকৰা হলে, অসমতো কানপুৰৰ দৰে ব্ৰিটিছ তেজৰ নৈ ব'লেহেঁতেন। এই দুৰ্ঘটনাৰ হাত সৰুৱাবৰ বাবেই তেতিয়াৰ গৱৰ্ণমেণ্টে হৰনাথক যথোচিত ৰূপে পুৰস্কৃত কৰে। মণিৰাম-পিয়লীৰ সংস্পৰ্শত হৰনাথ বৰুৱাক আমি দাৰোগা স্বৰূপে দৃষ্টি কৰিব লাগিব। ১৮ বছৰ বয়সত কামত সোমাই ২৯ বছৰকৈ

যি ৰাজতন্ত্ৰৰ নিৰ্দেশ পালন কৰি আহিছিল, সেই তন্ত্ৰক হৰনাথে ইষ্টগুৰু মনাদি মানি আহিছিল। চাকৰি জীৱনৰ বিষয়ববীয়া কাঁইটীয়া, নিন্দনীয় হাৰমালখিনি সোলোকাই থৈ হৰনাথক যেতিয়া উকাকৈ চোৱা যায় তেতিয়া তেওঁৰ চৰিত্ৰত ধৰ্মবিশ্বাস, বিচাৰ শক্তি আৰু পাণ্ডিত্য জিলিকি থকা দেখিবলৈ পোৱা যায়। সকলোৰে অপ্ৰিয় পুলিচৰ পোছাকটো গাত আছিল যদিও, এনেজন মানুহে নিজ হাতে পিয়লী গাভৰুমেলীয়া বৰুৱাৰ গাত তপত শলা লগাই কেতিয়াও মানৱীয়তাৰ বহিৰ্ভূত কাম কৰা নাছিল। কোনো লিখকে এনে অসত্য, অসম্ভৱ আৰু বীভৎস দৃশ্য আঁকি হৰনাথৰ চৰিত্ৰৰ অযথা কলঙ্ক সানিবলৈ যোৱা দেখিহে ইয়াত এই কথাকেইষাৰ উল্লেখ কৰিবলগীয়া হ'ল'।

মণিৰাম দেৱানে কি ৰবঙণি দিলে, সেই বিষয়ে চিন্তাশীল আৰু সত্যানুসন্ধিৎসু সকলে প্ৰশ্ন নকৰি থকা নাই। শ্ৰীএছ, চলিহাই ৩০।১।৫৮ তাৰিখে আসাম ত্ৰিবিউনত প্ৰকাশিত এখন চিঠিত মণিৰাম দেৱানক এজন স্বাধীনতাৰ যুঁজাৰু, মহান দেশপ্ৰেমিক বুলি বৰ্ণনা কৰি কৈছিল যে মহাত্মা গান্ধীৰ এশ বছৰৰ আগতেই কানি নিবাৰণ কৰাত গুৰি ধৰিছিল। ইয়াৰ সদুত্তৰ এটি ডঃ ভূপেন চৌধুৰীয়ে ২২।২।৫৮ তাৰিখৰ 'আসাম ট্ৰিবিউনত' প্ৰকাশ কৰিছিল। ডঃ চৌধুৰীয়ে কৈছে—"It is high time now that we judge Maniram and events in 1857 in their proper perspective......... Maniram Dewan was first and last the mouthpiece of the then decaying and reactionary Assamese nobility and the corrupt Brahmin orthodoxy. It is said that the Dewan fought for freedom. Yes, but the freedom of which class? In his petition he said that the British Govt. must restore to him the privileges enjoyed by him and his ancestors 'for four generations'. and he must be reinstated in his 'former condition of life as to rank and emoluments'. The Government released the unfortunate slaves in Assam in 1843, and Maniram was highly mortified by this as 'the fame and honour of respectable people (were thus) destroyed."

Maniram Dewan was also a great defender of caste privileges and poured contempt on Bengalis, Muslims,

fishermen and other sections of the low castes............

Maniram and his compatriots also fought a keen battle against the education of the masses, and asked school teachers not to admit low caste Hindus and Muslims to the class room. They also opposed women's education........But to regard him as the forerunner of Mahatma Gandhi is the height of historical folly. The Dewan was not serious even in his advocacy of prohibition of opium in Assam. All that he wanted was that it should be consumed only by the 'respectable' rich and not by the contemptible lower folk.

I have gone through revealing documents of the time including those personally written by Maniram Dewan and Kandarpeswar Singha. I am against declaring February 26 as a public holiday. My analysis and the facts at my disposal compel me to warn our people against such falsificaiion of history."

লোকমান্য তিলকে ১৮৯৮ চনত সর্ব প্রথম ভাৰতৰ স্বাধীনতা দাবি তোলে। মহাত্মা গান্ধীয়ে বহুত ১৯৪২ আগষ্টৰ ৮ তাৰিখে 'ভাৰত ত্যাগ' প্রস্তাৱ গ্রহণ কৰাৰ পিচতহে কৈছিল, 'মই পূর্ণ স্বৰাজ নাপালে সন্তুষ্ট নহম' (HCIP XI পৃঃ ৬৪৯)। মণিৰামে ১৮৫৭ চনতে স্বাধীনতা আনিব খুজিছিল বুলি কোৱাও 'height of historical folly.' 'চূড়ান্ত ঐতিহাসিক মূর্খামি,' কিয়নো 'The miseries and bloodshed of 1857-1858 were not the birth pang of a freedom movement in India but the dying groans of an absolute aristrocracy and centrifugal feudalism of the medieval age' (Mutiny পৃঃ ৪২৮)। পৰ্ব্বতীয়া বৰুৱাক বাদ দিও দেৱানৰ পূজা-পাৰ্বণ কৰিব পাৰি। Unscrupulous লিখকবিলাকেই আমাক মণিৰামক টানিবলৈ বাধ্য কৰিছে। অসমৰ বাহিৰেও সহস্ৰ সহস্ৰ কৰ্মচাৰীয়ে ব্ৰিটিছক বিশ্বস্ততাৰে সেৱা কৰিছিল। কোনো এগৰাকী অনা-অসমীয়া লেখকে এওঁলোকক নিন্দা কৰা নাই। অন্যত্ৰ বহুত পুলিচ কৰ্মচাৰীয়ে বিদ্ৰোহত যোগ দি অৰাজকতাৰ সৃষ্টি কৰিছিল। কোনো লিখকে এওঁলোকক প্ৰশংসা কৰা নাই। মণিৰামৰ পূজা কৰোঁতে হৰনাথক গালি পৰাৰ

কোনো প্ৰয়োজন নপৰে। হৰনাথে অসমীয়া ৰাইজক ৰক্ষা কৰাৰ কাৰণে তেওঁক গালি পৰাৰ কাৰো অধিকাৰ নাই। শ্ৰীবেণুধৰ শৰ্ম্মা, শ্ৰীশশীচন্দ্ৰ বৰবৰুৱা, ৺কৃষ্ণকান্ত ভট্টাচাৰ্য্য, ৺শিৱনাথ ভট্টাচাৰ্য্য আদি সুধীসকলে হৰনাথৰ ওপৰত কৰা নিন্দনীয় আক্ৰমণৰ প্ৰতিবাদ জনমভূমি পত্ৰিকাত প্ৰকাশ কৰিছিল। পিচে ইয়াকে কব পাৰি, Unscrupulous লিখকবিলাকে যেনেকৈ হৰনাথক গালি পাৰিছে, দানৱীয় ৰূপত সজাইছে, তেনেকৈয়ে কোনোবাই তেওঁলোকৰ পূৰ্বপুৰুষকো গালি পাৰিলে, দানৱীয় ৰূপত সজালে অত্যন্ত সুখী হব।

মণিৰাম দেৱান কি মুক্তি-যুজাৰু আছিল? মণিৰামৰ ৰবজোৱাঁইয়েক ইন্দীবৰে কৈছে মণিৰাম 'এজন বৃটিছ ভক্ত প্ৰজাহে ইংৰাজ বিদ্ৰোহী নহয়। আৰু পিচৰ ইংৰাজ বিষয়াবিলাকে মণিৰাম সম্পৰ্কে এই কথা নজনাৰ বাবেহে তেওঁক অন্যায় কৰি ফাঁচী দিয়ালে।' শ্ৰীতোলন শইকীয়াই কয়, মণিৰাম 'কোনো বিদ্ৰোহাত্মক কাৰ্যত প্ৰত্যক্ষভাৱে লিপ্ত হোৱা নাছিল' (দৈনিক জনমভূমি, ৫।৯।৭২)। অসম ৰাজ্যিক পুৰাতত্ত্ব বিভাগে শ্বহীদ বাহাদুৰ গাঁওবুঢ়াৰ কবৰৰ ওপৰত দিয়া ফলক এখনত লিখা আছিল— 'সাতাৱন সালৰ মুক্তি যুদ্ধত এওঁ চাৰিং ৰজা মণিৰাম দেৱানক দিহা পৰামৰ্শ দি সহায় কৰিছিল ....।' শ্ৰীশশীচন্দ্ৰ বৰবৰুৱাই মন্তব্য কৰিছে, 'মণিৰাম দেৱানক চাৰিং ৰজা বুলি লিখাটো পৃথিবীৰ অষ্টম আশ্চৰ্য্য' (দৈনিক জনমভূমি, ২।৯।৭২)। যোৰহাট আদৰ্শ বালিকা প্ৰাথমিক বিদ্যালয়ৰ চৌহদত থকা এখন ফলিত মণিৰাম দেৱানক স্বৰ্গদেউ পুৰন্দৰ সিংহৰ মন্ত্ৰী বুলি লিখা আছিল। শ্ৰীৰমা মৰাঙ্গে ২৩।৮।৭২ তাৰিখৰ দৈনিক জনমভূমিত এই কথাটোলৈ দৃষ্টি আকৰ্ষণ কৰিছিল। মণিৰাম মন্ত্ৰী আছিল নে নাই, এইটো কথা লৈ দৈনিক জনমভূমিত বহুত বাদানুবাদ চলিছিল। ফলিখন কলিকে আঁতৰোৱা হৈছে। মণিৰাম ৰজাও নাছিল, মন্ত্ৰীও নাছিল। কিন্তু Unscrupulous লিখকবোৰে অঙ্কিত কৰাৰ দৰে মণিৰাম ইতৰ নাছিল। Unscrupulous লিখকবোৰে মণিৰামৰ মুখেদি যি ভাষা কোৱাইছে সেই ভাষা অতি নীচ মানুহৰ বাহিৰে কোনো ভাল মানুহে উচ্চাৰণ নকৰে। আচলতে মণিৰাম এগৰাকী ডাঙৰীয়াতুল্য পুৰুষ আছিল, তেওঁৰ কথা-বতৰা, চলন-ফুৰণ সুমাৰ্জিত, ৰাজসম্ভ্ৰমসূচক আছিল। ডঃ অমলেন্দু গুহই কয়—'In fact, his greatness lay not in patriotism, but in the undaunted spirit of enterprise

and innovation' (AT পৃঃ ৬১)। ডঃ গুহৰ সৈতে আমি একেমত। দেৱানৰ সজ গুণৰ আমিও শলাগ লওঁ।

মহান নেতা মৌঃ আবুল কলাম আজাদে কৈছে, চিপাহী বিদ্রোহৰ বিষয়ে লিখা কিতাপবিলাক ৰাজনৈতিক প্ৰচাৰ (Political propaganda) আছিল (1857 পৃঃ VIII)। দেৱানৰ বিষয়ে লিখা কিতাপবিলাকো ৰাজনৈতিক প্ৰচাৰ পুস্তক। অকল ডঃ বৰপূজাৰীৰ কিতাপত ঐতিহাসিক দৃষ্টিভঙ্গী পোৱা যায়। ভাৰতীয় স্বাধীনতাৰ প্ৰথম যুদ্ধ শতবাৰ্ষিকী উপলক্ষে বাহাদুৰ শাহ, নানা চাহাব আদিক বিশেষ সন্মান দেখুৱাৰ কথা আছিল কিন্তু ডঃ মজুমদাৰৰ Sepoy Mutiny খন ১৯৫৭ চনত প্ৰকাশ পোৱাৰ পিচত এওঁলোকৰ স্বৰূপ ওলাই পৰাত এইটো পৰিত্যক্ত হয়। গৱৰ্ণমেণ্টে ২৬ ফেব্ৰুৱাৰী মণিৰাম দেৱানৰ মৃত্যু-দিৱস বুলি বন্ধ দিয়া নাই। এদিন হয়তো কোনো সত্যানুসন্ধিৎসু ঐতিহাসিকে মণিৰামৰ স্বৰূপ উদ্‌ঘাটন কৰি ৰাইজৰ আগত দাঙি ধৰিব। মৃত্যুৰ পিচত দুৰ্দণ্ড প্ৰতাপী ষ্টেলিনক অষ্টেলিন (de-Stalinization)কৰা হ'ল। তেনেকৈয়ে হয়তো অমণিৰাম দেৱানীকৰণ (de-Manirum Dewanization) বিদ্ৰোহ ঘটিব। হৰনাথ পৰ্ব্বতীয়া বৰুৱাক গালি পাৰি থাকিলেই অসমীয়া ৰাইজৰ উন্নতি নহয়। ডঃ কে এম মুন্সীৰ নেতৃত্বত আৰু ডঃ ৰমেশচন্দ্ৰ মজুমদাৰৰ সম্পাদনাত The History And Culture Of The Indian People প্ৰকাশিত হোৱাত ভাৰতৰ উপকাৰ হৈছে। ডঃ মজুমদাৰৰ নিজা বৰঙণিও গধুৰ। হৰনাথ পৰ্ব্বতীয়া বৰুৱাক গালি পাৰি সময় আৰু শক্তি ক্ষয় নকৰি যদি The History And Culture Of The Assamese People এখন প্ৰকাশ কৰা হয় আৰু অসমতো এটি National Library স্থাপন কৰা হয়, অসমৰ উপকাৰ হব। গালি পৰা মানুহ অসমত যিমান আছে, তাৰ জুৰি অন্যত্ৰ কতো নোলাব। কিন্তু অসমত এগৰাকী ডঃ ৰমেশচন্দ্ৰ মজুমদাৰ ওলাব জানো?

মণিৰাম দেৱানক ডাঙৰ কৰিবলৈ বহুত লেও দিয়া হৈছে, ৰহন সনা হৈছে। হৰনাথ পৰ্ব্বতীয়া বৰুৱা নিজ কৰ্তব্যনিষ্ঠাৰে মহিমান্বিত। পৰ্ব্বতীয়া বৰুৱাই অক্লান্ত ভাৱে সুদক্ষতাৰে নিজ কৰ্তব্য পালন কৰি অসমক ৰক্ষা কৰিছিল, ৰাইজক ৰক্ষা কৰিছিল। এইগৰাকী সিংহ পুৰুষ আছিল দেৱোপম।

শ্ৰীগোলোকেশ্বৰ বৰুৱা

গুৱাহাটী

১৫ আগষ্ট, ১৯৭৩ চন

কৃতজ্ঞতা স্বীকাৰ

শ্ৰীশশীচন্দ্ৰ বৰবৰুৱা ডাঙৰীয়াই বহুমূলীয়া স্মৃতি-তৰ্পণ ভূমিকাখন লিখি দিছে; তেখেতক পুনঃ পুনঃ আন্তৰিক কৃতজ্ঞতা জনাওঁ। তেখেতৰ প্ৰতিভা বহুমুখী; ধৰ্ম, দৰ্শন, সাহিত্য, বুৰঞ্জী, সংস্কৃত, সঙ্গীত, দেহচৰ্চা, ক্ৰীড়া, স্কাউটিং, ৰং-ধেমালি সকলো ক্ষেত্ৰতে তেখেতে প্ৰভূত বৰঙণি দিছে। তেখেতে সুদক্ষতাৰে চৰকাৰী কাম কৰি যদিও ১৯৬০ চনতে অৱসৰ লয়, এতিয়ালৈকে কৰ্মজগতৰ পৰা অৱসৰ পোৱা নাই। তেখেত এতিয়াও এগৰাকী চফল ডেকা।

পুৰাতত্ত্ব বিভাগৰ ভূতপূৰ্ব সঞ্চালক শ্ৰীমুৰাৰিচৰণ দাস দেউ, শ্ৰীঠানুৰাম গগৈ দেউ আৰু শ্ৰীভুৱন চন্দ্ৰ সন্দিকৈ দেৱে মূল্যৱান পৰামৰ্শৱলী দি সহায় কৰিছে। তিনিও গৰাকীৰ ওচৰত ঋণ স্বীকাৰ কৰিলোঁ। লাটু বাবুৰ অসম আগমনৰ কথা শ্ৰদ্ধাপদ ৺হেৰম্বপ্ৰসাদ বৰুৱা ৰায়বাহাদুৰ দেৱৰ পৰা ১৯৫৩ চনত আৰু পৰ্ব্বতীয়া বৰুৱাৰ গোলাঘটীয়া সদৰামীনৰ জীৱনৰ তথ্যপাতি পূজ্যাস্পদ ৺তাৰিণীবল্লভ গোস্বামী দেৱৰ পৰা ১৯৫৪ চনত পোৱা হৈছিল। দুয়োগৰাকীৰ স্বৰ্গগত পুণ্যাত্মাক শ্ৰদ্ধা জনালোঁ। শ্ৰীমতী নৰ্মদা দেৱীয়ে স্বৰ্গগত কৃষ্ণকান্ত ভট্টাচাৰ্য্য দেৱৰ দ্বাৰা লিখিত আৰু শান্তিদূত পত্ৰিকাত ২০।৬।১৯৫২ আৰু ২৭।৬।১৯৫৩ তাৰিখে প্ৰকাশিত হৰনাথ পৰ্ব্বতীয়া বৰুৱাৰ জীৱনীখন সন্নিবিষ্ট কৰিবলৈ অনুমতি দিয়াত আন্তৰিক কৃতজ্ঞতা জনালোঁ।

পাণ্ডুলিপিখন শ্ৰীমতী মৰমী আইদেউ, শ্ৰীমান হেমনাথ চাংকাকতি আৰু শ্ৰীমান চন্দন বৰুৱাই যুগুত কৰি দিছে। তিনিওকো আশীৰ্বাদ দিওঁ।

শ্ৰীগোলোকেশ্বৰ বৰুৱা

প্ৰকাশিকাৰ ঋণ স্বীকাৰ

এই কিতাপখন প্ৰকাশ কৰাৰ কাৰণে এইসকলে সহায় আগবঢ়াইছে :— শ্ৰীমানসকল, বৰুৱা—গোলোকেশ্বৰ ১৫০০৲, ত্ৰৈলোক্যেশ্বৰ ১০০০৲, উৎপল ৫২০৲, ভূপেন্দ্ৰনাথ ১০০৲, অঞ্জন ১০০৲, গকুলেশ্বৰ ৫০৲, দুৰ্গানাথ ৫০৲, লক্ষীৰাম ৩০৲, কমলেশ্বৰ ৩০৲, প্ৰেমানন্দ ২৫৲, খগেন্দ্ৰনাথ ২৫৲, কেশৱ ২৫৲, হৰি ২৫৲ আৰু শ্ৰীমতী আৰতি ২৫৲। সকলোটিকে হিয়া ভৰি আশীৰ্বাদ কৰিছোঁ।

শ্ৰীমতী কুমুদেশ্বৰী দেৱী

শেহতীয়াকৈ শ্ৰীমান দেবেন্দ্ৰ নাথ বৰুৱাই ১০১৲ আৰু শ্ৰীমান লক্ষীনাথ বৰুৱাই ১০০৲ দিছে। আশীৰ্বাদ।

অনুমতি পত্ৰ

মই, শ্ৰীমতী নৰ্মদা দেৱী ভট্টাচাৰ্য্য, মৃত কৃষ্ণকান্ত ভট্টাচাৰ্য্যৰ (নিঃ পশ্চিম তৰাজান, যোৰহাট টাউন) বোৱাৰী আৰু উত্তৰাধিকাৰী ও স্বত্বাধিকাৰিণীয়ে আজি এই পত্ৰৰ দ্বাৰাই শহুৰে লিখা আৰু শান্তিদূত নামৰ আলোচনীত প্ৰকাশ কৰা 'হৰনাথ পৰ্ব্বতীয়া বৰুৱা' শীৰ্ষক প্ৰবন্ধটি পুনৰ প্ৰয়োজন বুজি প্ৰকাশ কৰিবলৈ শ্ৰীগোলোকেশ্বৰ বৰুৱাক অনুমতি দিয়া হ'ল।

এই অনুমতি পত্ৰৰ ওপৰত কাৰো কোনো ৰকমৰ ওজৰ-আপত্তি নেথাকিব আৰু ৺কৃষ্ণকান্ত ভট্টাচাৰ্য্যৰ মৃয়েহে আইনসঙ্গত একমাত্ৰ জীৱিত উত্তৰাধিকাৰী ও স্বত্বাধিকাৰী। ইতি—

শ্ৰীনৰ্মদা দেৱী
২১।৮।১৯৭৩।

সংক্ষেপাৱলী আৰু গ্ৰন্থপঞ্জী

সংক্ষেপ	গ্ৰন্থৰ নাম	লিখকৰ নাম
ইন্দীবৰ	ইন্দীবৰ বৰুৱা	উপেন্দ্ৰনাথ বৰুৱা
গদ্য	Matriculation Assamese Prose Selections	Gauhati University
গফু	গঙ্গাগোবিন্দ ফুকন	বেণুধৰ শৰ্ম্মা
গীত	মণিৰাম দেৱানৰ গীত	লীলা গগৈ
গ্ৰন্থ	গ্ৰন্থাৱলী	লক্ষীনাথ বেজবৰুৱা
জীস	জীৱনী সংগ্ৰহ	অসম প্ৰকাশন পৰিষদ
দীপিকা	সন্দীপিকা	কীৰ্ত্তিনাথ বৰদলৈ
পবু	অসমৰ পদ্য বুৰঞ্জী	হৃতিৰাম হাজৰিকা
পিয়লি	পিয়লি ফুকন	ভুৱনচন্দ্ৰ সন্দিকৈ
প্ৰথম	প্ৰথম ভাৰতীয় স্বাধীনতাৰ যুদ্ধ	মাৰ্ক্স আৰু এঙ্গেলচ অনুঃ কীৰ্ত্তিনাথ বৰদলৈ
ফুকন	পিয়লি ফুকন নাটক	এ. ছ. লিঃ প্ৰকাশিত
বুৰঞ্জী	আসাম বুৰঞ্জী	গুণাভিৰাম বৰুৱা
মণিৰাম	মণিৰাম দেৱান	বেণুধৰ শৰ্ম্মা
সদৰামীন	সদৰামীনৰ আত্ম জীৱনী	সঃ কুমুদচন্দ্ৰ বৰদলৈ
স্মৃতি	স্মৃতিগ্ৰন্থ	তিনিচুকীয়া মহকুমা উৎসৱ পালন সমিতি প্ৰকাশিত
ADC	Assam : In the Days of the Company	Dr. H. K. Barpujari
AGA	A Glimpse of Assam	Upendra Nath Barua
AHA	A History of Assam	E. A. Gait
AT	Assam Tribune Independence Day No. 1949	
CHI	Constitutional History of India	V. D. Mahajan

বাৰ

GMI	Great Men of India	Rushbrook Williams
HCIP IX, X,XI	History and culture of the Indian people Vol. IX,X,XI	
HFM	History of Freedom Movement	Tarachand
HIM	A History of Indian Mutiny	Charles Ball
1857	Eighteen Fifty Seven	Dr. S. N. Sen
Impsct	British Impact On India	Percival Griffiths
IWI	The Indian War of Independence	V. D. Savarkar
LR	Landmarks of The Freedom Struggle In Assam	Kesab Narayan Dutta
Mutiny	Sepoy Mutiny And The Revolt of 1857	Dr. R. C. Majumdar
Rani	Rebellious Rani	Smyth
RGM	Reminiscences of The Great Sepoy Mutiny	Forbes-Mitchell
Table	Genealogical Table of Bhatia Barbara Family	Gauri Charan Barbara

সংক্ষেপ	অসমীয়া	ইংৰাজী
অঃ	অশ্বাৰোহী পন্টন	Native Cavalry Regiment
পঃ	পদাতিক পন্টন	Native Infantry Regiment

ওপৰঞ্চি গ্ৰন্থপঞ্জী

আহোমৰ দিন	হিতেশ্বৰ বৰবৰুৱা
সাতান্ন ছাল	বেণুধৰ শৰ্মা
আমি সুভাষ বলছি	শৈলেশ দাস
ঝাঁন্সীৰ ৰাণী	মহাশ্বেতা ভট্টাচাৰ্য্য
A History of The Assam Company	H. A. Antrobus
Battles of The Indian Mutiny	M. Edwardes
History of The Freedom Movement In India	Dr. R. C. Majumdar
New India 1885	Brunton Jr.

বিষয় সূচী....

প্ৰথম ভাগ

বিদ্ৰোহৰ গুৰি কথা / এনফিল্ড ৰাইফল / ১
জুই বিয়পি পৰিল / মীৰাট / ৬
দিল্লী / বাহাদুৰ শাহ / ৭
বেগম জিনৎ মহল / ১১
কানপুৰ / নানা চাহাব / ১১
তাত্তিয়া তোপে / ১৫
আৱধ / বেগম হজৰৎ মহল / ১৭
মৌলৱী আহমদুল্লা / ১৯
ঝাঁন্সী / ৰাণী লক্ষ্মীবাঈ / ১৯
শাহজাদা ফিৰোজ শাহ / ২৪
শাহাবাদ (বিহাৰ) / ৰাণা কুমাৰ সিংহ / ২৪
চিপাহী / ২৫
সকলোৱে কি বিদ্ৰোহত যোগ দিছিল ? / ২৯
ভাতৃত্বৰ নাগপাশ / ৩১
চিপাহী বিদ্ৰোহ কি ভাৰতৰ স্বাধীনতাৰ প্ৰথম যুদ্ধ ? / ৩৩

দ্বিতীয় ভাগ

আগকথা / ৩৮
অসমৰ চিপাহী বিদ্ৰোহৰ বৈশিষ্ট্য / ৪৫
বিদ্ৰোহৰ বাতৰি / ৪৭

মণিৰাম দেৱানে কি স্বাধীনতাৰ কাৰণে বিদ্ৰোহ কৰিছিল ? / ৪৯
দেৱানৰ বিদ্ৰোহ জলা হলে কি হলহেঁতেন ? / ৫৫
মণিৰাম দেৱানৰ মহামানৱীয়তা / ৬৩
মণিৰাম দেৱানৰ বিচাৰ আৰু ফাঁচী / ৬৫
দেৱানৰ অন্তিম বাণী আৰু পূৰ্ব শত্ৰু / ৬৯
আতিশয্যৰ পানীমিঠৈ / ৭০
মণিৰাম দেৱানৰ প্ৰতাৰণা / ৭৪
মুক্তি যুঁজৰ নন ৰূপ / ৮০

তৃতীয় ভাগ

হৰনাথৰ বাল্য জীৱন / ৮৭
অসমে ব্ৰিটিছক আদৰে আৰু হৰনাথে ব্ৰিটিচৰ বিষয় লয় / ৯৩
ৰজা পুৰন্দৰ সিংহ / ৯৬
ৰজাই হৰনাথক পৰ্ব্বতীয়া বৰুৱা পাতে / ৯৭
হৰনাথে পুনৰ ইংৰাজৰ বিষয় লয় / ৯৮
হৰনাথ গোলাঘাটৰ সদৰামীন / ১০০
সদৰামীনৰ আদৰ্শ ধৰ্ম-জীৱন / ১০৩
পৰ্ব্বতীয়া বৰুৱাৰ ব্যক্তিত্ব / ১০৬
সমাজ সেৱাত পৰ্ব্বতীয়া বৰুৱা / ১০৮
ঘৰুৱা জীৱন / ১১০
মহাপ্ৰয়াণ / ১১৩

পৰিশিষ্ট

হৰনাথ পৰ্ব্বতীয়া বৰুৱাৰ জীৱনী / শ্ৰীকৃষ্ণকান্ত ভট্টাচাৰ্য্য / ১১৪
(ভূতপুৰ্ব্ব আসাম বিলাসিনীৰ সম্পাদক)

★★

এক

বিদ্ৰোহৰ গুৰিকথা

আটাইতকৈ উন্নত অস্ত্ৰ-শস্ত্ৰেৰে সুসজ্জিত সুসংহত সৈন্যই সহজে বিজয় লাভ কৰে। অত্যুৎকৃষ্ট অস্ত্ৰ-শস্ত্ৰৰ আৱিষ্কাৰ কৰাৰ কাৰণে গৱেষণা সদায় চলাই থকা হৈছে। ১৮৫২ চনত বিলাতত পৰীক্ষা চলাই এটা উন্নত ৰাইফল তৈয়াৰ কৰা হৈছিল। ইয়াৰ নাম থোৱা হল এনফিল্ড ৰাইফল (Enfield rifle)। এইটো ৰাইফলৰ গুলীত (cartridge) তেল ঘঁহা হৈছিল, তেল ঘঁহিলেহে গুলীটো সহজে নলিছাৰ ভিতৰলৈ সোমাই গৈছিল। ভাৰতৰ জলবায়ুয়ে তেলঘঁহা গুলী সুজে নে নুসুজে পৰীক্ষা কৰি চাবলৈ ইষ্ট ইণ্ডিয়া কোম্পানীৰ চৰকাৰে ১৮৫৩ চনত কেইটামান গুলী ভাৰতলৈ আনে আৰু পৰীক্ষা কৰি চাই সন্তোষ-জনক ফল পায়। ১৮৫৬ চনৰ শেহৰ ফালে এনফিল্ড ৰাইফল আৰু গুলী ভাৰতলৈ অনা হয়। এই ৰাইফলৰ ব্যৱহাৰ শিকাবৰ কাৰণে ডামডাম, আম্বালা আৰু শিয়ালকোটত প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰা হয়। চিপাহীবিলাকে এই তিনিটা কেন্দ্ৰত প্ৰশিক্ষণ লয়। ডামডাম আৰু মীৰাটত গুলীও তৈয়াৰ কৰা হয়। গুলীত লগোৱা তেল গাহৰি অথবা

গৰুৰ চৰ্বিৰ পৰা তৈয়াৰ কৰা হৈছিল। এইটো কথা চিপাহীবিলাকে এনফিল্ড ৰাইফলৰ প্ৰথম প্ৰবৰ্তন কৰাৰ সময়ত জনা নাছিল। ১৮৫৬ চনৰ নৱেম্বৰ মাহত ধুনুক ঘানাকৈ কথাটো ওলাইছিল আৰু বেঙ্গল ৰেজিমেণ্টৰ চিপাহীৰ ভিতৰত জনাজনি হৈছিল। চিপাহীবিলাকে মাত্ৰ কোৱাকুই কৰি আছিল, কথাটো ৰাষ্ট্ৰ হোৱা নাছিল। ১৮৫৭ চনৰ জানুৱাৰীৰ আগভাগত এদিন ডামডামৰ হীন বৰ্ণৰ খালাচী এজনে ব্ৰাহ্মণ চিপাহী এজনক পানী খাবলৈ তেওঁৰ লোটাটো বিচাৰিলে। ব্ৰাহ্মণ চিপাহী-জনে জাত যোৱাৰ ভয়ত লোটাটো নিদিলে। তেতিয়া খালাচীজনে কলে—'তুমি জাতৰ কথা বৰকৈ ভাবিছা, কিন্তু অলপ ৰবা, চাহাববোৰে তোমাক গৰু আৰু গাহৰিৰ তেলেৰে বুকুৱা গুলী দাঁতেৰে কামোৰাব, তোমাৰ জাত থাকিব ক'ত?' এই কথা শুনি ব্ৰাহ্মণৰ জীউ উৰি গ'ল। তেওঁ কথাটো লগৰীয়াসকলক ক'লেগৈ। নিমিষতে খবৰটো কলিকতাৰ পৰা পশ্চিমৰ ফালে গৈ গৈ পেশোৱাৰ পালেগৈ। চিপাহীবিলাক জাত যোৱাৰ ভয়ত আৰু ধৰ্মভ্ৰষ্ট হোৱাৰ ভয়ত সন্ত্ৰস্ত হৈ উঠিল। তেওঁলোকে নিজৰ বিপদৰ কথা ওপৰৱালাক কৈ তেল ঘঁহা গুলী লৈ যাবলৈ ক'লে।

বেৰেকপুৰৰ সেনাধ্যক্ষ জেঃ হেয়াৰ্সে (Gen Hearsey) গৱৰ্ণমেণ্টক জনালে যে চিপাহীবিলাকক নিজৰ মতে গুলীত তেল ঘঁহি লবলৈ অনুমতি দিব লাগে। গৱৰ্ণমেণ্টে এইটো অনুমোদন ১৮৫৭ জানুৱাৰী ২৭ তাৰিখে মানি লয়। কিন্তু এডজাটেণ্ট জেনেৰেলে (Adjutant General) গৱৰ্ণমেণ্টক বুজায় দিয়ে যে ছাগলীৰ তেলহে গুলীত ব্যৱহাৰ কৰা হৈছে আৰু নতুন নিয়মৰপৰা চিপাহীয়ে বিশ্বাস কৰিব যে পূৰ্বে কৰা আপত্তি সঁচা আছিল। তেতিয়া গৱৰ্ণমেণ্টে হুকুম দিলে যে যদি তেল আপত্তিজনক চৰ্বিৰপৰা তৈয়াৰ কৰা হোৱা নাই, তেন্তে পূৰ্বৰ নিয়ম বাহাল থাকিব।[১]

এডজাটেণ্ট জেনেৰেলে গৱৰ্ণমেণ্টক আচল কথা কোৱা নাছিল। বন্দুকৰ গুলীত লগোৱা তেল প্ৰকৃততে গৰু আৰু গাহৰিৰ চৰ্বিৰপৰা তৈয়াৰ কৰা হৈছিল। [২] এইবিধ গুলীৰ ব্যৱহাৰ তলত দিয়া ধৰণে কৰা হৈছিল।

এনফিল্ড ৰাইফলত খাৰ আৰু গুলী বেলেগে ভৰোৱা হৈছিল। 'এটা লেফাফাত খাৰখিনি ভৰাই লেফাফাটো গুলীটোৰ লগত বান্ধি দিয়া

[১] Mutiny পৃঃ ৭০ [২] Mutiny পৃঃ ৪৪২

হৈছিল। খাৰখিনি যাতে সেমেকি নাযায় আৰু গুলীটো যাতে সহজে সোমাই যায়, খাৰ থোৱা লেফাফাটোত আৰু গুলীটোত তেল ঘঁহা হৈছিল। চিপাহীয়ে দুইটা আঁঠু আৰু দুইখন হাত ৰাইফল ভৰাওঁতে ব্যৱহাৰ কৰিব লগাত পৰিছিল। এখন হাতেৰে গুলীটো ধৰিছিল, ৰাইফলটো আঁঠু দুটাৰ মাজত চেপি ৰখা হৈছিল, আনখন হাতৰ তলুৱাত খাৰখিনি ঢালি লৈ নলীৰ ভিতৰত ভৰাই তললৈ খুন্দিয়াই দিয়া হৈছিল আৰু তাৰ পিচত গুলীটো সুমুৱাই দিয়া হৈছিল। খাৰখিনি উলিয়াওঁতে লেফাফাটো দাঁতেৰে ফালিব লগাত পৰিছিল আৰু ফলত তেল ঘঁহা লেফাফাটো মুখত লাগিছিল। সেই কাৰণেই জাত যোৱাৰ ভয়ৰ উদ্ভৱ হৈছিল।'[৩]

গৱৰ্ণমেণ্টৰ তৰফৰ পৰা এনো নকৰাত চিপাহীৰ ভয় বাঢ়ি গ'ল। আৰু এটা জনৰৱ প্ৰচাৰিত হ'ল যে ইংৰাজ কৰ্মচাৰীবিলাকে চিপাহীৰ জাত মাৰিবলৈ গৰুৰ হাড়ৰ গুৰি আটাৰ লগত মিহলাই দিছে আৰু খোৱা পানীৰ কুঁৱাত পেলাই দিছে। তেওঁলোকে ভাবিবলৈ ধৰিলে, গৱৰ্ণমেণ্টে জাত মাৰিহে এৰিব, সকলোকে খ্ৰীষ্টান কৰিহে এৰিব। সেই সময়ত কিছুমান সামৰিক বিষয়াই যথা বেৰেকপুৰত কঃ হুইলাৰে (Col. Wheler) চিপাহীবিলাকক খ্ৰীষ্টান হবলৈ উপদেশ দিছিল। চিপাহীবিলাকে তেওঁলোকৰ বিপদৰ কথা ওপৰৱালাক বুজাই কলে, গুলী ব্যৱহাৰ কৰিলে তেওঁলোকৰ ধৰ্ম নষ্ট হব, পতিত হব, সমাজে ঠাই নিদিব, পিণ্ড নাপাব, ইহকুল পৰকুল দুই কুল হেৰুৱাব। তেওঁলোকৰ ওপৰৱালাৰ অধিক সংখ্যকে এইটো কথা বুজিছিল কিন্তু উচ্চতম কৰ্তৃপক্ষই এইটো বুজা নাছিল। সহানুভূতিশীল ওপৰৱালাই গৱৰ্ণমেণ্টক পৰামৰ্শ দিলে যে ড্ৰিলৰ পদ্ধতি এনেভাবে সংশোধন কৰা উচিত যাতে দাঁত লগোৱাৰ প্ৰয়োজন নহয়। কিন্তু গৱৰ্ণমেণ্টৰ ফালৰপৰা কোনো খৰতকীয়া ব্যৱস্থা গ্ৰহণ কৰা নহ'ল। যাহওক ১৮৫৭ মাৰ্চৰ ৫ তাৰিখে সংশোধনৰ কাৰণে চৰকাৰে সামৰিক বিভাগক অনুমোদন জনালে। খাৰৰ লেফাফাটো আৰু গুলীৰ মূৰটো আঙুলীৰে ফালিবপৰা ব্যৱস্থা কৰি দাঁতেৰে কামুৰি ফালিব নলগা কৰি ড্ৰিলৰ পদ্ধতি পৰিৱৰ্তন কৰা হ'ল। এইটো একো সন্তোষজনক ব্যৱস্থা নাছিল কিয়নো হিন্দুৰে গৰু আৰু গাহৰিৰ তেল আৰু মুছলমানে গাহৰিৰ তেল চুলেই অপৱিত্ৰ হৈছিল। কিন্তু এই হুকুমো সময় মতে সকলোবিলাক সামৰিক ঘাঁটিত জনাই দিয়া হোৱা নাছিল।

[৩] Rani পৃঃ ৩৮-৩৯

ইতিমধ্যে ধৰ্ম নষ্ট যোৱাৰ ভয়ত, ক্ৰীশ্চান হোৱাৰ ভয়ত চিপাহীবিলাক উধাতু খাই উঠিল, দুঃশ্চিন্তা আৰু অশান্তিৰ মাজত দিন কটাবলৈ ধৰিলে। মুৰ্ছিদাবাদৰ ওচৰৰ বৰহমপুৰত ১৯ নং পঃ আছিল। এই চিপাহীবিলাকো মানসিক অশান্তিত ছাটি-ফুটি কৰি মৰিছিল। বেৰেকপুৰৰ ৩৪ নং পঃৰ দুটা দল বিশেষ কামত ১৮৫৭ ফেব্ৰুৱাৰী ২৪ তাৰিখে বৰহমপুৰ পায়হি ১৯ নং পঃৰ চিপাহীয়ে বেৰেকপুৰৰ অৱস্থাৰ বিষয়ে কথা-বাৰ্তা হয়। এওঁলোকে পাৰকাস্যন কেপ (percussion cap) লবলৈ অস্বীকাৰ কৰে। তেওঁলোকৰ সেনাধ্যক্ষ কঃ মিছেলে (Col Mitchell) বৰ ৰাগা-ৰাগি কৰে আৰু কাৰ্টিজ লবলৈ বাধ্য কৰিবলৈ বিচাৰে। ফেব্ৰুঃ ২৬ তাৰিখে পুৱা পেৰেদ হব বুলি তেওঁ হুকুম দিয়ে। ৰাতিপুৱাৰ আগতে গোলমাল আৰম্ভ হ'ল। চিপাহীবিলাকে বন্দুকত গুলী ভৰাই ললে। কঃ মিছেলো তেওঁলোকক দমাবলৈ প্ৰস্তুত হ'ল। দেশীয় অফিচাৰসকলে তেওঁক বুজাই দিয়ে যে চিপাহীয়ে ধৰ্ম নষ্টৰ ভয়তহে তেনে কৰিছে, আনুগত্যহীনতাৰ কাৰণে নহয়। তেতিয়া তেওঁ ঠাণ্ডা হ'ল। পূৰ্বৰ শান্ত অৱস্থা ঘুৰি আহিল।

১৯ নং পঃৰ আচৰণ অত্যন্ত নিয়মতান্ত্ৰিকতা বিৰোধী বুলি গৱৰ্ণমেণ্টে তেওঁলোকক ক্ষমা নকৰিলে। ৰেজিমেণ্টটোক নিৰস্ত্ৰ কৰি ভাঙ্গি দিবলৈ স্থিৰ কৰা হ'ল। ৰেঙ্গুনৰ পৰা গোড়া পল্টন অনা হয়। ১৯ নং পঃ বেৰেকপুৰলৈ আহে। ১৮৫৭ মাৰ্চ ৩১ তাৰিখে ইয়াক ভঙ্গ (disband) কৰি দিয়া হয়।

১৯ নং পঃ এই লাজ লগা দুৰ্ভাগ্যৰ বলি হৱলগীয়া হোৱা দেখি ৩৪নং পদাতিকে নিজকে জগৰীয়া বুলি ভাবিবলৈ ধৰিলে। মঙ্গল পাণ্ডে নামৰ এজন চিপাহীয়ে মৰ্মান্তিক বেজাৰ পালে আৰু মাৰ্চ ২৯ তাৰিখে নিজে অকলেই বিদ্ৰোহ কৰি কোৱাৰ্টাৰ গাৰ্ডৰ সাৰ্জেণ্ট-মেজৰক গুলী কৰে। লেঃ বাফক (Baugh) কথাটো জনোৱা হ'ল। তেওঁ লৰালৰিকৈ আহিল। মঙ্গলে তেওঁকো গুলী কৰে। কিন্তু গুলী তেওঁৰ ঘোঁৰাৰ গাত লগাত ঘোঁৰাটো পৰি গ'ল। কোৱাৰ্টাৰ গাৰ্ডৰ কোনোৱে আহি তেওঁক সহায় নকৰিলে। মঙ্গল পাণ্ডেই গুলী ভৰাই থাকোঁতে বাফে পাণ্ডেক গুলী কৰে কিন্তু গুলী নালাগিল। তেতিয়া সাৰ্জেণ্ট মেজৰ সহায় কৰিবলৈ আহিল। মঙ্গলে দুয়োকো তৰোৱালেৰে কাটিলে আৰু

অন্য এজন চিপাহীৰ খুন্দাত দুয়ো পৰি গ'ল। পল্টু সেখ নামে এজন চিপাহীয়ে পাণ্ডেক ধৰি পেলালে, বাফ আৰু সাৰ্জেণ্ট মেজৰ পলাল। খবৰ পাই জেঃ হিয়াৰ্সে নিজ পুত্ৰ দুজনৰ সৈতে ঘোঁৰা দৌৰাই আহিল। মঙ্গলে লগৰীয়াসকলক তেওঁক ৰক্ষা কৰিবলৈ, ধৰ্ম আৰু জাত ৰক্ষা কৰিবলৈ আহ্বান জনালে। কোনো নাহিল। মঙ্গলে হিয়াৰ্সে আৰু তেওঁৰ পুত্ৰ দুজনক গুলীয়ালে কিন্তু গুলী নালাগিল। তেওঁ আত্মহত্যা কৰিবলৈ নিজৰ বুকুলৈ গুলী কৰিলে, আঘাত মাৰাত্মক নহ'ল, হস্পি-তালৰ চিকিৎসাত বাচিল। জামাদাৰ ঈশ্বৰ পাণ্ডে নীৰৱ দৰ্শক হৈ চাই আছিল। মঙ্গল পাণ্ডে আৰু জামাদাৰজনৰ বিচাৰ হ'ল। বিচাৰত দুয়োৰো ফাঁচীৰ হুকুম দিয়া হয়। মঙ্গল পাণ্ডেক ১৮৫৬ এপ্ৰিলৰ ৪ তাৰিখে ফাঁচী দিয়া হয়। মে' ৪ তাৰিখে ৩৪ নং পঃকো ভাঙ্গি দিয়া হয়।

তেল ঘঁহা গুলীলৈ ১৮৫৭ জানুৱাৰীৰপৰা ভাৰতৰ ইমূৰৰপৰা সিমূৰলৈ অশান্তি উমি উমি আছিল। চিপাহীবিলাকে নিজৰ বেৰেকত, চাহাবৰ বঙ্গলাত জুই লগাই দি বিক্ষোভ প্ৰকাশ কৰিছিল। বেৰেকপুৰ, ৰাণীগঞ্জ, আগ্ৰা, আৱধ, মীৰাট, লাহোৰ, আম্বালা আদি ঠাইত সেই জুই বিয়পি পৰিছিল। বেঙ্গল আৰ্মীৰ অধিক সংখ্যক চিপাহী আৱধৰপৰা আহিছিল আৰু বেছি ভাগেই ব্ৰাহ্মণ আছিল। ভাঙ্গি দিয়া ১৯ নং পল্টনত আছিল ব্ৰাহ্মণ ৪০৯, ৰাজপুত ১৮০। ৩৪ নং পঃত ব্ৰাহ্মণ ৩৩৫, ৰাজপুত ২৩৭, নিম্নবৰ্ণ ২৩৯, মুছলমান ২০০, শিখ ৭৪ আৰু ক্ৰীশ্চান ১২, মুঠ ১০৮৯। দলভঙ্গ চিপাহীবিলাকে কেনেকৈ ইংৰাজে জাত মাৰিবলৈ বিচা-ৰিছে, সকলোকে ক্ৰীশ্চান কৰিবলৈ বিচাৰিছে, এইবোৰ প্ৰচাৰ কৰিবলৈ ধৰিলে। জনসাধাৰণো ভয় খাই উঠিল। পৰিৱেশ উত্তপ্ত হ'ল। এনেকৈ থাকোঁতে মীৰাটত ১৮৫৭ মে' ১০ তাৰিখে জুই জ্বলি উঠে। জুই জ্বলি জ্বলি ভাৰত চাই কৰিবলৈ বায়ুবেগে বিয়পি পৰে। প্ৰধান প্ৰধান অগ্নি-ক্ষেত্ৰ আছিল, বিহাৰৰ আৰা, দানাপুৰ আৰু জগদীশপুৰ (শাহাবাদ জিলা); কানপুৰ, বিথুৰ, এলাহাবাদ, বনাৰছ; দোৱাব বিশেষকৈ মীৰাট; আৱধ বিশেষকৈ লক্ষ্ণৌ; দিল্লী ৰোহিলাখণ্ড আৰু ঝাঁন্সী। এই বিদ্ৰোহৰ প্ৰধান নায়ক আছিল বাহাদুৰ শাহ, নানাচাহাব, তাতিয়া তোপে, কুমাৰ সিংহ, খাঁ বাহাদুৰ খাঁ, ফাইজাবাদৰ মৌলৱী, শাহজাদা ফিৰুজ শাহ আৰু চিপাহী। প্ৰধান নায়িকা আছিল, ৰাণী লক্ষ্মীবাঈ, বেগম হজৰত মহল আৰু বেগম জিনৎ মহল। প্ৰধান প্ৰধান নায়ক-নায়িকাসকলৰ

ভূমিকা আলোচনা কৰাৰ আগতে মীৰাটৰ অভ্যুত্থানৰ বিষয়ে আলোচনা কৰা হ'ল।

দুই

জুই বিয়পি পৰিল ॥ মীৰাট

মীৰাটত গোড়া সৈন্য আছিল, ৬০ নং ৰাইফল বেটেলিয়ান আৰু এটা ড্ৰেগুণ ৰেজিমেণ্ট (Dragoon regiment), এদল অশ্বাৰোহী আৰু পদাতিক, মুঠ প্ৰায় ১৫০০ গোড়া সৈন্য। ভাৰতীয় ১১ নং আৰু ২০ নং পঃ আৰু ৩ নং অঃ। ৩ নং ভাৰতীয় অশ্বাৰোহী বাহিনীৰ সেনাপতি আছিল কঃ কাৰমাইকেল স্মিথ. (Col. Carmichael Smyth)। তেওঁ এপ্ৰিলৰ ২৩ তাৰিখে হুকুম জাৰি কৰিলে যে পিচদিনা পুৱা ৯০ জন সওৱাৰে (অশ্বাৰোহীয়ে) পেৰেদ কৰিব, এই পেৰেদত দাঁতেৰে নাকামোৰাকৈ কেনেকৈ বন্দুকত গুলী ভৰাব পাৰি প্ৰদৰ্শন কৰা হব। পিচদিনা পুৱা ৯০ জন সওৱাৰ পেৰেদলৈ আহে, ৫ জনে গুলী ললে, বাকী ৮৫ জন গুলী লবলৈ অমান্তি হ'ল। মিলিটাৰী আদালতে তেওঁলোকৰ বিচাৰ কৰি দহ বছৰ সশ্ৰম কাৰাদণ্ড দিয়ে। এই আদালতে আইন অমান্যৰ নামত বুজিব নুখুজিলে যে ধৰ্ম নষ্ট হোৱাৰ ভয়তহে এই দোষ কৰিছিল। দণ্ড অতি গুৰুতৰ হলেও কোনো কথা নাছিল। কিন্তু এই দণ্ডাদেশ অতি জঘন্য ভাবে পালন কৰা হয়। মে ৯ তাৰিখে বন্দীসকলক পেৰেদ-ভূমিলৈ অনা হয়। জনসাধাৰণ, য়ুৰোপীয় আৰু ভাৰতীয় চিপাহীও তাত আছিল। বন্দী চিপাহীবিলাকৰ সাজ কাঢ়ি লোৱা হয়। তেতিয়া কমাৰ আগবাঢ়ি আহে আৰু ভৰিত লোহা লগাবলৈ ধৰে। তেওঁলোক লাজতে মৰি যায়, তেওঁলোকে জেনেৰেলক ক্ষমা কৰিবলৈ খাটে, কিন্তু তেওঁলোকক ক্ষমা কৰা নহ'ল। তেতিয়া তেওঁলোকে সহকৰ্মীসকললৈ চাই নীৰৱে এনে

অপমান সহ কৰি থকাৰ কাৰণে তেওঁলোকক তিৰস্কাৰ কৰে। কিন্তু তেতিয়া সহকৰ্মীবিলাকে লাজ-খং-অপমানত গুজৰি গুমৰি থাকিলেও অস্ত্ৰ-শস্ত্ৰেৰে সুসজ্জিত ইংৰাজসকলক আক্ৰমণ কৰাৰ উপায় নাছিল। বন্দী-বিলাকক জেললৈ লৈ যোৱা হয় আৰু এজন ভাৰতীয় চিপাহীক প্ৰহৰী ৰখা হয়। চিপাহীবিলাকৰ কাৰণে নিজৰ লগৰীয়া ৮৫ জন সওৱাৰৰ প্ৰতি কৰা বৰ্বৰ ব্যৱহাৰ আৰু অপমান সহ কৰা টান হৈ উঠিল। তেওঁলোকে প্ৰতিশোধ লবলৈ আলোচনা কৰিবলৈ ধৰিলে।

১০ মে' ৰবিবাৰে সন্ধ্যা বেলিকা গোড়া ৰাইফলধাৰীবিলাক চাৰ্চ (Church) পেৰেদৰ কাৰণে গোট খায়হি। এটা ৰান্ধনী ল'ৰাই চিঞৰ মাৰি দিয়ে, 'ৰাইফলধাৰী আৰু গোলন্দাজসকলে ভাৰতীয় চিপাহীক নিৰস্ত্ৰ কৰিবলৈ আহিছে।' ভয় খাই চিপাহীবিলাকে বন্দুক লৈ সাজু হয়। ৩ নং অশ্বাৰোহীয়ে আগভাগ ললে। তেওঁলোকে জেললৈ গৈ ১৮৫ সওৱাৰ আৰু অন্যান্য কয়েদিবিলাকক মুকলি কৰি দিলে। গুণ্ডা, দুৰ্বৃত্ত দলে দলে আহি ভৰি পৰিলহি। মুহূৰ্ততে মৰা-কটা, লুট-পাট, জুই আৰম্ভ হ'ল। শিশু, বনিতা কাকো বাদ দিয়া নহ'ল। দুই-এক চিপাহী লিপ্ত হলেও আগভাগত এইবিলাক দুষ্কৰ্ম দুৰ্বৃত্তবিলাকে, গুণ্ডাবিলাকে কৰিছিল। চিপাহীবিলাকে এনেকৈ বিদ্ৰোহ কৰিবলৈ পৰিকল্পনা কৰা নাছিল। মিছা জনৰৱত সন্ত্ৰস্ত হৈ বিদ্ৰোহ কৰিলে। এনেকৈ জুই জ্বলিল আৰু এই জুই সমগ্ৰ ভাৰতত বিয়পি পৰিল।

তিনি

দিল্লী ॥ বাহাদুৰ শাহ

চিপাহীবিলাকে কি কৰা উচিত চিন্তা কৰিবলৈ ধৰে, কলৈ যাব একো উৱাদিহ নাপালে। বহুপৰ আলোচনা কৰাৰ পিচত এটা দলে দিল্লীলৈ যোৱাকে ঠিক কৰে। বাকীবিলাকে নিজ ইচ্ছাতে যেনি তেনি গুচি যায়।

দিল্লীলৈ যোৱা দলটোৱে মে' ১১ তাৰিখে নিচেই পুৱাতেই দিল্লী পাইহি আৰু পোনে পোনে লালকিল্লালৈ আহি বাদশাহক দেখা কৰেহি।

বাদশাহ আছিল মহম্মদ সুৰজ-উদ্দীন শাহ গাজী। তেওঁ চমুকৈ বাহাদুৰ শাহ (২য়) বুলি জনাজাত। তেওঁ টাইমুৰ, বাবৰ, আকবৰ আদি মোগল সম্রাটসকলৰ বংশধৰ। তেওঁৰ ককাক আছিল শাহ আলম। মাৰাঠাবিলাকে শাহ আলমক বন্দী কৰি থৈছিল। তেওঁ জৰাজীৰ্ণ, অন্ধ আৰু অলৰ-অথৰ হৈছিল। তেওঁক জেঃ লেকে (Gen. Lake) উদ্ধাৰ কৰি দিল্লীৰ সিংহাসনত বহুৱায় আৰু কোম্পানীৰ চৰকাৰে তেওঁক ১৩·৫০ লাখ টকা বছৰেকত পেঞ্চন দিয়ে। তেওঁ ১৮০৬ চনত ঢুকায়। তেওঁৰ পিচত তেওঁৰ জ্যেষ্ঠ পুত্ৰ মিৰ্জা আবু জাফৰ বাদশাহ হয়। এওঁৰ মৃত্যু হয় ১৮৩৭ চনত। তেতিয়া বাহাদুৰ শাহ (২য়) বাদশাহ হয়। তেওঁৰ সাম্রাজ্য লালকিল্লাৰ চাৰি সীমাৰ ভিতৰতে পৰিসীমিত আছিল। কিন্তু তেওঁৰ আছিল অশেষ সন্মান আৰু তেওঁক ভাৰতৰ অগণন লোকে অতীত গৌৰৱৰ জীৱন্ত প্ৰতিমূৰ্ত্তি বুলি অশেষ শ্ৰদ্ধা কৰিছিল। সেই কাৰণে বিদ্ৰোহীবিলাকে আহি তেওঁক ধৰিলেহি, তেওঁক হিন্দুস্তানৰ সম্রাট পাতিব তেওঁ সন্মতি দিয়ক।

বাদশাহে আপত্তি কৰিলে—তেওঁ পেঞ্চনাৰ মাত্ৰ, তেওঁৰ সহায় কৰাৰ আৰু দৰমহা দিয়াৰ সামৰ্থ্য নাই। চিপাহীয়ে কলে, তেওঁ একো চিন্তা কৰিব নালাগে, তেওঁলোকক দৰমহা নালাগে। তেওঁ চিপাহীবিকাকক খোলা খুলিকৈ কৈ দিলে, তেওঁলোকৰ সৈতে তেওঁৰ একো কৰিবলগীয়া নাই।[১] তেওঁ নিজ উপদেষ্টা হাকিম আহসানুল্লাৰ পৰামৰ্শ মতে আগ্ৰাৰ ছুৱলীয়া লাটলৈ সকলো কথা বৰ্ণনা কৰি এখন চিঠি দিয়ে। তেওঁ আশা কৰিছিল যে ছুৱলীয়া লাটে খবৰ পায়েই আহি বিদ্ৰোহীক খেদি দিবহি। কিন্তু বিদ্ৰোহীক খেদিবলৈ কোনো নাহিল। বিদ্ৰোহীৰ হেঁচাত বাদশাহে সন্মতি দিয়ে। মাজনিশা হিলৈৰ ২১ জাঁইয়ে বাদশাহক হিন্দুস্তানৰ সম্রাট বুলি ঘোষণা কৰে।[২]

তিনিদিন ধৰি চিপাহীবিলাকে দিল্লীখন লুটপাট কৰে। তেওঁলোকৰ

[১] 1857 পৃঃ ৭১ [২] 1857 পৃঃ ৭২

লগত গুজৰ, ৰংঘৰ, মেৱাতি আৰু অন্যান্য দস্যু প্ৰকৃতিৰ জাতিয়ে উজা দি জনসাধাৰণক লুট কৰে। যিমান ইংৰাজ আৰু খ্ৰীশ্চান পালে কাটে লগতে নিমাখিত ভাৰতীয় জনসাধাৰণকো হত্যা কৰে। চিপাহীবিলা ইংৰাজৰ গৰাহৰপৰা দিল্লী মুকলি কৰিবলৈ অহা নাছিল, আহিছি আক্ৰমণকাৰী বহিৰাগত শত্ৰুসেনা মূৰ্তিৰে থাওঁ থাওঁকৈ। লুটি লো টকা, ধন-সোণৰ বোজাৰে লৰচৰ কৰিব নোৱাৰা হ'ল। তত্ৰাচ বাদশাহ আগত চিঞৰ-বাখৰ কৰিলেহি, তেওঁলোকক দৰমহা লাগে, ৰচদ লাগে। ৰাজকোষত টকা নাছিল। বাদশাহে চিপাহীক দৰমহা দিবলৈ, খুৱাবলৈ ধনী ধনী মানুহৰপৰা টকা ধাৰলৈ লয়। পিচলৈ জোৰকৈ লবলৈ ধৰে। ধনী মানুহৰ, বেপাৰীসকলৰ, জনসাধাৰণৰো বিলৈ বিপত্তিৰ অন্ত নোহোৱা হয়। দলে দলে মানুহ আহি বাদশাহৰ ওচৰত চিপাহীৰ উৎপাতৰ পৰা উদ্ধাৰ কৰিবলৈ খাটেহি। বাদশাহে হুকুম দিলে—'চিপাহীবোৰক বাহিৰ কৰি দিয়া।' কিন্তু বাহিৰ কৰে কোনে? চিপাহীবিলাকক বাহিৰ কৰি দিবলৈ তেওঁৰ নিজা কোনো ফৌজ নাছিল। অত্যাচাৰ উৎপীড়নৰ পৰা প্ৰজাক ৰক্ষা কৰিবলৈ বাদশাহে চেষ্টা কৰিছিল কিন্তু বাদশাহৰ এই কৰ্তব্য পালন কৰিবলৈ লেশমাত্ৰও সামৰ্থ নাছিল।

বিদ্ৰোহী চিপাহীবিলাকে লুটপাট কৰি নিজৰ ভিতৰতে কাজিয়া কৰি সময় কটালে। বহুত চিপাহীয়ে লুটি পোৱা ধন-সোণ লৈ পলাই গ'ল। ইংৰাজে যে দিল্লী পুনৰ উদ্ধাৰ কৰিবলৈ আহিব, ইংৰাজৰ সৈতে যুঁজিবলৈ প্ৰস্তুতি চলাব লাগিব এইবিলাক কথা বিদ্ৰোহীৰ মগজত নেখেলালে। পঞ্জাব আৰু মীৰাটৰপৰা ইংৰাজ সৈন্য আহি দিল্লীৰ গাতে লগা এশাৰী টিলাৰ ওপৰত ছাউনী পাতেহি; এই টিলাশাৰী ৰীজ (Ridge) নামে জনাজাত হয়। ১৮৫৭ চেপ্তেম্বৰৰ ১৪ তাৰিখে ইংৰাজ সৈন্যই দিল্লীৰ কাশ্মীৰী দুৱাৰ উৰুৱাই দি দিল্লী সোমাই আৰু ৬ দিন যুদ্ধ কৰি বিদ্ৰোহীবিলাকক সম্পূৰ্ণ ভাবে বিধ্বস্ত কৰে। বাহাদুৰ শাহ পলাই গৈ হুমায়ুনৰ কবৰখানাত লুকাই আছিল। চেপ্তেম্বৰৰ ২১ তাৰিখে হড্চনে (Hodson) তেওঁক বন্দী কৰি লৈ আহে। পিচদিনা হড্চনে তেওঁৰ দুজন পুত্ৰ আৰু এজন নাতিকো ধৰি লৈ আহি দিল্লী দুৱাৰৰ ওচৰত গুলীয়াই মাৰে। বাদশাহৰ বিচাৰ হ'ল, তেওঁক ৰেঙ্গুনলৈ নিৰ্বাসিত কৰা হ'ল। ৰেঙ্গুনত ১৮৬২ চনত আঠাশী বছৰ বয়সত তেওঁৰ মৃত্যু হয়।

বিদ্ৰোহৰ সময়ত বাদশাহৰ বয়স আশীৰ ওপৰত আছিল, এইটো সাম্ৰাজ্য স্থাপনৰ বয়স নহয়। তেওঁ ইংৰাজৰ বিপক্ষে যাবলৈ বিচৰা নাছিল। তেওঁ প্ৰথম দিনৰে পৰাই ইংৰাজৰ সৈতে যোগাযোগ চলাই আছিল। ১৮৫৭ জুলাই ৪ তাৰিখৰ চিঠিৰে তেওঁ প্ৰধান সেনাপতি ৰীদ (Reed)ক প্ৰস্তাৱ দিছিল যে যদি ব্ৰিটিছে তেওঁৰ প্ৰাণ ৰাখিব বুলি কথা দিয়ে আৰু আগৰ পেঞ্চন আৰু মৰ্য্যাদা অটুট ৰাখে তেওঁ ব্ৰিটিছ সৈন্য সোমাবলৈ দিল্লীৰ দুৱাৰবিলাক মোকোলাই দিব। তেওঁৰ গোমোস্তা ফটে মহম্মদে ১৮৫৭ জুলাই ৪ তাৰিখে নিজাকৈ দিয়া বিবৃতিত কৈছে—হেকিম আহসানউল্লাই কৈছিল যে বাদশাহে ব্ৰিটিছৰ সৈতে সন্ধি কৰিবলৈ বৰ আগ্ৰহ কৰিছে। ব্ৰিটিছে যদি কথা দিয়ে যে তেওঁৰ ১ লাখ টকাৰ মাহেকীয়া পেঞ্চন আৰু পূৰ্বৰ মৰ্য্যাদা তেওঁক দি থাকে তেন্তে তেওঁ ব্ৰিটিছৰ সৈন্যৰ কাৰণে 'জৰদৰোজা' মুকলি কৰি দিব। নদীৰ পাৰৰ ফালৰ স্থমুন্দ বুৰুজৰ তলেদি ৰাজপ্ৰাসাদলৈ গুপুতে সোমোৱা দুৱাৰখনেই 'জৰদৰোজা'।

তেওঁৰ আন্তৰিকতা থকা হলেও ইংৰাজৰ বিৰুদ্ধে যুঁজি জয়লাভ কৰিব নোৱাৰিলেহেঁতেন। তেওঁৰ কোনো যুদ্ধ-কৌশল জনা সেনাপতি নাছিল। চিপাহীবিলাক আছিল উচ্ছৃঙ্খল, সেনাপতিৰ হুকুম নেমানিছিল, মইমতীয়া, উদ্ধত আছিল। তেওঁলোকে বাদশাহক নানা প্ৰকাৰে লাঞ্ছনা কৰিছিল, তেওঁৰ জান মাৰিব বুলিও ভয় দেখুৱাইছিল। তেওঁলোকৰ অত্যাচাৰত মৰ্মাহত হৈ বাদশাহে ফকিৰ হৈ যাবলৈ ওলাইছিল। কিন্তু চিপাহীয়ে যাবলৈ নিদিলে। উচ্ছৃঙ্খল চিপাহীয়ে যুদ্ধত জিকিব নোৱাৰিব বুলি তেওঁ বুজি পাইছিল। উদ্ধাৰৰ কাৰণে ব্ৰিটিছৰ অনুগ্ৰহ ভিক্ষা কৰাৰ বাহিৰে তেওঁৰ অন্য উপায় নাছিল। বাদশাহৰ উপদেষ্টা হেকিম আহসানউল্লাৰো বিদ্ৰোহীবিলাকৰ প্ৰতি কোনো সদ্ভাৱ নাছিল। তেৱেঁ আৰম্ভণিৰেপৰা বিদ্ৰোহীবিলাকক দিল্লীৰ পৰা বাহিৰ কৰি দিবলৈ ইংৰাজৰ সৈতে গোপনে কথা হৈ আছিল। কিন্তু ইংৰাজে বুজি পাইছিল যে বাদশাহ আৰু হেকিমে ইংৰাজক সহায় কৰিবপৰা অৱস্থাত নাছিল, সেই কাৰণে ইংৰাজে কোনো সঁহাৰি দিয়া নাছিল। আহসানউল্লাই ইংৰাজৰ লগত চিপাহীৰ বিপক্ষে ষড়যন্ত্ৰ কৰিছে বুলি জানি চিপাহীসকলে আহসানউল্লাক বন্দী কৰে। বাদশাহে মৰ্মান্তিক দুখ পায়। তেওঁ নিজৰ ভাগ্যক ধিক্কাৰ দিয়ে। শাহজাদাসকলে যেতিয়া দেখিলে যে অৱস্থা অতি বেয়া তেওঁলোকে

চিপাহীসকলৰ বিৰুদ্ধে ইংৰাজ সেনাপতিৰ সৈতে কথা চলাবলৈ ধৰে। কিন্তু ইংৰাজৰ সেনাপতিয়ে কাণ নিদিলে।

বেগম জিনৎ মহল

বেগম জিনৎ মহল বাদশাহৰ তৰুণী ভাৰ্য্যা আছিল। তেৱেঁ বিদ্ৰোহীৰ জয় কামনা কৰা নাছিল আৰু বিদ্ৰোহীক খেদি দিবলৈ তলে তলে ইংৰাজক খাটি আছিল। তেওঁ দূতৰ জৰিয়তে ইংৰাজক জনাই আছিল যে বাদশাহক কৈ এটা সুবন্দোবস্ত কৰি দিব। গ্ৰেথেদে (Greathed) বেগমক জনায় যে তেওঁ বেগমৰ সুখ-শান্তি কামনা কৰে কিন্তু তেওঁৰ প্ৰস্তাৱ গ্ৰহণ কৰিব নোৱাৰে। ইংৰাজৰ ফালৰ বহুতে বিশ্বাস কৰিছিল যে বেগমে তেওঁলোকক সহায় কৰিব পাৰিলেহেঁতেন। বেগমে ইমানখিনিলৈকে গৈছে বুলি চিপাহীবিলাকে জনা নাছিল, নহলে বেগমক গুদাই নেৰিলেহেঁতেন। কিন্তু বাদশাহে ইংৰাজৰ লগত যোগাযোগ কৰি থকাৰ কথা চিপাহীবিলাকে জানিছিল আৰু সেই কাৰণে এবাৰ বেগমক পণ (hostage) স্বৰূপে লৈ যাবলৈ বিচাৰিছিল। দৰাচলতে বেগমৰ ইংৰাজক সহায় কৰিবলৈ কোনো সামৰ্থ্য নাছিল। বাদশাহৰ লগত বেগমো ৰেঙ্গুনলৈ গৈছিল।

চাৰি

কানপুৰ ॥ নানা চাহাব

কানপুৰত এদিন সন্ধ্যাপৰত এজন উদ্ধত ইংৰাজ ডেকা সামৰিক বিষয়াই মদৰ জালত এজন চিপাহীক গুলী কৰে। গুলী চিপাহীৰ গাত নালাগিল। চিপাহীজনে সামৰিক আদালতত গোচৰ দিয়ে। আদালতে ডেকাজনে

মদ খাই বেহুছ হৈ আছিল বুলি খালাছ দিয়ে। চিপাহীয়ে বুজিলে জাত-ভাই বুলি খালাছ দিলে, মনতে ক'লে, 'বাক আমিও এদিন চাম'।

কানপুৰৰ চিপাহীবিলাকে ১৮৫৭ জুন ৪ তাৰিখে বিদ্রোহ কৰে। মীৰাট বিদ্রোহৰ খবৰ বহুদিন আগতেই চিপাহী আৰু ইংৰাজ উভয়ে পাইছিল। ইংৰাজে নানা চাহাবক বৰ বিশ্বাস কৰিছিল। নানা চাহাব পেশ্বোৱা বাজিৰাও ২য়ৰ তোলনীয়া পুত্র আছিল। তেওঁ পেশ্বোৱাৰ বিথোৰৰ ৰাজকাৰেঙত বাস কৰিছিল। বিথোৰ কানপুৰৰপৰা পাঁচ মাইল। ইংৰাজে তেওঁক তেওঁলোকৰ নৱাবগঞ্জৰ ট্রেজাৰী আৰু খাৰ ঘৰ ৰক্ষা কৰিবৰ কাৰণে সহায় খোজে। নানাই ২২ মে' তাৰিখে নৱাবগঞ্জৰ ট্রেজাৰী আৰু খাৰ ঘৰ ৰক্ষা কৰিবলৈ নিজা সৈন্য পঠিয়াই দিয়ে। কিন্তু নানাৰ সৈন্যই বিদ্রোহী চিপাহীৰ লগ লৈ ট্রেজাৰী লুটপাটহে কৰে। ৫ জুন তাৰিখে বিদ্রোহী চিপাহীবিলাকে দিল্লীলৈ যাত্রা কৰে আৰু নিশাটো কল্যাণপুৰত কটায়। ৬ জুন তাৰিখে চিপাহীবিলাক দিল্লীলৈ নগৈ কানপুৰলৈ উভতি আহে। নানা চাহাবে চিপাহীবিলাকৰ লগ লয়। নানা চাহাবে নিজে চিপাহীবিলাকক কল্যাণপুৰৰপৰা মতাই আনিলে নে চিপাহীবিলাকে নিজেই উভতি আহি নানাক জোৰকৈ নেতা পাতিলে ভালকৈ জনা নাযায়। নানাই নিজে ইংলণ্ডৰ মহাৰাণী ভিক্টোৰিয়াই ক্ষমা (amnesty) ঘোষণা কৰাৰ পিচত, কৃপা প্রার্থনা কৰা চিঠিত লিখিছিল যে তেওঁৰ নিচিনা 'গৰীবে' ব্রিটিছৰ লগত যুঁজিবলৈ বিচৰা নাছিল, চিপাহীবিলাকে তেওঁৰ প্রাণ নাশ কৰিবলৈ ভয় দেখুৱাতহে তেওঁ নিৰুপায় হৈ বিদ্রোহত যোগ দিছিল।[৩] এইটো সঁচা নে মিছা কোৱা টান। কিন্তু এইটো সঁচা যে ব্রিটিছৰ ওপৰত তেওঁৰ এটা আখেজ আছিল। ১৮১৭ নৱেম্বৰ মাহত পেশ্বোৱা বাজীৰাও ২য়ই ব্রিটিছক শিক্ষা দিবলৈ গৈ হাৰি যায়। ব্রিটিছে তেওঁৰ ৰাজ্য লয়, পেশ্বোৱাক কানপুৰৰ ওচৰৰ বিথুৰত স্থাপন কৰে। বাজীৰাওৰ বাসস্থান ব্রহ্মাৱর্ত বুলি জনাজাত হয়। ব্রিটিছে তেওঁক বিথুৰ জাইগীৰ আৰু আঠলাখ টকা পেঞ্চন দিয়ে। ১৮৫১ চনৰ জানুৱাৰীত তেওঁৰ মৃত্যু হয়। বাজীৰাৱে জীয়াই থকা কালতে ধন্দু পন্ট ওৰফে নানা চাহাব, সদাশিৱ পন্ট ওৰফে দাদা আৰু গঙ্গাধৰ ৰাও ওৰফে বালাক পোষ্যপুত্র গ্রহণ কৰিছিল। বাজীৰাওৰ মৃত্যুৰ পিচত ব্রিটিছে বিথুৰ জাইগীৰ লৈ লয় আৰু আঠলাখ টকাৰ পেঞ্চন বন্ধ কৰে।

[৩] 1857 পৃঃ ৩৯২

বাজীৰাওৰ শ্রাদ্ধত ব্রাহ্মণক দান দিবলৈ নানাৰ মাটি এক চিকুটো নাছিল। নানা অত্যন্ত মর্মাহত হৈছিল। তেওঁ ভাৰতীয় লাটৰ ওচৰত আপিল কৰি একো নাপালে, লাট চাহাবৰ ওচৰত আপিল কৰিও একো সুফল নাপালে। তেওঁ কৰ্ট অৱ ডিৰেক্টৰ্চৰ ওচৰত আপিল কৰিবলৈ আজিমুল্লা খাঁক বিলাতলৈ পঠিয়ালে। বিলাততো একো নহ'ল। আজিমুল্লা এজন অসাধাৰণ পুৰুষ আছিল, চাল-চলন, কথা-বার্তাত মনোহৰ, ইংৰাজী লিখিব, পঢ়িব আৰু কব পাৰিছিল। বিলাতত, ওপৰ মহলত, বিশেষকৈ নাৰী মহলত প্রিয় হৈ উঠিছিল। ৰুচিয়াই মল্টাত ইংৰাজ-ফৰাচী যুটীয়া শক্তিক পৰাস্ত কৰা কথাটো তেওঁ জানিছিল। সেই কাৰণে তেওঁ ৰুচিয়াৰ আচল শক্তি বুজিবৰ কাৰণে কনষ্টান্টিনপোল হৈ ক্রিমিয়া চাইহে উলটি আহে। তেওঁৰ মনত ব্রিটিছ সেনা বাহিনীৰ বিষয়ে উচ্চ ধাৰণাই ঠাই নাপালে। নানাৰ উপদেষ্টা হিচাবে তেওঁ নানাক ইংৰাজৰ বিপক্ষে চলিবলৈ উপদেশ দিছিল আৰু বাদশাহৰ আনুগত্য মানি লবলৈ মানা কৰিছিল। বহুত ঐতিহাসিকে কয়, নানাই ব্রিটিছৰ হৃদয়-হীনতা আৰু অন্যায়ৰ প্রতিশোধ লবলৈ চিপাহীক হাত কৰি ইংৰাজক নির্মূল কৰিবলৈ যুঁজিছিল। এইটো সঁচা নে মিছা নির্ণীত হোৱা নাই। নানাৰ জন্ম হৈছিল ১৮২৪ চনত মহাৰাষ্ট্রৰ বেণু গাৱঁত। তেওঁৰ পিতা আছিল মাধৱৰাও নাৰায়ণ ভাট আৰু মাতা গঙ্গাবাঈ। এওঁলোক ১৮২৭ চনত বিথুৰলৈ আহে আৰু বাজীৰাওৰ আশ্রয়ত থাকে।

মীৰাটৰ বিদ্রোহৰ খবৰ পোৱাৰ আগতেই ইংৰাজবিলাকে কানপুৰত নাম মাত্র এটা কোঠ মাৰিছিল। এই কোঠত ৪০০ ইংৰাজ চিপাহী, ৩৭৬ তিৰোতা আৰু ল'ৰা-ছোৱালী, ২৩ জন ভাৰতীয় চিপাহী, ৫০ জন চাকৰ আৰু ৪৪ জন গায়ক-বাদকে আশ্রয় লয়। ৩০০০ বিদ্রোহী চিপাহীয়ে যথোপযুক্ত ভাবে অস্ত্র-শস্ত্রেৰে সুসজ্জিত হৈ এই কোঠতো ৬ জুন তাৰিখে আক্রমণ কৰে। কি লাজৰ কথা ২৫ জুনলৈকে যুদ্ধ কৰিও তেওঁলোকে এই সামান্য কোঠটো লব নোৱাৰিলে। ২৬ জুন তাৰিখে নানাৰ এখন চিঠি লৈ মিছেছ গ্রীনৱে (Mrs. Greenway) কোঠলৈ আহে। এই চিঠিৰে নানাই ইংৰাজক নিৰাপদে এলাহাবাদলৈ যাবলৈ দিব বুলি কথা দিয়ে। এই প্রস্তাৱ ইংৰাজে গ্রহণ কৰে। ২৬ জুন তাৰিখে দুই পক্ষৰ মাজত এটা সন্ধি সম্পাদন কৰা হয়। এই সন্ধিৰ সর্ত মতে নানাই নাও

আৰু খাদ্যৰ যোগান ধৰে। ২৭ জুন পুৱা ইংৰাজসকলে সতী চৌৰা ঘাটত নাৱত উঠেগৈ। আটাইবিলাক নাৱত উঠাৰ লগে লগে এটা বিগুল (bugle) বাজি উঠে। আটাইবিলাক ভাৰতীয় নাৱৰীয়া নাৱৰপৰা জপিয়াই পাৰলৈ গুচি আহে। কিছুমান ইংৰাজে নাৱৰপৰা গুলীয়াবলৈ ধৰে। যিবিলাক বিদ্ৰোহী চিপাহীয়ে ইংৰাজক নাৱত তুলি দিছিল, তেওঁলোকেই নাৱত থকা ইংৰাজলৈ গুলী কৰিবলৈ ধৰে। ইংৰাজে গুলীৰে প্ৰত্যুত্তৰ দিয়ে আৰু চিপাহীবিলাক গুচি যায়। অলপ পাচতেই নদীৰ পাৰত থকা চিপাহবিলাকে ইংৰাজক আক্ৰমণ কৰেহি। কেইখনমান নাৱত জুই লাগে আৰু বহুতক জুইয়ে পুৰি মাৰে। কিছুমান পানীত জপিয়াই মৰে। বহুতক মৰা হ'ল। কিছুমানক ধৰা হ'ল। এখন নাও কোনোৰকমে পলাই সাৰিল কিন্তু পিচত ধৰা পৰিল। ইয়াৰে চাৰিজন (Mobwbray Thomson, Delafosse, Sullivan আৰু Murphy) কোনোবকমে পলাই বাঁচিল। মুৰাৰমৌৰ জমিদাৰ দিগ্‌বিজয় সিংহই এওঁলোকক আশ্ৰয় দি ৰাখে আৰু এমাহৰ পিচত এলাহাবাদলৈ পঠিয়াই দিয়ে। নানা সেই সময়ত নদীৰ পাৰত নাছিল। তেওঁৰ হুকুম মতেই এই নৃশংস হত্যাকাণ্ড অনুষ্ঠিত হৈছিল নে কি কোৱা টান কিন্তু তেওঁ হুকুম দি হত্যাকাণ্ড বন্ধ কৰে। চিপাহীবিলাকে এইটো এটা ডাঙৰ বিজয় বুলি ধৰি লৈ ডাঙৰ উৎসৱ পাতে আৰু ৩০ জুন তাৰিখে নানাক পেশ্বোৱা বুলি অভিষিক্ত কৰে।

এলাহাবাদৰ পৰা হেভলক (Sir Henry Havelock) কানপুৰ উদ্ধাৰ কৰিবলৈ আহে। তেওঁ ১৭ জুলাই তাৰিখে নানাক হৰুৱাই কানপুৰ দখল কৰে। কিন্তু ১৫ জুলাই তাৰিখে বিদ্ৰোহীবিলাকে বিবি ঘৰত ৰখা প্ৰায় ২০০ ইংৰাজ তিৰুতা, ল'ৰা-ছোৱালীক হত্যা কৰে। শেষত নানা নেপাললৈ পলাই যায়। তেওঁৰ কি হ'ল একো জনা নাযায়, বিদ্ৰোহ পৰিচালনা কৰিবলৈ, যুদ্ধ পৰিচালনা কৰিবলৈ নানাৰ কোনো যোগ্যতা নাছিল, তেওঁ উচ্চ স্তৰৰ মানুহো নাছিল।

তাতিয়া তোপে

এওঁৰ আচল নাম ৰামচন্দ্ৰ পাণ্ডুৰঙ্গ। এওঁক তাঁতিয়া তোপে, টাটীয়া টোপী বুলিও কোৱা হয়। এওঁৰ পিতাক বাজীৰাওৰ অনুচৰ আছিল। এওঁ সৰুতে নানা চাহাবৰ লগত খেলি-ধূলি ডাঙৰ হৈছিল, নানাৰ প্ৰতি বিশ্বস্ততা আৰু কৃতজ্ঞতা পাশত আবদ্ধ আছিল। নানাৰ তলত কেৰাণী হৈ জীৱন আৰম্ভ কৰে। তেওঁৰ কোনো সামৰিক প্ৰশিক্ষণ নাছিল। কিন্তু যেতিয়া বিদ্ৰোহ ঘটে, নানাৰ সেনাপতি হয়। এজন চতুৰ, হুচিয়াৰ, সুদক্ষ আৰু সিয়ান মানুহ আছিল।

হেভলকে ১৮৫৭ জুলাই ১৭ তাৰিখে নানাক পৰাজিত কৰে। নানা আৰু তাতিয়া পলাই যায়। তাতিয়াই সৈন্য সংগঠন কৰে। যেতিয়া হেভলকে লক্ষ্ণৌ উদ্ধাৰৰ কাৰণে যাত্ৰা কৰে, তেতিয়া তাতিয়াই হেভলকক আক্ৰমণ কৰে। তাতিয়া পৰাস্ত হয় আৰু পলাই গৈ ফটেপুৰত নানাক লগ ধৰে। ১৮৫৭ জুন ১৪ তাৰিখে গোৱালিয়ৰৰ সৈন্যই (কন্‌টিনজেণ্ট) বিদ্ৰোহ কৰি নিষ্কৰ্মা হৈ বহি আছিল। সিন্ধিয়াই দৰ্মহা খুৱাই আছিল। তাতিয়াই চেপ্তেম্বৰত এওঁলোকৰ লগত কথা হয়। তেতিয়া এওঁলোক তজবজীয়া হৈ উঠে আৰু ১৮৫৭ নৱেম্বৰ ৯ তাৰিখে কাল্পি পায়হি আৰু তাতিয়াৰ সেনাপতিত্ব মানি লয়। এওঁলোকৰ সংখ্যা আছিল ৫০০০। উইনধেমে (Windham) কানপুৰ ৰক্ষা কৰি আছিল। তাতিয়াই কানপুৰ লবলৈ আহে। উইনধেমে পাণ্ডু নদীত তাতিয়াক বাধা দিয়ে কিন্তু হাৰি যায় আৰু কানপুৰ সোমায়হি। তাতিয়াই কানপুৰলৈ খেদি যায় আৰু নৱেম্বৰ ২৮ তাৰিখে ইংৰাজক ঘটুৱাই কানপুৰ দখল কৰে। খবৰ পাই সেনাধিপতি কলিনে (Sir Colin Campbell) নৱেম্বৰ ২৮ তাৰিখে কানপুৰ অভিমুখে দৌৰে। তাতিয়াক সহায় কৰিবলৈ নানা চাহাব আৰু কুমাৰ সিংহ কানপুৰলৈ আহে। দুয়ো পক্ষৰ মাজত যুদ্ধ হয়। ডিচেম্বৰ ৬ তাৰিখে কলিনে তাতিয়াক পৰাস্ত কৰে। কলিনৰ সৈন্য আছিল ৭০০০, তাতিয়াৰ ১০,০০০। তাতিয়া হাৰি শিওৰাজপুৰলৈ যায়। ইয়াতো ৯ ডিচেম্বৰ তাৰিখে কলিনে তাতিয়াক হৰুৱায়। তাতিয়া বাগৰি ফুৰি কাল্পিলৈ আহে। পুনৰ সৈন্য সংগঠন কৰে। ১৮৫৮ মাৰ্চ ২২ তাৰিখৰ

পৰা ৰ'জে (Sir Hugh Rose) ঝাঁন্সী অৱৰোধ কৰিবলৈ ধৰে। ৰাণীক সহায় কৰিবলৈ তাতিয়া আগবাঢ়ি আহে। বেটৱা নদীৰ পাৰত ৰ'জ তাতিয়াৰ সন্মুখীন হয়। তাতিয়াৰ সৈন্য আছিল ২০।২২ হাজাৰ আৰু ৰ'জৰ ১৫০০, তথাপি তাতিয়া হাৰি ছত্ৰভঙ্গ দিয়ে। ইয়াৰ পিচতো কেইবাথনো যুদ্ধত তাতিয়া ৰ'জৰ হাতত পৰাস্ত হয়। তাতিয়াই ৰাণীৰ সৈতে আলোচনা কৰি গোৱালিয়ৰৰ সিন্ধিয়াৰ সৈন্যক হাত কৰি জুনৰ ১ তাৰিখে গোৱালিয়ৰ অধিকাৰ কৰে। ২০ জুন তাৰিখে ৰ'জে তাতিয়াক পৰাস্ত কৰি গোৱালিয়ৰ লয়।

ইয়াৰ পিচৰ পৰাই তাতিয়াই গৰিলা যুদ্ধ আৰম্ভ কৰে। ১৮৫৮ জুনৰ পৰা ১৮৫৯ মার্চলৈকে তেওঁক ধৰিবলৈ ইংৰাজে মধ্য ভাৰত, ৰাজপুতনা আৰু উত্তৰ দাক্ষিণাত্যৰ উত্তৰাংশ চলাপাট কৰে। ইংৰাজে ভাৱে, এই ধৰিলোঁ। কিন্তু পিচ মুহূর্ত্ততে দেখে হাতৰপৰা তাতিয়া ওলায় গ'ল। তেওঁ কতথন যুদ্ধ কৰিলে, প্ৰত্যেকথনতে ইংৰাজক এটি সেকা দিয়ে কিন্তু হাৰে আৰু পলায়। তেওঁৰ লগৰবিলাকে ভাগৰি তেওঁক এৰা দিয়ে। ভগা হিয়া লৈ তেওঁ সিৰঞ্জৰ কাষৰ পেৰণ বনত আশ্ৰয় লয়। পেৰণ বন সিন্ধিয়াৰ সামন্ত সর্দাৰ মানসিংহৰ আছিল। মানসিংহৰ ৰাজ্য ব্ৰিটিছে কাঢ়ি লৈছিল। সেই কাৰণে মানসিংহই ব্ৰিটিছৰ লগত যুঁজে কিন্তু হাৰে। তেওঁ বনত ঘূৰি ফুৰোঁতে তাতিয়াক লগ পায় আৰু তেওঁৰ বন্ধু হৈ পৰে। ব্ৰিটিছে গম পাই মানসিংহক ফুচুলালে যে তাতিয়াক ধৰি দিলে তেওঁক নৰৱৰৰ ৰজা কৰি দিব। এই লোভত পৰি মান-সিংহই এপ্ৰিল ৭ তাৰিখে মাজনিশা ব্ৰিটিছ চিপাহীক আনি তাতিয়াক দেখুৱাই দিয়েহি। তাতিয়া তেতিয়া টোপনিত লালকাল। মানসিংহই তাতিয়াৰ হাত দুখন হেঁচা মাৰি ধৰে, চিপাহীয়ে তাতিয়াক আটক কৰে আৰু সিপ্ৰিৰ ব্ৰিটিছ ছাউনীলৈ লৈ আহে। সামৰিক আদালতে তাতিয়াৰ বিচাৰ কৰি ফাঁচী দণ্ড দিয়ে। ১৮৫৯ এপ্ৰিল ১৮ তাৰিখে বিৰাট জনতাৰ আগত ফাঁচী দিয়া হয়। বিদ্ৰোহী বীৰ তাতিয়া অমৰ ধামলৈ প্ৰয়াণ কৰে।

★★

পাঁচ

আৱধ ॥ বেগম হজৰৎ মহল

আৱধৰ শেষজনা নৱাব আছিল ৱাজেদ আলি শাহ। তেওঁ ব্ৰিটিছৰ বিশেষ অনুগত আছিল। আৱধত কু-শাসনত প্ৰজা অতিষ্ঠ, এইটো অভিযোগ তুলি ব্ৰিটিছে ১৮৫৬ চনৰ ফেব্ৰুৱাৰী ৮ তাৰিখে আৱধ ৰাজ্য ব্ৰিটিছ ভাৰতৰ চামিল কৰে আৰু নৱাবক কলিকতালৈ নির্বাসিত কৰে। মীৰাট আৰু দিল্লীৰ বিদ্ৰোহৰ খবৰ আৱধত বিয়পি পৰাত দেশীয় চিপাহী আৰু নৱাবৰ ফলীয়া লোকসকল অশান্ত হৈ উঠে আৰু গোটেই আৱধত জুই উমি উমি জ্বলিবলৈ ধৰে। ১৮৫৭ মে' ৩০ তাৰিখে ৰাতি চিপাহী-বিলাকে বিদ্ৰোহ কৰে আৰু অচিৰে নৱাব বেগম হজৰৎ মহল আৰু অন্যান্য অনুগত লোকসকলক নিজৰ ফলীয়া কৰে। ১৮৫৭ জুলাই ৭ তাৰিখে নৱাবৰ নাবালক পুত্ৰ বীৰজিছ কাদেৰ নৱাব নির্বাচিত হয়। বেগমে তেওঁৰ অভিভাৱক হৈ ৰাজ্য চলায় আৰু বাদশাহ বাহাদুৰ শাহৰ আনুগত্য মানি লয়। বেগম হজৰৎ মহল এগৰাকী উচ্চস্তৰৰ তেজস্বী মহিলা আছিল। নিজ নাবালক পুত্ৰ বিৰজিছ কাদেৰৰ হৈ দক্ষতাৰে ৰাজ্য চলাবলৈ ধৰে। তেওঁৰ সমর্থনকাৰী বহুতেই মুছলমানৰ গৌৰৱ-উদ্ধাৰৰ কাৰণেই যুদ্ধ কৰিবলৈ আহিছিল। বেগমৰ দূৰদর্শিতা আছিল, তেওঁ হিন্দুসকলক সমান চকুৰে চাইছিল, হিন্দুসকলকো উচ্চ চাকৰি দিছিল, পূৰ্বৰ মান-মর্যাদা দিছিল। সেই কাৰণে বহুত হিন্দু ৰজা জমিদাৰে তেওঁৰ কাৰণে দেহে-কেহে খাটিছিল। কিন্তু বেগমৰ দুৰ্ভাগ তেওঁ ৰণকৌশল নাজানিছিল

আৱধৰ চীফ্ কমিছনাৰ লৰেন্সৰ (Sir Henry Lawrence) বাস ভৱন (Residency)ত আৱধৰ আটাইবিলাক ইংৰাজ আৰু য়ুৰোপীয় লোকে আশ্ৰয় লয়। এইটো কোনো দুৰ্ভেদ্য দুৰ্গ নাছিল। বাসভৱনটো

চাৰিওফালে লৰালৰিকৈ মাটিৰ বেৰ তুলি আৰু খাল খান্দি এটা কোঠৰ নিচিনা কৰি লোৱা হৈছিল। ইয়াত ব্ৰিটিছ চিপাহী, দেশীয় চিপাহী আৰু অসামৰিক লোক মিলি প্ৰায় ১৭২০ জন যুঁজিব পৰা লোক আছিল আৰু লগতে কিছু সংখ্যক তিৰোতা আৰু ল'ৰা-ছোৱালী আছিল। বিদ্ৰোহী চিপাহীবিলাকে ৰেসিডেন্সীটো লবলৈ ২৯ জুনত আগবাঢ়ি আহে। লৰ-ৰেঞ্চে সিহঁতক খেদি যায়। চীনহাট নামে ঠাইত যুদ্ধ লাগে। ইংৰাজসকল হাৰে কিন্তু ব্ৰিটিছ চিপাহীৰ গোট এটাই বিদ্ৰোহী চিপাহী জনতাৰ ওপৰত জপিয়াই পৰে আৰু বিদ্ৰোহীবিলাকে তিষ্ঠিব নোৱাৰি ছত্ৰভঙ্গ দিয়ে। ব্ৰিটিছ চিপাহী ৰেসিডেন্সীলৈ উভতি আহে। ৩০ জুনত বিদ্ৰোহী চিপাহীয়ে ৰেসিডেন্সী অৱৰোধ কৰে আৰু এই অৱৰোধ দীৰ্ঘ দিন ধৰি চলে। প্ৰথমে ছয় হাজাৰ বিদ্ৰোহীয়ে আক্ৰমণ কৰে। ক্ৰমে বিদ্ৰোহী চিপাহীৰ সংখ্যা একলাখৰো ওপৰলৈ উঠে। হেভলক আৰু আউটৰামে ১৯৫৭ চনৰ চেপ্তেম্বৰ ২৫ তাৰিখে বহু সৈন্য লৈ বিদ্ৰোহীক ঘটুৱাই ৰেসিডেন্সী সোমায়হি। বিদ্ৰোহীয়ে অৱৰোধ কৰি থাকে। স্যাৰ কলিন কেম্পেবেল প্ৰধান সেনাপতিয়ে ১৮৫৭ চনৰ নৱেম্বৰ ১৭ তাৰিখে বিদ্ৰোহীক হৰুৱাই ৰেসিডেন্সী মুক্ত কৰে।

তেওঁ ৰেসিডেন্সীৰ সকলোকে আলমবাগ দুৰ্গলৈ লৈ আহে আৰু আউটৰাম (Outram)ক দুৰ্গ ৰক্ষাৰ ভাৰ দিয়ে। বিদ্ৰোহীবিলাকে আলমবাগ আক্ৰমণ কৰে। এবাৰ বেগমে নিজে যুদ্ধক্ষেত্ৰলৈ আহি চিপাহীবিলাকক উৎসাহ দিয়ে। কিন্তু ছবাৰ আক্ৰমণ চলাইয়ো চিপাহীয়ে আলমবাগ লব নোৱাৰিলে। ১৮৫৮ চনৰ মাৰ্চৰ ২ তাৰিখে সেনাধিপতি স্যাৰ কলিনে লক্ষ্ণৌ অভিযান আৰম্ভ কৰে। চিপাহীয়ে প্ৰাণটাকি যুদ্ধ কৰিও ব্ৰিটিছক পৰাস্ত কৰিব নোৱাৰিলে। ২১ মাৰ্চত লক্ষ্ণৌৰ পতন হয়। চিপাহীবিলাক ছেদেলী-ভেদেলী হৈ যেনিতেনি পলাই যায়। বেগম হজৰৎ মহলে ৰাণা জং বাহুৰক সহায় খুজিছিল কিন্তু কোনো সহায় পোৱা নাছিল। লক্ষ্ণৌৰ পতনৰ পিচত তেওঁ নেপালত আশ্ৰয় লয়।

✶✶

মৌলৱী আহমদুল্লা

মৌলৱী আহমদুল্লা ফাইজাবাদৰ মৌলৱী বুলি জনাজাত আছিল। তেওঁৰ ঘৰ আছিল মাদ্ৰাজৰ আৰ্কটত। তেওঁ ব্ৰিটিছক খেদি মুছলমান ৰাজ্য পুনৰ প্ৰতিষ্ঠা কৰাৰ সপোন দেখি আছিল। তেওঁ ব্ৰিটিছৰ বিৰুদ্ধে দক্ষিণাঞ্চলত প্ৰচাৰ কৰিছিল কিন্তু সহঁাৰি নাপাই ফাইজাবাদত ৰহেহি আৰু উত্তৰ ভাৰতত ব্ৰিটিছ বিৰোধী প্ৰচাৰ কৰে। তেওঁ বিদ্ৰোহত যোগ দিয়ে আৰু বেগম হজৰৎ মহলৰ তৰফে যুদ্ধ কৰে। তেওঁ ৰেসিডেন্সী অৱৰোধ কৰাত সক্ৰিয় অংশ গ্ৰহণ কৰে, ইংৰাজৰ লগত কেইবা ঠাইতো যুঁজে কিন্তু হাৰি পলাই যায়। তেওঁ কোনোকালে হাৰ নেমানিছিল। তেওঁ পল্লী আক্ৰমণ কৰি ধ্বংস কৰে, নিজকে হিন্দুস্থানৰ ৰজা বুলি ঘোষণা কৰে। তেওঁৰ কাৰ্য্যকলাপত ভয় খাই গৱৰ্ণৰ জেনেৰেলে তেওঁক ধৰি দিব পাৰিলে ৫০০০০ টকা পুৰস্কাৰ দিব বুলি ঘোষণা কৰে। ১৮৫৮ জুন ৫ তাৰিখে তেওঁ পোৱঁাই লৈ যায়। পোৱঁাইৰ ৰজাই কোঠৰ দুৱাৰ খুলি নিদিয়াত তেওঁ কোঠৰ দুৱাৰ ভাঙিবলৈ ধৰে। ৰজাৰ অনুচৰ এজনে তেওঁক গুলী কৰি মাৰে। ৰজাই তেওঁৰ মূৰ কাটি চাজাহানপুৰৰ মেজিষ্ট্ৰেটক দিয়েগৈ। মেজিষ্ট্ৰেটে মূৰটো কোটোৱালী (থানা)ত আৰি থয়। এনেকৈ এজন দেশ প্ৰেমিকৰ জীৱনৰ অৱসান হ'ল।

ছয়

ঝাঁন্সী ॥ ৰাণী লক্ষ্মীবাঈ

ধূণ্ডেলখণ্ডৰ ৰজা ছত্ৰশালক মুছলমানে আক্ৰমণ কৰা কালত পেশ্বোৱা বাজীৰাও ১ম জনাই ছত্ৰশালক সহায় কৰে আৰু সেই সহায় লৈ তেওঁ মুছলমানক পৰাস্ত কৰে। কৃতজ্ঞতাবশতঃ বুণ্ডেলা ৰজাই বাজীৰাওক তেওঁৰ ৰাজ্যৰ এক তৃতীয়াংশ এৰি দিয়ে। বাজীৰায়ে অংশটো বান্দা,

কাল্পি আৰু ঝাঁন্সী এই তিনি প্ৰদেশত বিভক্ত কৰে। ঝাঁন্সী পেশ্বোৱাৰৰ চুবাদাৰে শাসন কৰিছিল। ১৮০৪ চনৰ পৰাই ইংৰাজৰ সৈতে চুবাদাৰৰ যোগাযোগ ঘটে, আৰু চুবাদাৰ ৰামচন্দ্ৰই ১৮৫৩ চনত মহাৰাজাধিৰাজ ফিড়ৱি বাদশাহ জমজহ. ইংলিস্তান (গৌৰৱান্বিত ইংলণ্ডৰ ৰজাৰ অনুগত সেৱক) উপাধিৰে বিভূষিত হয়। ১৮৪৩ চনত গঙ্গাধৰ ৰাও ঝাঁন্সীৰ ৰজা হয়। বনাৰছত চিমনাজী আপ্পা পেশ্বোৱা বাস কৰিছিল। এওঁৰ অনুচৰ বৰ্গৰ ভিতৰত আছিল মোৰোপন্ট টোম্বে। এওঁৰ পৰিবাৰ ভগীৰথী বাঈ। এওঁলোকৰ ১৮৩৫ চনত এটি কন্যা ওপজে, নাম মনিকৰ্ণিকা থোৱা হয়। এই চনটো কিছুমান বুৰঞ্জীবিদে মনিকৰ্ণিকাৰ জন্ম চন বুলি গ্ৰহণ কৰা নাই। মনিকৰ্ণিকাৰ কোনোৰ মতে ১৪/১৫ বছৰ বয়সত, কোনোৰ মতে ৮ বছৰ বয়সত গঙ্গাধৰ ৰাওৰ সৈতে বিয়া হয়। বিয়াৰ পিচত এওঁক লক্ষ্মীবাঈ নাম দিয়া হয় আৰু এই নামেৰেই এওঁ বিখ্যাত হয়। এওঁলোকৰ এটি পুত্ৰ সন্তান হৈছিল, কিন্তু এই সন্তানটি অকালতে মৃত্যুৰ মুখত পৰে। ১৮৫৩ নৱেম্বৰ মাহত ৰজা গঙ্গাধৰ ৰাওৰ মৃত্যু হয়। মৃত্যুৰ আগদিনা তেওঁ দামোদৰ ৰাওক পোষ্যপুত্ৰ ৰূপে গ্ৰহণ কৰে। লৰ্ড ডালহাউসীয়ে এই গ্ৰহণ নাকচ নকৰিলে যদিও ১৮৫৪ মাৰ্চত ঝাঁন্সীক ব্ৰিটিছ ৰাজ্যভুক্ত কৰে, ৰাণী লক্ষ্মীবাঈৰ কাৰণে যাঠি হাজাৰ টকাৰ পেঞ্চন মঞ্জুৰ কৰে আৰু দামোদৰ ৰাওকো গঙ্গাধৰ ৰাওৰ সম্পত্তিৰ অধিকাৰী বুলি মানি লয়।

ডালহাউসীয়ে doctrine of lapse বা স্বত্ব বিলোপ নীতিৰ উজুহাত দেখুৱাই ঝাঁন্সী গ্ৰাস কৰে। এইটো নীতিৰ উৎপত্তি এনেদৰে হৈছিল। অপুত্ৰক হিন্দু ৰজাই নিজ পুত্ৰ নহলে লোকৰ পুত্ৰ নিজপুত্ৰ ৰূপে গ্ৰহণ কৰা বিধি হিন্দু শাস্ত্ৰত আছে। বিধৱাকো শাস্ত্ৰই পুত্ৰ লবলৈ অধিকাৰ দিছে। এনে পুত্ৰক দত্তক পুত্ৰ বুলি কোৱা হয়। দত্তক পুত্ৰ পিণ্ড-দানৰ আৰু ধন-সম্পত্তিৰ অধিকাৰী। আচৰিত কথা ১৮০০ চনৰ পৰা হিন্দু ৰজাবিলাকৰ পুত্ৰ সন্তান নোহোৱা হ'ল। হিন্দু ৰজাবিলাকে এক প্ৰকাৰে নহয় এক প্ৰকাৰে ব্ৰিটিছৰ ৰাজশক্তি মানিবলগীয়া হৈছিল। ব্ৰিটিছে ক'লে যে দত্তক পুত্ৰ ললে ব্ৰিটিছৰ সন্মতি লব লাগিব। ১৮২৫ চনত ব্ৰিটিছ চৰকাৰে এটা প্ৰস্তাৱ যোগে স্বীকাৰ কৰিলে যে স্বাধীন ৰজাসকলৰ দত্তক পুত্ৰ লোৱাৰ অধিকাৰ আছে আৰু দত্তক পুত্ৰগ্ৰহণ মানি লবলৈ ব্ৰিটিছ চৰকাৰ বাধ্য থাকিব। কিন্তু ১৮৩৪ চনত কৰ্ট অৱ

ডিৰেক্টৰ্চে অনুজ্ঞা দিলে যে দত্তক পুত্ৰ গ্ৰহণত সন্মতি দিয়াতো optional (ইচ্ছা সাপেক্ষ), সন্মতি দিয়াতো exception (ব্যতিক্ৰম মাত্ৰ) হ'ব, rule (আইন), অনুগ্ৰহ বা অনুমোদন বুলি দিয়া নহব। ফলত বহুত গোলমালৰ সৃষ্টি হ'ল। কিছুমানৰ ক্ষেত্ৰত ব্ৰিটিছে দত্তক পুত্ৰগ্ৰহণ মানি ললে, কিছু-মানৰ বেলিকা মানি নলৈ ৰাজ্যবিলাক ব্ৰিটিছ ৰাজ্যৰ চামিল কৰে। অপুত্ৰক ৰজাৰ ৰাজ্য ব্ৰিটিছ এলেকাৰ চামিল কৰাৰ নীতি doctrine of lapse, স্বত্ব বিলোপ নীতি বুলি কুখ্যাত হয়।

ডালহাউসীয়ে দত্তক পুত্ৰ গ্ৰহণৰ বিষয়ে দেশীয় ৰজাসকলক তিনি ভাগত ভগায়ঃ—(১) ব্ৰিটিছে পতা ৰজা (২) কৰতলীয়া আৰু (৩) স্বাধীন ৰজা। তেওঁ নীতি কৰিলে যে প্ৰথম শ্ৰেণীক দত্তক পুত্ৰ লবলৈ অনুমতি দিয়া নহব, দ্বিতীয় শ্ৰেণীৰ ক্ষেত্ৰত আগতীয়া অনুমতি নোলোৱাকৈ কৰিলে গ্ৰহণ স্বীকাৰ কৰা নহব আৰু তৃতীয় শ্ৰেণীৰ বেলিকা কোনো হস্তক্ষেপ কৰা নহব। এই নীতিমতে চলি ডালহাউসীয়ে প্ৰথম দুই শ্ৰেণীৰ বহুত ৰাজ্য ব্ৰিটিছ এলেকাৰ ভুক্ত কৰে। এই নীতিটো যে ন্যায়সঙ্গত নহয়, ব্ৰিটিছ লেখকে স্বীকাৰ কৰিছে। আদালতেও কৈছেঃ—'যথোপযুক্ত বিধি সহকাৰে দত্তকপুত্ৰ গ্ৰহণ নাকচ কৰণ শাসক কৰ্তৃপক্ষৰ অনুমতিৰ অভাৱ যথেষ্ঠ কাৰণ নহব'।[১]

চিপাহী বিদ্ৰোহৰ বাতৰি মীৰাট আৰু দিল্লীৰ পৰা আহি ঝাঁন্সী সোমায়হি। ১৮৫৭ জুন ৫ তাৰিখে ঝাঁন্সীৰ চিপাহীয়ে বিদ্ৰোহ কৰে আৰু সৰু দুৰ্গ এটা দখল কৰে। ৬ জুন তাৰিখে অন্যান্য চিপাহী আৰু অসামৰিক লোকেও বিদ্ৰোহত যোগ দিয়ে। কিছুমান ইংৰাজক কটা হয়। বাকী-বিলাক ইংৰাজে নগৰৰ বাহিৰৰ এটা কোঠত আশ্ৰয় লয়। ৮ জুন তাৰিখে চিপাহীবিলাকে এওঁলোকক কথা দিয়ে যে তেওঁলোকে যদি বিনা অস্ত্ৰে দুৰ্গ এৰি দিয়ে তেওঁলোকক পূৰ্ণ নিৰাপত্তা দিব। এই কথা ইংৰাজ-সকলে বিশ্বাস কৰে আৰু দুৰ্গৰপৰা ওলাই আহে। ওলাই অহাৰ লগে লগে বিদ্ৰোহীবিলাকে মুনিহ-তিৰুতা, ল'ৰা-ছোৱালী সকলোকে জোকন বাগলৈ নি হত্যা কৰে। এটা হিচাব মতে ৫৭ জন পুৰুষ, ১২ গৰাকী তিৰুতা আৰু ২৩ টা ল'ৰা-ছোৱালীক হত্যা কৰা হৈছিল। এই বীৰোচিত

[১] HCIP IX পৃঃ ৬৪

YAKSHAS
AMARAVATHI
Various DEVA Kingdoms
GANDHARVAS
AYODHYA
MITHILA
NAGAS
MLECHAS
RAVANA'S ASURA EMPIRE
CITY OF KALI
VANARAS
KISHKINDHA
GOKARNA
Great Shiva Temple
by Maya
Mahabalipuram
ASURA empire
PATALA
MUZURIS
PATTANAM
TRIKOTA, RAVANA'S
CAPITAL
Lankini's Palace at
Kumari

Ancient India at the Peak of Ravana's Asura Empire



ANCIENT INDIA AT ~~THE PEAK~~ OF RAVANA'S ASURA EMPIRE



হত্যাকাণ্ড কৰাৰ তিনিদিন পিচত বিদ্ৰোহীবিলাক দিল্লীলৈ যায়গৈ। ৰাণীয়ে বিদ্ৰোহীবিলাকক কোনো আশ্ৰয় দিয়া নাছিল। কিন্তু বিদ্ৰোহীবিলাকে জোৰ কৰি ৰাণীৰপৰা টকা, বন্দুক আৰু হাতী আদায় কৰি নিয়ে।

ৰাণীৰ লৈতে ইংৰাজৰ প্ৰগাঢ় সম্ভাৱ আছিল। বিভাগীয় কমিচনাৰৰ অনুমোদন লৈ ৰাণীয়ে ব্ৰিটিছৰ তৰফে ঝাঁন্সীৰ শাসন কাৰ্য্য চলাইছিল। বিদ্ৰোহী চিপাহীৰ লগত ৰাণীৰ যোগাযোগ আছিল বুলি ইংৰাজে ৰাণীক সন্দেহ কৰিবলৈ ধৰে। ৰাণীয়ে ইংৰাজৰ মনৰ পৰা এই সন্দেহ দূৰ কৰিবলৈ চেষ্টা কৰিও দূৰ কৰিব নোৱাৰিলে। ৰাণীয়ে বাধ্য হৈ যুদ্ধৰ কাৰণে সাজু হ'ল। হিউ ৰ'জে (Sir Hugh Rose) ১৮৫৮ মাৰ্চ ২২ তাৰিখে ঝাঁন্সী অৱৰোধ কৰে। তাতিয়াই ২০/২২ হাজাৰ সৈন্য লৈ ৰাণীক সহায় কৰিবলৈ আহে। ৰ'জে ১লা এপ্ৰিল তাৰিখে বেটৱা নদীৰ পাৰত মাত্ৰ ১৫০০ সৈন্য লৈ তাতিয়াক আক্ৰমণ কৰে। তাতিয়া ৰণ সম্ভাৰ এৰি পলাই যায়। ৰ'জে ৩ এপ্ৰিল তাৰিখে ঝাঁন্সী দুৰ্গ প্ৰচণ্ড ভাৱে আক্ৰমণ কৰে। ইংৰাজৰ ফৌজে এটা সুৰঙ্গা পাই দুৰ্গ সোমাই পৰে। দুৰ্গৰ ভিতৰত দুয়ো পক্ষৰ তয়াময়া ৰণ লাগে। ৰাণী হাৰিল। ৪ এপ্ৰিল তাৰিখে ৰাতি ৰাণীয়ে পুৰুষৰ পোছাক পিন্ধি ভাণ্ডীৰলৈ পলাই যায়। ইংৰাজে খেদি আহোঁতে কাল্পিলৈ যায়। কাল্পিত ৰাও চাহাব আৰু তাতিয়া আছিল। দুয়ো ৰাণীক আদৰণি জনায়।

বিদ্ৰোহীসকলে ৰাণীক সৰ্বপ্ৰধান সেনাপতি নিৰ্বাচিত কৰে। ৰ'জে কাল্পি লবলৈ আহে। ৰাণী কুঁচ গাৱঁত ৰ'জৰ সন্মুখীন হয়। কিন্তু তাতিয়াই যুদ্ধ নকৰি মনে মনে চিৰখৰীলৈ গুচি যায়। তাতিয়াৰ সৈন্যক ৰাণীয়ে পশ্চাদ্ অপসৰণ কৰাই লৈ আহে। কাল্পিৰ দুৰ্গত বিদ্ৰোহী নেতাবিলাকে হতাশ হৈ পৰস্পৰে পৰস্পৰক দোষাৰোপ কৰে। এনেতে বান্দাৰ নবাব হুইটলকৰ (Whitlock) হাতত হাৰি ন হাজাৰ সৈন্য লৈ আহি পায়হি। ন কৈ সমৰায়োজন কৰা হ'ল। ২২ মে' তাৰিখে ৰ'জ আৰু বিদ্ৰোহীৰ মাজত তুমুল যুদ্ধ হয়। ৰাও চাহাব পুৱা ১০ বজাতে গোৱালিয়ৰ কন্টিনজেণ্টলৈ পলাই যায়। ৰাণীয়ে প্ৰাণপণে যুদ্ধ কৰিও তিষ্ঠিব নোৱাৰি কাল্পি দুৰ্গ সোমায়হি আৰু ৰাতি গোটেইৰোৰ বিদ্ৰোহীৰ লৈতে পলাই যায়। পিচদিনা ৰ'জে বিজয় গৰ্বেৰে কাল্পি সোমায়হি। বিদ্ৰোহীবিলাক গোপালপুৰলৈ আহে। ৰাণীয়ে গোৱালিয়ৰ দুৰ্গ লবলৈ

পৰামৰ্শ দিয়ে। ৩০ মে' তাৰিখে বিদ্ৰোহীবিলাক গোৱালিয়ৰ লবলৈ আহে। ১ জুন তাৰিখে সিন্ধিয়াই এওঁলোকৰ লগত যুঁজিবলৈ বাহাদুৰ পুৰলৈ আগবাঢ়ি আহে। কিন্তু সিন্ধিয়াৰ সৈন্যই যুদ্ধ নকৰি বিদ্ৰোহীৰ লগত হাত মিলায়। সিন্ধিয়া আগ্ৰালৈ পলাই যায়। ৰাণী, ৰাও চাহাব আৰু তাতিয়াই গোৱালিয়ৰ দখল কৰে। গোৱালিয়ৰৰ কাষত ফুলবাগ ৰাজ প্ৰাসাদত লক্ষ লক্ষ টকা উৰুৱাই জাক্জমক কৰি নানা চাহাবক পেশোৱা আৰু ৰাও চাহাবক তেওঁৰ প্ৰতিভূ বুলি ঘোষণা কৰা হয়। তাতিয়াক প্ৰধান সেনাপতি নিযুক্ত কৰা হয়। ৰাও চাহাবে ৰাণীক আৰু গোৱালিয়ৰ কন্টিনজেণ্টক গণ্যই নকৰা হ'ল। তেওঁলোক বৰভোজ খাই ৰং-ৰহইছত ডুব গ'ল।

১৬ জুন তাৰিখে ৰ'জে গোৱালিয়ৰ উদ্ধাৰৰ কাৰণে মোৰাৰ পায়হি। বিদ্ৰোহী চিপাহীয়ে তাতিয়াক নমনা হ'ল। ৰাও চাহাবে ৰাণীৰ শৰণাপন্ন হয়হি। ৰাণীৰ নেতৃত্বত বিদ্ৰোহীয়ে দুৰ্জয় সাহেৰে ১৭ জুন তাৰিখে কোটা-কি-সৰাইত প্ৰচণ্ড যুদ্ধ কৰে কিন্তু হাৰি যায়। ৰাণী ফুলবাগলৈ হুইঁকি আহে আৰু সোণৰেখা নামে নলা এটা পাৰ হৈ পলাবলৈ চেষ্টা কৰে। ইংৰাজৰ চিপাহী এজনে তেওঁক তৰোৱালেৰে কাটে। ৰাণীৰ ঘোঁৰাই সোণৰেখা নলা পাৰ হৈ ৰাণীক সৰুৱাই লৈ যাওঁতে বিপক্ষৰ এটা বন্দুকৰ গুলী ৰাণীৰ বাওঁফালে বুকুত লাগে। ৰাণীৰ অনুচৰবৰ্গই দেখা পাই ৰাণীক ওচৰৰ ঘাঁহনি এডৰাত শুৱাই দিয়ে। ৰাণীয়ে চকু মেলে, তেওঁক নিঃস্বাৰ্থ ভাবে সেৱা কৰাৰ কাৰণে সকলোকে আশীৰ্বাদ দিয়ে। পিচ মুহূৰ্ততে তেওঁৰ অমৰ আত্মা অমৰ লোকলৈ প্ৰয়াণ কৰে। ৰ'জে স্বীকাৰ কৰিছে—Although a lady, she was the bravest and best military leader of the rebels. A man among the mutineers. ৰাণী আছিল এগৰাকী মহিমাময়ী দেৱী। তেওঁৰ কাৰণে প্ৰজাসকলে সৰ্বস্ব ত্যাগ কৰিবলৈ, প্ৰাণ বিসৰ্জন দিবলৈ সাজু আছিল। তেওঁ আছিল ব্ৰাহ্মণ বিধৱা কিন্তু তেওঁৰ বিশ্বস্তা সহচৰী আছিল মুছলমান মান্দাৰ আৰু কাশী কুনবিন, তেওঁৰ বিশ্বস্ত সৈন্য আছিল মুছলমান আফগান আৰু মেক্ৰানি সৈন্য। এই আদৰ্শ সকলোৱে গ্ৰহণ কৰিব পৰা হলে ভাৰত দ্বিখণ্ডিত নহ'লহেঁতেন।

"অমৰ হ্যায় ঝাঁন্সীকী ৰাণী"।

সাত

শাহজাদা ফিৰোজ শাহ

চিপাহী বিদ্ৰোহৰ অভ্যুত্থানত ফিৰোজ শাহে মান্দাশোৰ দখল কৰে, ইছলাম ধৰ্মৰ সেউজীয়া পতকা তোলে আৰু ব্ৰিটিছৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰে। তেওঁ মান্দাশোৰৰ হিন্দু কটোৱালজনক মুছলমান কৰে। তেওঁ নিজকে ৰজা বুলি ঘোষণা কৰে। ১৮৫৭ নৱেম্বৰত তেওঁ নীমচ অৱৰোধ কৰে। হেনৰি ডুৰাণ্ডে (Sir Henry Durand) মান্দাশোৰ লবলৈ আহে আৰু কেইবাখনো যুদ্ধত তেওঁক হৰুৱায়। তেওঁ পলাই উত্তৰ ভাৰতলৈ আহি মৌলৱী আৰু অন্যান্য বিদ্ৰোহীৰ লগত বহুত ঠাইত ইংৰাজৰ লগত যুদ্ধ কৰে কিন্তু হাৰি থাকে। কলিন কেম্পবেলে আৱধ বিদ্ৰোহী মুক্ত কৰি থকাত তেওঁ দক্ষিণলৈ আহি তাতিয়া আৰু বালা চাহাবৰ লগ লৈ গৰিলা যুদ্ধ কৰি থাকে কিন্তু ইংৰাজৰ হাতত বেয়াকৈ বিপৰ্যস্ত হয়। ফিৰোজ শাহে ৰাণী ভিক্টোৰিয়াৰ ঘোষণাৰ ছাঁত ক্ষমা বিচাৰিছিল কিন্তু ব্ৰিটিছৰ সৰ্তবিলাক তেওঁৰ মনঃপূত নোহোৱাত একো নহ'ল। তেওঁ ভাৰত এৰি যায়গৈ। ১৮৭৭ চনৰ ডিচেম্বৰ ১৭ তাৰিখে মক্কাত ইহ সংসাৰ এৰে।

আঠ

শাহাবাদ (বিহাৰ) ॥ ৰাণাকুমাৰ সিংহ

বিহাৰৰ শাহাবাদ জিলাত ৰাণা কুমাৰ সিংহৰ বহুত জমিদাৰী মাটি আছিল। মাটি খোৱাৰ কাৰণে তেওঁক ৰায়তে বছৰি তিনিলাখ টকা দিছিল। তেওঁৰ স্বভাৱ ধেঁৱাখুলীয়া আছিল। সেই কাৰণে ধাৰত পোত খাই আছিল। তেওঁ ইংৰাজ চৰকাৰক তেওঁৰ জমীদাৰী চলাবলৈ খাটিছিল। ইংৰাজ চৰকাৰে নললে। তেওঁ ইংৰাজ চৰকাৰক বহুত টকা খাজনাৰ বাবদ দিবলগীয়া আছিল আৰু খাজনাৰ অনাদায়ত গোটেই মাটি যোৱাৰ উপক্ৰম হৈছিল। তেওঁৰ ঘৰ আছিল আৰাৰ ওচৰত, জগদীশপুৰত। মীৰাটৰ বিদ্ৰোহৰ কথা বিহাৰ সোমোৱাৰ লগে লগে বিহাৰৰ বহুত ঠাইত চিপাহীবিলাক অশান্ত হৈ উঠে। চিপাহীয়ে ২৭ জুলাই তাৰিখে আৰা দখল কৰে আৰু কুমাৰ সিংহক নেতা বৰণ কৰে। তেওঁলোকে ট্ৰেজাৰী লুট কৰে আৰু জেলখানাৰ পৰা কয়েদী মুকলি কৰি দিয়ে। এলাহাবাদৰ ভিনচেন্ট আয়াৰ (Vincent Eyre) আৰা উদ্ধাৰ কৰিবলৈ আহে আৰু ২ আগষ্টত বিদ্ৰোহী চিপাহীবিলাকক পৰাস্ত কৰে। কুমাৰ সিংহই ১৮৫৮ এপ্ৰিল ২৩ তাৰিখে যুদ্ধত লে গ্ৰেণ্ডক (Le Grand) হৰুৱাই আৰু বিজয়ী হৈ পিচদিনা ২৫ এপ্ৰিল তাৰিখে এই সংসাৰৰ পৰা বিদায় লয়।

ন

চিপাহী

বিদ্ৰোহৰ প্ৰধান নায়ক আছিল চিপাহীবোৰ। সেই দিনত চৰকাৰে চিপাহীবোৰক নিজ নিজ ধৰ্মৰ নীতি-নিয়ম মানি চলিবলৈ স্বাধীনতা দিছিল। কিন্তু এওঁলোকৰ ধৰ্ম জাতি, কুলাচাৰ, ভক্ষ্যা-ভক্ষ্য গমনা-গমন আদিৰ ওপৰত নিৰ্ভৰ কৰিছিল। এইবিলাক কথা স্থানীয় ওপৰৱালাই বুজি পাইছিল কিন্তু উৰ্ধ্বতন কৰ্তৃপক্ষই বুজি নেপাইছিল। মাজে মাজে উৰ্ধতম কৰ্তৃপক্ষই নিয়মানুবৰ্ত্তিতা, তৎপৰতা, কৰ্ম-নৈপুণ্য বঢ়াবলৈ একোটা একোটা হুকুম জাৰি কৰিছিল। কোনোটো হুকুমে এওঁলোকৰ ধৰ্মত আঘাত কৰিছিল। চিপাহীবিলাকে ভয় খাই উঠিছিল যে চৰকাৰে তেওঁ-লোকৰ ধৰ্ম নষ্ট কৰিবলৈ বিচাৰিছে। তেওঁলোকে মাজে মাজে জাত

আৰু ধৰ্ম ৰক্ষা কৰিবলৈ বিদ্ৰোহ কৰিছিল। ১৮৫৭ চনৰ আগতো তেওঁলোকে
জাত-ধৰ্ম ৰক্ষা কৰিবলৈ বহুবাৰ বিদ্ৰোহ কৰিছিল। দুটামান উদাহৰণ
তলত দিয়া হ'ল।

১৮০৬ চনত মাদ্ৰাজ চৰকাৰে দেখিলে যে চিপাহীৰ কপালৰ ফোঁট, দীঘল
ডাড়ি-গোঁফ, পাগুৰী চিপাহীৰ শৌৰ্য্য-বীৰ্য্যৰ পৰিচায়ক নহয় আৰু সেই
কাৰণে হুকুম দিলে যে চিপাহীয়ে কপালত ফোঁট নলব, ডাড়ি-গোঁফ বিহিত
জোখমতে ৰাখিব আৰু চৰ্মনিৰ্মিত ককেদ (cockade, টিপ বিশেষ) ব্যৱহাৰ
কৰিব। চিপাহীয়ে ভাবিলে যে চৰকাৰে তেওঁলোকৰ ধৰ্ম নষ্ট কৰিবলৈ
গুলাইছে, বিদ্ৰোহ কৰিলে। চৰকাৰে চিপাহীক নিষ্ঠুৰ ভাবে দমন কৰে।
এইটো ভেলোৰ বিদ্ৰোহ নামে জনাজাত। হিন্দুৱে সাগৰ ফুৰিলে ধৰ্ম
হানি হয় বুলি বিশ্বাস কৰিছিল। ১৮২৪ চনত বেৰেকপুৰৰ ৪৭ নং ৰেজি-
মেণ্টৰ চিপাহীক স্থল পথেদি বৰ্মালৈ যাবলৈ হুকুম দিয়া হয়। গুজব
গুলাল যে চট্ৰগ্ৰামৰ পৰা চিপাহীয়ে জাহাজেৰে যাব লাগিব। জাত
যোৱাৰ ভয়ত চিপাহী যাবলৈ সন্মত নহ'ল। জঙ্গীলাটৰ হুকুমত এওঁলোকক
গুলী কৰা হয়, আৰু ৪৭ নং ৰেজিমেণ্ট ভাঙ্গি দিয়া হয়। ১ম আফগান
যুদ্ধত (১৮৩৬ চন) ভাৰতীয় চিপাহীক কাবুললৈ যাবলৈ বাধ্য কৰা হৈছিল।
ইয়াত হিন্দুৱে মুছলমানৰ পৰা খোৱা বস্তু কিনিব লগাত পৰিছিল, জাৰৰ
কাৰণে চামৰাৰ চোলা পিন্ধিবলগীয়া হৈছিল, স্নান-তৰ্পণাদি কৰিব পৰা
নাছিল। ভাৰতলৈ উভতি অহাৰ পিচত দেখিলে যে তেওঁলোকৰ জাত
যোৱাৰ কাৰণে লগৰ চিপাহীয়েও তেওঁলোকৰ লগত হোকাপানী বন্ধ
কৰিলে। ফলতঃ চৰকাৰে যিহকে নকৰক, চিপাহীয়ে ধৰি লৈছিল যে
চৰকাৰে জাত মাৰিবলৈ আৰু খ্ৰীশ্চান কৰিবলৈহে কৰিছে। ১৮২৯ চনত
সতী বন্ধ কৰা হ'ল, ১৮৫০ চনত ২১ নং আইন কৰি দেশী খ্ৰীশ্চানক
পৈত্ৰিক সম্পত্তিৰ অধিকাৰী কৰা হ'ল, ১৮৫৬ চনত বিধৱা-বিবাহ আইন
কৰা হ'ল, জেলত একেলগে ৰন্ধাৰ ব্যৱস্থা কৰা হ'ল। চৰকাৰী হস্পিতাল
পাতি হুকুক দিয়া হ'ল যে সকলো বেমাৰী আনকি পৰ্দানসীন মহিলাও
চিকিৎসাৰ কাৰণে হস্পিতাললৈ আহিব। ৰেল, টেলিগ্ৰাফ প্ৰৱৰ্তন কৰা
হ'ল। চিপাহীৰ মনত প্ৰবল বিশ্বাস উপজিল যে চৰকাৰে সকলোকে
খ্ৰীশ্চান কৰিবলৈহে এইবোৰ কৰিছে।

চৰকাৰে ভাৰতীয়ক খ্ৰীশ্চান কৰিবলৈ গুলাইছে, চিপাহীৰ এইটো বিশ্বাস

একেবাৰে ভিত্তিহীন নাছিল। ১৮৩০ চনৰ চাৰ্টাৰ (Charter Act) মতে
খ্ৰীশ্চান মিছনাৰীক ভাৰতলৈ আহিবলৈ অনুমতি দিয়া হৈছিল। লগে লগে
খ্ৰীশ্চান মিছনাৰীৰে ভাৰত ভৰি পৰে। মিছনাৰীবিলাকে অতি জঘন্য
ভাৱে আৰু অকথ্য ভাষাৰে যিকোনো ৰাজহুৱা ঠাইত হিন্দু ধৰ্মক আক্ৰমণ
কৰিছিল আৰু চলে-বলে-কৌশলে ভাৰতীয়ক খ্ৰীশ্চান কৰিছিল। মিছ-
নাৰী পাদুৰীবিলাকৰ লগত পুলিচ ফুৰিছিল। সেই কাৰণে চিপাহীৰ
মনত দৃঢ় বিশ্বাস হৈছিল যে চৰকাৰে সকলোকে খ্ৰীশ্চান কৰিবলৈ বিচাৰিছে।
বহুত উচ্চ পদস্থ সামৰিক বিষয়ায়ো চিপাহীৰ মাজত খ্ৰীশ্চান ধৰ্ম প্ৰচাৰ
কৰিছিল, প্ৰচাৰ পুস্তিকা বিলাই ফুৰিছিল। জেলত আৰু স্কুলতো খ্ৰীশ্চান
ধৰ্ম প্ৰচাৰ কৰা হৈছিল। দেশী খ্ৰীশ্চানক চৰকাৰৰ তৰফৰপৰা বিশেষ
অনুগ্ৰহ দেখুৱা হৈছিল। এইটো একেবাৰে সঁচা যে যেতিয়া তেওঁলোকে
জানিলে যে গুলীত গৰু, গাহৰিৰ তেল ঘঁহা হৈছে, তেতিয়াই তেওঁলোকৰ
পিলাই চমকি উঠিছিল, জীউ উৰি যাব খুজিছিল। চিপাহীবিদ্ৰোহৰ
একমাত্ৰ কাৰণ তেলঘঁহা গুলী। অন্যান্য কাৰণবিলাক আনুষঙ্গিক মাত্ৰ।
বীৰসভাৰ কৰে কৈছে যে চিপাহীবিলাকে স্বধৰ্ম আৰু স্বদেশৰ কাৰণে
বিদ্ৰোহ কৰিছিল। এইটো সঁচা হয় নে নহয় চিপাহীবিলাকে বিদ্ৰোহ
কৰাৰ পিচত কি কৰিছিল তাকে চালেই বুজা যাব। সৰ্বত্ৰ চিপাহী-
বিলাকে কম-বেচি পৰিমাণে এখন পূৰ্ব নিৰ্দিষ্ট আঁচনি মতে চলা যেন
দেখা যায়।

বিদ্ৰোহ কৰিয়ে চিপাহীবিলাকে ইংৰাজ সামৰিক বিষয়াবিলাকক হত্যা
কৰিছিল। ততাতৈয়াকৈ জেলখানালৈ গৈ জেলৰ কয়েদীবিলাকক মুকলি কৰি
দিছিল। গুজৰ, ৰংঘৰ, মেৱাতি আদি দস্যু জাতি, গুণ্ডা দলে দলে আহি যোগ
দিছিল। সকলোৱে নিঃসঙ্কোচে ইংৰাজ পুৰুষ-মহিলা, ল'ৰা-ছোৱালীক
আৰু ভাৰতীয় খ্ৰীশ্চানক হত্যা কৰিছিল। ব্ৰাহ্মণ চিপাহীয়েও মাকৰ
আগতে ল'ৰা-ছোৱালীক হত্যা কৰি গৌৰৱ কৰিছিল, 'সাপৰ কি সৰু
বৰ আছে'। দুই এঠাইত ব্যাতিক্ৰম ঘটিছিল। চিপাহীয়ে ইংৰাজ পুৰুষ-
মহিলা, ল'ৰা-ছোৱালীক ৰক্ষণাবেক্ষণ দি নিৰাপদ ঠাইলৈ পঠিয়াই দিছিল।
এনে ব্যতিক্ৰম বিৰল। চিপাহীয়ে ট্ৰেজাৰী লুট কৰি, ট্ৰেজাৰীৰ টকা আত্মসাৎ
কৰিছিল। চিপাহীবিলাকে ট্ৰেজাৰী লুটি মুঠতে ১০,০০০,০০ পাউণ্ড
খাইছিল।

চিপাহী, দস্যু-দুৰ্বৃত্তই ইংৰাজৰ ঘৰ-বাৰী পুৰিছিল ; লগতে ভাৰতীয় মানুহৰো ঘৰ-বাৰী, বজাৰ ভস্ম হৈছিল। চিপাহীয়ে ইংৰাজ, ভাৰতীয় মহাজন, সদাগৰ, বেঙ্কাৰ, ধনী-দুখীয়া সকলোকে নিৰ্বিবাদে এফালৰ পৰা লুট কৰিছিল। দস্যু-দুৰ্বৃত্তবিলাক তেওঁলোকৰ নিত্য সহচৰ আছিল। যেয়ে বাধা দিছিল তেওঁক তৎক্ষণাত হত্যা কৰিছিল। অৱস্থাপন্ন শ্ৰেণীয়ে আত্ম-ৰক্ষাৰ্থে নিজাকৈ একোটা ফৌজ পুহি ৰাখিছিল। চিপাহীৰ সৈতে এই ফৌজৰ যুদ্ধ লাগিছিল। নানা প্ৰকাৰে ডকাইতি কৰি টকা-সোণ, মুকুতা-মাণিক আদায় কৰিছিল। ইংৰাজৰ আগত তিষ্ঠিৰ নোৱাৰি পলাই ফুৰোঁতেও চিপাহীয়ে গাওঁ লুট কৰিছিল, ঘৰ জ্বলাই দিছিল। দোকানীৰ পৰা বস্তু কিনি দাম নিদিছিল, দাম বিচাৰিলে দোকানৰ সৰ্বস্ব লুটিছিল, দোকানীক গুলীয়াই মাৰিছিল। বেচি দাম লৈছে বুলিও চিপাহীয়ে দোকানীক হত্যা কৰিছিল। মহিলাৰ ওপৰত বিশেষকৈ সম্ভ্ৰান্ত মহিলাৰ ওপৰত বলাৎকাৰ কৰাতো চিপাহীৰ কাৰণে ডাঙৰ ব্ৰত হৈ পৰিছিল। ইংৰাজ মহিলাৰ ওপৰতো বলাৎকাৰ কৰিছিল বুলি অভিযোগ উঠিছিল, ঐতিহাসিকসকলে এইটো সঁচা নহয় বুলি কৈছে। আত্ম-সন্মান ৰক্ষা কৰিবলৈ মহিলাই দলে দলে আত্মহত্যা কৰিছিল। চিপাহীবিলাকে লুটৰ অংশ লৈ নিজৰ ভিতৰতে কাজিয়া কৰি মৰিছিল। বহুত চিপাহীয়ে ধন-সোণ লুট কৰি লৈ নিজ ঘৰলৈ পলাই গৈছিল। ১৮৫৮ চনতে এঙ্গেলসে মন্তব্য কৰিছিল :— 'যি বিপুল পৰিমাণৰ লুটৰ মাল তেওঁলোকে লৈ ফুৰিছে আৰু যাৰ ফলত সকলোৰে গতিবিধি ব্যাহত হৈছে সেইটোৱেই ইতিমধ্যে কৃষকসকলৰ লোভ সৃষ্টি কৰিছে বুলি ধাৰণা হয়। বিচ্ছিন্ন হৈ পৰা চিপাহীসকলক খুন কৰি তেওঁলোকৰ সোণৰ মোহৰৰ বোজা পাতল কৰা হৈছে'।[১]

গৰালৰ পৰা মুকলি হলে বাঘক পায় কোনে? চিপাহীবিলাকো নিয়মানুবৰ্তীতাৰ গৰালৰ পৰা মুক্ত হৈ গৰাল-মুক্ত বাঘ হৈ পৰিছিল, কোনো নিয়ম-কানুন নামানিছিল। বাদশাহ, হেকিম আহসানউল্লা, নানা চাহাব, তাতিয়া তোপে আদিয়ে স্পষ্টকৈ কৈছে, চিপাহীবিলাকে তেওঁলোকক, কৰ্তৃপক্ষক, ওপৰৱালাক নামানিছিল। দিল্লীত চিপাহীয়ে কৈছিল আমাক বখৎখাঁক সেনাপতি নালাগে, সেইটো ফৌজ যদি তালৈ যায়, আমি যুদ্ধ

[১] প্ৰথম পৃঃ ১৮০

নকৰোঁ। অন্যত্ৰও এইটো ঘটিছিল। বহিৰাগত শত্ৰুৰ চিপাহীয়ে যি অত্যাচাৰ কৰে, ভাৰতীয় চিপাহীয়ে তেনেকুৱাই অমানুষিক অত্যাচাৰ নৃশংসভাৱে কৰিছিল। চিপাহীয়ে জাত যাব বুলি উধাতু খাই উঠিছিল সঁচা। এইটো একেবাৰে মিছা যে চিপাহীয়ে স্বদেশ আৰু স্বধৰ্মৰ কাৰণে যুদ্ধ কৰিছিল।

দহ

সকলোৱে কি বিদ্ৰোহত যোগ দিছিল ?

বিদ্ৰোহৰ সময়ত ব্ৰিটিছ ভাৰতবৰ্ষ বেঙ্গল প্ৰেচিদেন্সী, মাদ্ৰাজ প্ৰেচিদেন্সী আৰু বম্বে প্ৰেচিদেন্সী, এই তিনি ভাগত বিভক্ত আছিল। বেঙ্গল প্ৰেচিদেন্সী গোৱালপাৰাৰ পৰা আফগানিস্তান, হিমালয়ৰ পৰা দাক্ষিণাত্যৰ উত্তৰ সীমান্তলৈকে বিস্তৃত আছিল। মালৱা, ৰাজপুতনা, মধ্য ভাৰত, উৰিষ্যা এই প্ৰেচিদেন্সীৰ ভিতৰত পৰিছিল। আজিৰ মহাৰাষ্ট্ৰ আৰু গুজৰাট ৰাজ্য বম্বে প্ৰেচিদেন্সী আৰু অৱশিষ্ট ভূমি মাদ্ৰাজ প্ৰেচিদেন্সীৰ অন্তৰ্ভুক্ত আছিল। প্ৰত্যেক প্ৰেচিদেন্সীৰ নাম অনুযায়ী, বেঙ্গল আৰ্মী, মাদ্ৰাজ আৰ্মী আৰু বম্বে আৰ্মী, এই তিনিটা আৰ্মী আছিল। এই তিনিটা আৰ্মীত ২,৩২,২২৪ জন ভাৰতীয় চিপাহী আছিল। ব্ৰিটিছ সৈন্যবাহিনীত অফিচাৰ ১৬১৭০ আৰু অন্যান্য ৩৯৩৫২ জন আছিল। ব্ৰিটিছ সেনাবাহিনীয়ে এনফিল্ড ৰাইফল ; ৬ পাউণ্ড, ৯ পাউণ্ড, ১৮ পাউণ্ড আৰু ২৪ পাউণ্ড ফিলদ্‌গান, ২৪ পাউণ্ড গান, ৮ ইঞ্চি হাৱিৎজাৰ, মটাৰ আৰু সিজগান ব্যৱহাৰ কৰিছিল। ভাৰতীয় চিপাহীয়ে মাস্কেট ব্যৱহাৰ কৰিছিল। এই বন্দুক এনফিল্ড বন্দুকতকৈ নিকৃষ্ট আছিল। চিপাহীয়ে তৰোৱাল ব্যৱহাৰ কৰিছিল ; গোড়াই ব্যৱহাৰ কৰিছিল বেয়নেট। চিপাহী বেয়নেটৰ আগত তিষ্ঠিব নোৱাৰিছিল। নামটো বেঙ্গল আৰ্মী যদিও ইয়াত বঙ্গালী মানুহ দৰবত দিবলৈকো নাছিল বুলি কব পাৰি। অধিকাংশ লোক আৱধৰ আৰু উত্তৰ প্ৰদেশৰ ব্ৰাহ্মণ আছিল। এওঁলোক পশ্চিমত পূৰ্বীয়া নামে জনাজাত হৈছিল। বিদ্ৰোহ বেঙ্গল আৰ্মীতে সীমাবদ্ধ আছিল বুলি কব পাৰি। মাদ্ৰাজ আৰু বম্বে

আৰ্মীত গোলমাল হৈছিল, কিন্তু সেই গোলমাল নগণ্য আছিল। বেঙ্গল আৰ্মীত প্ৰায় ১,৩০,৪০০ চিপাহী আছিল, ইয়াৰে ৩০,০০০ ব্ৰিটিছৰ লগত থাকি যায়; ৩০,০০০ নিৰস্ত্ৰ কৰা হয়, বাকী ৭০,০০০ বিদ্ৰোহী হয়। তিনিটা আৰ্মীত ১,৬২,২২৪ জন চিপাহী ব্ৰিটিছৰ লগত থাকে। যুদ্ধ ক্ষেত্ৰত এজন গোড়া চিপাহীৰ লগত ২০ জন দেশী চিপাহী আছিল। গুৰ্খা চিপাহীয়ে বিদ্ৰোহ কৰা নাছিল। ৭০,০০০ চিপাহী আৰু ভাৰতৰ এক-তৃতীয়াংশ মাত্ৰ বিদ্ৰোহত লিপ্ত হৈছিল। এই বিদ্ৰোহত ভাৰতৰ জনসাধাৰণে যোগ দিয়া নাছিল। আজিৰ বিহাৰ আৰু উত্তৰ প্ৰদেশৰ কিছুমান মানুহেহে বিদ্ৰোহত যোগ দিছিল। এই বিদ্ৰোহ ৰজা-মহাৰজা, নৱাব, তালুকদাৰ আৰু জমীদাৰ শ্ৰেণীয়ে সাধাৰণতে সমৰ্থন কৰা নাছিল; আনহাতে ব্ৰিটিছক সকলো প্ৰকাৰে সহায় কৰিছিল। নভা, ঝিন্দ আৰু পাতিয়ালাৰ মহাৰজাসকলে ব্ৰিটিছক ৰাস্তা কৰি দিছিল, যুদ্ধ সামগ্ৰী দিছিল, সৈন্যও দিছিল। কৰ্ণালৰ নৱাব, গোৱালিয়ৰৰ সিন্ধিয়া, ইণ্ডোৰৰ হোলকাৰ, ভূপাল আৰু জাৱৰাৰ নৱাব, ধৰ আৰু ঝাবুৱাৰ ৰজা, ৰাম-পুৰৰ নবাব, কাশ্মীৰৰ মহাৰজা আদিয়েও ব্ৰিটিছক সহায় কৰিছিল। ব্ৰিটিছক সহায় কৰা তালুকদাৰ আৰু জমীদাৰ অসংখ্য আছিল, যথা চৰথৰিৰ ৰজা, পোৱাঁইৰ ৰজা, ধাৰপুৰৰ হনুমন্ত সিং, বনাৰছৰ ৰজা আৰু আটাইবিলাক শিখ ৰজা আৰু প্ৰধানসকল। নেপালৰ প্ৰধানমন্ত্ৰী ৰাণা জং বাহাদুৰে ব্ৰিটিছক ১০,০০০ গুৰ্খা সৈন্য দি সহায় কৰিছিল। প্ৰথমে ৭০,০০০ চিপাহীয়ে বিদ্ৰোহ কৰিছিল। লক্ষ্ণৌত ১,২০,০০০ চিপাহী সমৱেত হৈছিল। বৰ বেচি ৩০,০০০ চিপাহীয়ে অ'ত ত'ত যুদ্ধত ৰত আছিল। লণ্ডন টাইমচ্‌ৰ মতে ৩৪ কোটি ২৫ লাখ ভাৰতীয়ৰ মাজত মাত্ৰ পঞ্চাশ হাজাৰে বিদ্ৰোহত যোগ দিছিল। মুঠ দুই লাখ বিদ্ৰোহত লিপ্ত হৈছিল। চিপাহী বিদ্ৰোহ ভাৰতৰ গণবিদ্ৰোহ নাছিল।

★★

এঘাৰ

ভাতৃত্বৰ নাগপাশ

বিদ্ৰোহৰ মুখত জুই দিছিল প্ৰথমে হিন্দুৱে। অচিৰে মুছলমানসকলে বিদ্ৰোহক মোগল সাম্ৰাজ্যৰ পুনৰ সংস্থাপনৰ, মুছলিম গৌৰৱ পুনৰ প্ৰতিষ্ঠাৰ সুবৰ্ণ সুযোগ বুলি ধৰি ললে। বিশেষকৈ দিল্লীত আৰু ৰোহিলাখণ্ডত বহু জেহাদীৰ আবিৰ্ভাৱ হয়। জেহাদীয়ে দিল্লীত বাদশাহৰ ওচৰত দাবি জনালে যে জেহাদ ঘোষণা কৰিব লাগে। তেওঁলোকে ১ আগষ্ট তাৰিখে জুমা মছজিদত গৰু কাটিবলৈ স্থিৰ কৰিলে। বাদশাহে হুকুম দিলে:— 'জেহাদ ইংৰাজৰ বিৰুদ্ধে, হিন্দুৰ বিৰুদ্ধে নহয়, কোনেও গৰু কাটিব নোৱাৰিব'। তেওঁ নিজে ইদ্‌গাহত এটা ভেৰা বলি দিয়ে। বাদশাহ দুৰ্বল মনৰ মানুহ আছিল, তেওঁৰ এই সাহ আৰু দৃঢ়তা প্ৰশংসনীয়। এইটো ঐতিহাসিকসকলে স্বীকাৰ কৰিছে যে বাদশাহে নিজে হিন্দুৰ প্ৰতি ৰাজনৈতিক কাৰণে হলেও শ্ৰদ্ধা আগবঢ়াইছিল, জেহাদৰ প্ৰস্তাৱ মষিমূৰ কৰিছিল, সকলো প্ৰজাৰ প্ৰতি নিজ কৰ্তব্য পালন কৰিবলৈ চেষ্টা কৰিছিল।

বিজনৌৰ—বাদশাহৰ নিচিনা বেগম হজৰৎ মহলৰ বাহিৰে অন্য মুছলমান নেতাৰ ইমান উচ্চ বিবেচনা শক্তি নাছিল। ১৯ মে' তাৰিখে বিজনৌৰ জনতাই বিদ্ৰোহ কৰে। নজিবাবাদৰ নৱাব মাহমুদ খাঁই নিজকে বিজনৌৰৰ ৰজা আৰু বাদশাহৰ প্ৰতিভূ বুলি ঘোষণা কৰে। নৱাবে হিন্দুবিলাকক অত্যাচাৰ কৰে। হিন্দু-মুছলমানৰ যুদ্ধ লাগে। হিন্দু যুদ্ধত হাৰে। নিমাষিত হিন্দুসকলক হত্যা কৰা হয়। ১৮৫৮ এপ্ৰিল মাহত ব্ৰিটিছে বিজনৌৰ উদ্ধাৰ কৰে। এই কালছোৱাৰ ভিতৰত দুৰ্বৃত্তই গাওঁ-ভূই পোৰে, লুণ্ঠণ কৰে, আনকি হৰিদ্বাৰ, কনখল বিপৰ্যাস্ত কৰে। আলিগড়— ১৮৫৭ জুলাই মাহত নছিমুল্লাই শাসন কৰিবলৈ ধৰে আৰু লগে লগেই হিন্দু-মুছলমানৰ সম্পৰ্ক তিক্ত হৈ উঠে। বেৰিলী—১৮৫৭ খৃষ্টাব্দৰ ৩১ মে' তাৰিখে

বেৰিলীৰ চিপাহীয়ে বিদ্ৰোহ কৰে। খাঁ বাহাদুৰ খাঁ ৰজা হয়। এওঁৰ ৰাজত্বত হিন্দুৰ অৱস্থা অতি শোচনীয় হৈছিল। ৰাজহ বিভাগৰ মুৰব্বী সোভাৰামক মুছলমানে হত্যা কৰে; হিন্দু কৰ্মচাৰীবিলাকৰ সৰ্বস্ব লুটি নিয়ে। মুছলমানে হিন্দুৰ গাত থু পেলাইছিল, হিন্দুৰ ঘৰত গৰুৰ তেজ পেলাই অশুচি কৰিছিল আৰু চৌহদত গৰুৰ হাড় পেলাইছিল। ৰোহিলা খণ্ড—ৰোহিলাখণ্ডত বিদ্ৰোহ মুছলমানসকলৰ মাজত সীমাবদ্ধ আছিল বুলি কব পাৰি। তেওঁলোকে সেউজীয়া পতাকা তুলিছিল, ইছলাম ৰাষ্ট্ৰৰ জিন্দাবাদ কৰিছিল আৰু হিন্দু সদাগৰসকলক লুট কৰিছিল। বেৰিলী, বিজনৌৰ, মোৰাদাবাদ আদি ঠাইত হিন্দু-মুছলমানৰ ভিতৰত ৰক্তাক্ত সংঘৰ্ষ সংঘটিত হৈছিল। বনাৰছ—১৮৫৭ জুন ৪ তাৰিখে বনাৰছত মুছলমানবিলাকে বিশ্বেশ্বৰ মন্দিৰৰ ওপৰত সেউজীয়া পতাকা তুলিবলৈ দৃঢ়প্ৰতিজ্ঞ হৈছিল কিন্তু লিন্দ (Lind)ৰ আহ্বানত ৰাজপুতসকল আগবাঢ়ি অহাত মুছলমানসকলে ছত্ৰভঙ্গ দিয়ে। সিৰ্সা—পঞ্জাবৰ সিৰ্সাত হিন্দু-মুছলমানৰ মাজত সংঘৰ্ষ হৈছিল। কিন্তু যি জনা বেৰিলীৰ নৱাব খাঁ বাহাদুৰ খাঁৰ শাসনত হিন্দু কৰ্মচাৰীক সৰ্বস্বান্ত কৰা হৈছিল, হিন্দুৱে আত্মৰক্ষাৰ কাৰণে যুদ্ধ কৰিবলগীয়া হৈছিল, সেইজনা নৱাবেই হিন্দু ঐক্যৰ কাৰণে ইস্তাহাৰ জাৰি কৰিছিল। তেওঁৰ এখন ইস্তাহাৰ দিল্লীত জাৰি কৰা হৈছিল। এইখন ইস্তাহাৰ হিন্দু-মুছলমানৰ মাজত ঐক্য স্থাপনৰ এক উজ্বল গৌৰৱ বুলি কোনো কোনো লেখকে মন্তব্য দিছে। এই ইস্তাহাৰখনৰ শেষৰ ফালে কোৱা হৈছে—'ইংৰাজ হিন্দু-মুছলমান উভয়ৰে শত্ৰু। উভয় জাতিয়ে ভাৰতবৰ্ষত ইংৰাজক হত্যা কৰা কৰ্তব্য। সেই কাৰণে দুয়ো জাতি মিলিত হোৱা উচিত আৰু ইংৰাজক ধ্বংস কৰা উচিত। হিন্দুসকলৰ মাজত গো-বধ ঘোৰ পাতক বুলি ধৰা হয়। মুছলমান প্ৰধানসকলে মত দিছে যে যদি হিন্দুৱে ইংৰাজক মৰাত তেওঁলোকৰ লগ লয়, তেন্তে তেওঁলোকেও গো-বধ কৰিবলৈ এৰি দিব। মুছলমানবিলাকে কোৰাণৰ শপত লৈ কৈছে যে তেওঁলোকে গো-মাংস ভক্ষণ নকৰে; হিন্দুসকল যদি মুছলমানৰ সৈতে সংযুক্ত হয়, গাহৰি মাংস মুছলমানে যি ত্ৰাসেৰে দেখে, একে ত্ৰাসেৰে গো-মাংসকো চাব। যদি হিন্দুৱে এই আন্তৰিক গোহাৰি গ্ৰহণ নকৰে আৰু ইংৰাজক হত্যা নকৰে আনকি ইংৰাজক আশ্ৰয় দিয়ে—তেওঁলোক গো-বধ আৰু গো-মাংস ভক্ষণ পাতকী হব'।[১]

[১] HIM II পৃঃ ১৭৭

ইয়াত লক্ষ্য কৰিবলগীয়া 'যদি' শব্দটো। মুছলমানৰ গো-বধ, গো-মাংস ভক্ষণ-বৰ্জন 'যদি'ৰ ওপৰত নিৰ্ভৰ কৰিছে। এইখন ইস্তাহাৰৰ কোনো মূল্য নাছিল। এইটো সঁচা নহয় বিদ্ৰোহে হিন্দু-মুছলমানক ভাতৃত্বৰ নাগপাশেৰে বান্ধিছিল [২]। কিন্তু এইটো সঁচা শেষ মুহূৰ্তত হাজাৰ হাজাৰ হিন্দু-মুছলমানে ইংৰাজৰ বিৰুদ্ধে একেলগে যুঁজিছিল, একেলগে মৰিছিল।

[২] HCIP IX Ch. XVII

বাঁৰ

চিপাহী বিদ্ৰোহ কি ভাৰতৰ স্বাধীনতাৰ প্ৰথম যুদ্ধ?

এভাগে ভাবে চিপাহীবিদ্ৰোহ চিপাহীৰ বিদ্ৰোহ নহয়, জনসাধাৰণৰ বিদ্ৰোহ। আনভাগৰ মতে এইটো চিপাহীৰ বিদ্ৰোহৰ বাহিৰে আন একো নহয়। যদিও কোনো কোনো ঠাইত চিপাহীৰ লগত জনসাধাৰণে উজান দিছিল, বিদ্ৰোহৰ সমসাময়িক আটাইবিলাক ভাৰতীয় লেখকে এইটো সামৰিক বিদ্ৰোহ বুলি ভাবিছিল। তেওঁলোকে কোনেও চিপাহীবিলাক স্বাধীনতাৰ যুঁজাৰু বুলি ভবা নাছিল; মত দাঙ্গি ধৰিছিল, তেওঁলোক দুৰ্বৃত্ত আছিল। সমসাময়িক ইংৰাজ লেখকসকল দুভাগত বিভক্ত আছিল। জন ব্ৰুচ নৰ্টনে Topics For Indian Statesmen 1858, কিতাপত চিপাহী বিদ্ৰোহ জনসাধাৰণৰ বিদ্ৰোহ বুলি কৈছে। আনহাতে চাৰ্লস ৰাইক্সে তেওঁৰ Notes On the Revolt in North-Western Province of India, 1858, কিতাপত এইটো চিপাহী বিদ্ৰোহ বুলি কৈছে।[১] আজি-কালিৰ কোনো

[১] Mutiny পৃঃ ৩৮৩

কোনো ভাৰতীয় লেখকে চিপাহী বিদ্ৰোহ ভাৰতৰ স্বাধীনতা বিদ্ৰোহ বুলি কয় আৰু অভিযোগ কৰে ইংৰাজ লেখকে ইচ্ছা কৰিয়েই এই বিদ্ৰোহক চিপাহীৰ বিদ্ৰোহ বুলি বৰ্ণনা কৰিছে। এইটো এটা 'জাতীয় বিদ্ৰোহ' বুলি প্ৰথমে কাৰ্ল মাৰ্ক্সে অভিহিত কৰিছিল।[২] ভাৰতীয়ৰ মাজত বীৰ সভাৰকৰে সৰ্বপ্ৰথমে এইদৰে কৈছে।

১৮৫৭ চনৰ বহুকাল আগৰে পৰাই বিদ্ৰোহৰ কাৰণে এটা পৰিকল্পনা কৰা হৈছিল বুলি কোৱা হয়। বিদ্ৰোহৰ আগতে গাৱেঁ গাৱেঁ চাপাতি বিতৰণ কৰা হৈছিল। তেনেকৈ চিপাহীৰ শিবিৰবিলাকত ৰঙা গোলাপ ফুল এটা এজনৰ হাতৰ পৰা আন এজনৰ হাতত দিয়া হৈছিল। এনেদৰে জনগণ আৰু চিপাহীক বিদ্ৰোহৰ কাৰণে সাজু কৰা হৈছিল বুলি কোৱা হয়। উচ্চ পদস্থ ইংৰাজ কৰ্মচাৰী আৰু ঐতিহাসিক উভয়ে ইয়াৰ কোনো ভিত্তি নাই বুলি মত দিছে। নানা চাহাবে ভাৰতবৰ্ষ তীৰ্থ কৰাৰ নামত ঘূৰি ফুৰি বিদ্ৰোহ সংগঠন কৰিছিল বুলি সভাৰকৰে লেখিছে। এইটোৰ কোনো ভিত্তি নাই। পাৰ্চিয়া আৰু ৰুচিয়াই সহায় কৰিব বুলি প্ৰচাৰ কৰা হৈছিল। এই প্ৰচাৰ ভিত্তিহীন আছিল। বিদ্ৰোহৰ আগত নেতা-সকলৰ মাজত কোনো আলোচনা হোৱা নাছিল, বিদ্ৰোহ চলি থাকোঁতেও তেওঁলোকে মিলি কোনো আঁচনি লোৱা নাছিল। একক ৰাজনৈতিক পৰিকল্পনা নাছিল, একক সামৰিক পৰিকল্পনা নাছিল, একক গণ আন্দোলনৰ পৰিকল্পনাও নাছিল। বীৰ সভাৰকৰৰ মতে এই বিদ্ৰোহ ১৮৫৭ চনৰ ৩১ মে' তাৰিখে আৰম্ভ হোৱাৰ কথা আছিল; হঠাৎ ১০ মে' তাৰিখে হোৱাত বিদ্ৰোহৰ পৰিকল্পনা আক্ৰান্ত হয়। ঐতিহাসিকসকলে এইটো ভিত্তিহীন বুলি কয়। ১৮৫৬ চনৰ শেহৰ ফালৰ পৰা পূৰ্বীয়া চিপাহীবিলাকৰ মাজত তেলঘঁহা কাৰ্টিজ লৈ আলোচনা চলিছিল। তেওঁলোক উত্তেজিত হৈছিল কিন্তু তেওঁলোকে বিদ্ৰোহ কৰিবলৈ বিচৰা নাছিল। উত্তেজনা, আনৰ তিৎকাৰি সহ কৰিব নোৱাৰাৰ কাৰণে বিদ্ৰোহৰ বিস্ফোৰণ ঘটে। উচ্চ স্তৰৰ দুই এজনে বিদ্ৰোহ কৰাৰ কথা ভাবিলেও সমূহ চিপাহীয়ে বিদ্ৰোহৰ কল্পনা কৰা নাছিল। বিদ্ৰোহৰ কাৰণে পৰিকল্পনা,

[২] প্ৰথম পৃঃ ৫০। ১৮৫৭ জুলাই ৩১ তাৰিখে লিখিত, New york Daily Tribune কাকতৰ ৫০৯১ নং সংখ্যাত ১৮৫৭ আগষ্ট ১৪ তাৰিখে প্ৰকাশিত।

ষড়যন্ত্ৰ, প্ৰস্তুতি একো হোৱা নাছিল। মে' ১০ তাৰিখে মঙ্গল পাণ্ডেই উত্তেজনা সহ কৰিব নোৱাৰিহে বিদ্ৰোহ কৰিছিল। মাত্ৰ ৭০ হাজাৰ চিপাহীয়ে বিদ্ৰোহত যোগ দিছিল। অধিকা ৮০ হাজাৰ চিপাহী যোগ দিয়াত বিদ্ৰোহী চিপাহীৰ সংখ্যা ১৫০ হাজাৰলৈ উঠিছিল। জনসাধাৰণে বিদ্ৰোহীক প্ৰশ্ৰয় দিয়া নাছিল আৰু বিদ্ৰোহীক সহায়-সহানুভূতি দিয়া নাছিল। ব্ৰিটিছ পলাই যোৱাত চিপাহীয়ে অৰাজকতাৰ সৃষ্টি কৰে। তেতিয়া জনসাধাৰণে ভাবিলে, ব্ৰিটিছৰ দিন উকলিল, ব্ৰিটিছ আৰু নাহে। মুখিয়ালবিলাকে সশস্ত্ৰ মানুহ গোটায় আৰু ব্ৰিটিছে কাঢ়ি লৈ যোৱা জমীদাৰী, মান-সন্মান উদ্ধাৰ কৰে, লগতে আনৰ মাটি, ধন-সম্পত্তিও অপহৰণ কৰে। বহুতৰ মাটি খাজনাৰ দায়ত নিলামত গৈছিল, মাটিগিৰিয়ে নিলাম খৰিদ্দাৰক খেদি, মাৰি, দখল কৰে। সুদখোৱা মহাজনৰপৰা খত-বন্ধ, বন্ধকি দলিল কাঢ়ি লয়; কোনো কোনো মহাজনক মাৰি পেলায়। অত্যাচাৰী জমীদাৰ আৰু নীল খেতিয়কসকলক কাটে। সৰু-বৰ নেতা-বিলাকে নিজকে ৰজা বুলি ঘোষণা কৰে। ৰোহিলাখণ্ডত ১৪ খন গাওঁ দখল কৰি এজন মানুহ মহাপ্ৰতাপী ৰজা হৈছিল। গাৱেঁ গাৱেঁ, চুবুৰীয়ে চুবুৰীয়ে যুদ্ধ লাগিছিল। সকলোৱে পুৰণি হিজাৰ পুৰাবলৈ ধৰে। মাৰ-পিত, ডকাইতি, লুণ্ঠন, অগ্নিদাহ সাধাৰণ কথা হৈ পৰে। কাৰো নিৰাপত্তা নাছিল। দুৰ্বল শ্ৰেণীয়ে অতিকৈ ভুগিবলগীয়া হৈছিল।

এওঁলোকৰ কোনেও ভাৰতৰ স্বাধীনতাৰ কথা ভৱা নাছিল। ব্যক্তিগত স্বাৰ্থই প্ৰধান কথা আছিল। এওঁলোকৰ অত্যাচাৰত ৰাইজ ইমান জৰ্জৰিত হৈছিল যে ৰাইজে ব্ৰিটিছ উভতি অহাৰ কাৰণে ভগৱানক খাটিবলৈ ধৰে। মহাত্মা গান্ধীক ভাৰতৰ বিৰাট জনতাই নেতা মানি লৈ এখন জাতীয় পতাকাৰ তলত সমবেত হৈছিল, লক্ষ লক্ষ জনে আত্মাহুতি দিবলৈ সাজু আছিল। ১৮৫৭ চনত সৰ্বভাৰতীয় কোনো নেতা নাছিল, যি জনাৰ আহ্বান শুনি সদৌ ভাৰতে এখন পতাকাৰ তলত হাতত হাত মিলাই একেলগে ভাৰতৰ স্বাধীনতাৰ কাৰণে যুদ্ধ কৰিব পাৰিলেহেঁতেন। সেই সময়ত সমগ্ৰ ভাৰতৰ কাৰণে যে স্বাধীনতা লাগে এই ধাৰণা কাৰো নাছিল। বাহাদুৰ শাহ, নামতহে দিল্লীৰ বাদশাহ আছিল। তেওঁ সৰ্ব-ভাৰতীয় নেতা নাছিল। ৰাজপুতসকলে বাদশাহক সদৌ ভাৰতৰ সম্ৰাট পাতিবলৈ প্ৰস্তুত নাছিল। ৰাজপুত ৰজা মহাৰজাসকলৰ কোনেও বাহাদুৰ

শাহে সমৰ্থন বিচাৰি দিয়া চিঠিৰ উত্তৰ দিয়া নাছিল। মাৰাঠাসকলে মুছলমানৰ সৈতে যুদ্ধ কৰোঁতেই গ'ল, শাহ আলমক বন্দী কৰি দিল্লী দখল কৰিছিল, কিন্তু ইংৰাজে মাৰাঠাৰ হাতৰপৰা তেওঁক উদ্ধাৰ কৰি দিল্লীৰ সিংহাসনত বহুৱায়। মাৰাঠাসকলৰ কাৰণে বাহাদুৰ শাহক হিন্দুস্তানৰ সম্রাট বুলি মানি লোৱা সম্ভৱপৰ নাছিল। তেওঁলোকেও বাদশাহৰ গোহাৰিৰ কোনো সমৰ্থন দিয়া নাছিল। মাৰাঠা দেশলৈ যোৱা ইস্তাহাৰ-বিলাক পেশোৱা নানা চাহাবৰ নামত জাৰি কৰা হৈছিল। ঔৰঙজেৱে শিখবিলাকক কিমান অত্যাচাৰ কৰিছিল সকলোৱে জানে। তেওঁ গুৰু টেগ বাহাদুৰক মুছলমান হবলৈ হুকুম দিছিল। গুৰু মুছলমান নহ'ল। গুৰুজনাক ১৭৩২ মাঘৰ ১৩ তাৰিখে (১৬৭৫ চন) ঔৰঙ্গজেৱৰ হুকুমত হত্যা কৰা হয়। শিখে এইটো কেনেকৈ পাহৰিব? শিখসকলে এইটো ভৱিষ্যৎ বাণী বিশ্বাস কৰিছিল যে এদিন শিখে মোগল সিংহাসন হস্তগত কৰিব। ব্ৰিটিছে বুজাই দিলে যে 'সেই বাণী ফলিয়াব, আমাৰ লগত মুছলমানৰ সৈতে যুদ্ধ কৰা'। সেই কৰেণে শিখসকলে অদম্য উৎসাহেৰে যোগ দিয়েহি আৰু দুৰ্জয় সাহেৰে যুদ্ধ কৰে। যি অসমে চিৰকাল মোগলৰ সৈতে যুঁজি মোগলক খেদিলে, সেই অসমে কি বাদশাহক গোটেই ভাৰতৰ সম্রাট বুলি মানি ললেহেঁতেন? দুই এজন বিদ্রোহী নেতাই মুখেৰে বাহাদুৰ শাহক সম্রাট বুলি মানিছিল, কিন্তু কাৰ্য্যতঃ সম্পূৰ্ণ স্বাধীন আছিল। নানা চাহাব, কুমাৰ সিংহ, ৰাণী লক্ষ্মীবাঈ এওঁলোকৰ কোনেও বাদশাহক সম্রাট বুলি মানি লোৱা নাছিল। তেনেকৈয়ে এওঁলোকৰ নেতৃত্ব নিজ নিজ এলেকাত সীমাবদ্ধ আছিল। নানা চাহাবক অৱশ্যে দুই এক পেশোৱা বুলি মুখেৰে স্বীকাৰ কৰিছিল।

মুছলমানসকলে চিপাহীবিদ্রোহক মুছলমানৰ লুপ্ত গৌৰৱ উদ্ধাৰৰ সুবৰ্ণ সুযোগ বুলি ভাবিছিল। ব্ৰিটিছ লেখকসকলে বিদ্রোহক 'a movement for Muslim Revival' বুলি লেখিছে আৰু মুছলমানৰ অভ্যুত্থান বুলি বৰ্ণনা কৰিছে। ব্ৰিটিছ লেখকৰ পৰা বুজা যায় যে ব্ৰিটিছে হিন্দুক ভয় কৰা নাছিল, মুছলমানকহে ভয় কৰিছিল আৰু মুছলমানৰ প্ৰতি যি ভাষাত আক্ৰোশ প্ৰকাশ কৰিছে সেই ভাষা প্ৰকাশ কৰাৰ যোগ্য নহয়। ডঃ সেনৰ মতে আৱধ আৰু শাহাবাদ জিলাৰ বাহিৰে অন্যত্ৰ বিদ্রোহক জাতীয় যুদ্ধ (national war)ৰ মৰ্য্যাদা দিব নোৱাৰি; আদিতে সামৰিক বিদ্রোহ

হলেও পিচলৈ স্বাধীনতাৰ যুদ্ধলৈ ৰূপান্তৰিত হৈছিল আৰু আৱধত সীমিত অৰ্থত হলেও জাতীয় আয়তন গ্ৰহণ কৰিছিল [৩]। ওপৰৰ আলোচনাই এই মত সমৰ্থন নকৰে। ডঃ মজুমদাৰে কৈছে:—On the whole it is difficult to avoid the conclusion that the so-called First National War of Independence of 1857 is neither the First, nor National, nor a war of Independence. [৪] 'মুঠতে এইটো সিদ্ধান্ত পৰিহাৰ কৰা টান যে তথা-কথিত ১৮৫৭ চনৰ স্বাধীনতাৰ প্ৰথম যুদ্ধখন প্ৰথমো নহয়, জাতীয়ও নহয়, স্বাধীনতাৰ যুদ্ধও নহয়'।

এইটো মত একেবাৰে নতুন নহয়। বিদ্রোহ জকি উঠাৰ পিচতেই ব্ৰিটিছ-ইণ্ডিয়ান এচোচিয়েস্যনে এই বিদ্রোহৰ প্ৰতি ঘৃণা আৰু ভীতি প্ৰকাশ কৰি প্ৰস্তাৱ লৈছিল আৰু আশা কৰিছিল, জনসাধাৰণৰ পৰা এই বিদ্রোহে কোনো সহানুভূতি আৰু সমৰ্থন নাপাব। এনে ধৰণৰ প্ৰস্তাৱ এটা কলিকতাৰ মেহমেদান এচোচিয়েস্যনেও গ্ৰহণ কৰিছিল। Royal Commission on Indian Expenditure ৰ সদস্য হৈ থাকোঁতে, বিদ্রোহৰ চল্লিশ বছৰৰ পিচত দাদা ভাই নাওৰোজীয়ে কৈছিল—'ব্ৰিটিছ কৰ্তৃপক্ষৰ নিজা ভুল আৰু কুশাসনৰ কাৰণেই বিদ্রোহ ঘটিছিল; ভাৰতৰ ৰাইজে ইয়াত অংশ গ্ৰহণ কৰা নাছিল কিন্তু প্ৰকৃতপক্ষে কৰ্তৃপক্ষৰ আহ্বানত উঠিপৰি সহায় কৰিবলৈ সাজু আছিল' [৫]। ডঃ ৰমেশচন্দ্ৰ মজুমদাৰে কয়, বিদ্রোহী চিপাহীয়ে স্বাধীনতাৰ কাৰণে যুদ্ধ কৰিছিল বুলি চিপাহীবিলাকক অনাহকতে (gratuitiously) সন্মান দিয়া হৈছে [৬]।

[৩] 1857 পৃঃ ৪১১। [৪] HCIP IX পৃঃ ৬২৫। [৫] Impact [৬] HCIP IX Chapter XX দ্ৰষ্টব্য।

★★

দ্বিতীয় ভাগ

অসমৰ পটভূমিত
চিপাহী বিদ্ৰোহ

এক

আগ কথা

ৰজা কন্দৰ্পেশ্বৰ সিংহই মণিৰাম দেৱানক ৰজা পুৰন্দৰ সিংহৰ হৃত ৰাজ্যখন তেওঁক কৰতলীয়া কৰি ঘূৰাই দিবলৈ বৰলাটৰ আগত দৰ্খাস্ত দিবলৈ ১৮৫৪ চনত কলিকতালৈ পঠিয়াইছিল। দেৱানে ৱাহেজনামা বা প্ৰতিনিধিপত্ৰ লগত নিয়া নাছিল। তেওঁ ৱাহেজনামা নিবলৈ উলটি আহে আৰু ১৮৫৬ চনৰ বিজয়া দশমীৰ দিনা পুনৰ কলিকতালৈ উভতি যায়গৈ আৰু ১৮৫৭ চনৰ ৬ মে' তাৰিখে ৰজাৰ হৈ বৰলাটক ভৰণ-পোষণ দাবি কৰি দৰ্খাস্ত দিয়ে। তেওঁ দৰ্খাস্ত দি কলিকতাতে থাকিল। ১৮৫৭ চনৰ মে'ৰ ১০ তাৰিখে মীৰাটত চিপাহী বিদ্ৰোহ আৰম্ভ হয়। দেৱানে ৰজালৈ আৰু অন্যান্য অন্তৰঙ্গসকললৈ চিঠি লেখিবলৈ ধৰিলে যে চিপাহীয়ে বিদ্ৰোহ কৰি ইংৰাজক মাৰি-কাটি শেষ কৰিলে, ইংৰাজৰ পৰা এখনৰ

পিচত এখন দেশ জয় কৰি নিজৰ দখললৈ আনিলে, বঙ্গদেশো লয়হে লাগে, ইংৰাজৰ দিন উকলিল। তেওঁ অসমৰ চিপাহীক হাত কৰি ইংৰাজক খেদিবলৈ ৰজাক উচটনি দিবলৈ ধৰিলে। বিদ্ৰোহৰ খবৰ অসমৰ চিপাহীৰ পল্টন দুটাই পাইছিল। মণিৰামৰ উচটনিত পিয়লী বৰুৱাই ৰজাৰহৈ চিপাহীক বিদ্ৰোহ কৰিবলৈ ফুচুলাইছিল।[২] চিপাহীবিলাকে তৎক্ষণাৎ সন্মত হ'ল। গোলাঘাটৰ চিপাহীৰ দলে আগষ্টৰ ২৯ তাৰিখেই প্ৰথমে হৰনাথ পৰ্ব্বতীয়াৰ মূৰ কাটি আৰু হলৰইডৰ বঙ্গলাত জুই দি বিদ্ৰোহৰ অভিযান আৰম্ভ কৰিবলৈ বিচাৰিছল কিন্তু অন্য নেতাৰ আপত্তিত সেইদিনা অভিযান মুকলি কৰা নহ'ল।[৩] বিদ্ৰোহৰ বাতৰি-বিলাক ভাট নামে জনাজাত সাধু-ফকিৰ শ্ৰেণীৰ মানুহে ইমূৰৰ পৰা সিমূৰলৈ প্ৰচাৰ কৰিছিল। মণিৰাম দেৱানে বহু চিঠি ভাট-ফকিৰৰ হাতত ৰজালৈ পঠিয়াইছিল। এনেকুৱা এখন চিঠি এজন ভাট-ফকিৰে ১৭৭৯ শকত শাওণ মাহত ৰজা কন্দৰ্পেশ্বৰ সিংহক নিদি ভুলক্ৰমে হৰনাথ পৰ্ব্বতীয়া বৰুৱাক দিলে। হৰনাথ তেতিয়া যোৰহাট থানাৰ বৰদাৰোগা আছিল। চিঠিখন এডাল ফোপোলা লাখুটিৰ ভিতৰত ভৰাই থোৱা আছিল। হৰনাথে লাখুটিৰ পৰা চিঠি উলিয়াই দেখিলে যে চিঠিখন মণিৰামে ৰজা কন্দৰ্পেশ্বৰ সিংহলৈ লেখিছে। এই চিঠিত ৰজাক বিদ্ৰোহৰ কথা জনোৱা হৈছিল আৰু বিদ্ৰোহৰ কাৰণে সাজু হবলৈ উচটনি দিয়া হৈছিল। হৰনাথে তৎক্ষণাৎ জিলাধিপতি হলৰইডৰ লগত আলোচনা কৰি কঠোৰ ব্যৱস্থা হাতত লয়। মণিৰামৰ সতীৰ্থ পিয়লী আদিক গ্ৰেপ্তাৰ কৰা হয়। ৰজা কন্দৰ্পেশ্বৰ সিংহক চেপ্তেম্বৰৰ ৯ তাৰিখে আটক কৰা হয় আৰু পিচত কলিকতালৈ পঠোৱা হয়। মণিৰাম দেৱানকো কলিকতাত গ্ৰেপ্তাৰ কৰা হয়। তেওঁক কলিকতাৰ পৰা অনোৱা হয়। তেওঁৰ ২৩।২।১৮৫৮ তাৰিখে বিচাৰ হয়। ইয়াৰ আগতেই পিয়লী বৰুৱাৰো বিচাৰ শেষ হৈছিল। ২৬।২।১৮৫৮ তাৰিখে মণিৰাম দেৱান আৰু পিয়লী বৰুৱাক যোৰহাটত ফাঁচী দিয়া হয়। তেওঁৰ সতীৰ্থসকলকো বিচাৰ কৰি দণ্ড বিহা হয়।

দেৱানক ফাঁচী দিয়াৰ সময়ৰ পৰাই প্ৰচাৰ কৰিবলৈ ধৰা হয় যে দেৱানে বিদ্ৰোহ কৰিবলৈ চিঠিৰে ৰজাক কোনো প্ৰকাৰ উচটনি দিয়া নাছিল। অপপ্ৰচাৰ কৰা হৈছিল, যিখন চিঠিৰ ওপৰত গইনা লৈ বিদ্ৰোহীবিলাকক

[২] মণিৰাম পৃঃ ১৬১। [৩] ডাঃ কেৰামত আলীৰ সাক্ষ্য

গ্ৰেপ্তাৰ কৰিবলৈ ধৰা হয় সেই চিঠি প্ৰকৃততে দেৱানে লেখা নাছিল, পৰ্ব্বতীয়া বৰুৱাই জাল কৰি মণিৰাম দেৱানে লেখা বুলি কৈছিল। মণিৰাম দেৱানে ফাঁচীৰ আগদিনা নিজ পুত্ৰ বিষ্ণুৰামলৈ এখন চিঠি দিছিল। সেই চিঠিত তেওঁ স্পষ্টকৈ লেখিছিল যে তেওঁ সম্পূৰ্ণ নিৰ্দোষী, তেওঁ কলিকতাত ইংৰাজৰ শক্তি কিমান দেখিছে, বাঁহৰ চুঙাৰে কি ইংৰাজৰ সৈতে যুঁজিব পাৰি?[৪] সেই কাৰণে চাৰিওফালে অপপ্ৰচাৰ কৰা হ'ল, অসমত কোনো বিদ্ৰোহেই হোৱা নাছিল, অন্যায় কৰি মণিৰাম দেৱানক ফাঁচী দিয়া হ'ল। বিদ্ৰোহৰ কথা জনসাধাৰণে নাজানিছিল, অলপ সংখ্যক মানুহৰ মাজত সীমাবদ্ধ হৈ আছিল। কলি ভাৰত বুৰঞ্জীয়েও কলে যে চিপাহীবিদ্ৰোহ হোৱা নাছিল। অপপ্ৰচাৰৰ ফলত ৰাইজৰ মনতো সন্দেহ উপজিবলৈ ধৰে যে মণিৰাম দেৱানে বিদ্ৰোহ কৰা নাছিল, তেওঁক অন্যায় কৰি ফাঁচী দিয়া হ'ল। গুণাভিৰাম বৰুৱাৰ আসাম বুৰঞ্জীত এইটো পৰিস্থিতি প্ৰতিফলিত হৈছে:—'ইংৰাজী ১৮৫৭ চনত যেতিয়া ভাৰতবৰ্ষত চিপাহী বিদ্ৰোহ হয় তেতিয়া অসম দেশৰ উজনি খণ্ডতো সেই বিদ্ৰোহৰ কোনো কাৰ্য্য হোৱাত পুৰন্দৰ ৰজাৰ নাতি কন্দৰ্পেশ্বৰ সিংহক ইয়াৰ পৰা কলিকতালৈ পঠিওৱা হয়। নিয়ম মতে বিচাৰ কৰাত কেইজনমান লোকৰ ওপৰত দোষ সাব্যস্ত হোৱাত দুজনৰ প্ৰাণদণ্ড আৰু কেজনমানৰ অন্য প্ৰকাৰৰ দণ্ড হ'ল। এই বিদ্ৰোহৰ বিষয়ে অনেক লোকে পেটে কিছু সংশয় কৰিলেও যেতিয়া নিয়মানুসাৰে বিচাৰত দোষী সাব্যস্ত হ'ল তেতিয়া ইয়াত সংশয়ৰ কোনো কাৰণ নাই'।[৫]

উপেন্দ্ৰনাথ বৰুৱাই কয়, মণিৰামে যিবিলাক চিঠি ৰজালৈ লেখিছিল, হৰনাথে সেই চিঠিবোৰ 'আটক কৰি নি জিলাধিপতি হলৰইড চাহাবক দেখুৱাই নানা তৰহে লগাবলৈ ধৰিলে' [৬]। একে সুৰকে উপেন্দ্ৰনাথ বৰুৱাই AGA তো তুলিছে [৭]। তেওঁ ১৯৩০ চনৰ সত্যাগ্ৰহ আন্দোলনৰ সময়তো, আনকি গুৱাহাটীতো, মণিৰাম দেৱানে কোনো বিদ্ৰোহ কৰা নাছিল, তেওঁক অন্যায়কৈ ব্ৰিটিছে ফাঁচী দিছিল বুলি বক্তৃতা দি ফুৰিছিল। লক্ষ্মীনাথ বেজবৰুৱায়ো মণিৰাম দেৱানে বিদ্ৰোহ কৰাৰ কথা আৰু অসমত

[৪] AGA পৃঃ ৩৮। [৫] বুৰঞ্জী পৃঃ ১৬৭। [৬] ইন্দীবৰ পৃঃ ১৫।
[৭] AGA পৃঃ ৩৫-৩৬।

বিদ্ৰোহ ঘটাৰ কথা বিশ্বাস কৰা নাছিল। তেওঁ হৰনাথক ঠাট্টাৰ সুৰত বৰ্ণনা কৰিছে:—'চিপাহী বিদ্ৰোহৰ চোৰ কোব অসমতো আৱিষ্কাৰ কৰাৰ সম্পৰ্কে বিশেষ ৰূপে খ্যাতি লাভ কৰোঁতা' [৮]। ভাৰত স্বাধীন হোৱাৰ পিচত পিয়লী ফুকন নাটক লেখা হ'ল। এই নাটকত বিচাৰকে মণিৰামক সুধিলে, তেওঁৰ দেশত কি নিয়মে দেশদ্ৰোহীক শাস্তি দিব লাগে? মণিৰাম দেৱানে উত্তৰ দিলে:—'ৰাজদ্ৰোহীক ডিঙ্গিত ফটা মেখেলা আঁৰি····নানা দুখ-দুৰ্গতি কৰি মৰাতো আমাৰ দেশৰ দস্তুৰ'। তেতিয়া পিয়লীয়ে কলে:—'ডিঙ্গিত চিপজৰী লৈ মই অন্তৰৰ পৰা কৈ যাওঁ যে যিগছ জৰী মই বাবদ পালোঁ;—সেই একেগছ জৰী তই অবাবত পাবি' [৯]। এইখন নাটকেও দোহাৰে মণিৰামে বিদ্ৰোহ কৰা নাছিল, মণিৰামক অবাবত, বিনা দোষত ফাঁচী দিয়া হৈছিল।

চিপাহী বিদ্ৰোহৰ পিচত ৰাণী ভিক্টোৰীয়াই ইষ্ট ইণ্ডিয়া কোম্পানীৰ পৰা ভাৰতৰ শাসন ভাৰ গ্ৰহণ কৰে। ৰাণীৰ ৰাজ্যভাৰ গ্ৰহণ ১৮৫৮ নৱেম্বৰৰ ১লা তাৰিখৰ ঘোষণা পত্ৰ যোগে প্ৰচাৰ কৰা হয়। এই ঘোষণাত প্ৰধানকৈ আঠটা কথা আছিল। তাৰে দুটা হ'ল:—১। ৰাণীৰ ভাৰতীয় প্ৰজাৰ মৰ্য্যাদা ব্ৰিটিছ সাম্ৰাজ্যৰ অন্য অংশবিলাকৰ প্ৰজাৰ মৰ্য্যাদাৰ সৈতে সমান। ২। ভাৰতীয় প্ৰজায়ো ব্ৰিটিছ প্ৰজাৰ সমানে সমান স্বত্ব আৰু সুবিধা ভোগ কৰিবলৈ পাব। ৰাণীয়ে বাঞ্ছা কৰে, জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সকলো ভাৰতীয় প্ৰজাই যোগ্যতা অনুসৰি সকলো চৰকাৰী চাকৰি পাব। সকলো ভাৰতীয় লোকে উৎসাহেৰে আৰু আনন্দেৰে ৰাণীৰ ঘোষণাক আদৰণি জনায় আৰু ভৱিষ্যৎ সম্পৰ্কে বহুত আশা পোষণ কৰিবলৈ ধৰে। এই ঘোষণাক ভাৰতৰ মেগনা কাৰ্টা (Magna Carta) বুলি ভাৰতৰ ৰাইজে সমাদৰ কৰিছিল। ১৮৭৭ খ্ৰীষ্টাব্দৰ ১লা জানুৱাৰী তাৰিখে ৰাণী ভাৰত সাম্ৰাজ্যৰ মহাৰাণী বুলি ঘোষণা কৰা হয়। ভাৰতীয় ৰাইজে বিপুল হৰ্ষধ্বনি, অভাৱনীয় উৎসাহ-উদ্দীপনাপূৰ্ণ উৎসৱৰ যোগেদি ৰাণীক ভাৰতৰ সম্ৰাজ্ঞী বুলি গ্ৰহণ কৰে আৰু সমূহ ৰাইজ 'মহাৰাণীৰ দিন' বুলি ভাৱাৱেগত বিভোৰ হয়। চিপাহী বিদ্ৰোহত লক্ষ লক্ষ মানুহৰ দুৰ্গতিৰ শেষ নোহোৱা হৈছিল, মানুহে ব্ৰিটিছ অহালৈ বাট চাই আছিল। ৰাণীয়ে ৰাজ্য লোৱাৰ পৰাই দেশলৈ শান্তি ঘূৰি আহিল, আৰু মহাৰাণীৰ দিনত ৰাইজে অনুভৱ কৰিবলৈ ধৰিলে যেন 'শান্তিৰ

[৮] গ্ৰন্থাৱলী পৃঃ ৩। [৯] পিয়লি পৃঃ ৮৯-৯০।

অমৰাৱতী'তহে বাস কৰিছে। ভাৰতীয়ই ইংৰাজী শিক্ষা লবলৈ ধৰিলে, সমৰ্থসকলে বিলাতলো শিক্ষা লৈ উভতি আহিল, ব্ৰিটিছ ডিমক্ৰেচী, গণতন্ত্ৰৰ লগত পৰিচিত হ'ল। ভাৰত চৰকাৰৰ শাসনত ভাৰতীয়ৰ কোনো মাত নাছিল। যদিও মহাৰাণীয়ে কৈছিল ভাৰতীয় প্ৰজা আৰু ব্ৰিটিছ প্ৰজা সমান, ব্ৰিটিছসকলে ভাৰতীয়ক হীন চকুৰে চাইছিল আৰু কোনো উচ্চ চাকৰিত ভাৰতীয়ক স্থান দিয়া নাছিল। চিপাহী বিদ্ৰোহৰ পিচত ইংৰাজে ভাৰতীয়ক আগতকৈয়ো বেচিকৈ অবিশ্বাস কৰিবলৈ ধৰিলে। শিক্ষিত ভাৰতৰ আত্ম-সন্মানত আঘাত লাগিল। ভাৰতে নিজৰ দেশৰ শাসনত মাত দাবি কৰিলে। ব্ৰিটিছে ভাৰতীয়ক নিজৰ দেশৰ শাসনত অংশ দিবলৈ প্ৰস্তুত নাছিল। ভাৰতীয়ৰ তৰফৰ পৰা স্বায়ত্ত শাসনৰ দাবি আৰু জোৰে দাঙ্গি ধৰা হ'ল। লৰ্ড কাৰ্জন (Lord Curzon) ১৮৯৯ৰ পৰা ১৯০৫ চনলৈকে ভাৰতৰ গৱৰ্ণৰ জেনেৰেল হৈ আছিল। তেওঁ বিশ্বাস কৰিছিল বিধাতাই ইংৰাজক ভাৰত শাসন কৰিবলৈ বাচি পঠিয়াইছে, ভাৰতক স্বায়ত্ব শাসন দিয়াৰ কথা বিবেচনা যোগ্য হবই নোৱাৰে। তেওঁ স্বায়ত্ব শাসনৰ আন্দোলন নিষ্পেষিত কৰিবলৈ বিচাৰিলে। ভাৰতেও প্ৰত্যুত্তৰ দিবলৈ ধৰিলে। ভাৰতে স্বাধীনতাৰ কথা স্পষ্টতৰকৈ ভাবিবলৈ ধৰিলে। পিচলৈ চাই দেখিলে যে চিপাহী-বিলাকে ইংৰাজক খেদিবলৈ বিচাৰিছিল ভাৰতৰ স্বাধীনতাৰ কাৰণে। মাৰ্ক্সে নিউয়ৰ্ক ডেইলী ট্ৰিবিউন কাকতৰ ১৮৫৭ আগষ্ট ১৪ তাৰিখে প্ৰকাশিত ৫০৯ সংখ্যাত কলে:— 'যিটো সামৰিক বিদ্ৰোহ বুলি ভবা হৈছে, সেইটো আচলতে এটা জাতীয় বিদ্ৰোহ' [১০]। বীৰ সভাৰকৰে চিপাহী বিদ্ৰোহ ভাৰতৰ স্বাধীনতা যুদ্ধ বুলি মাৰাঠী ভাষাত এখন কিতাপ লেখিছিল। এইখনৰ ইংৰাজী অনুবাদ Indian War of Independence নাম দি ১৯০৯ চনত ছপা কৰা হয়। কিতাপখনৰ প্ৰচলন ভাৰতবৰ্ষত নিষেধ কৰা হয়। কিন্তু চিপাহী বিদ্ৰোহ যে ভাৰতীয় স্বাধীনতাৰ যুদ্ধ, এই দৃষ্টিভঙ্গী ৰাজনৈতিক কাৰণত বহুতৰে মনঃপুত হ'ল আৰু কোৱাকুই হবলৈ ধৰিলে। যেতিয়া প্ৰথম মহাযুদ্ধ আৰম্ভ হয় তেতিয়া ভাৰতে ব্ৰিটিছক সহায়-সহযোগ আগবঢ়াইছিল। ব্ৰিটিছ চৰকাৰৰ তৰফৰ পৰা ১৯১৭ আগষ্ট ২০ তাৰিখে পাৰ্লিয়ামেণ্টত ঘোষণা কৰা হ'ল যে ভাৰতক থাপে থাপে স্বায়ত্ত শাসন দিয়াই ব্ৰিটিছ ৰজাৰ চৰকাৰৰ নীতি।

[১০] প্ৰথম। [১১] গ্ৰন্থ

ইয়াৰ পিচত ১৯১৯ চনৰ গৱৰ্ণমেণ্ট অৱ ইণ্ডিয়া এক্ট অনুসৰি 'মণ্টফ'ৰ্ড ৰিফৰ্মছ' নামে জনাজাত সংস্কাৰ প্ৰৱৰ্তন কৰা হ'ল। ভাৰত ইয়াত সন্তুষ্ট নহ'ল। চৰকাৰে ভাৰতৰ মাত বন্ধ কৰিবলৈ ৰাওলাট এক্ট প্ৰৱৰ্তন কৰিলে। ইয়াৰ প্ৰতিবাদ ভাৰতৰ সৰ্বত্ৰ হ'ল! জালিয়ানৱালা বাগত ১৯১৯ এপ্ৰিল ১৩ তাৰিখে নিৰীহ জনতাৰ ওপৰত জেনেৰেল ডায়াৰে গুলী কৰিলে। ক্ৰমশঃ অশান্তি বাঢ়িবলৈ ধৰিলে। লগতে খিলাফৎ আন্দোলনো আৰম্ভ হ'ল। ভাৰত চৰকাৰৰ তৰফৰ পৰা নিষ্পেষণ চলিল। মহাত্মা গান্ধীয়ে ১৯২০ আগষ্টৰ ১ তাৰিখৰ পৰা অসহযোগ আন্দোলন (non-cooperation movement) আৰম্ভ কৰিলে।

এই সময়ত ৰাজনৈতিক অনুপ্ৰেৰণা যোগাবৰ কাৰণে বিদ্ৰোহী চিপাহী নেতা কেইজনমানক মুক্তি যুঁজাৰুলৈ ৰূপান্তৰিত কৰিবলৈ চেষ্টা চলোৱা হ'ল আৰু কিতাপো লেখা হ'ল। অসমতো এজন স্বাধীনতা বীৰ বিচাৰিবলৈ ধৰা হ'ল আৰু মণিৰাম দেৱানক বিচাৰি পোৱা গ'ল। ১৯৪৮ চনৰ পৰা উচ্চৈঃস্বৰে কোৱা হবলৈ ধৰিলে, 'মণিৰাম দেৱানে ৰজালৈ আৰু সতীৰ্থসকললৈ বিদ্ৰোহ কৰিবলৈ জাপে জাপে চিঠি দিছিল, হৰনাথ পৰ্ব্বতীয়া বৰুৱাই বিদ্ৰোহ ধৰি নেপেলোৱা হলে মণিৰাম দেৱানে অসমৰ স্বাধীনতা আনিলেহেঁতেন আৰু অসম চিৰকাল স্বাধীন হৈ থাকিলহেঁতেন'। পৰ্ব্বতীয়া বৰুৱাই বিদ্ৰোহ ধৰা পেলালে, দেৱানক অসম জলাবলৈ নিদিলে। সেই কাৰণে পৰ্ব্বতীয়া বৰুৱাক গালি পৰাটো অসমৰ এটা নতুন ধৰ্ম হৈ পৰিল।

অসমীয়া ৰাইজ ৰাজভক্ত আছিল, ৰাজদ্ৰোহ মহাপাপ বুলি বিশ্বাস কৰিছিল। লক্ষ্মীনাথ বেজবৰুৱাই দীননাথ বেজবৰুৱাৰ বিষয়ে কৈছে— 'ৰাজনৈতিক আন্দোলনতো তেওঁ সদায় উৎসাহেৰে সৈতে যোগদান কৰিছিল, কিন্তু গৱৰ্ণমেণ্টৰ বিৰুদ্ধে চলা কোনো কথাত কোনো কামত কেতিয়াও তেওঁ মত নিদিছিল, বৰং প্ৰজাপালক ৰজাক ঈশ্বৰৰ প্ৰতিনিধি স্বৰূপে দেখিবলৈ তেওঁ সকলোকে উপদেশ দিছিল' [১১]। সকলো শ্ৰেণীৰ অসমীয়া মানুহে ৰাজদ্ৰোহ ধৰ্মবিগৰ্হিত কাম বুলি ভাবিছিল। মায়াৰাম আৰু চিত্ৰসেন বিদ্ৰোহত লিপ্ত হৈছিল। সেই কাৰণে বৰবৰা বংশৰ লোকসকলে মনত দুখ পাইছিল কিয়নো ৰাজদ্ৰোহে তেওঁলোকৰ ধৰ্ম ভাৱত

আঘাত দিছিল। বৰবৰাই কৈছে—'All members of the Barbara family were much displeased to find Chitrasen and Mayaram entangled in a political case. It wounded their sentiment to agitate against the king.[১২] মণিৰাম দেৱান আৰু সতীৰ্থসকলে বিদ্ৰোহ কৰিছিল বুলি স্বীকাৰ কৰিলে ৰাজদ্ৰোহ মহাপাপ কৰিছিল বুলি প্ৰমাণ হৈ গ'লহেঁতেন। সেই কাৰণে আগছোৱাত বিদ্ৰোহ ঢাকি থৈ হৰনাথে বিদ্ৰোহ আৱিষ্কাৰ কৰিছিল বুলি লক্ষ্মীনাথ বেজবৰুৱাৰ নিচিনা পুৰুষেও কৈছে। আনন্দৰাম ঢেকিয়াল ফুকনৰ নিচিনা মানুহেও ইংৰাজক পতিয়ান নিয়াবলৈ চেষ্টা কৰিছিল যে অসমীয়া মানুহে বিদ্ৰোহ কৰিব নোৱাৰে।

শান্তি ৰক্ষাৰ স্বীকৃতি স্বৰূপে চৰকাৰে ১৮৫৮ ফেব্ৰুৱাৰী ১৮ তাৰিখে হৰনাথক গোলাঘাটৰ সদৰামীন পাতে। চকুপোৱাৰ হিংসা লাগিল। কিছুদিন পিচত বঙ্গদেশৰ ডুৱলীয়া লাট বিডন সোণামুখী জাহাজেৰে ১৮৬২ চনৰ জুলাইৰ শেহত শিৱসাগৰলৈ আহিল। তেওঁ জাহাজতে এখন দৰবাৰ পাতিলে। সভাত হৰনাথ পৰ্ব্বতীয়া বৰুৱাকো শ্ৰীশ্ৰীআউনীআটী অধিকাৰ দত্তদেৱ গোস্বামীৰ সৈতে একে শাৰীৰ চকিত বহিবলৈ দিয়া হৈছিল [১৩]। লেঃ গৱৰ্ণৰে হৰনাথৰ চৰকাৰক দিয়া সেৱাৰ শলাগ ললে আৰু হৰনাথক এটা সোণৰ ঘড়ী, এডাল সোণৰ হাৰ (chain) উপহাৰ দিলে আৰু ৩০০০ বিঘাৰ লাখেৰাজ জাইগীৰ আৰু ৰায় বাহাদুৰ খিতাপ দিয়াৰ কথাও ঘোষণা কৰিলে [১৪] হিংসাকুৰীয়া সকলৰ হিয়াৰ জুই আৰু দপ্‌দপকৈ জ্বলিবলৈ ধৰিলে আৰু তেওঁলোকে ধুমুহাৰ গতিৰে অপপ্ৰচাৰ কৰিবলৈ ধৰিলে যে বিদ্ৰোহ হোৱা নাছিল, পুৰস্কাৰৰ আশাত, পদোন্নতিৰ আশাত হৰনাথ পৰ্ব্বতীয়া বৰুৱাই কাল্পনিক বিদ্ৰোহ সৃষ্টি কৰি মণিৰামক ফাঁচী দিয়ালে আৰু অসমীয়া মানুহৰ বদনাম আনিলে। এনেকুৱা অপপ্ৰচাৰৰ বলি কলিভাৰত বুৰঞ্জী লেখক দুতিৰাম হাজৰিকাও হৈছিল। সেয়েহে তেৱেঁা অসমত বিদ্ৰোহ দেখা নাপালে।

অসহযোগ আন্দোলনৰ পিচৰপৰা ছুচুঁৰীয়াকৈ প্ৰচাৰ কৰিবলৈ ধৰা হ'ল যে অসমত বিদ্ৰোহ ঘটিছিল। স্বাধীনতাৰ লগে লগে জয়ডঙ্কা কোবাই মণিৰাম দেৱানৰ পূজা-পাৰ্বণ আৰম্ভ কৰা হ'ল।

[১২] Table পৃঃ ৭। [১২] সদৰামীন পৃঃ ১৪৬। [১৪] AGA পৃঃ ৪৫

দুই

অসমৰ চিপাহী বিদ্ৰোহৰ বৈশিষ্ট্য

অসমৰ বেছিভাগ চিপাহী ৰাণা কুমাৰ সিংহৰ শাহাবাদ জিলাৰ মানুহ আছিল। চিপাহীবিলাকে বিদ্ৰোহৰ বাতৰি পাই আছিল। তেওঁলোকৰ মাজত উত্তেজনাৰ উদ্ভৱ হৈছিল। ইয়াত তেলঘঁহা গুলীৰ প্ৰশ্ন নাছিল, চিপাহীক নিৰস্ত্ৰ কৰাৰ কথাও ইংৰাজে ভবা নাছিল। চিপাহীবিলাকে বিদ্ৰোহ কৰিবলৈ উজুহাত পোৱা নাছিল কিন্তু বিদ্ৰোহ কৰিবলৈ চেলু বিচাৰি ফুৰিছিল। মণিৰাম দেৱানৰ পৰামৰ্শমতে পিয়লী বৰুৱাই চিপাহীক বিদ্ৰোহ কৰিবলৈ উচটনি দিয়ে।[১] চিপাহীয়ে বিদ্ৰোহ কৰিবলৈ আৰু কন্দৰ্পেশ্বৰ সিংহক ৰজা পাতিবলৈ তৎক্ষণাৎ সন্মত হয়। অন্য ঠাইত বিদ্ৰোহৰ কাৰণে কোনো প্ৰস্তুতি, পৰিকল্পনা কৰা হোৱা নাছিল। অসমত নিয়মিত ভাৱে প্ৰস্তুতি চলোৱা হৈছিল, বিদ্ৰোহ কোন দিনা কেনেকৈ কৰিব তাকো স্থিৰ কৰা হৈছিল। মণিৰাম দেৱানৰ পৰামৰ্শমতে তেওঁৰ সতীৰ্থসকলে চিপাহীৰ সৈতে আলোচনা কৰি ঠিক কৰিছিল, '১৭৭৯ শকৰ মহামায়া পূজাৰ সময়ত অষ্টমীৰ ৰবলি দিনা ফিৰিঙ্গীবোৰক বলি দি মণিৰামক আগত থৈ কন্দৰ্পেশ্বৰ সিংহক অসমৰ ৰাজপাটত বহুৱাব লাগিব' [২]। সেই কাৰণে অসমত হত্যাকাণ্ড, অগ্নিকাণ্ড, লঙ্কাকাণ্ড, বিপক্ষ উৎপাতন, লুণ্ঠণ-শোষণ অন্য ঠাইতকৈ বেচি ভয়াবহ হ'লহেঁতেন। আন সকলো ঠাইতে চিপাহীয়ে ধৰ্ম ৰক্ষা কৰাৰ কাৰণে বিদ্ৰোহ কৰিছিল, কিন্তু অসমত ধৰ্মৰক্ষাৰ প্ৰশ্ন নাছিল। ইয়াত চিপাহীয়ে পানী ঘোলা কৰি মাছ ধৰিবলৈ বিদ্ৰোহ কৰিছিল। ইয়াত ধৰ্মৰক্ষাৰ কাৰণে নহয়, নিজ স্বাৰ্থ পূৰণৰ বাবেহে ফিৰিঙ্গীবধ যজ্ঞৰ আয়োজন কৰা হৈছিল।

[১] মণিৰাম পৃঃ ১৬০। [২] মণিৰাম পৃঃ ১৬৩।

কোৱা হয় যে মণিৰাম দেৱানে চিপাহীক হাত কৰি স্বাধীনতাৰ কাৰণে যুঁজিবলৈ পৰিকল্পনা কৰিছিল। এইটো এটা ডাঙৰ ফাঁকি। সকলো নিৰপেক্ষ লেখকে স্বীকাৰ কৰিছে যে independence (স্বাধীনতা) nationalism (জাতীয়তাবাদ) আৰু patriotism (দেশ প্ৰেম) ভাৰতে ব্ৰিটিছৰ পৰা, পাশ্চাত্য শিক্ষাৰ পৰা শিকিছে। বঙ্গদেশৰ এখন বঙ্গালী পত্ৰিকাই ভক্তিত গদগদ হৈ কৈছিল—'তেওঁলোকৰ উইলবাৰফৰ্চ (Wilberforces), হেম্পদেন (Hampdens), মেটকাফ (Metcalfes), ব্ৰাইট (Brights), মেক'লে (Macaulays), আৰু অন্যান্য শত শত মহৎ লোকৰ উদাৰ নীতিবিলাকে আমাক মুগ্ধ কৰিছে আৰু আমি তেওঁলোকক নৈতিকতাৰ নিজ চানেকি বুলি শ্ৰদ্ধা কৰোঁ আৰু পূজা কৰোঁ'। তেন্তে বিদ্ৰোহী চিপাহীবিলাকে আৰু মণিৰাম দেৱানে কিহৰ কাৰণে ব্ৰিটিছক নিৰ্মূল কৰিবলৈ বিচাৰিছিল? তাৰাচাঁদে কয়—'বিদেশী শাসনৰ উচ্ছেদ কামনাই বিদ্ৰোহীবিলাকক একেলগ কৰিছিল। কিন্তু বিদ্ৰোহীবিলাক মধ্যযুগীয়া মনোভাব আৰু ভাৱধাৰাত ইমানকৈ বুৰ গৈ আছিল যে বিষয়টো তেওঁলোকৰ কাৰণে এটা ব্যক্তিগত ব্যাপাৰ হৈ পৰিল। বিদেশী শাসনৰ উৎপাতন সশৰীৰে বিদেশীৰ নিপাতনৰ সৈতে একে হৈ গ'ল, বিদেশীৰ দ্বাৰা যিসকল ব্যক্তিগত হক আৰু স্বত্বৰ পৰা বঞ্চিত হৈছিল তেওঁলোকৰ শাসনৰ পুনৰ সংস্থাপনেই স্বাধীনতা বুলি ধৰা হ'ল'।[৪] মণিৰাম দেৱানে ৰজা পুৰন্দৰ সিংহক আঁতৰাই নিজে ৰজা হবলৈ বিচাৰিছিল কিন্তু তেওঁৰ সেই দুৰভিসন্ধি পূৰ নহ'ল। তেওঁ কন্দৰ্পেশ্বৰ সিংহক ৰজা পাতি দিব বুলি লোভ দেখুৱাই শোষণ কৰি আছিল। তেওঁ চিপাহী বিদ্ৰোহৰ মাজত দেখিলে কন্দৰ্পেশ্বৰ সিংহক ৰজা পাতি প্ৰকৃততে নিজৰ প্ৰভুত্ব স্থাপন কৰাৰ এটা সুবৰ্ণ সুযোগ। তেওঁৰ ভাৰতৰ স্বাধীনতাৰ কথা ভাবিব পৰা শক্তি নাছিল, অসমৰো স্বাধীনতাৰ কথা তেওঁ ভবা নাছিল। তেওঁ এটা মাত্ৰ কথা জানিছিল, সেইটো হৈছে নিজৰ স্বাৰ্থ পূৰণ। ব্যক্তিগত স্বাৰ্থপূৰণেই অসমৰ চিপাহী বিদ্ৰোহৰ একমাত্ৰ লক্ষ্য আছিল। মণিৰাম দেৱান স্বাধীনতাৰ যুঁজাৰু নাছিল। ডঃ অমলেন্দু গুহই কৈছে—'He was not the first martyr; nor he was a martyr to the cause of complete independence and to the cause of popular freedom'.: 'তেওঁ প্ৰথম শহীদ নহয়;

[৩] HCIP X পৃঃ ৪৮৭। [৪] HFM পৃঃ ১০৭।

তেওঁ পূৰ্ণ স্বাধীনতাৰ কাৰণে আৰু জনগণৰ মুক্তিৰ কাৰণে শহীদ হোৱা নাছিল'।[৫] প্ৰকৃততে অসমীয়া ৰাইজে চিপাহী বিদ্ৰোহ অসমৰ স্বাধীনতাৰ বিদ্ৰোহ বুলি গ্ৰহণ কৰা নাছিল আৰু বিদ্ৰোহত যোগ দিয়া নাছিল।

[৫] AT পৃঃ ৬৪

তিনি

বিদ্ৰোহৰ বাতৰি

মণিৰাম দেৱানে ৰজালৈ আৰু সতীৰ্থসকললৈ বিদ্ৰোহৰ বহুত বাতৰি দিছিল। দেৱানে এখন চিঠিত লেখিছে—'আজি হিন্দুস্তানৰ ইমূৰৰপৰা সিমূৰলৈকে কাছি-পাৰি ওলাইছে'।[১] অকল বেঙ্গল আৰ্মীয়েহে বিদ্ৰোহ কৰিছিল। হিন্দুস্তানৰ অৰ্থাৎ ভাৰতৰ ১/৩ অংশ ঠাইতহে বিদ্ৰোহ ঘটিছিল। দেৱানে আন এখন চিঠিত লেখিছে—'হিন্দুস্তানত গোৰা পল্টন নায়েই'।[২] ১৮৫৭ মে' মাহত ৪৫,৫৫২ জন গোৰা আছিল। দেৱানৰ চকুৰ আগতে কলিকতাত ৫৩ নং গোৰা পঃ ৰেজিমেণ্ট আছিল। দেৱানে উৰ্ব্বীধৰ বৰুৱালৈ লেখিছে—'কি ওপৰ, কি মাজ, কি তল—এটাই থাপৰ ফৌজেই বিদ্ৰোহী হৈ উঠিছে। সিহঁতে আহি বঙ্গদেশৰ দাতি পাইছেহি; বঙ্গদেশো লয়হে লাগে'।[৩] বেঙ্গল আৰ্মীত ১,৩০,০০০ চিপাহী আছিল: ইয়াৰে ৩০,০০০ নিৰস্ত্ৰ কৰা হৈছিল। ৩০,০০০ ব্ৰিটিছৰ লগত আছিল, বাকী ৭০,০০০ বিদ্ৰোহী হৈছিল। এই সময়ত বঙ্গদেশত কোনো বিদ্ৰোহ হোৱা নাছিল। বিহাৰৰ আৰা আৰু জগদীশপুৰত চিপাহী ইংৰাজৰ হাতত হাৰিছিল। কলিকতালৈ বৰ্মা, মাদ্ৰাজ, শ্ৰীলঙ্কা আৰু পাৰস্যৰ পৰা সৈন্য আহি গোট খাইছিল আৰু বিদ্ৰোহ ক্ষেত্ৰলৈ গৈছিল।

[১] মণিৰাম পৃঃ ১৫৩। [২] মণিৰাম পৃঃ ১৫৪। [৩] মণিৰাম পৃঃ ১৫৭।

দেৱানে কলিকতাত থাকিও কি এই কথা নাজানিছিল? চেপ্তেম্বৰ মাহত দেৱানক গ্ৰেপ্তাৰ কৰাৰ পিচতহে বঙ্গদেশৰ ঢাকাত ১৮৫৭ নৱেম্বৰ ২০ তাৰিখে আৰু চট্টগ্ৰামত ১৮ তাৰিখে বিদ্ৰোহ কৰি চিপাহী বিনষ্ট হৈছিল। দেৱানে ২৩ শাওণত কৃষ্ণকান্ত গোস্বামীলৈ লেখিছে—'গোটেই শৰীৰ মৰিল, তলৰ চোৱাতহে টিমিক টিমিককৈ জীৱটো জ্বলি আছে। (সৰ্ব গাৱেঁ মৰিলেক, কৰঙনে জ্বলে বাতি)। ইংৰাজৰ এনেকুৱাই দুৰ্গতি হৈছে' [৪]। ১৮৫৭ চেপ্তেম্বৰ ৯ তাৰিখে ৰজা কন্দৰ্পেশ্বৰ সিংহক গ্ৰেপ্তাৰ কৰা হৈছিল। দেৱানৰ শেহতীয়া চিঠিৰ তাৰিখ ১৫ আগষ্ট ধৰিব পাৰি। চেপ্তেম্বৰলৈকে আৰু শেহলৈকে বিদ্ৰোহৰ পৰিস্থিতি কেনেকুৱা আছিল তলত আলোচনা কৰা হ'ল।

দিল্লী—ইংৰাজে ১৮৪৭ চেপ্তেম্বৰ ১৪-২০ তাৰিখে বিদ্ৰোহীক ধ্বংস কৰি দিল্লী উদ্ধাৰ কৰে। কানপুৰ—১৮৫৭ জুলাই ১৭ তাৰিখে হেভলকে নানাক পৰাস্ত কৰি কানপুৰ দখল কৰে। বনাৰছ—১৮৪৭ জুন ৪ তাৰিখে নীলে নৃশংসভাৱে চিপাহীক নিৰস্ত্ৰ কৰে। এলাহাবাদ– ইংৰাজে ১৮৫৭ জুন ১১ তাৰিখে বিদ্ৰোহী দমন কৰি নৃশংসতাৰ তাণ্ডৱলীলা কৰে। লক্ষ্ণৌ—বিদ্ৰোহীয়ে দীৰ্ঘকাল অৱৰোধ কৰিও ৰেসিডেঞ্চী লব নোৱাৰিলে। ১৮৫৭ চেপ্তেম্বৰ ২৫ তাৰিখে হেভলকে বিদ্ৰোহীক ঘটুৱাই ৰেসিডেঞ্চী সোমায়। চিপাহীয়ে অৱৰোধ কৰি থাকে। সডাৰ কলিনে ১৮৫৮ মাৰ্চ ৬-২০ তাৰিখে বিদ্ৰোহীক বিধস্ত কৰি লক্ষ্ণৌ উদ্ধাৰ কৰে। আৰা—চিপাহীয়ে ১৮৫৭ জুলাই ২৫ তাৰিখে বিদ্ৰোহ কৰি মাত্ৰ ৫০ জন শিখ-ৰক্ষিত বইলৰ ঘৰটো আক্ৰমণ কৰি লব নোৱাৰিলে। স্মিথে আগষ্ট মাহত চিপাহীক পৰাস্ত কৰি আৰা আৰু জগদীশপুৰ দখল কৰে। কুমাৰ সিংহই ১৮৫৮ এপ্ৰিল ৪ তাৰিখে জগদীশপুৰ উদ্ধাৰ কৰি স্বৰ্গী হয়। ইংৰাজে ১৮৫৮ অক্টোবৰ ১৯ তাৰিখে বিদ্ৰোহীক ঘটুৱাই জগদীশ-পুৰ দখল কৰে। কলিকতা—দেৱানৰ চকুৰ আগতে কলিকতাত ২৫ নং পঃক নিৰস্ত্ৰ কৰা হৈছিল। পঞ্জাৱ—দিল্লীপতনৰ লগে লগে লৰেঞ্চে চিপাহীক নিৰস্ত্ৰ কৰে। বিদ্ৰোহী চিপাহীক নিৰ্দয় ভাৱে হত্যা কৰা হয়। আগ্ৰা—বিদ্ৰোহীয়ে ১৮৫৭ জুলাই ৭ তাৰিখে ইংৰাজক হৰুৱাই দিল্লীলৈ গুচি যায়। ইণ্ডোৰৰ চিপাহীয়ে আগ্ৰা আক্ৰমণ কৰিবলৈ আহি ইংৰাজৰ

[৪] মণিৰাম পৃঃ ১৫৭।

হাতত হাৰে। ঝাঁন্সী—১৮৫৮ এপ্ৰিল ৩ তাৰিখে ৰ'জে ঝাঁন্সী দুৰ্গ জয় কৰে। ৰাণী পলাই যায়। ঝাঁন্সীৰ দক্ষিণ অঞ্চলত আৰু দাক্ষিণাত্যত নাম মাত্ৰ অশান্তি হৈছিল। কোটা—১৮৫৭ অক্টোবৰ ১৫ তাৰিখে মহাৰাওৰ বিদ্ৰোহী চিপাহীয়ে পলিটিকেল এজেণ্টক সপুত্ৰে হত্যা কৰে। ১৮৫৮ মাৰ্চ ৩০ তাৰিখে ইংৰাজে বিদ্ৰোহীক ধ্বংস কৰে।

মণিৰাম দেৱানে গোকাট মিছা খবৰ ৰজা আৰু সতীৰ্থসকলক দি আছিল। সতীৰ্থসকলে নৱাব ৱাজেদ আলি শাহৰ গ্ৰেপ্তাৰ, কুমাৰ সিংহ আৰু নানাৰ পৰাজয়, লক্ষ্ণৌৰ চিপাহীৰ অকৰ্মণ্যতা, দিল্লীৰ চিপাহীৰ অত্যাচাৰ আৰু খোৱা-কামোৰা, পঞ্জাৱৰ চিপাহী দমন, ইংৰাজৰ দিল্লী উদ্ধাৰৰ প্ৰস্তুতি, কলিকতাত ইংৰাজৰ সৈন্য সমাৱেশ আৰু ৩০,০০০ ভাৰতীয় চিপাহী আৰু শিখসকলে ইংৰাজৰ ফালে যুদ্ধ কৰাৰ কথা জনা হলে ৰজাক কেতিয়াও বিদ্ৰোহ কৰিবলৈ নিদিলেহেঁতেন। ৰজাই মণিৰামৰ ধ্বংসাত্মক উচটনিত, ইংৰাজৰ আচল অৱস্থা, শক্তি নজনাকৈ বিদ্ৰোহ কৰিবলৈ ওলাইছিল। ৰজাই যদি মণিৰামৰ লগত লাখে লাখে টকা খৰচ নকৰি সেইখিনি টকা ব্ৰিটিছক যুদ্ধ-ৰৰঙনি বুলি দিলেহেঁতেন আৰু অন্যান্য দেশীয় ৰজা নৱাবৰ দৰে সহায় কৰিলেহেঁতেন, বিদ্ৰোহ শেষ হোৱাৰ পিচত এখন জমীদাৰীকে পালেহেঁতেন, ৰজাৰ নিজৰো মঙ্গল হ'লহেঁতেন, আনৰো ভাল হ'লহেঁতেন।

চাৰি

মণিৰাম দেৱানে কি স্বাধীনতাৰ কাৰণে বিদ্ৰোহ কৰিছিল?

দেৱানে মৃত্যুৰ আগদিনা ২য় পুত্ৰ বিষ্ণুৰামলৈ এখন চিঠিত লেখিছিল—'প্ৰাণী বুলিলেই জন্মৰ লগতে মৰণ আছে, মাত্ৰ কোনো ল'ৰা কালত,

কোনো বুঢ়া হৈ মৰে। এইবাবে বেজাৰৰ কোনো কাৰণ নাই; মাত্ৰ এয়েহে মনত দুখ লাগিছে যে, এটা মিছা অপবাদ লৈ মৰিব লগা হ'ল'।[১] দেৱানে ইয়াত স্পষ্টকৈ কৈছে তেওঁ বিদ্ৰোহ কৰা নাছিল। উপেন্দ্ৰ কুমাৰ বৰুৱাই একে চিঠিৰে একাংশ ইংৰাজী ভাঙনী দিছে—'I am not in the least afraid to meet death; but what pains me most is that I have to die with a stigma on my character though I am perfectly innocent. I have seen the British might and machinery in Calcutta and what preparations were made here to meet the powerful host armed with deadly weapons! where are the men and materials for fighting? Is it to fight and drive out the English with bamboo pop-guns? As the man in power is resolved to take my life without weighing all the circumstances there is no help for it'; 'মই মৰিবলৈ অকণো ভয় কৰা নাই, মোক এইটোৱেই সবাতোকৈ দুখ দিছে যে মই মোৰ চৰিত্ৰৰ ওপৰত এটা কলঙ্ক ৰাখি মৰিব লগাত পৰিলোঁ যদিও মই সম্পূৰ্ণ নিৰ্দোষী। মই বৃটিছৰ শক্তি আৰু অস্ত্ৰ-শস্ত্ৰাৱলী কলিকতাত দেখিছোঁ আৰু ইয়াত মাৰাত্মক অস্ত্ৰেৰে সুসজ্জিত শক্তিশালী সৈন্য বাহিনীৰ সন্মুখীন হবলৈ কি প্ৰস্তুতি কৰা হৈছে? ইংৰাজক বাঁহৰ চুঙাৰেই যুঁজি কি বাহিৰ কৰি দিয়া হব? যিহেতুকে যিজন মানুহৰ হাতত ক্ষমতা ন্যস্ত হৈছে তেৱেঁই মোৰ জীৱন লবলৈ কৃত-সঙ্কল্প মোৰ উপায় নাই' [২]। উপেন্দ্ৰনাথ বৰুৱাই মন্তব্য দিছে:—'কিন্তু তেওঁৰ নিচিনা পিত থকা পুৰুষ এজনাই, যিজনাই কলিকতাত আছিল আৰু স্বচকুৰে ইংৰাজৰ শক্তি আৰু বীৰ্য্য দেখিছে তেওঁ এজন সিংহাসনচ্যুত ৰজাৰ দুৰ্বল আৰু নাবালক বংশধৰক সংবিধানাস্থিত কৰ্তৃপক্ষৰ বিৰুদ্ধে অস্ত্ৰ লবলৈ উচটাব, এইটো একেবাৰে কল্পনা কৰিব নোৱাৰা কথা'। ইন্দীবৰ বৰুৱা আছিল দেৱানৰ বৰ-জোৱাঁয়েক আৰু উপেন্দ্ৰনাথ বৰুৱা তেওঁৰে পুত্ৰ। দুয়োজনে স্পষ্টকৈ কৈ গৈছে মণিৰাম দেৱান বিদ্ৰোহী নাছিল।

বিমলচৰণ ডেকাই স্বৰচিত মণিৰাম দেৱানৰ জীৱনীৰ ৩৮ পৃষ্ঠাত কৈছে—

[১] গদ্য পৃঃ ৩৯। [২] AGA পৃঃ ৩৮।

'অন্তিম কালত দেৱানে পুতেকহঁতকৈ দিয়া চিঠিৰ মৰ্মৰ পৰা বুজিব পাৰি যে তেখেতক প্ৰতাৰক, ষড়যন্ত্ৰকাৰী বা বিদ্ৰোহী বুলিব নোৱাৰোঁ'। এই জীৱনীখনৰ বেটুপাতৰ ওপৰতে লেখা আছে 'আসাম সাহিত্য সভাৰ পুৰস্কাৰ পোৱা'। সাহিত্য সভা অসমীয়া বিদ্বান মণ্ডলীৰ দ্বাৰাই সুপৰিচালিত। সেই কাৰণে ধৰি লব পাৰি যে তেতিয়াৰ বিদ্বান মণ্ডলীয়ে মণিৰাম দেৱানক বিদ্ৰোহী বুলি বিশ্বাস কৰা নাছিল। মণিৰাম দেৱানে দেশৰ স্বাধীনতা আনিবলৈ বিদ্ৰোহ কৰিছিল বুলি ১৯২০ চনৰ আগতে লেখা কোনো কিতাপতে পোৱা নাযায়। লক্ষ্মীনাথ বেজবৰুৱাই কৈছে—

মণিৰাম পিয়লীৰ   মৰণ বাতৰি
যদি তোৰ বীণে গায়
মানা কৰ তাক   বৰাগী ককাই
শোক মোৰ উথলায়।

বেজবৰুৱাই অসমত চিপাহী বিদ্ৰোহ ঘটিছিল বুলি বিশ্বাস কৰা নাছিল, সেই কাৰণে তেওঁৰ চকুত মণিৰাম দেৱান বিদ্ৰোহী নাছিল। যি কালত দেৱানক ফাঁচী দিয়া হয়, সেই কালত জনসাধাৰণে নাজানিছিল যে দেৱানক বিদ্ৰোহ কৰাৰ কাৰণে ফাঁচী দিয়া হৈছিল। বহু সংখ্যক মানুহৰ মাজত ধাৰণা হৈছিল যে মণিৰাম দেৱান নিৰ্দোষী আছিল আৰু নিৰ্দোষী মানুহক অন্যায়কৈ ফাঁচী দিয়া হ'ল।

চালত মলঙ্গিলে   চালেদৈ কোমোৰা
টেকেলিত মলঙ্গিলে লোণ
মাটিত মলঙ্গিলে   মণিৰাম দেৱান ঐ
নেকান্দি থাকিব কোন?

এইটো গীত কেতিয়া ৰচনা কৰা হৈছিল? মণিৰাম দেৱানৰ মৃত্যুৰ পিচতেই কোৱা-কুই হবলৈ ধৰিলে যে মণিৰাম দেৱানে দেশ পাতিবলৈ,[৪] ৰজা পাতিবলৈ [৫] ওলাইছিল কিন্তু তেওঁক অন্যায়কৈ ফাঁচী দিয়া হ'ল। তেতিয়াৰ পৰা মণিৰাম দেৱানৰ গীতবিলাক পৰিৱৰ্ত্তিত আৰু সংশোধিত কৰা হয়। অপৰিৱৰ্ত্তিত আৰু অসংশোধিত যি দুই চাৰিটা গীত এতিয়াও পোৱা যায় সেই কেইটাই আমাৰ আগত মণিৰাম দেৱানৰ বেলেগ ছবি

[৪] মণিৰাম ১৭ নং গীত পৃঃ ৩০৬। [৫] মণিৰাম ১৮ নং গীত পৃঃ ৩০৭। [৬] লীলা গগৈৰ মণিৰাম দেৱানৰ গীত পৰা লোৱা হৈছে।

এখন দাঙ্গি ধৰে। দুটা গীত ততত দিয়া হ'ল।[৬]

সোণৰ ধোৰাঁ-খোৰাঁত থালি ঐ মণিৰাম
ৰূপৰ ধোৰাঁ-খোৰাঁত থালি,
অতি তজবজীয়া হৈছিলি মণিৰাম
বৰশীৰ আকোৰা পালি।[৫]

মান বঢ়াবলৈ গৈছিলি মণিৰাম
যতৰাই মাৰিলে হাঁচি,
উলটি মণিৰাম ঘৰকে নাপালি
দিলে যোৰহাটত ফাঁচী।[৬]

কোনো এটি গীতে মণিৰামক বিদ্ৰোহী বুলি কোৱা নাই, বৰং কৈছে :—

কেনৈ এনেকুৱা হলি ঐ মণিৰাম
কেনৈ এনেকুৱা হলি,
দেশ পাতিবলৈ নহ'ল চাৰিদিনে
ৰাইজৰ দোৰোহী হলি।[৬]

এইটি গীতে স্পষ্টকৈ কৈছে, মণিৰাম দেৱান ৰাইজ-দ্ৰোহী হৈছিল।

মণিৰাম দেৱানৰ মৃত্যুত সকলোৱে হিয়া ভাগি যোৱা নাছিল—

আঠিয়া কলৰে আঠা ঐ মণিৰাম
আঠিয়া কলৰে আঠা,
মণিৰাম দেৱানক ফাঁচী কাঠত তুলিলে
কাৰো নেলাগিল বেথা।[৭]

মণিৰাম দেৱানৰ মৃত্যুত কাৰো বেথা নালাগিল। দেৱানক বিদ্ৰোহী বীৰ বুলি সেই কালৰ ৰাইজে পূজা-অৰ্ঘ্য দিয়া নাছিল। দেৱানৰ প্ৰতি ৰাইজৰ মনোভাৱ বিৰূপ আছিল—

মণিৰাম হলে উঠি বহি ৰজা
দহ বুলিলে হয় পচি
ফৌজাৰী দেৱানী আদালত পাতি
ৰাইজক নিলে চুচি।

তলৰ গীতটিত দেৱানৰ মৃত্যুত সন্তোষ ফুটি উঠিছে।

[৭] মণিৰাম; গীত নং ৪১ পৃঃ ৩০৯

মণিৰামক মাৰিলি ভালকে কৰিলি
পিয়লীক মাৰিলি কিয়?
সেইনো কথা শুনি ৰংপুৰৰ আমোলাৰ
আকাশে উৰি গ'ল জীৱ।[৭]

ঠানুৰাম গগৈয়ে কৈছে—"সেইহে ১৮৫৮ চনত যেতিয়া মণিৰামক ষড়যন্ত্ৰকাৰী হিচাবে কলিকতাৰ পৰা ধৰাই আনি যোৰহাটত ইংৰাজে ফাঁচী দিয়ায়, তেতিয়া অসমীয়াৰ গুপুত প্ৰাণৰ কথা বৈৰাগীৰ গীতত বাজি উঠিল।

ৰূপৰ ধোঁৱাখোৱাত থালি ঐ মণিৰাম
সোণৰ ধোঁৱাখোৱাত থালি
ৰজা হবলৈ ওলালি মণিৰাম
ডিঙ্গিত চিপজৰী ললি।

মণিৰামে বৃটিছৰ অনুগ্ৰহ পাবলৈ ৰাইজৰ বিৰুদ্ধে কৰা অপকৰ্মবিলাকৰ বাবেও যেন প্ৰকৃতি দেৱীও যেন অসন্তুষ্ট হৈ মণিৰামৰ ঘৰত ক্ৰলত দিয়া অমঙ্গলবিলাক দেখুৱালে :—

আজি কিয় বাৰে গুৰু বৃহস্পতি
কালি কিয় বাৰে শুকুৰ
মণিৰামৰ ঘৰতে অমঙ্গল মিলিলে
ঘৰৰ চালত বগালে কুকুৰ॥"

এই গীত দুটাই কাৰো মনত বিশ্বাস ওপজাব নোৱাৰিব যে মণিৰাম দেৱান এজন বিদ্ৰোহী বীৰ আছিল।

সদৰ জজ মিলচৰ হাতত মণিৰামে এখন 'এতলা' যুৱৰাজ ঘনকান্ত সিংহৰ আদেশ মতে লেঠা নোহোৱা সকলৰ হৈ আৰু আন এখন নিজৰ বৰীয়াকৈ দিছিল। এই দুখন এতলা আমেৰিকাৰ স্বাধীনতাৰ ঘোষণা, Declaration of Independence আৰু ব্ৰিটেইনৰ Magna Carta অৰ্থাৎ স্বাধীনতাৰ মহান চনদৰ সমান মৰ্য্যদা দিয়া হৈছে। আমেৰিকাই ঘোষণা কৰিছিল, আমেৰিকা ব্ৰিটিছৰ কৱলৰ পৰা মুক্ত এখন সাৰ্বভৌম ৰাষ্ট্ৰ। লেঠা নোহোৱা সকলৰ হৈ দেৱানে কেনেকুৱা স্বাধীনতা ঘোষণা কৰিছে!

'সেই দেখি, আমি বিনীত ভাবে জনাব খোজোইঁক যে উপযুক্ত সন্ধান

[৮] মণিৰাম পৃঃ ২৩৪

আৰু বিহিত বিবেচনা কৰি পুনৰ অসম ৰজাকে এই দেশ চলাবলৈ দি পূৰ্বৰ ৰীতি-নীতি, ধাৰা-বিধিবোৰক পুনৰ প্ৰচলন কৰায় যেন। .... ১৮২৭ চনত দাখিল কৰা এতলাত দৰ্শোৱা চুক্তি আৰু নিৰ্বন্ধ অনুযায়ী চলিলে, দেশৰ ৰাজকাৰ্য্য চলাব আৰু চাবৰ নিমিত্তে মহামন্ত্ৰী মৰ্য্যাদাৰে এজন চিভিলিয়ান নিযুক্ত কৰিলে আৰু দেশত কেৱল শান্তিৰক্ষা কৰিবৰ নিমিত্তে দেশীয় চিপাহীৰ এটা ফৌজ ৰাখিলেই এই কাম সহজেই হৈ উঠিব।'[৮]

অসমত সাৰ্বভৌম স্বাধীনতা দাবিৰ কি অপূৰ্ব ঘোষণা! দেৱানে নিজৰ তলত দিয়া এতলাত কৈছে :—

'মহামহিম মান্যবৰ শ্ৰীল শ্ৰীযুক্ত সদৰ মেম্বৰ জজ বাহাদুৰ ৰবিকৰ নিকৰেষু

প্ৰাৰ্থনাকাৰী : { শ্ৰীমণিৰাম দত্ত বৰুৱা দেৱান
মোকাম শিৱসাগৰ জিলা

হুজুৰৰ গৰীব বান্দাই জনাওঁ যে পূৰ্বে তিনিশ বছৰলৈ যি চাৰিঘৰ মানুহে চাং-কাকতীৰ বিষয় খাইছিল, সেই চাৰি ঘৰৰ ভিতৰত বান্দাৰ পূৰ্ব পুৰুষো এঘৰ।

কামৰূপত বাদে, বাকী চাৰিখন জিল্লাত হুজুৰৰ এই বান্দাৰ সমান অইন কোনেও ইমান মালগোজাৰি (খাজনা) নিদিয়ে। অতএৱ আপোনাৰ অনুগ্ৰহ পাবৰ বিশেষ উপযুক্ত।

মাননীয় হুজুৰ। মোৰ ভূমি-সম্পত্তিৰ নিমিত্তে বছেৰেকত ৫০০্ কৈ টকা গৱৰ্ণমেণ্টক শোধাবলৈ বৰ টান পাইছোঁ।

ইয়াৰ উপৰিও মোৰ ঘৰত বন্দীয়ে-বেটীয়ে খাওঁতা মানুহ ১৮৫ টা। সিহঁতকো খুৱাব-পিন্ধাব লাগে। অতএৱ হুজুৰে উল্লেখিত অৱস্থাৰ বিহিত বিচাৰ কৰি মোক পূৰ্বৰ মান-সম্ভ্ৰমপূৰ্ণ আৰু জীৱন-নিৰ্বাহ কৰিব পৰা অৱস্থাত যেন পুনৰ নিয়োগ কৰে।'[৯]

---

[৯] মণিৰাম পৃঃ ২৩৮

এয়ে কি অসমৰ স্বাধীনতাৰ দাবি? এইটো বিশেষকৈ মন কৰিব লগীয়া, দেৱানে নিজৰ কাৰণে চাকৰি ভিক্ষা খুজি দিয়া দৰ্খাস্তৰ সুৰ সম্পূৰ্ণ বেলেগ। কি ভাষা ব্যৱহাৰ কৰিলে লোকৰ অনুগ্ৰহ আদায় কৰিব পাৰি দেৱানে সেইটো জানিছিল। সেই কাৰণে তেওঁৰ নিজৰ দৰ্খাস্তখনত 'বান্দা'ৰ সুৰ, গোলামৰ সুৰ ডাঙৰকৈ শুনা যায়। কি ভাষা ব্যৱহাৰ কৰিলে লোকৰ বিৰাগ-ভাজন হয় দেৱানে তাকো জনিছিল। সেই কাৰণে দেৱানে, 'আমি যেনিবা বনৰজাৰ বৰ-পেটত হে সোমাই আছোঁহক,' 'ছৰ্কাৰ বাহাদুৰে গাৱেঁ গাৱেঁ জিল্লা পাতি মিছা-প্ৰৱঞ্চনাত মত্ত থকা কেতবোৰ ঠগ আৰু দুষ্ট মানুহৰহে সৃষ্টি কৰিছে মাথোন', 'এই অন্যায় আৰু কৰ্তব্য লঙ্ঘনৰ বাবে এসময়ত নহয় এসময়ত সমুচিত পুৰস্কাৰ পোৱা হব' ইত্যাদি কথাবিলাক নিজৰ দৰ্খাস্তত নেলেখি যুৱৰাজ ঘনকান্ত সিংহ আৰু লেঠা নেহোৱা সকলৰহৈ দিয়া দৰ্খাস্তত লেখিছে। এই দৰ্খাস্তত দেৱানে আস্ফালনো অলপ কৰিলে। এনেকৈয়ে দেৱানে যুৱৰাজৰ হিত চিন্তিলে। বেগম হজৰৎ মহলে আৱধ ৰাজ্য ঘূৰাই দিবৰ কাৰণে ব্ৰিটিছ পাৰ্লিয়ামেণ্টৰ আগত এখন দৰ্খাস্ত দাখিল কৰিছিল; পাৰ্লিয়ামেণ্টে দৰ্খাস্তখন 'humbly' (বিনীত ভাৱে) শব্দটো নেলেখাৰ বাবে অগ্ৰাহ্য কৰিছিল। যুৱৰাজৰ ভাগ্য ভাল যে তেওঁক মাহেকীয়া চাৰিশ টকীয়া পেঞ্চনটোৰ পৰা চৰকাৰে বঞ্চিত নকৰিলে।

★★

পাঁচ

দেৱানৰ বিদ্ৰোহ জ্বলা হলে কি হলহেঁতেন

ধৰি লোৱা যাওক হৰনাথ পৰ্ব্বতীয়া বৰুৱা দাৰোগা নহয়। কণৰাম দাৰোগা আৰু কণৰামে অন্যান্য পুলিচ কৰ্মচাৰীবিলাকৰ সৈতে ৰজাৰ পক্ষে যোগ দিছে আৰু ভিকন সিঙৰ নেতৃত্ব মানি লৈছে। ভাটে চিঠিখন আনি অসমৰ ৰজা কন্দৰ্পেশ্বৰক দিছেহি। তেতিয়া কি হ'লহেঁতেন? পূৰ্বৰ

বন্দোবস্ত মতে চিপাহীবিলাকে মহাষ্টমীৰ দিনা দুৰ্গা গোঁসানীৰ আগত অষ্টোত্তৰ শত ইংৰাজক বলি দিলেহেঁতেন আৰু মণিৰাম দেৱানক আগত ৰাখি ৰজা কন্দৰ্পেশ্বৰ সিংহক ৰাজপাটত বহুৱালেহেঁতেন। ৰজাই মণিৰামক প্ৰধানমন্ত্ৰী, ভিকন সিঙক সেনাধিনায়ক পাতিলেহেঁতেন।

ইয়াৰ পিচত কি হ'লহেঁতেন?— প্ৰথমতে চিপাহীবিলাকে জেলৰ পৰা কয়েদীবিলাকক মুকলি কৰি দিলেহেঁতেন। দুৰ্বৃত্তবিলাকে চিপাহীৰ লগ ললেহিহেঁতেন। ডঃ কেৰামৎ আলিয়ে সাক্ষ্য দিওঁতে কৈছে—'চিপাহীবিলাকৰ ৪১৫ জনীয় দলবিলাকে ৰাতি গাৱেঁ গাৱেঁ ফুৰি গাৱঁলীয়া ৰাইজক জুলুম কৰিবলৈ ধৰিলে আৰু ৰায়তৰ পৰা পাবলগীয়া ঋণ আদায় কৰিবলৈ লাগিল। ফলত গোলমাল আৰু বাঢ়িল। কাঞঁা-গঞঁা আৰু বেপাৰীবিলাকে নিজ নিজ সম্পত্তি মাটিৰ তলত পুতিলে আৰু চিপাহীয়ে লুট কৰাৰ ভয়ত দিনে দিনে সন্ত্ৰস্ত উঠিল'। এইটো অৱস্থাৰ উদ্ভৱ হৈছিল ১৮৫৭ আগষ্ট মাহত, তেতিয়া ব্ৰিটিছৰ শাসন অটুট আছিল। ব্ৰিটিছক গোসাঁনীৰ আগত বলি দিয়াৰ পিচত বিদ্ৰোহী, কয়েদী আৰু দুৰ্বৃত্তবিলাকে একগোট হৈ ঘৰ-বাৰী জুই লগাই দিলেহেঁতেন, লগতে অসমীয়া মানুহৰো চৰম দুৰ্গতি হলহেঁতেন। খ্ৰীষ্টিয়ান আৰু য়ুৰোপীয়ক মাৰি খাস্তাং কৰিলেহেঁতেন। লগতে অসমীয়া মানুহো মৰিলেহেঁতেন। বিদ্ৰোহীয়ে অকল চৰকাৰী ট্ৰেজাৰী আৰু য়ুৰোপীয়ৰ সম্পত্তি লুট কৰিয়েই ক'তো সন্তুষ্ট নাছিল। দিল্লীত স্বাধীনতাৰ যুঁজাৰু চিপাহীবিলাকে একেবাহে তিনিদিন ধৰি ১৮৫৭ মেৰ ১১ তাৰিখৰ পৰা ১৩ মে' লৈকে দিল্লীৰ বাসিন্দাবিলাকক লুট কৰিছিল, দিল্লীত অৰাজকতাৰ লীলা চলাইছিল। লুট কৰা সম্পত্তিৰ ভাগ লৈ মীৰাটৰ চিপাহী আৰু দিল্লীৰ চিপাহীৰ মাজত কাজিয়া লাগিছিল। অসমতো বিদ্ৰোহী চিপাহী আৰু ৰজাৰ চিপাহীৰ মাজত কাজিয়া লাগিলহেঁতেন। বিদ্ৰোহী চিপাহীক বাদশাহে কৈছিল, 'মোৰ অৰ্থ নাই, মই নেতৃত্ব লব নোৱাৰোঁ।' চিপাহীয়ে কলে, 'আমাক দৰ্মহা নালাগে।' চিপাহীয়ে জোৰকৈ তেওঁক হিন্দুস্থানৰ বাদশাহ বুলি ঘোষণা কৰিলে। পিচ মুহূৰ্তে চিপাহীয়ে বাদশাহক দাবি কৰিলেহি 'আমাক দৰ্মহা দিয়া।' এই সময়ত লুট কৰা ধন-সোণেৰে প্ৰত্যেকজন চিপাহী গা-দাঙ্গিব নোৱাৰা হৈ আছিল। চিপাহীক দৰ্মহা দিবলৈ বাদশাহৰ টকা নাছিল। বাদশাহে ধনী ধনী মহাজনবিলাকক, বেঙ্কাৰবিলাকক গুহি

টকা আদায় কৰিবলৈ বাধ্য হৈছিল। এওঁলোকৰ বহুতকে আগতে চিপাহীয়ে গুহি থৈছিল। ইয়াৰ উপৰিও বেলেগ বেলেগ দল হৈ বাদশাহৰ নামত ধনী শ্ৰেণীৰ ওপৰত যুক্তৰ বৰঙনি তোলাৰ চেলু লৈ নিঃসঙ্কোচে ডকাইতি কৰিছিল। ৰজা কন্দৰ্পেশ্বৰে মণিৰাম দেৱানৰ দিহামতে সামৰিক বিষয়াবিলাকক ইংৰাজ বিষয়াৰ সমান আৰু অন্যান্যবিলাকক দুগুণ দৰ্মহা দিব বুলি 'কবুল' কৰিছিল। চিপাহীবিলাকে ৰজাৰ পৰা সেইমতে দৰ্মহা দাবি কৰিলেহেঁতেম। ইংৰাজৰ ট্ৰেজাৰীত যি টকা আছিল, ৰাইজক লুট কৰি যি টকা পালেহেঁতেন সেইখিনিও আত্মসাৎ কৰিলেহেঁতেন। ৰজাৰ যি অৰ্থ আছিল তাৰ অধিকাংশ ৰাজ্য লাভৰ আশাত মণিৰাম দেৱানলৈ পঠিয়াওঁতেই শেষ হৈছিল। ৰজাই দৰ্মহা দিব নোৱাৰিলেহেঁতেন আৰু সেই খণ্ডতে চিপাহীয়ে নিঠকৰা অসমীয়া জনসাধাৰণক লুট-পাট কৰিলেহেঁতেন, সিহঁতৰ ঘৰ-বাৰী পুৰি শেষ কৰিলেহেঁতেন। মানে যি কৰিছিল তাতোকৈ সহস্ৰ গুণে বেচি কৰিলেহেঁতেন। ৰজাই আৰু তেওঁৰ প্ৰধানমন্ত্ৰী মণিৰাম দেৱানে কি এই অত্যাচাৰ বন্ধ কৰিব পাৰিলেহেঁতেন? দিল্লীত চিপাহীবিলাকৰ অত্যাচাৰ বন্ধ কৰিবলৈ, সিহঁতক দিল্লীৰ পৰা বাজ কৰি দিবলৈ বাদশাহে হুকুম দিছিল কিন্তু বাদশাহৰ এই হুকুম তামিল কৰিবলৈ বাদশাহৰ কোনো সৈন্য নাছিল, শক্তি নাছিল। ৰজা কমলেশ্বৰ সিংহই হিন্দুস্থানী বৰকন্দাজ এমুঠিক দমন কৰিব নোৱাৰি সিহঁতক দমন কৰিবলৈ ইংৰাজৰ সহায় ভিক্ষা কৰিছিল। ৰজা কন্দৰ্পেশ্বৰে আৰু মণিৰাম প্ৰধান মন্ত্ৰীয়েও নপুংসক হৈ চিপাহীৰ অত্যাচাৰ চাই থাকিবলগীয়া হ'লহেঁতেন। দিল্লীত বিদ্ৰোহীয়ে বাদশাহক ধমকি দিছিল, 'আমাক ৰছদ দিয়া নহলে আমি দিল্লী লুট কৰিম'। অসমতো ৰজা আৰু মণিৰাম দেৱানে কৰ পৰা ৰছদ যোগালেহেঁতেন? ৰছদৰ কাৰণেও চিপাহীয়ে অসমীয়া মানুহৰ ভঁৰাল, ঘৰ-বাৰী লুট কৰিলেহেঁতেন। ৰজা কন্দৰ্পেশ্বৰে কি অসমীয়া প্ৰজাক চিপাহীৰ অত্যাচাৰৰ পৰা ৰক্ষা কৰিব পাৰিলেহেঁতেন? দিল্লীত বিদ্ৰোহীবিলাকে যাকেই ইংৰাজৰ ফলীয়া বুলি সন্দেহ কৰিছিল তেওঁক নিৰ্বিচাৰে বধ কৰিছিল। অসমতো আহোম ৰাজবংশৰ সৰহভাগেই, বহুত ডা-ডাঙৰীয়াই বিদ্ৰোহ সমৰ্থন কৰা নাছিল। বিদ্ৰোহীবিলাকে তেওঁলোকক আৰু তেওঁলোকৰ লগৰীয়া সকলক মাৰি শেষ কৰিলেহেঁতেন। স্বাধীনতাৰ বীৰ পুৰুষসকলে নিঃসঙ্কোচে ভাৰতীয় নাৰীৰ ওপৰত বলাৎকাৰ কৰিছিল। বহুত নাৰীয়ে সন্মান ৰাখিবলৈ আত্মহত্যা কৰিছিল। অসমতো ৰাজবংশ, ডা-ডাঙৰীয়া-

সকলৰ ঘৰৰ মহিলাসকলৰ ওপৰত চিপাহীয়ে পাশৱিক অত্যাচাৰ কৰিলেহেঁতেন। বাদশাহৰ সৈতে সিহঁতে যি দুৰ্ব্যৱহাৰ কৰিছিল, ভাৰতীয় চিপাহীয়ে তেনে ব্যৱহাৰ কৰিব পাৰিছিল বুলি কোনেও কল্পনা কৰিব নোৱাৰে। যি জনা বাদশাহৰ আগলৈ আনকি ব্ৰিটিছৰ গৱৰ্ণৰ জেনেৰেলে বিধিমতে সম্ভ্ৰম নেদেখুৱাকৈ যাব নোৱাৰিছিল, সাধাৰণ চিপাহীয়েও নিৰ্লজ্জভাৱে তেওঁক বে-ঈজ্জতি কৰিছিল। এদিনা সন্ধ্যা ভাগত বিদ্ৰোহী চিপাহীয়ে ৰছদ পোৱা টান হৈছে বুলি বাদশাহৰ ওচৰত আপত্তি কৰিবলৈ আহিল। এজনে সম্বোধন কৰিলে—'অৰি বাদশাহ! অৰি বুদ্ধা'! এজনে হাতত ধৰি, আন এজনে ডাঢ়িত ধৰি কলে—'শুন বাদশাহ' [১] বাদশাহৰ নিচিনাকৈ বজা কন্দৰ্পেশ্বৰেও চিপাহীৰ দুৰ্ব্যৱহাৰ, চৰ-লাঠি খাই ৰজা হৈ থাকিলেহেঁতেন। বিদ্ৰোহী চিপাহীয়ে কোনো অনুশাসন, শৃঙ্খলা, নিয়মানুৱৰ্তিতা নেমানিছিল। ব্ৰিটিছে পুনৰ ৰাজ্য উদ্ধাৰ কৰিবলৈ আহোঁতে ব্ৰিটিছৰ লগত যুঁজিব লাগিব, তাৰ বাবে প্ৰশিক্ষণ লব লাগে, ৰণ কৌশল শিকিব লাগে, এই বিলাক পাহৰি গৈছিল, নিজৰ ভিতৰতে খোৱা-কামোৰা কৰি মৰিছিল, প্ৰজাৰ ওপৰত অত্যাচাৰ অব্যাহত ৰাখিছিল। কোনো কোনো ঠাই বিদ্ৰোহীৰ অধীনত বছৰাধিক আছিল। বিদ্ৰোহীৰ অধীনত থকা কাল ছোৱাত ৰাইজৰ কিযে দুখ-দুৰ্গতি নহৈছিল। সৰ্বত্ৰ অৰাজকতা। ৰাইজে 'ত্ৰাহি হৰি মধুসূদন' বুলি ব্ৰিটিছ উভতি আহিবলৈ ভগৱানক খাটিছিল। অসমতো খাটিলেহেঁতেন।

হৰনাথ পৰ্বতীয়া বৰুৱাই উমি উমি থকা বিদ্ৰোহৰ জুই জ্বলিবলৈ নিদি নুমাই দি ওপৰত উল্লেখ কৰা ভয়াৱহ আৰু বীভৎস কাণ্ডবিলাক, প্ৰজাৰ ওপৰত অত্যাচাৰ, প্ৰজাৰ শোষণ-লুণ্ঠণ, নাৰীৰ ওপৰত পাশৱিক অত্যাচাৰ হবলৈ নিদিলে। সেই কাৰণেই দেশপ্ৰেমিক ঐতিহাসিসকলে, সাহিত্যিকসকলে পৰ্বতীয়া বৰুৱাক গালি পাৰিছে। তেওঁলোকৰ দুৰ্ভাগ্য-ক্ৰমে পৰ্বতীয়া বৰুৱাই বিদ্ৰোহৰ জুই জ্বলিবলৈ নৌ পাওঁতেই বিদ্ৰোহ ধ্বংস কৰিলে আৰু সেই কালৰ হাজাৰ হাজাৰ লোকে ভৰা অন্তৰ লৈ পৰ্বতীয়া বৰুৱাক কৃতজ্ঞতা জনাই কৈছিল—'আপুনি আমাক ৰক্ষা কৰিলে।'

[১] HCIP IX পৃঃ ৫০৯

মণিৰাম দেৱানে কি সঁচাকৈয়ে বিশ্বাস কৰিছিল যে মহাষ্টমীৰ দিনা ১০৮ জন বগা বঙ্গালক বলি দিলেই ব্ৰিটিছ ৰাজ ভাৰতবৰ্ষৰ পৰা উচ্ছন্ন হৈ যাব? তেনেকৈয়ে যিবিলাক লেখকে পৰ্বতীয়া বৰুৱাক গালি পাৰে তেওঁলোকে কি সঁচাকৈয়ে বিশ্বাস কৰে যে পৰ্বতীয়া বৰুৱাই বিদ্ৰোহৰ ষড়যন্ত্ৰ ধ্বংস কৰি নিদি বগা বঙ্গালক কাটিবলৈ বিদ্ৰোহীক সুবিধা দিয়া হলেই অসমৰ স্বাধীনতা অক্ষুণ্ণ থাকিলেহেঁতেন? তেওঁলোকৰ দুৰ্ভাগ্য, পৰ্বতীয়া বৰুৱা নথকাহলেও, সকলো দাৰোগা-পুলিচ মিলি বিদ্ৰোহ কৰিবলৈ বিদ্ৰোহীক সুবিধা দিয়া হলেও ব্ৰিটিছে অসম উদ্ধাৰ কৰিলেহেঁতেন। বিদ্ৰোহীক দমন কৰিবলৈ ১৮৫৭ জুন ১৭ তাৰিখৰ পৰা ১৮৫৮ জানুৱাৰীলৈ ব্ৰিটিছ চৰকাৰে বিলাতৰ পৰা ৩৫,৫৯৯ জন যুঁজাৰু পঠিয়াইছিল। ১৮৫৮ জানুৱাৰী মাহত ব্ৰিটিছৰ সৈন্য সংখ্যা আছিল নিজা ৮২,০০০ আৰু ১০,০০০ গুৰ্খা। মুঠ বিদ্ৰোহী চিপাহীৰ সংখ্যা ডেৰ লক্ষ আছিল। প্ৰত্যেকখন যুদ্ধত গড়ে দহ জন বিদ্ৰোহী চিপাহীয়ে এজন ব্ৰিটিছ সৈন্যৰ লগত যুদ্ধ কৰি হাৰিছিল। বিদ্ৰোহী চিপাহীৰ বীৰত্বৰ নমুনা কেইটা-মান তলত দাঙ্গি ধৰা হ'ল।

আৰা—বইলৰ ঘৰত য়ুৰোপীয় আৰু ৫০ জন শিখে আশ্ৰয় লয়। ৰাণাকুমাৰ সিংহৰ নেতৃত্বত প্ৰায় ২০০০ চিপাহীয়ে এই ঘৰটো আক্ৰমণ কৰে। শিখৰ গুলী খাই চিপাহী পলাবলৈ বাধ্য হয়। লক্ষ্ণৌ—চিপাহী বিলাকে ১৮৫৮ মাৰ্চ ৬ তাৰিখে আলমবাগ আক্ৰমণ কৰে। চিপাহীৰ সংখ্যা আছিল ১,২০,০০০ৰ পৰা ১,৩০,০০ লৈ, ইংৰাজৰ ৩০,০০০। তথাপিও চিপাহী হাৰি পলায়। কানপুৰ—নানাৰ ৩০০০ চিপাহীয়ে ১৮৫৭ জুনৰ ১২ তাৰিখৰ পৰা ২৪ জুনলৈ যুদ্ধ কৰিও ইংৰাজৰ নগণ্য কোঠটো লব নোৱাৰিলে, ইংৰাজৰ সৈন্য আছিল মাত্ৰ ৪৪৪। দিল্লী—১৮৫৭ চেপ্তেম্বৰৰ ১৪ তাৰিখৰ পৰা ২০ তাৰিখলৈ যুদ্ধ কৰি ইংৰাজে দিল্লী লয়। ইংৰাজৰ সৈন্য আছিল ৮৭৪৮, বিদ্ৰোহীৰ কমেও ৪০,০০০। ঝাঁন্সী—ইংৰাজে ১৮৫৮ মাৰ্চ ২৫ তাৰিখৰ পৰা ঝাঁন্সীৰ দুৰ্জয় দুৰ্গত আক্ৰমণ কৰে। ৰাণীৰ সৈন্য আছিল ১১৫০০, ইংৰাজৰ ৩৫০০। ৰাণীয়ে ইংৰাজক খেদিব নোৱাৰি ৪ এপ্ৰিল তাৰিখে ৰাতি পলাই যায়। এই কেইটা বিদ্ৰোহীৰ বীৰত্বৰ উৎকৃষ্ট উদাহৰণ।

অসমত দুটা পল্টন, অসম লঘু পঃ নং ১ আৰু নং ২ আছিল। ১

নংটো কেঃ হেনেৰ অধীনত ডিব্ৰুগড়ত আৰু ২ নংটো মেজৰ ৰিচাৰ্ডচনৰ তলত গুৱাহাটীত আছিল। ২ নং পঃৰ একোটা সৰু দল শিৱসাগৰ, গোলাঘাট, বৰপথাৰ, জামুগুৰি, ছৈখোৱা আদি ঠাইত আছিল। ১ নং পঃৰো সৰু দল একোটা গোৱালপাৰা আদি ঠাইত ৰখা হৈছিল। পিয়লী বৰুৱাই গোলাঘাটৰ দলৰ স্থবাদাৰ ভিকন সিংহৰ লগত কথা হয়। তেওঁ চিকাৰ বিচাৰি আছিল, তৎক্ষণাত সন্মত হয়। ডিব্ৰুগড়ৰ চিপাহীৰ দুজনমানে তলে তলে ৰজাক সহায় কৰিবলৈ সন্মতি দিছিল। কেঃ হেনেই কথাটো গম পাই চিপাহীক সৰু সৰু দললৈ ভাঙ্গি বেলেগ বেলেগ ঠাইলৈ পঠিয়াই দি চিপাহীৰ দুৰভিসন্ধি ব্যৰ্থ কৰে। শিৱসাগৰৰ দলে, ডিব্ৰুগড়ৰ স্থানীয় গোলন্দাজ ক'ৰে (corps) আৰু গোলাঘাটৰো বহুত চিপাহীয়ে বিদ্ৰোহ কৰিবলৈ বিচৰা নাছিল। ৰজাৰ তৰফে বোধ-কৰো ২০০তকৈ বেচি চিপাহী বিদ্ৰোহ কৰিবলৈ নোলালহেঁতেন। ৰজা কন্দৰ্পেশ্বৰ সিংহৰ নিজা কোনো সৈন্য নাছিল, সৈন্যক দৰ্মহা দিবলৈ ৰণ-সম্ভাৰ কিনিবলৈ টকা নাছিল। তেওঁৰ চোৰাং-চোৱা নাছিল। চেপ্তেম্বৰৰ ৯ তাৰিখে পুৱতি নিশা গৈ হলৰইডে ৰাজকাৰেং পালেগৈ। ৰজাৰ চোৰাং-চোৱাই ৰজাক খবৰ দিব পৰা নাছিল, ৰজাৰ প্ৰহৰী ধোবাং জুৰি শুই আছিল। ভিকন সিঙে ১০৮ জন বগা বঙ্গালক বলি দিব পাৰিলেহেঁতেন কিন্তু ইংৰাজ অহাৰ আগে আগে পলালেহেঁতেন। ইংৰাজে ৰজাক বন্দী কৰিলেহেঁতেন। বাদশাহ বাহাদুৰ শাহক তেওঁৰ ক্ষুদ্ৰ অনুচৰ এজনৰ কোঠাত বন্দী কৰি ৰখা হৈছিল। তেওঁক অতি সাধাৰণ চাৰপাইত শুবলৈ দিয়া হৈছিল। যেতিয়াই তেতিয়াই মেম আৰু চাহাব তেওঁৰ কোঠালৈ সোমাই তেওঁক ঘৃণাৰ চকুৰে চাইছিল। উচ্চ পদস্থ ইংৰাজ বিষয়া আহিলেই তেওঁ থিয় হৈ চালাম দিব লাগিছিল। বিচাৰৰ সময়ত আদালতত জজসকলে তেওঁক সাধাৰণ ভদ্ৰতাও আগবঢ়োৱা নাছিল। ৰজা কন্দৰ্পেশ্বৰেো একেই অৱস্থা হ'লহেঁতেন।

ব্ৰিটিছে বিদ্ৰোহীক উচ্ছন্ন কৰি একোখন ঠাই লোৱাৰ পিচত ভাৰতীয় 'নিগাৰ' বিলাকক এশিকনি দিবলৈ লাগি গৈছিল। বন্ধু হওক, শত্ৰু হওক জাতি-ধৰ্ম-বয়স নিৰ্বিশেষে দলে দলে ধৰি আনি গছত ওলোমাই ফাঁচী দিছিল, ৰচিৰ অভাৱত এফালৰ পৰা গুলীয়াই মাৰিছিল, অত্য-ধিক গুলী খৰচ হোৱা দেখি গাওঁ গাওঁকৈ জুই লগাই দি পুৰিছিল। ব্ৰিটিছৰ কাৰণে এই নৃশংসতা আছিল তামাছা। দিল্লীত কি ঘটিছিল

সামান্য আভাস দিয়া হ'ল—'দিল্লী পতনৰ পিচতেই প্ৰায় সকলো বাসি-ন্দাই দিল্লী এৰি গ'ল গৈ। বহু সংখ্যক পুৰবাসী ক্ৰোধোন্মত্ত ব্ৰিটিছ সৈন্যৰ হাতত মৰিল। যিসকল বাচি থাকিল কেওঁলোকৰ শ শ অনা-হাৰ আৰু তাপ-শীতৰ প্ৰকোপত মৰিল। অপৰিমিত ধন-সোণ লুট কৰা হ'ল, প্ৰত্যেক জন সৈন্যই অজস্ৰ লুণ্ঠিত ধন-ৰত্ন জমা কৰিলে। প্ৰায় প্ৰত্যেকটো ঘৰৰ মানুহক মাৰি লুট কৰা হ'ল, এওঁলোক ব্ৰিটিছৰ মিত্ৰ আছিল নে শত্ৰু আছিল বিবেচনা কৰা নহ'ল। সেনাধিনায়কে নাৰী আৰু শিশুক হত্যা নকৰিবলৈ হুকুম দিছিল কিন্তু হুকুম ভঙ্গ কৰি সন্মানিত কৰিছিল'। 'মই দিল্লীৰ পিচ আলিয়েদি ফুৰিবলৈ এৰি দিছোঁ, কাৰণ মই এজন অফিচাৰ আৰু কুৰিজনীয়া দল এটাৰ সৈতে পহৰা দিবলৈ ওলাইছিলোঁ আৰু আমি শাল কাপোৰৰ ওপৰত চৌধ্য জনী ডিঙ্গি কটা মৰা মহিলা পৰি থকা দেখিলোঁ। আমি এজন মানুহক ধৰিলোঁ, মানুহ জনে কলে যে সিহঁতৰ গিৰিয়েকবিলাকেই আমাৰ (অৰ্থাৎ ব্ৰিটিছৰ) হাতত পৰে বুলি ভয় কৰি কাটিলে আৰু পিচত আত্মহত্যা কৰিলে' [২]।

অসমতো এনে ধৰণৰ নৃশংসতা ঘটিলেহেঁতেন। তিৰোতাৰ ওপৰত পাশৱিক অত্যাচাৰ সাধাৰণ কথা আছিল। ব্ৰিটিছ সৈন্যৰ মাজত অপ-প্ৰচাৰ কৰা হৈছিল যে বিদ্ৰোহী চিপাহীয়ে ব্ৰিটিছৰ নাৰীৰ ওপৰত বলাৎকাৰ কৰিছিল। দিল্লী লৈয়ে ব্ৰিটিছ চিপাহীয়ে ১৩ ৰ পৰা ১৫ বছৰ বয়সৰ ছোৱালী ধৰি আনি সিহঁতক বিবস্ত্ৰা কৰি দিন-দুপৰতে ৰাজ আলিৰ ওপৰত বলাৎকাৰ কৰে আৰু পিচত প্ৰত্যেকজনীকে হত্যা কৰে। যিসকল লেখকে অসমত বিদ্ৰোহ জ্বলি উঠিবলৈ নিদিয়াৰ কাৰণে হৰনাথক গালি পাৰিছে, ব্ৰিটিছ সৈন্যই অসমীয়া নাৰীৰ ওপৰত দিন-দুপৰতে ৰাজ আলিৰ ওপৰত বলাৎকাৰ কৰি পিচত হত্যা কৰা হলে, নিশ্চয় সুখী হ'লহেঁতেন।

মহাষ্টমীৰ দিনা মহামায়াৰ আগত ১০৮ জন বক্তোৎপল ইংৰাজক বলি দিওঁতাসকলেও উপযুক্ত প্ৰসাদ লাভ কৰিলেহেঁতেন। ১৮৫৭ জুলাইৰ ১৫ তাৰিখে নানাই কানপুৰৰ বিবি ঘৰত বন্দী কৰি ৰখা ব্ৰিটিছ নাৰী আৰু শিশুসকলক হত্যা কৰা হয়। জুলাইৰ ১৭ তাৰিখে হেভলক আৰু

[২] HCIP IX পৃঃ ৫৯৬

নীলে নানাক হকৱাই কানপুৰ প্ৰৱেশ কৰে। তাৰ পিচত কি হ'ল নীলেই নিজেই কৈছে :—'যেতিয়াই বিদ্ৰোহী ধৰা পৰিছিল, তেতিয়াই বিদ্ৰোহীৰ বিচাৰ কৰা হৈছিল আৰু সি আত্মৰক্ষা কৰিব নোৱাৰিলে তেতিয়াই ফাঁচী দিয়া হৈছিল। কিন্তু যিটো ঘৰত নাৰী আৰু শিশুক কটা হৈছিল আৰু হত্যা কৰা হৈছিল সেই ঠাইত দুই ইঞ্চি দ তেজৰ পুখুৰী হৈছিল; মই প্ৰধান বিদ্ৰোহীবিলাকক বা দলপতিবিলাকক তেজৰ একাংশ চাফা কৰিবলৈ বাধ্য কৰিছিলোঁ। উচ্চ বৰ্ণৰ হিন্দুৰ কাৰণে তেজ স্পৰ্শ কৰা অতি ঘৃণনীয় কথা আছিল'।[৩] ইয়াৰ পিচত অভিযুক্ত বিদ্ৰোহীক ফাঁচী দিয়া হৈছিল আৰু মৰাশ আলিৰ দাঁতিত পুতি পেলোৱা হৈছিল। অসমতো যিবিলাক বামুণ, পুৰোহিত আৰু ঘাতকে ১০৮ জন ব্ৰিটিছক বলি দিলেহেঁতেন, সিহঁতক বিচাৰি ধৰি লৈ আহিলহেঁতেন, তেজ পৰা ঠাইত তেজৰ চিন নথকাহলেও, জিভাৰে চেলেকালেহেঁতেন আৰু পিচত ফাঁচী দিলেহেঁতেন। ইংৰাজে সৰ্বত্ৰ অবাধ লুট-পাট কৰিছিল। দিল্লী, লক্ষ্ণৌ, ঝাঁন্সী আদি ঠাইবিলাক ধন-সোণ, মাণিক-মুকুতা, বহুমূলীয়া ৰত্ন-ৰাজিৰে ভৰপুৰ আছিল। ব্ৰিটিছে এইবিলাক ঠাই পুনৰ অধিকাৰ কৰাৰ পিচত ব্ৰিটিছ ফৌজৰ কি অফিচাৰ কি সাধাৰণ সৈনিক প্ৰত্যেকেই লাখ লাখ টকাৰ মূল্যৰ ৰত্ন-ৰাজি, হীৰা-জহৰৎ লুটি লৈছিল। হডচনে বেগম জিনৎ মহলৰ পৰা ২০ লাখ টকাৰ হীৰা-মুকুতা জমা লৈ ফিৰৎ নিদিলে। ব্ৰিটিছ সৈন্যই অসমতো ধন-ৰত্নৰ কাৰণে ঘৰে ঘৰে লুট-পাট কৰিলেহেঁতেন। অসমীয়া ৰজাৰে একো নাছিল। দুখীয়া অসমীয়া জনসাধৰণৰ ঘৰত কিটো পালেহেঁতেন? একো নাপাই ধন-সোণ লুকাই থৈছে বুলি সন্দেহ কৰি 'ধন-সোণ উলিয়াই দে' বুলি ব্ৰিটিছ সৈন্যই অসমীয়া ৰাইজৰ ওপৰত নৃশংস অত্যাচাৰ কৰিলেহেঁতেন। এইখিনি অতিৰঞ্জিত নহয়, সামান্য নমুনাহে। মণিৰাম দেৱানে আৰু ভিকন সিঙে অসমীয়া ৰাইজক কি ৰক্ষা কৰিব পাৰিলেহেঁতেন। ধৰা নপৰা হলে তেওঁলোকেই সৰ্বপ্ৰথমে পলালেহেঁতেন।

হৰনাথ পৰ্ব্বতীয়া বৰুৱাই মণিৰামৰ বিদ্ৰোহ দমন কৰি কোনো প্ৰকাৰ বৰ্বৰতা আৰু অমানুষিক নৃশংসতা অসমীয়া ৰাইজৰ ওপৰত কৰিবলৈ নিদিলে। সেই কাৰণেই কণ্ম লেখকবিলাকে পৰ্ব্বতীয়া বৰুৱাক গালি

[৩] HCIP IX পৃঃ ৫৯৫

পাৰে। কোৱা হয় যে তেজেৰে গা নুধুলে উন্নতি নহয়, 'the car of progress has, through human folly and perversity, to wade through blood and ruin on earth'. ফৰাচী বিদ্ৰোহ (French revolution), ৰুচ বিদ্ৰোহ (Russian revolution) আদিৰ লগত চিপাহী বিদ্ৰোহৰ ৰজিতা নহয়। বিদেশী শাসকৰ সৈন্যই পৰাধীন দেশৰ জনতা আৰু নাৰীৰ ওপৰত অত্যাচাৰ কৰে কিন্তু ভাৰতীয় চিপাহীৰ নিচিনাকৈ কোনো পৰাধীন দেশৰ চিপাহীয়ে নিজ দেশৰ জনতাৰ ওপৰত আৰু নাৰীৰ ওপৰত অত্যাচাৰ কৰাৰ উদাহৰণ নাই আৰু কোনো বিদেশী চিপাহীকো অবাধে অত্যাচাৰ কৰিবলৈ এৰি দি পলাই যোৱাৰ উদাহৰণ পোৱা নাযায়। ভাৰতৰ উন্নতিৰ কাৰণে চিপাহী বিদ্ৰোহৰ প্ৰয়োজন আছিল বুলি কোনো চিন্তা-শীল লেখকে কোৱা নাই। তেনেকৈয়ে কণ্ম অসমীয়া লেখকে অনুমোদন কৰিলেও, কোনো চিন্তাশীল লেখকে চিপাহীৰ জঘন্য কামবিলাক ভাল বুলি কোৱা নাই আৰু যিসকল ভাৰতীয় কৰ্মচাৰীয়ে ব্ৰিটিছক বিশ্বস্তাৰে সেৱা কৰিছিল তেওঁলোকক গালি পৰা নাই। আমাৰ দেশখনৰ নাম অসম, সমান নাই। অসমৰ লেখকে পৰ্ব্বতীয়া বৰুৱাক গালি পাৰি সৰ্বভাৰতীয় লেখকসকলৰ বহুত ওপৰত উঠিছে।

ছয়

মণিৰাম দেৱানৰ মহামানৱীয়তা

বিদ্ৰোহী চিপাহীবিলাকে ইংৰাজ, ভাৰতীয় খ্ৰীশ্চান আৰু ইংৰাজৰ ভাৰতীয় সমৰ্থকসকলক হত্যা কৰাটোকে তেওঁলোকৰ প্ৰথম কৰ্তব্য বুলি ধৰি লৈ বিদ্ৰোহ কৰিয়েই এফালৰ পৰা হত্যা কৰি সকলো ছাৰখাৰ কৰি গৈছিল। নৃশসং হত্যাকাণ্ড, লুণ্ঠণ, নাৰীৰ ওপৰত অত্যাচাৰ, আদি জঘন্য পাপকৰ্মবিলাক কৰিছিল নিম্নশ্ৰেণীৰ চিপাহীবিলাকে।

ইয়াত ভাৰতীয় সামৰিক বিষয়াৰ সমৰ্থন নাছিল, তেওঁলোকে পাশৱিক দুষ্কৰ্মবিলাক বন্ধ কৰিবলৈ চেষ্টা কৰিছিল কিন্তু নিষ্ফল হৈছিল। নানা চাহাবৰ বাহিৰে কোনো এজন প্ৰধান নেতাই এইবিলাক সমৰ্থন কৰা নাছিল। প্ৰধান নেতা কেইগৰাকীমানৰ বিষয়ে ঐতিহাসিকৰ মত তলত দাঙ্গি ধৰা হ'ল। বাদশাহ বাহাদুৰ শাহ—৫২ জন য়ুৰোপীয় বন্দী, মুনিহ, তিৰুতা আৰু নাবালক, বাদশাহৰ নিৰ্দেশ মতে হেকিম আহসান উল্লাই আশ্ৰয় দি ৰাখিছিল। চিপাহীয়ে বাদশাহক ভয় দেখুৱাই বন্দী-বিলাকক লৈ যায় আৰু হত্যা কৰে। চুনীলালে নিজ ডায়েৰীত লেখিছে—'এই ঘটনাই গোটেইখন চহৰতে ডাঙৰ উত্তেজনাৰ সৃষ্টি কৰিলে; তেওঁলোকে কলে, এই পূৰ্বীয়াসকলে এনেকৈ জঘন্য আৰু নিষ্ঠুৰ নৰহত্যা কৰিব পাৰে, সিহঁত কেতিয়াও জিকিব নোৱাৰিব [১]। ৰাণা কুমাৰ সিংহ—ৰাণাৰ মহাশত্ৰুৱেও কব নোৱাৰিব যে তেওঁ অনাহকত ইংৰাজৰ ৰক্তপাত কৰিছিল [২]। মৌলৱী আহমদুল্লা—মৌলৱীৰ বিষয়ে মেলেছনে (Malleson) কৈছে, 'তেওঁ হত্যা কৰি নিজ তৰোৱাল কলঙ্কিত কৰা নাই, তেওঁ কোনো হত্যাৰ প্ৰতি চকু মুদি থকা নাই' [৩]। ফিৰোজ শাহ—শাহে নিৰ্দোষীৰ ৰক্তপাত কৰি নিজৰ হাত কলঙ্কিত কৰা নাই [৪]। ৰাণী লক্ষ্মীবাঈ—ৰাণীয়ে কোনোদিন নিৰপৰাধীৰ ৰক্তপাত কৰা নাছিল। জোকনবাগৰ হত্যাকাণ্ডৰ বিষয়ে ৰাণী সম্পূৰ্ণ নিৰ্দোষী আছিল। [৫] গোৰখপুৰৰ মজিদ মুহম্মদ হাসান—হাসানে নিজৰ জীৱন বিপন্ন কৰি কঃ লেনক্স আৰু অন্যান্য শৰণাৰ্থীক আশ্ৰয় দিছিল, কোনো কালে নিৰপৰাধীৰ ৰক্তপাত কৰা নাছিল। [৬]

মণিৰাম দেৱান—দেৱানে এখন চিঠিত ৰজা কন্দৰ্পেশ্বৰ সিংহলৈ লেখিছিল—'অষ্টোত্তৰ শত উৎপলেৰে ভগৱতীক পূজা কৰিব লাগিব। ৰক্তৰ উৎপল প্ৰশস্ত'। ইয়াৰ ব্যাখ্যাত কোৱা হৈছে—'অৰ্থাৎ উৎপল বৰণীয়া ইংৰাজক বলি দিব লাগিব'। দেৱানৰ পৰামৰ্শমতে বলি দিবলৈ সিদ্ধান্ত লোৱা হৈছিল। 'আয়োজন ঠিক-ঠাক কৰি সিদ্ধান্ত লোৱা হ'ল যে ১৭৭৯ শকৰ মহামায়াৰ পূজাৰ সময়ত অষ্টমীৰ বৰবলিৰ দিনা ফিৰিঙ্গীবোৰক বলি দি

[১] HCIP IX পৃঃ ৫১২। [২] 1857 পৃঃ ২৫৭। [৩] 1857 পৃঃ ৩৫৬।
[৪] 1857 পৃঃ ৩৮০। [৬] 1857 পৃঃ ২৩৭।

মণিৰাম দেৱানক আগত থৈ কন্দৰ্পেশ্বৰ সিংহক ৰাজপাটত বহুৱাব লাগিব' [৭]।

মণিৰাম দেৱানৰ নিচিনা এগৰাকী পুৰুষে ভগৱতীৰ আগত ১০৮ জন ইংৰাজক বলি দিবলৈ উপদেশ দিব পাৰিছিল, এইটো এটা কল্পনা কৰিব নোৱাৰা কথা। যুদ্ধ-বন্দীক বিচাৰ কৰি প্ৰাণদণ্ড বিধান কৰাটো বিধিসঙ্গত কিন্তু বগা বঙ্গালক ধৰি আনি গোঁসানীৰ আগত বলি দিয়াটো বিধিসঙ্গত বুলি কোনেও কোৱা নাই। অৱশ্যে মণিৰাম দেৱানৰ ক্ষেত্ৰত অমানৱীয় আৰু অবৈধ কথাও মহামানৱীয় আৰু বিধিসঙ্গত হৈ পৰে।

[৭] মণিৰাম পৃঃ ১৫৩, ১৬৩।

সাত

মণিৰাম দেৱানৰ বিচাৰ আৰু ফাঁচী

আগভাগত অপপ্ৰচাৰ কৰা হৈছিল যে মণিৰাম দেৱানক প্ৰথমে ফাঁচী দিয়া হৈছিল আৰু পিচত হৰনাথ আৰু হলৰইড দুয়ো বুধি কৰি জাল নথী এটা তৈয়াৰ কৰি থৈছিল। ইয়াৰ প্ৰমাণ স্বৰূপে হকে-নহকে মিচেছ গাৰ্নেৰ 'Fifty Years Mission In Assam'ৰ পৰা উদ্ধৃতি দিয়া হৈছিল—'Hanging first, trial after wards' [১]। স্বাধীনতাৰ পিচত এইটো অপপ্ৰচাৰ তল পৰিল। এতিয়া কোৱা হৈছে—(১) দেৱানৰ বিচাৰ বৰ খৰতকীয়াকৈ কৰা হৈছিল, (২) সাক্ষীৰ জবানবন্দীবিলাক বেলেগ বেলেগ তাৰিখত লোৱা হৈছিল, (৩) বোধকৰো দেৱানক জেৰা কৰিবলৈ সুবিধা দিয়া হোৱা নাছিল, (৪) হৰনাথে আৰু হলৰইডে ফুচুলাই আৰু ভয় দেখুৱাই ৰজাৰ ঘৰুৱা শিক্ষককো ৰাজসাক্ষী কৰি লৈছিল,

[১] AGA পৃঃ ৩৭

(৫) আপিলৰ কাৰণে সময় দিয়া হোৱা নাছিল, আৰু (৬) হলৰইডে কমিছনাৰ হৈ বিচাৰ কৰিলে আৰু জিলা মেজিষ্ট্ৰেট হৈ ফাঁচী দিলে [২]। মণিৰাম দেৱানৰ বিচাৰৰ নথীটো কোনো এজন ঐতিহাসিকে সম্পূৰ্ণ ভাৱে প্ৰকাশ কৰা নাই। আমাৰ কবলগীয়া এইখিনি—(১) থৰতকীয়া বিচাৰ সম্পূৰ্ণ ন্যায়সঙ্গত। (২) বেলেগ বেলেগ তাৰিখত সাক্ষীৰ জবানবন্দী আজিও লোৱা হৈ আছে, এইটো আইনসঙ্গত। (৩) সাক্ষীক জেৰা কৰিবলৈ দিয়া হৈছিল নে নাই, ইয়াত 'বোধকৰো' বুলিবলৈ একো নাই, নথীতেই জেৰাখিনি থাকে। ইয়াকে কব পাৰি, সমালোচকে নথীটো নিজে দেখা নাই। (৪) হৰনাথ আৰু হলৰইডে যে ফুচুলাইছিল আৰু ভয় দেখুৱাইছিল তাৰ প্ৰমাণ সমালোচকে দাঙ্গি ধৰা নাই। এই সমালোচনা ৰাজনৈতিক প্ৰচাৰ মাত্ৰ। (৫) আপিল কৰিবলৈ দেৱানে সময় বিচাৰি দৰ্খাস্ত দিছিল জানো? সমালোচকে কোৱা নাই যে দেৱানে দৰ্খাস্ত দিছিল, হলৰইডে নামঞ্জুৰ কৰিলে। আপিল কৰিবলৈ সময় দিয়া নাই বুলি কোৱাও ৰাজনৈতিক প্ৰচাৰ। (৬) ন্যায়াধিকৰণ (judiciary) আৰু কাৰ্য্যপালিকা (executive) আগতে পৃথক নাছিল। অসমতো ১৯৬৭ চনতহে পৃথক কৰা হয়। এইজন সমালোচকে হলৰইডক নীল আৰু নিকলছনৰ লগত তুলনা কৰিছে। তেওঁ নীল আৰু নিকলছনে কি কৰিছিল নাজানে। হলৰইডৰ ঠাইত নীল আৰু হৰনাথৰ ঠাইত অন্য এজন দাৰোগা থকা হলে নীলে অন্যত্ৰ যি নৃশংস লীলা কৰিছিল, অসমতো একে নৃশংস লীলাই কৰিলেহেঁতেন। নীলে বিজয় দৰ্পেৰে কৈছিল—'Severity of the hour would be the humanity of all time'. [৩] আৰু ভগৱানৰ দোহাই দিছিল—'God grant that I have acted with mercy'। কেশৱ নাৰায়ণ দত্তই হৰনাথ আৰু হলৰইডে মিলি কোনোবা মানুহক বিনাবিচাৰে হত্যা কৰা; বিনা-বিচাৰে জেল দিয়া, কোনো গাওঁ জলাই দিয়াৰ উদাহৰণ দাঙ্গি ধৰিব পৰা নাই। ডঃ বৰপূজাৰীয়ে কৈছে—'Had there been a Neill or a Taylor, perhaps, few of the rebels would have been spared from the rope of the hangman and the situation, too, would have drifted, before long, for the worse. Major Hannay and even Captain Holroyd,

[২] LM। [৩] IWI পৃঃ ১৫০।

who was supposed to be the arch-enemy of the rebels, handled the situation so tactfully and cautiously that not a voice was raised in the Regiments nor was there much commotion among the civil population'[৪]: 'যদি নীল বা টে'লৰ থাকিলহেঁতেন বোধকৰো কমেইহে ফাঁচী কাঠৰ পৰা সাৰিলেহেঁতেন। মেজৰ হেনে আৰু বিদ্ৰোহীৰ ঘোৰ শত্ৰু বুলি খ্যাত কেঃ হলৰইডে ইমান কৌশলেৰে আৰু সতৰ্কতাৰে পৰিস্থিতি কৰায়ত্ব কৰিলে যে কোনেও মাতকে নিদিলে আৰু জনসাধাৰণৰ মাজতো কোনো চাঞ্চল্য দেখা নগ'ল'। দেৱানৰ বিচাৰ সম্পৰ্কে ডঃ সেনে মন্তব্য কৰিছে—'the evidence on which he was convicted was insufficient if not un-satisfactory' [৫]: 'যি সাক্ষ্যৰ ওপৰত তেওঁক অভিযুক্ত কৰা হৈছিল সেই সাক্ষ্য সন্তোষজনক নহলেও পৰ্য্যাপ্ত নাছিল'।

আদালতে নিৰ্ভৰশীল এজন সাক্ষীৰ সাক্ষ্যৰ ওপৰতে যি কোনো পদকীয়াক শাস্তি বিহিব পাৰে। দেৱানৰ বিচাৰত কমেও ২৬ (ছাব্বিছ) জন সাক্ষীয়ে সাক্ষ্য দিছিল। ডঃ বৰপূজাৰীয়ে কৈছে যে হলৰইডে মণিৰাম আৰু তেওঁৰ সতীৰ্থসকলৰ বিৰুদ্ধে বহুত সাক্ষ্য গ্ৰহণ কৰিছিল [৬]। তেওঁ দেৱানে লেখা বহুত চিঠি A D C ত তুলি দিছে। ডঃ সেনে স্বীকাৰ কৰিছে যে সাক্ষ্য অসন্তোষজনক নাছিল। অতৰিলাক চিঠি আৰু ২৬ জন সাক্ষীৰ সাক্ষ্য কেনেকৈ যথেষ্ট নহয় বুলি কোৱা যায়? ইংৰাজ লেখকেই কৈছে—'The farce of putting an accused native on his trial .... was simply a parody of justice': 'পদকীয়াৰ বিচাৰ ন্যায়িক বিচাৰৰ প্ৰহসন মাত্ৰ আছিল' [৭]। ডঃ সেনে অকল দেৱানৰ বেলিকা সাক্ষ্য পৰ্যাপ্ত নাছিল বুলি কৈছে, ইয়াত আচৰিত হবলগীয়া একো নাই। অন্যত্ৰ যি নহ'ক অসমত প্ৰত্যেকজন বিদ্ৰোহীৰ বিচাৰ কৰিহে দণ্ড দিয়া হৈছিল। পিয়লী ফুকনৰ বিচাৰ judicial trial আছিল নে? মণিৰাম পঞ্চায়তৰ 'চৰ্দাৰ' আছিল। 'পিয়লী ফুকনৰ ফাঁচীতো দেৱানৰ ষড়যন্ত্ৰ আছিল' [৮]। পিয়লীৰ ফাঁচী

[৪] ADC। [৫] ১৮৫৭ পৃঃ ৪০৮। [৬] ADC। [৭] RGM পৃঃ ১৭৮। [৮] উপেন্দ্ৰনাথ কোৰঁৰ—অসম বাণী, ২।২।১৯৭৩।

ন্যায়িক নৰহত্যা আছিল। ঐতিহাসিকসকল এই বিষয়ে নিমাত কিয়নো দেৱানৰ গাত চেকা পৰে। মণিৰামৰ বিচাৰৰ বৈধতাৰ বিষয়ে প্ৰশ্ন কৰা হৈছে যাতে পৰ্ব্বতীয়া বৰুৱাৰ ছৱিখন আৰু ক'লা হয়। ইয়াৰ পৰা মণিৰাম দেৱানৰ জানো গৌৰৱ বাঢ়িছে? সত্য গোপন কৰা, আত্মৰক্ষাৰ কাৰণে সাক্ষ্য দিয়া, আইনৰ সুৰুঙ্গাইদি মুক্তি বিচৰা বিদ্ৰোহীৰ ধৰ্ম নহয়। পিয়লী ফুকন, বাসুদেৱ বলদেৱ ফাড়কে, মদনলাল ধিংগ্ৰা, চৰ্দাৰ ভগৎ সিং, বিমল দাসগুপ্ত, কুমাৰী বীণা দাস আদি বিদ্ৰোহী-সকলে বুকু ফিন্দাই, তেজোদ্দীপ্ত স্বৰেৰে স্বকৃত কৰ্ম স্বীকাৰ কৰিছিল। চৰ্দাৰ উধম সিঙে ১৯৪০ মাৰ্চ ১৩ এপ্ৰিল তাৰিখে স্যাৰ মাইকেল অ'ডেয়াৰ (Sir Michael O'Dwyer)ক গুলীয়াই মাৰে। বিচাৰত তেওঁৰ মৃত্যু দণ্ড হয়। তেওঁ আদালতত কৈছিল—'মই মৰিবলৈ অকণো ভয় কৰা নাই' [৯]। হাজাৰ হাজাৰ চিপাহীৰ ফাঁচী হৈছিল। কোনেও মৰিবলৈ ভয় কৰা নাছিল। আৰাৰ চিপাহীয়ে ফঁাচডাল নিজে লগাই লবলৈ অনুমতিৰ কাৰণেহে কৰ্তৃপক্ষক অনুৰোধ কৰিছিল; সকলোৱে বীৰত্বেৰে মৰিছিল, all met death with dignity'[১০]। তাতিয়াৱো ফাঁচডাল ডিঙ্গিত নিজে লগাই লৈছিল [১১]।

বিদ্ৰোহী বীৰপ্ৰৱৰ মণিৰাম দেৱানে কৈছিল, 'মই সম্পূৰ্ণ নিৰ্দোষী' আৰু পুতেকলৈ লেখিছিল, 'মই মৰিবলৈ ভয় কৰা নাই'। বাস্তৱত কি ঘটিছিল? শশীচন্দ্ৰ বৰুৱাই তথ্য দাঙ্গি ধৰিছে—'ফঁাচী কাঠত কষ্ট নিদিবৰ নিমিত্তে মণিৰাম দেৱানে তেওঁৰ উত্তৰীত থকা মূল্যবান সোণৰ আঙঠিটো জয়বৰক দি যায় .... জয়বৰৰ হতুৱাই চৰকাৰে ফঁাচীৰ জৰী লগাইছিল' [১২]।

[৯] CHI পৃঃ ৪৬৫। [১০] 1857 পৃঃ ২৬০। [১১] HIM পৃঃ ৬০২।
[১২] দৈনিক জনমভূমি ২৯।৮।১৯৭২।

★★

আঠ

দেৱানৰ অন্তিম বাণী আৰু পূৰ্ব-শত্ৰু

১৮৫৮ চনৰ ফেব্ৰুৱাৰী ২৬ তাৰিখে যোৰহাটত দেৱানক ফঁাচী দিয়া হয়। ফঁাচী চাঙলৈ উঠি ডিঙ্গিত ৰচি লোৱাৰ আগে আগে দেৱানে এই মহান বাণীটি দি যায়—

'শুনাই কৈছে, যি জনে (এইজনাৰ নাম সকলোৱে জানে) মোক অনা-দোষত মিছা অপবাদ দি এনে দশা কৰাইছে তাৰ ঘৰ পুৰিব; সি বৰ পুতেকৰ মূৰ খাব আৰু শেষত পোক লাগি মৰিব' [১]।

উপেন্দ্ৰ কুমাৰ বৰুৱাই মন্তব্য কৰিছে, আচৰিত এই ভৱিষ্যৎ বাণী যেনেকৈ কৈছিল তেনেকৈ আখৰে আখৰে ফলিয়ালে' [২]। দেৱানৰ এই মহান বাণীটি প্ৰৱেশিকা পৰীক্ষাৰ ছাত্ৰ-ছাত্ৰীৰ পাঠ্য হিচাবে গুৱাহাটী বিশ্ববিদ্যালয়ে মঞ্জুৰ কৰিছিল। এই বাণীৰ পৰা অগণন উঠি অহা ছাত্ৰ-ছাত্ৰীৰ নৈতিক চৰিত্ৰৰ উৎকৰ্ষ নিশ্চয় বহুত বাঢ়িছে। আমি জনাত এনেকুৱা মহান বাণী মণিৰাম দেৱানৰ বাহিৰে অন্য কোনো এগৰাকী মুক্তি-যুঁজাৰুৱে অন্তিম কালত দি যাব পৰা নাই।

পৰ্ব্বতীয়া বৰুৱা কি দেৱানৰ 'পূৰ্ব শত্ৰু' আছিল? কৃষ্ণকান্ত ভট্টাচাৰ্য্যই কি কৈছে চাওক—'স্বৰ্গীয় হৰনাথ বৰুৱাৰ লগত মণিৰাম দেৱানৰ শত্ৰুতা থকা কোনো কাগজ-পত্ৰত বা জনশ্ৰুতিৰ পৰা পোৱা নাযায়। হৰনাথ বৰুৱাৰ বৰবোৱাৰীৰ পৰা আমি নিজ কাণে শুনিছিলো বোলে দেৱানৰ ফঁাচী হোৱাৰ দিনা গধূলি দেৱানৰ পৰিবাৰ হৰনাথৰ ঘৰলৈ আহিছিল। তেখেতৰ পৰিচয় সোধাত হেনো মাটিত আঙ্গুলিৰে লিখি নাম আৰু পৰিচয়

[১] গদ্য পৃঃ ৩৭। [২] AGA পৃঃ ৪০।

দিছিল। সেই দিনত তিৰোতাই লিখা-পঢ়া জনাতো বিস্ময়ৰ কথা আছিল। সেই কাৰণে বহুত দিনলৈকো এইটো গল্প পৰ্ব্বতীয়া বৰুৱাৰ ঘৰবোৱাৰীয়েকে কৈ আছিল। পৰ্ব্বতীয়া বৰুৱাই তেখেতৰ পৰিচয় পাই বৰ দুঃখ প্ৰকাশ কৰি হেনো কলে—আপুনি আগতে কিয় নাহিল? অহা হলে আপোনাৰ দ্বাৰাই আপিলৰ দৰখাস্ত কৰাই আজিৰ দিনত ফাঁচী দিয়া বন্ধ কৰিব পৰা হ'লহেঁতেন।'

দেৱানৰ পৰিবাৰৰ হৰনাথৰ ওপৰত আস্থা নথকা হলে কিয় তেওঁ হৰনাথৰ ওচৰলৈ আহিলহেঁতেন? যদিও মণিৰাম দেৱানৰ গীতে কয়:— 'মণিৰাম দেৱানক ফাঁচী কাঠত তুলিলে কাৰো নেলাগিল বেথা', পৰ্ব্বতীয়া বৰুৱা দুখত অভিভূত হৈছিল, আৰু দেৱানৰ পৰিবাৰক সমবেদনা জনাইছিল। পৰ্ব্বতীয়া বৰুৱাই কাৰো শত্ৰুতালি সধা নাছিল, সহানুভূতিৰে পাৰ্য্যমানে সকলোকে সহায় কৰিছিল। ৰাইজে সুখ আৰু সন্তোষ পাইছিল, পৰ্ব্বতীয়া বৰুৱাক সম্বৰ্দ্ধনা জনাইছিল।

ন

আতিশয্যৰ পানীমিঠৈ

হুতিৰাম হাজৰিকাই কৈছে, হৰনাথ বৰুৱাইহে 'বিদ্ৰোহী কৰিছে বুলি কুম্পানীত' [১] কৈছিল; তেওঁৰ মতে কোনো বিদ্ৰোহ হোৱা নাছিল। আজিতো জয়ঢোল কোবোৱা হৈছে মণিৰাম দেৱানে বিদ্ৰোহ কৰি অসমৰ স্বাধীনতা আনিলেহেঁতেন, যদি পৰ্ব্বতীয়া বৰুৱাই বিদ্ৰোহ উদ্ঘাটন নকৰিলেহেঁতেন। হুতিৰামে কি সঁচা কথা কৈছে? কেশৱ দত্তই অভিযোগ কৰিছে, কেঃ হলৰইডে আৰু হৰনাথ পৰ্ব্বতীয়া বৰুৱাই ষড়যন্ত্ৰকাৰীবিলাকৰ বিৰুদ্ধে প্ৰতিশোধ লবলৈ গৈ অতিমাত্ৰালৈ গ'ল, কিছুমানক অযথা জুলুম কৰিল ব্যক্তিগত বৈৰিতাৰ কাৰণে [২]। কাক অত্যাচাৰ

[১] পবু পৃঃ ২০৯। [২] LM পৃঃ ২১।

কৰিলে, কি প্ৰমাণ আছে? দত্তৰ মন্তব্যৰ কোনো মূল্য নাই। পৰ্ব্বতীয়া বৰুৱাই বিদ্ৰোহ নিৰ্মূল নকৰাহলে অসমীয়া ৰাইজৰ কি দুৰ্গতি নহ'লহেঁতেন। ডঃ বৰপূজাৰীয়ে কৈছে—'এইটো নকৈ নোৱাৰি যে সময় অত্যন্ত অস্বাভাবিক আছিল, এই সন্ধিক্ষণত স্থানীয় কৰ্তৃপক্ষৰ দুৰ্বলতা বা দুৰ্বলতাৰ প্ৰদৰ্শনে চৰকাৰৰ গাঁথনি সম্পূৰ্ণভাবে ওফৰাই দিলেহেঁতেন আৰু শত্ৰুৰ দেশত এমুঠি ইংৰাজৰ স্থান বিপদাপন্ন কৰি তুলিলেহেঁতেন। প্ৰকৃততে সামৰিক আৰু অসামৰিক কৰ্তৃপক্ষৰ খৰতকীয়া আৰু প্ৰতিৰোধক ব্যৱস্থাই উমি উমি থকা এঙ্গাৰবিলাক প্ৰচণ্ড জুই হৈ জ্বলিবলৈ নিদিলে' [৩]।

অপৰাধীক, আসামীক ধৰা পুলিচ কৰ্মচাৰীৰ কৰ্তব্য। স্বাধীন ভাৰততো যিকোনো মানুহক Defence of India Rules মতে ধৰিব পাৰি; সন্দেহেই যথেষ্ট। বিদ্ৰোহ-আগ্নেয়গিৰি বিস্ফোৰণৰ সময়ত পৰ্ব্বতীয়া বৰুৱাই হাজাৰ হাজাৰ মানুহ ধৰিব লাগিছিল। তেওঁ কেইজনক ধৰিছিল? বেণুধৰ শৰ্মাই ৫০।৬০ জনে শাস্তি ভুক্তিবলগীয়া হৈছিল বুলি কৈছে আৰু মাত্ৰ ২৯ জনৰ নাম দিছে [৪]। এইটোৱে প্ৰমাণ কৰে পৰ্ব্বতীয়া বৰুৱাই কিমান বিবেচনা সহকাৰে, ধীৰ-সুস্থিৰ ভাৱে কাম কৰিছিল। তেওঁ পোটক তুলিবলৈ বিচৰা হলে কোন ক'ত সাৰিলেহেঁতেন? হাজাৰ হাজাৰ মানুহক ধৰা হলে ৰজা ঘৰত পৰ্ব্বতীয়া বৰুৱাৰ যশস্যা আৰু বাঢ়িলহেঁতেন? পৰৱৰ্তীয়া বৰুৱাই কাৰোপ্ৰতি অন্যায় নকৰাকৈ নিজ কৰ্তব্য নিষ্ঠাৰে পালন কৰিয়েই বিপুল প্ৰভাব, বিপুল প্ৰতিপত্তি বিস্তাৰ কৰিব পাৰিছিল।

হলৰইড, লুথাৰ আৰু হৰনাথ পৰ্ব্বতীয়া বৰুৱা তিনিও ১৮৫৭ চেপ্তেম্বৰ ৭ তাৰিখে যাত্ৰা কৰি ৯ তাৰিখে দোকমোকালিতে ৰজা কন্দৰ্পেশ্বৰ সিংহৰ কাৰেং লোৰোকে। লুথাৰে পৰিবাৰলৈ এখন চিঠিত লেখা মতে তেওঁলোক ভিতৰ সোমাওঁতে ৰজাই সিংহৰ বিক্ৰমেৰে গৰ্জি উঠিছিল আৰু কাম শেষ কৰি বেলি পৰিবৰ সময়ত ৰজা আৰু ৰজাৰ লগতে দুজনমানক কয়েদ কৰি লৈ আহোঁতে দুহেজাৰ মান মুছলমান প্ৰজাই ৰজাক বন্দী কৰি লৈ যোৱা দেখি উদ্বাউল হৈ ৰজাৰ ভৰিত ধৰি কান্দি-কাটি তেওঁৰ লগে লগে গৈছিল [৫]। হডছনে ১৮৫৭ চেপ্তেম্বৰ ২১ তাৰিখে

[৩] ADC। [৪] মণিৰাম পৃঃ ২২৫। [৫] HIM II পৃঃ ১৬৩।

হুমায়ুনৰ কবৰখানাত শাহজাদা মির্জা মোগল, মির্জা খিজিৰ আৰু মির্জা আবু বকৰক বন্দী কৰি দিল্লীলৈ লৈ আহিছিল। দিল্লীৰ ওচৰত এটা জনতা গোট খাইহি। হড্‌ছনে তিনিওজন শাহজাদাকে দিল্লীৰ দুৱাৰৰ ওচৰত গুলীয়াই মাৰে, তেওঁ কাৰণ দেখুৱাইছিল, জনতাই শাহজাদা তিনিওজনক উদ্ধাৰ কৰি কৰি নিয়াৰ সম্ভাৱনা আছিল। ইয়াত ৰজাই সিংহ বিক্ৰমেৰে গৰ্জি উঠিছিল, ২০০০ মুছলমান ৰজাৰ লগে লগে আহিছিল। হলৰইডে ৰজাক গুলী মাৰিবলৈ এয়ে যথেষ্ট কাৰণ হ'ল-হেঁতেন, হলৰইডেতো গুলী কৰি নামাৰিলে। এইটো কি প্ৰতিশোধ পৰায়ণতা? হডছনৰ কোনো শাস্তি হোৱা নাছিল। হলৰইডৰ নো কি শাস্তি হলহেঁতেন? কেশৱদেৱ শৰ্মাকো বিদ্ৰোহী বুলি আটক কৰি ৰখা হৈছিল। 'কিন্তু তেওঁৰ বিৰুদ্ধে অনা অভিযোগবোৰ পানীৰ ওটেঙা যেন পাই দাৰোগা হৰনাথ পৰ্ব্বতীয়া বৰুৱা আৰু হলৰইড চাহাবে তেওঁক নিস্কৃতি দিয়ে'[৬]। হৰনাথ-হলৰইডৰ প্ৰতিশোধ পৰায়ণতাৰ ইয়ো কি এটা উদাহৰণ? বিদ্ৰোহী ধৰা পৰিল কেনেকৈ? বিদ্ৰোহৰ বিষয়ে পৰ্ব্বতীয়া বৰুৱাই তেওঁৰ হাতত মণিৰাম দেৱানৰ চিঠি ভাটে দি যোৱাৰ বহুত দিন আগৰে পৰাই বিদ্ৰোহ কৰিবলৈ ষড়যন্ত্ৰ কৰাৰ কথা জানিছিল। তেওঁৰ ৰাজবংশধৰসকলৰ লগত, ডা-ডাঙৰীয়াসকলৰ লগত ঘনিষ্ঠতা আছিল। যেতিয়া বিদ্ৰোহৰ বিষয়ে আলোচনা হয়, ৰাজবংশৰ দুই-চাৰিজনে আৰু কোনো কোনো ডা-ডাঙৰীয়াই হৰনাথক খবৰ দিয়েহি। এইটো কথা কেশৱ দত্তই স্বীকাৰ কৰিছে [৭]। হৰনাথে বিদ্ৰোহ যাতে নহয় তাৰ বাবে তেওঁলোকক চকু ৰাখিবলৈ উপদেশ দিছিল। যেতিয়া ভাটে আহি মণিৰামৰ চিঠিখন তেওঁৰ হাতত দিয়েহি, তেওঁ দেখিলে যে গতি বেয়াৰ ফালে চাল খাইছে আৰু তেতিয়াই হলৰইডৰে সৈতে আলোচনা কৰি বিদ্ৰোহ দমনৰ বাবে দ্ৰুতভাৱে দৃঢ় ব্যৱস্থা হাতত লয়। তেতিয়া বিদ্ৰোহৰ উজান দিওঁতাসকলে ভয় খাই যায় আৰু উপযাচি আহি হৰনাথ পৰ্ব্বতীয়া বৰুৱাক বিদ্ৰোহী নেতাসকলৰ নাম দিয়েহি। এইটো কথাৰ উল্লেখ দুতিৰাম হাজৰিকায়ো কৰিছে [৮]। সদৰামীনেও কয়—'সেই সময় জেলাই জেলাই নানা গোল। যেয়ে য'তে পায়, যাৰ সম্বন্ধী যাৰ কিছু আখেজ, বিদ্ৰোহী চামিল কৰি দিয়ে' [৯]।

[৬] গৰু পৃঃ ৪। [৭] LM পৃঃ ২০। [৮] পবু ২১১। [৯] সদৰামীন পৃঃ ১০৪। [১০] জীস পৃঃ ১০।

ঘিণাৰাম বৰুৱা বিদ্ৰোহীবিলাকক ধৰিবৰ কাৰণে, 'বিশেষ বন্দোবস্তত নিযুক্ত হৈছিল' [১০]। ইয়াৰ বাবে কি পৰ্ব্বতীয়া বৰুৱা জগৰীয়া? ৰাইজৰ বিদ্ৰোহত সহযোগ নাছিল, সেই কাৰণে পৰৱৰ্তীয়া বৰুৱাক বিদ্ৰোহৰ জলিব খোজা জুই নুমাবলৈ সহায় কৰি আত্মৰক্ষাৰ্থে আগবাঢ়ি আহিছিল। মণিৰাম দেৱানে ৰজালৈ লিখা এখন চিঠি ৰজাই চিত্ৰসেন বৰুৱাক দিছিল। চিঠিখন তেওঁৰ ভায়েক মায়াৰামে গাৰুৰ তলত লুকুৱাই ৰাখিছিল। মায়াৰামৰ নাবালক পুত্ৰ গোপালে চিঠিখন থোৱা দেখিছিল। হৰনাথ পৰ্ব্বতীয়া বৰুৱা তেতিয়া গোলাঘাটৰ সদৰামীন আছিল। তেওঁ গোপালৰ পৰা চিঠিখনৰ খবৰ পায় আৰু খানাতাল্লাচ কৰি চিঠিখন হাত কৰে [১১]। এইটো পৰ্ব্বতীয়া বৰুৱাৰ কৰ্মনৈপুণ্যৰ পৰিচায়ক, আতিশয্যৰ নহয়।

নিজৰ ডিঙ্গি বচাবলৈ, নিজৰ ভৱিষ্যত উজ্জল কৰিবলৈ মানুহে দলে দলে উপযাচি সাক্ষী হৈছিলহি; তেওঁলোকৰ মাজত প্ৰতিযোগিতা চলিছিল। যিসকল ৰাজবংশধৰে, ডা-ডাঙৰীয়াই ৰজাক বিদ্ৰোহত যোগ দিবলৈ হকা-বধা কৰিছিল, তেওঁলোকে সানন্দে বিদ্ৰোহীৰ বিৰুদ্ধে সাক্ষী হৈছিল; ৰজাৰ পাৰিষদ বৰ্গই আৰু অন্তৰঙ্গসকলে নিজ স্বাৰ্থ ৰক্ষা কৰিবলৈ সাক্ষী হৈছিলহি, ৰজাৰ শিক্ষকে বিদ্ৰোহীৰ লগ এৰি ৰাজসাক্ষী (approver) হৈছিল। সকলো ঠাইতে বিদ্ৰোহীয়ে হাজাৰ হাজাৰ মানুহক অলাই থৈছিল। মানুহে ইংৰাজ অহালৈ বাট চাই আছিল। ইংৰাজ অহাৰ লগে লগে ইংৰাজক আদৰণি জনাইছিল, ধন-সম্পৰ্ত্তি, চাকৰি-বাকৰি, ভৱিষ্যৎ উন্নতিৰ আশাত বিদ্ৰোহীক ধৰি দিছিল, বিদ্ৰোহীৰ বিৰুদ্ধে উপযাচি সাক্ষী হৈছিল। পুৰস্কাৰৰ আশাত নানক চাঁদে এখন জাল ডায়েৰী লেখিছিল। অসমতো বিদ্ৰোহৰ জুই নৌ জ্বলোতেই, ইংৰাজ থকা সত্ত্বেও দেশ-প্ৰেমিক চিপাহীয়ে অসমীয়া ৰাইজক অত্যাচাৰ কৰিছিল। নিৰ্য্যাতিত অসমীয়া ৰাইজে যে নিজে নিজে সাক্ষী হবহি তাত কি আচৰিত হবলগীয়া আছে? কেশৱ দত্তই লিখিছে যে হলৰইডৰ অত্যাচাৰবিলাক যেতিয়া গৱৰ্ণৰ জেনেৰেলৰ দৃষ্টিগোচৰ হ'ল, গৱৰ্ণৰ জেনেৰেলে হলৰইডৰ পৰা কমিছন কাঢ়ি ললে। তেওঁ গৱৰ্ণৰ জেনেৰেলৰ হুকুমৰ নং আৰু তাৰিখ দিয়া নাই। আমি এনেকুৱা কোনো হুকুম

[১০] জীস পৃঃ ১০। [১১] Table পৃঃ ১১।

বিচাৰি পোৱা নাই। কিন্তু আমি পাইছোঁ যে চৰকাৰৰ ১৮৫৮ ডিচেম্বৰৰ ৩০ তাৰিখৰ চিঠিৰ জৰিয়তে সংশ্লিষ্ট সকলোকে নিৰ্দেশ দিয়া হৈছিল যে গৱৰ্ণৰ জেনেৰেলৰ অনুমোদন (approval) আৰু সাব্যস্ততা (confirmation) বিনা কোনো মৃত্যু দণ্ডৰ হুকুম তামিল কৰিব নোৱাৰিব। বোধকৰো দত্তই এইটো হুকুমৰ কথাই কৈছে। ১৮৫৮ জুনৰ ভিতৰত বিদ্ৰোহীক দমন কৰি শান্তি স্থাপন কৰা হয়। ১৮৫৮ জুনৰ পিচত প্ৰাণদণ্ডৰ ক্ষমতাৰ প্ৰয়োজন নাছিল। কোনোৱে কোনোৱে অপবাদ ৰচিছিল যে ব্ৰিটিছ চৰকাৰে মণিৰাম দেৱানৰ ফাঁচীৰ হুকুমটো টেলিগ্ৰাম কৰি ৰদ কৰিছিল কিন্তু পৰ্ব্বতীয়া বৰুৱাই টেলিগ্ৰামখন লুকাই থৈ দেৱানক ফাঁচী দিয়ালে। এইসকল উৰ্ব্বৰ মস্তিষ্ক লোকে নেজানে যে যোৰহাটলৈ টেলিগ্ৰামৰ তাঁৰ ১৮৭০ চনৰ আগভাগতহে আহে। আনহাতে ঐতিহাসিকে দোষাৰোপ কৰে আপীল কৰিবলৈ মণিৰামক সময়কে নিদিলে। কিন্তু মণিৰামে আপীল কৰিবলৈ সময় বিচাছিল জানো? ঐতিহাসিকসকল নিমাত।

ফটা মুখেদি যেয়ে যি কয় কৈ যাওক। অসমীয়া মানুহৰ ভাগ্য ভাল, সেই সময়ত হৰনাথ পৰ্ব্বতীয়া বৰুৱা দাৰোগা আছিল। তেওঁ বিদ্ৰোহ জ্বলিবলৈ নৌ পাওঁতেই কঠোৰ ভাৱে ধ্বংস নকৰা হলে ৰাইজৰ কিযে বিলৈ-বিপত্তি নঘটিলহেঁতেন। কৃতজ্ঞ ৰাইজে তেওঁক কৃতজ্ঞতা ভৰা আদৰণি জনাইছিল :— "আপুনি আমাক ৰক্ষা কৰিলে।"

দহ

মণিৰাম দেৱানৰ প্ৰতাৰণা

ৰজা পুৰন্দৰ সিংহই তলত উল্লেখ কৰা মতে লালবন্দী আদায় কৰি আছিল [১]।

[১] ADC।

বছৰ	ৰাজহ উঠিছিল	লালবন্দী দিছিল
১৮৩৩—৩৪	৬৯,৪৫০	৫০,০০০
১৮৩৪—৩৫	৭০,১৫০	৫০,০০০
১৮৩৫—৩৬	৬৪,২৫৪	৩৪,০০০
১৮৩৬—৩৮	৫৪,৪৪৯	২৮,০০০
১৮৩৭—৩৮	৪২,২৯৬	

মুঠতে ৮৮,০০০ লালবন্দী বাকী পৰি গ'ল। হৰকান্ত বৰুৱা সদৰামীনে কৈছে—'পূৰ্ব্বে ৫০,০০০ টকাত লালবন্দী পোৱাতে এই মণিৰাম কালেক্টৰী চেৰস্তাদাৰ ও কাশীনাথ তামুলী ফুকন ও লঠো ফৌজদাৰীৰ চেৰস্তাদাৰ থাকোতে ৰজাৰ বদনাম হৈ লালবন্দী গুচিল' [২]। অঃ লীলা গগৈয়ে লেখিছে—'ডেৰলাখ টকা প্ৰজাৰ পৰা তুলি মণিৰাম দেৱান, লঠো খাৰঘৰীয়া ফুকন আৰু কাশীনাথ তামুলী ফুকনে কলিকতাত বৰলাটক শোধাবলৈ গৈছিল। সেই টকাখিনি বৰলাটক শোধোৱা নহ'ল। টকাখিনি কলৈ গ'ল' [৩]? মণিৰাম দেৱানৰ গীতেও কয়—'ছুঁ অৰা নাও লৈ লালবন্দী দিবলৈ মণিৰাম ভটিয়াই গ'ল'। কিয় লালবন্দী নোশোধালে তাৰ উত্তৰ ঠানুৰাম গগৈয়ে দিছে,—'আনহাতেদি আকৌ মণিৰামে পুৰন্দৰ সিংহৰ ৰাজ্য যোৱাৰ তৎকালেই কলিকতালৈ গৈ তেওঁৰ পূৰ্বৰ ইংৰাজ মালিক আৰু সেই সময়ৰ ডুৱলীয়া লাট ৰবাৰ্টছনৰ..........ওচৰত গৈ পুৰন্দৰ সিংহৰ ঠাইতে তেওঁকেই (মণিৰামকেই) পুনৰ অসম ৰাজ্যৰ ৰজা পাতিব লাগে বুলি আবেদন কৰিলেগৈ আৰু তাৰ বাবে পুৰন্দৰ ৰজাৰ লগত আগৰ বন্দৱস্ত মতেই বছৰি ৫০ হেজাৰ টকা............... দিবলৈ মান্তি হৈ তিনিবছৰৰ ডেৰলাখ টকা নগদ তেতিয়াই আগধন হিচাবে জমা দিলেগৈ' [৪]। বেণুধৰ শৰ্মায়ো কৈছে—'মণিৰামে সনিৰ্বন্ধে লাটক জনালে বোলে, ... তাকো যদি নকৰে তেওঁকেই সেই ৰাজপদ দিয়ক' [৫]। সম্ৰাট আকবৰৰ খেদাত যেতিয়া ৰাণা প্ৰতাপ সিংহই বনত বনৰ ফল-মূল খাই জীয়াই আছিল, তেতিয়া তেওঁৰ মন্ত্ৰী ভামা শাহে ৰাণাক ২৫ লাখ টকা আৰু কুৰি হাজাৰ আশৰফি (মুদ্ৰা) দি সহায় কৰিছিল। কোনো কোনো ঐতিহাসিকে পতা 'প্ৰধানমন্ত্ৰী', মণিৰামে

[২] সদৰামীন পৃঃ ৯০। [৩] দৈনিক জনমভূমি ২১।৯।৭২। [৪] দৈনিক জনমভূমি ৮।৯।৭২। [৫] মণিৰাম পৃঃ ৯০।

লালবন্দী নোশোধালে আৰু নিজে ৰজা হবলৈ বিচাৰিলে। মণিৰামৰ কি অপূৰ্ব্ব ৰাজভক্তি আৰু দেশপ্ৰেম !

মণিৰাম দেৱান বাত বেমাৰৰ চিকিৎসাৰ কাৰণে কলিকতালৈ যাবলৈ ওলাল কিন্তু তেওঁৰ জীৱিকাৰ উপায় 'লুপ্ত হ'ল' [৬]। যোৰহাটত ৰজা কন্দৰ্পেশ্বৰ সিংহ আৰু গুৱাহাটীত যুৱৰাজ ঘনকান্ত সিংহই লালবন্দী কৰি ৰাজ্য ঘূৰাই লোৱাৰ সপোন দেখি আছিল। মণিৰামে ৰজা কন্দৰ্পেশ্বৰ সিংহক আশ্বাস দিলে যে ৰজাই খৰচ দিলে তেওঁ কলিকতালৈ গৈ বৰলাটক দেখা কৰি লালবন্দী কৰি ৰাজ্য ঘূৰাই আনি দিব। ৰজাই এই কথাত ভোল গৈ মণিৰামক ধন-সোণ, বহুমূলীয়া হীৰা-ৰত্নাদি আৰু ৰাজকীয় বস্ত্ৰাভৰণ দি কলিকতালৈ পঠিয়ালে। মণিৰামে গুৱাহাটীত ৰজা পাতিব বুলি লোভ দেখুৱাই যুৱৰাজ ঘনকান্ত সিংহকো শোষণ কৰিবলৈ চেষ্টা কৰিলে। হৰকান্ত বৰুৱাৰ উপদেশ মতে যুৱৰাজে মণিৰামৰ লগত সংস্ৰৱ এৰি দিয়াত ৰক্ষা পৰিল [৭]। মণিৰামে ১৭৭৬ শকত কলিকতালৈ যাত্ৰা কৰে আৰু লাটু বাবু (প্ৰমথ নাথ দেৱ)ৰ ঘৰত আলহী উঠেগৈ। তেওঁ সোঁহাতেৰে ৰূপৰ ধোঁৱাখোৱাত আৰু বাওঁহাতেৰে সোণৰ ধোঁৱা-খোৱাত ধপাত খাই নিজেই 'অসম ৰজা' বুলি জনাজাত হৈ ৰাজসুখ ভোগ কৰি থাকে। তেওঁ ৰজাৰ কাম হলে একো নকৰিলে কিন্তু তেওঁ অসমত ঢক তোলাই থাকে যে 'কন্দৰ্পেশ্বৰে উজনি খণ্ড লালবন্দী পালে। আহিব লাগিছে' [৮]। তেওঁ লগত ৱাহেজনামা নিয়া নাছিল। তেওঁ ৱাহেজনামা নিবলৈ যোৰহাটলৈ উলটি আহিল। তেওঁ বাটত গুৱাহাটীৰ ভৰলুমুখত বৈছিল আৰু 'এনে খবৰ হল, লালবন্দীৰ মুলুক লৈ আহি উজনি পাই মুলুক জাৰি কৰিব'। দেৱানে লগত লাটু বাবুক লৈ আহিছিল। তেওঁ লাটু বাবুক বৰলাটৰ প্ৰতিনিধি বুলি ৰজা কন্দৰ্পেশ্বৰৰ সৈতে চিনাকি কৰি দি ক'লে যে ৰাজ্য ঘূৰাই দিয়াৰ দিহা কৰিবলৈ বৰলাটে লাটু বাবুক পঠিয়াইছে। ৰজাই লাটু বাবুক বৰলাটৰ প্ৰতিনিধি বুলি ৰজা ৰথাদি ৰাখিলে আৰু তেওঁ কলিকতালৈ উভটি যাওঁতে ৰজাই গুৱাহাটীলৈকে আহি তেওঁক মণিৰামৰ সৈতে আগবাঢ়াই দিয়েহি।

[৬] মণিৰাম পৃঃ ২৩৯। [৭] সদৰামীন পৃঃ ৯০-৯১। [৮] সদৰামীন পৃঃ ৯১।

মণিৰামে লাটু বাবুৰ সৈতে ১৮৫৬ চনৰ বিজয়া দশমীৰ দিনা কলিকতালৈ যাত্ৰা কৰে। তেওঁ ১৮৫৭ চনৰ জানুৱাৰী মাহত মুৰ্ছিদাবাদ হৈ কলিকতা পায়গৈ। তেওঁ ১৮৫৭ চনৰ মে' মাহৰ ৬ তাৰিখে দৰ্খাস্ত এখন গৱৰ্ণৰ-জেনেৰেলক দাখিল কৰে। এই দৰ্খাস্তৰ ১৮ ছেদত মণিৰামে প্ৰাৰ্থনা কৰে—'Your memorialist therefore earnestly begs that his present position may be taken into consideration of your Lordship in Council and thereby provide some means for the sustainance and maintainance of your memorialist and family with honour'। এই দৰ্খাস্তৰ ২০ ছেদত কোৱা হৈছে, এবছৰৰ জমা আগতীয়াকৈ ললে, ৰজাই নিজ দেশত ঋণ তুলি দিব পাৰিব। এইখন দৰ্খাস্তই ৰাজ্য দাবি কৰা নাই, জীয়াই থাকিবৰ কাৰণে ভিক্ষাহে মাগিছে। মণিৰাম দেৱানে ৰজাক আভুৱা ভাঁৰি আছিল। ১৮৫৪ অক্টোবৰ ১১ তাৰিখে ৰজা কন্দৰ্পেশ্বৰে ৫০ হেজাৰ টকা লালবন্দী কৰি ৰাজ্য ঘূৰাই দিবলৈ চৰকাৰক দৰ্খাস্ত কৰে। চৰকাৰে এই দৰ্খাস্ত ১৮৫৪ নৱেম্বৰ মাহত অগ্ৰাহ্য কৰে। ইয়াৰ পিচত ৰজাই এহেজাৰ টকা পেঞ্চন আৰু লালবন্দী মুলুক বিচাৰি পুনৰ দৰ্খাস্ত কৰে। এই দৰ্খাস্তখন চৰকাৰে ১৮৫৬ অক্টোবৰ ১০ তাৰিখৰ অগ্ৰাহ্য কৰে। এইখন দৰ্খাস্ত ৰজাৰ এটৰ্ণী এফ আই পলে দাখিল কৰিছিল। দেৱানে দিয়া দৰ্খাস্তখনো এটৰ্ণী পলে দিব পাৰিলেহেঁতেন। দেৱানে নিজ স্বাৰ্থ পুৰণৰ কাৰণেই, সিয়ো ৱাহেজনামা নোলোৱাকৈ কলিকতালৈ গৈছিল। ৰজাই ৱাহেজনামাখন ডাকযোগে বা এজন কটকীৰ মাৰফতে দেৱানলৈ পঠিয়াই দিব পাৰিলেহেঁতেন। দেৱানে কলিকতালৈ পোনে পোনে উভতি নগৈ মুৰ্ছিদাবাদেদি ঘূৰি চাৰিমাহ নষ্ট কৰি ৰজাক খৰচান্ত কৰিলে কেলেই? তেওঁ ১৭৭৬-৭৮ শকৰ ভিতৰতে দৰ্খাস্তখন সাজু কৰি নাৰাখিছিল কিয়? তেওঁ ১৮৫৭ জানুৱাৰী মাহত উভতি পাইছিলগৈ। তেওঁ ভৰণ-পোষণৰ দৰ্খাস্তখন দিওঁতে ১৮৫৭ জানুৱাৰীৰ পৰা মে' মাহলৈকে ইমান দিন ললে কিয়? এই দৰ্খাস্তখন লেখি দাখিল কৰিবলৈ কোনো এটৰ্ণীকে সাদিনতকৈ বেচি দিন নালাগে। এই প্ৰশ্নবোৰৰ উত্তৰ দিবলৈ গলে দেৱানৰ আচল ৰূপটি ওলাই পৰে। সেই কাৰণে ঐতিহাসিকসকল নিমাত। মণিৰামে ব্ৰিটিছৰ সৈতে খেলি ভালকৈ জানিছিল যে ৰাজ্য গ্ৰাস কৰাহে ব্ৰিটিছৰ নীতি, ৰাজ্য ঘূৰাই দিয়া ব্ৰিটিছৰ নীতি নহয়। তেওঁ বাত বেমাৰৰ চিকিৎসাৰ কাৰণে কলিকতালৈ

গৈছিল আৰু ৰজাক ৰাজ্য ঘূৰাই আনি দিব বুলি লোভ দেখুৱাই ৰজাক শোষণ কৰি আছিল। ৰজাই খৰচৰ বাবদ তেওঁলৈ ধন-সোণ, বস্ত্ৰ-বাজি পঠিয়াই আছিল। কলিকতাত তেওঁ ৰাজ আৰম্বৰেৰে (expensive style of living) থকাৰ কথা উপেন বৰুৱাই স্বীকাৰ কৰিছে [৯]। দেৱানে ইচ্ছা কৰিয়েই দৰ্খাস্ত দিয়াত গাফিলতি কৰিছিল আৰু ৰজাক ভুৱা দি আছিল।

মীৰাট বিদ্ৰোহৰ পিচতেই দেৱানে যোৰহাটলৈ উভতি নাহি ৰণ-সম্ভাৰ গোটাবলৈ কলিকতাত আছিল বুলি কোৱা হয়। তেওঁ কিমান যুদ্ধৰ সঁজুলি গোটাইছিল কোনো ঐতিহাসিকে জানিবলৈ দিয়া নাই। কোনো বিদ্ৰোহীয়ে কৰ্মক্ষেত্ৰৰ পৰা আঁতৰি থাকিব নোৱাৰে। সুভাষ বসুৱে ১৯৪৩ ফেব্ৰুৱাৰী ৮ তাৰিখে জাৰ্মানী এৰে, জুন ১৩ তাৰিখে টকিও পায়গৈ, জুলাই ২ তাৰিখে সিঙ্গাপুৰলৈ আহে, জুলাই ৪ তাৰিখে আজাদ হিন্দ ফৌজ (INA)ৰ নেতৃত্ব গ্ৰহণ কৰে, আৰু ৫ জুলাই তাৰিখৰ পৰাই এই ফৌজ ন-কৈ সংগঠন কৰিবলৈ ধৰে। প্ৰথম অৱস্থাত জাপানৰ সৰ্ব সেনাধিপতিয়ে এই ফৌজৰ ওপৰত আস্থা ৰাখিব পৰা নাছিল কিন্তু অলপ পিচতেই এই ফৌজৰ শৌৰ্য্য-বীৰ্য্য দেশপ্ৰেমত মুগ্ধ হৈ সুভাষ বসুৰ প্ৰতি প্ৰণতি জনাই কৈছিল—"তেওঁলোক ভেৰোণীয়া (mercenaries) নহয়, প্ৰকৃত দেশপ্ৰেমিক" [১০]। আনহাতে দেৱানে কলিকতাত সোণ-ৰূপৰ ধোঁৱা খোৱাত সোণ-ৰূপৰ ধোঁৱা উৰাই থাকিল। দেৱানৰ স্বাধীনতাৰ যুদ্ধ উচটনি দিয়াতে সীমাৱদ্ধ আছিল; কোন ফালে বতাহ বলে তাকে চাবলৈ কলিকতাত ৰৈ আছিল; যদি দেখিলেহেঁতেন ইংৰাজ মৰি-হজি গ'ল, তেওঁ অসমলৈ আহিলহেঁতেন, যদি দেখিলেহেঁতেন ইংৰাজ জিকিল, তেওঁ কলিকতাৰ পৰাই পলালহেঁতেন।

চিপাহী বিদ্ৰোহৰ পিচত ব্ৰিটিছে দেশীয় ৰাজ্যৰ সৈতে লেন-দেনৰ নীতি সংশোধন কৰে। বিদ্ৰোহৰ সময়ত সিন্ধিয়া, পাতিয়ালাৰ মহাৰজা আৰু বহুত ৰজা-জমীদাৰে ইংৰাজক সহায় কৰিছিল। ব্ৰিটিছে দেখিলে যে, ১৮৫৬ চনতে স্লিমেনে (Sleeman) কোৱা কথা সঁচা, "native states were 'break waters' and when they are swept away we shall be left to the mercy of our native army........

[৯] AGA পৃঃ ১১৫। [১০] HCIP XI

'দেশীয় ৰাজ্যবিলাক 'পানীৰ ভেটা', সেইবিলাকে যদি উটুৱাই লৈ যায় আমি দেশীয় চিপাহীৰ অনুগ্ৰহত থাকিব লাগিব'। সেই কাৰণে ব্ৰিটিছে বিদ্ৰোহৰ পিচত দেশীয় ৰাজ্য গ্ৰাস কৰা নীতি এৰি দেশীয় ৰাজ্য সৃষ্টি কৰাৰ নীতি লয় আৰু যি আৰধত বিদ্ৰোহৰ জুই দীৰ্ঘকাল ধৰি জ্বলি আছিল, সেই আৰধতে ব্ৰিটিছে বহু সংখ্যক ৰজা, নৱাব, তালুকদাৰ আৰু জমীদাৰ স্থাপন কৰে। ডালহাউচীয়ে গ্ৰাস কৰা ৰাজ্য ভুখনমানো ঘূৰাই দিয়ে। ৰজা কন্দৰ্পেশ্বৰ সিংহক তেওঁৰ শুভাকাঙ্ক্ষীসকলে মণিৰাম দেৱানৰ কথা নুশুনি ব্ৰিটিছৰ বিৰুদ্ধে বিদ্ৰোহ নকৰিবলৈ উপদেশ দিছিল। ৰজাই সিন্ধিয়া, পাতিয়ালাৰ মহাৰজা আদিৰ নিচিনাকৈ ব্ৰিটিছক সহায় কৰা হলে বিদ্ৰোহৰ পিচত এখন দেশীয় ৰাজ্য লাভ কৰাৰ সম্পূৰ্ণ আশা আছিল। আহোম ৰাজ্য কেনেকৈ গ'ল সেই বিষয়ে ঠানুৰাম গগৈয়ে কৈছে—'পুৰন্দৰৰ ৰাজ্য অসম আকাশত মণিৰাম ভোটা তৰাৰ আবিৰ্ভাৱ নোহোৱা হলে পুৰন্দৰ ৰজাৰ সেনাপতিতে আজিও ভাৰতৰ অন্যান্য ৰাজন্যবৰ্গৰ মাজত এখনি সন্মানজনক আসন লৈ থাকিব পাৰিলহেঁতেন' [১১]। নোমল গগৈয়ে কৈছে—'ইয়াণ্ডাবু সন্ধিৰ পাছত ইংৰাজসকলে অন্যায় কৰি আহোম ৰাজ্য পুৰন্দৰ সিংহক কৰতলীয়া ৰাজ্য স্বৰূপে সমৰ্পণ কৰে। পিচত মণিৰাম দেৱানৰ স্বাৰ্থপৰতা আৰু প্ৰতাৰণাৰ বলি স্বৰূপে আহোম ৰাজ্যৰ গৌৰৱ ৰবি চিৰ দিনৰ কাৰণে অস্তমিত হ'ল'।[১২]।

আনহাতে আহোম ৰাজৰ ৰবি যাতে যাতে সমুজ্বল হৈ থাকে তাৰ বাবেহে পৰ্ব্বতীয়া বৰুৱাই চেষ্টা কৰিছিল। আসাম বিলাসিনী পত্ৰিকাৰ ভূতপূৰ্ব সম্পাদক কৃষ্ণকান্ত ভট্টাচাৰ্য্যই কয়—'পৰ্ব্বতীয়া বৰুৱাই ৰজা পুৰন্দৰ সিংহক ওপৰ অসম খণ্ডৰ শাসন ভাৰ দিবলৈ চাহাব সকলক টানি ধৰে' [১৩]।

[১১] দৈনিক জনমভূমি ৮।৯।৭২। [১২] স্মৃতি পৃঃ ৪। [১৩] শান্তিদূত ২৭।৬।১৯৫২।

★★

এঘাৰ

মুক্তি যুঁজৰ নন ৰূপ

১৮৫৭ চনৰ আগত ভাৰত নাছিল, আছিল অসমীয়া, বঙ্গালী, হিন্দুস্থানী, মুছলমান, শিখ, ৰাজপুত, মাৰাঠা, দ্ৰাবিড় ইত্যাদি। কোনেও নিজকে ভাৰতৰ নাগৰিক বুলি ভবা নাছিল। ভাৰতৰ স্বাধীনতাৰ কথাও কোনেও ভবা নাছিল। দেশ প্ৰেম ভাৰতীয় বস্তু নহয়। লোকমান্য তিলকেও স্বীকাৰ কৰিছে—'The birth of patriotism among us is due to English rule and English education........ Patriotism is not our national quality ; it is the product of the influences to which we have been subjected after the introduction of British rule'. [১] দেশ ভক্তি বা দেশ প্ৰেম ভাৰতে ইংৰাজ শাসন, ইংৰাজী শিক্ষা আৰু পাশ্চাত্য সংস্কৃতিৰ পৰা শিকিছে। ইংৰাজে প্ৰথমতে বঙ্গদেশত ভৰি দিয়ে। বঙ্গদেশৰ ৰাইজে ইংৰাজক আদৰণি জনাইছিল। বঙ্গদেশৰ নেতাসকলৰ সহায়তেই ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ১৭৬৫ আগষ্ট ১২ তাৰিখে দিল্লীৰ সম্ৰাট শাহ আলমৰ পৰা দিৱানী পাইছিল। ভাৰতৰ ৰাইজে ইয়াৰ বিৰোধিতা কৰা নাছিল। ইয়াৰ পিচৰ পৰাই ইংৰাজে ভাৰতৰ ৰাজ্য এখনৰ পিচত এখন অধিকাৰ কৰে। শিক্ষিত লোকে ইংৰাজক পৰিত্ৰাণকৰ্তা বুলি গ্ৰহণ কৰিছিল, আৰু ইংৰাজৰ জয়ত হৰ্ষোৎফুল্ল হৈ উৎসৱ পাতিছিল।

ছপাশাল আইন (Press Regulation)ৰ বিৰুদ্ধে ৰজা ৰামমোহন ৰায় দ্বাৰকা নাথ ঠাকুৰ, প্ৰসন্ন কুমাৰ ঠাকুৰ আৰু ছজন কলিকতাৰ প্ৰখ্যাত নাগৰিকে সুপ্ৰীম কৰ্টক এখন স্মাৰক পত্ৰ দিছিল আৰু ইয়াৰ

[১] HCIP X পৃঃ ৮৯৯।

এটা ছেদত কোৱা হৈছিল—'অতীতত ব্ৰিটিছে যিবিলাক যুদ্ধ চুবৰীয়া শক্তিৰ সৈতে কৰিবলৈ বাধ্য হৈছিল, এইটো সুবিদিত যে দেশৰ গৰিষ্ঠ সংখ্যক আঢ্যৱন্ত আৰু সম্ভ্ৰান্ত লোকে আৰু মুখ্য জমীদাৰ মণ্ডলীয়ে সেই জাতিৰ প্ৰভুত্বৰ অধীনত তেওঁলোকৰ নৈতিক আৰু সামাজিক উভয় প্ৰকাৰ উন্নতি সাধিত হব আৰু তেওঁলোকৰ জীৱন, ধৰ্ম আৰু সমৃদ্ধি সুনিৰাপদ হব বুলি গভীৰ বিশ্বাসেৰে নিয়মিত ভাৱে ইষ্ট দেৱতাৰ ওচৰত ব্ৰিটিছ সৈন্যৰ বিজয়ৰ কাৰণে প্ৰাৰ্থনা জনাইছিল' [২]

লোকমান্য তিলকৰ আবিৰ্ভাৱৰ (১৮৩৬—১৯২০) আগলৈকে সৰ্বভাৰতীয় নেতাসকলে ইংৰাজৰ শাসন বিধাতাৰ আশীৰ্বাদ বুলি গ্ৰহণ কৰিছিল আৰু বিশ্বাস কৰিছিল যে ভাৰতৰ ভাগ্য ইংলণ্ডৰ ভাগ্যৰ সৈতে একেলগে বন্ধা আৰু ইংলণ্ডৰ ছত্ৰ-ছায়াৰ তলত থাকিলেহে ভাৰতে নিজৰ আকাঙ্ক্ষা পূৰাব পাৰিব। ৰজা ৰাম মোহন ৰায়ে (১৭৭৪—১৮৩৩) ব্ৰিটিছ শাসন বিধাতাৰ কৃপা বুলি কৈছে—'Divine providence at last in its abundant mercy, stirred up the English nation to break the yoke of the tyrants, and to receive the oppressed natives of Bengal under its protection'[৩]. ৰজাৰ সমসাময়িক দ্বাৰকানাথ ঠাকুৰে গভীৰ ভাৱে বিশ্বাস কৰিছিল যে 'the happiness of India is best secured by her connection with England'—'ইংলণ্ডৰ সৈতে সম্পৰ্কই ভাৰতৰ সুখ সৰ্বোৎকৃষ্ট ভাৱে সুৰক্ষিত কৰিছে' [৪]। প্ৰসন্ন কুমাৰ ঠাকুৰে স্পষ্টকৈ কৈছে—'If we are to be asked, what government we would prefer, English or any other, we would one and all reply, English by all means ; ay, even in preference to a Hindu Government'[৫]। কেশৱ চন্দ্ৰ সেনে (১৮৪৫—১৯১৫) দৃঢ় ভাৱে বিশ্বাস কৰিছিল যে বিধাতাই ভাৰতৰ মুক্তিৰ কাৰণে ভাৰতক ব্ৰিটিছৰ দাসত্বৰ শিকলিৰে বান্ধিছে [৬]। ১৮৮৯ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰৰ অভিভাষণত ফিৰোজ শাহ মেহতা (১৮৪৫-১৯১৫) ই কৈছিল—'All the great forces of English life

[২] HCIP X পৃঃ ১৩। [৩] HCIP X পৃঃ ১২। [৪] HCIP X পৃঃ ৪৪১। [৫] HCIP X পৃঃ ৪৪০। [৬] HCIP X পৃঃ ৪৬৯।

and society moral, social, intellectual, political, are if slowly, yet steadily and irrestibly declaring themselves for the choice which will make the connection of England and India a blessing to themselves and to the whole world for countless generations':[৭] 'ইংৰাজ জীৱন আৰু সমাজৰ নৈতিক, সামাজিক, বুদ্ধিজ, ৰাজনৈতিক সকলো শক্তিয়ে যদিও ধীৰে তত্ৰাচ সুস্থিৰ ভাৱে আৰু দুনির্বাৰ ভাবে নিজেই সেই বাছনিৰ সপক্ষে ঘোষণা কৰিছে, যি বাছনিয়ে ইংলণ্ডৰ সৈতে ভাৰতৰ মিলন নিজৰ আৰু সমগ্ৰ জগতৰ কাৰণে সংখ্যাতীত পুৰুষ ধৰি আশীৰ্বাদ হৈ থাকিব'। গোপাল কৃষ্ণ গোখেলৰ (১৮৬৬—১৯১৫) অগাধ বিশ্বাস আছিল, ইংলণ্ডৰ সৈতে ভাৰতৰ মিলন বিধাতাৰ ইচ্ছাত ঘটিছিল আৰু এই মিলনেই ভাৰতক স্বাধীনতা দিব। ৰাইট অনাৰেবোল ৰি শ্ৰীনিবাস শাস্ত্ৰীয়েও এই বিশ্বাস পোষণ কৰিছিল [৮]। এইটো সুৰেন্দ্ৰ নাথ বানাৰ্জীৰ (১৮৪৮—১৯২৫) মত—'Thus, co-operation and not non-co-operation, assimilation and not isolation must be a living and growing factor in the evolution of our people. Any other policy would be suicidal...........। চমুকৈ ব্ৰিটিছৰ লগত সহযোগৰ বাহিৰে অন্য পন্থা ললে আত্মহত্যা কৰা হব [৯]। দাদা ভাই নাওৰোজীয়ে (১৮২৫—১৯১৭) স্পষ্ট ভাৱে কৈছে,—'It is my sincere conviction, which I have expressed often that the salvation of India, its future prosperity, its civilization, and its political elevation, all depend upon the continuance of British rule': চমুকৈ, ভাৰতৰ মুক্তি, ভাৰতৰ ভবিষ্যত সমৃদ্ধি, সভ্যতা আৰু ৰাজনৈতিক উন্নতি ব্ৰিটিছ শাসন চলি থকাৰ ওপৰতে নিৰ্ভৰ কৰিছে [১০]।

কংগ্ৰেছে এই দুটা শিলৰ খুটা আশ্ৰয় কৰি জন্ম লৈছিল—১। ব্ৰিটিছ ৰজাৰ প্ৰতি অচল অটল আনুগত্য আৰু ২। ব্ৰিটিছ সাম্ৰাজ্যৰ সৈতে অবিচ্ছেদ্য মিলন। কংগ্ৰেছেও ব্ৰিটিছ শাসন বিধাতাৰ বিধান বুলি মানি লৈছিল [১১]। লোকমান্য তিলকে ১৮৯৮ চনত সৰ্বপ্ৰথমে ঘোষণা কৰে—

[৭] GMI পৃঃ ৫০৬। [৮] GMI পৃঃ ২৮৭। [৯] HCIP X পৃঃ ৪২৫। [১০] HCIP পৃঃ ৪২৫। [১১] HCIP X পৃঃ ৪২৫।

'Swaraj is my birth right and I must have it': 'স্বৰাজ মোৰ জন্ম স্বত্ব, মই স্বৰাজ লাভ কৰিমেই'। কংগ্ৰেছে ১৯২৭ চনত মাদ্ৰাজ অধিৱেশনত কয় যে, স্বাধীনতাই ভাৰতৰ লক্ষ্য। তথাপিও ১৯২৮ চনত কলিকতা অধিৱেশনত মহাত্মা গান্ধীয়ে মত দিয়ে যে, এবছৰৰ ভিতৰত dominion status (স্বায়ত্ব শাসিত ৰাজ্যৰ মৰ্য্যাদা) দিলেই হব। এবছৰৰ ভিতৰত বিটিছ চৰকাৰে ভাৰতক dominion status নিদিলে। সেই কাৰণে ১৯২৯ ডিচেম্বৰ ২৯ তাৰিখে লাহোৰ অধিৱেশনত কংগ্ৰেছে প্ৰস্তাব গ্ৰহণ কৰে, পূৰ্ণ স্বৰাজ ভাৰতৰ লক্ষ্য। ১৯২৯ ডিচেম্বৰ ৩১ তাৰিখে ৰাতি বাৰ বজাত এবছৰৰ ম্যাদ পাৰ হৈ যায় আৰু সভাপতি জৱহৰলাল নেহৰুৱে শোভাযাত্ৰা কৰি ৰাৱি নদীৰ পাৰলৈ আহে আৰু বিৰাট জনতাৰ হৰ্ষ-ধ্বনিৰ মাজত স্বাধীনতাৰ ত্ৰিৰঙ্গ পতাকা উত্তোলন কৰে। কিন্তু ইয়াৰ পিচতো ১৯৩৯ জুন ২৪ তাৰিখৰ হৰিজন পত্ৰিকাত মহাত্মা গান্ধীয়ে মত প্ৰকাশ কৰিছিল যে Dominion Status ভালেই ভাৰতৰ ৰাজনৈতিক আকাঙ্ক্ষা পূৰ্ণ হব।

১৮২৫ জানুৱাৰী ৩০ তাৰিখে মানে আত্ম-সমৰ্পণ কৰে। পিচদিনা পুৱা ৰংপুৰ ৰাজকৰেঙত বিটিছৰ পতাকা উৰে। ইংৰাজৰ বিজয়ত অসমীয়া ৰাইজ উল্লসিত হৈছিল আৰু ইংৰাজক পৰিত্ৰাণ-কৰ্তা বুলি আদৰণি জনাইছিল। বহু কালৰ মূৰত অসমীয়া ৰাইজে শান্তি আৰু নিৰাপত্তাৰ মাজত দিন কটাবলৈ আৰম্ভ কৰে আৰু বিটিছৰ আগমন বিধাতাৰ আশীৰ্ব্বাদ বুলি মানি লয়। মণিৰাম বৰুৱা, হলিৰাম ঢেকিয়াল ফুকন আদি অসমীয়া নেতাৰ লগতে হৰনাথ পৰ্ব্বতীয়া বৰুৱায়ো ব্ৰিটিছৰ তলত চাকৰি লয়। অসমীয়া ৰাইজে কিছুদিন পিচত নিজা ৰজা এজন দাবি কৰে। তেতিয়া হৰনাথেও পুৰন্দৰ সিংহক ৰজা পাতিবৰ কাৰণে ব্ৰিটিছক টানি ধৰে। সেই কাৰণেই ৰজা স্বৰ্গদেউ পুৰন্দৰ সিংহই কৃতজ্ঞতা বশতঃ হৰনাথক পৰ্ব্বতীয়া বৰুৱা পাতে। হৰনাথে নিষ্ঠাৰে স্বৰ্গদেৱৰ সেৱা কৰে। ৰজাই মণিৰামক বৰভাণ্ডাৰ বৰুৱা আৰু কালেক্টৰী চিৰস্তাদাৰ পাতে। কিন্তু মণিৰাম দেৱানে লালবন্দী নোশোধালে আৰু ফলতঃ ৰজাৰ ৰাজ্য ব্ৰিটিছে লৈ লয়। হৰনাথে পুনৰ বিটিছৰ চাকৰি লয় আৰু বিশ্বস্ততাৰে নিজ কৰ্তব্য পালন কৰি থাকে। অচিৰে ৰাইজ বিটিছৰ ভক্ত হৈ পৰিল। ইয়াৰ কাৰণ কি? সদৌ ভাৰতবৰ্ষ

বি্টিছৰ উদাৰ শাসন (liberal rule), ন্যায় প্ৰশাসন (judicial administration), আৰু পাশ্চাত্য সংস্কৃতি আৰু জ্ঞান-বিজ্ঞানৰ চমক দেখি মোহান্ধ হৈ পৰিছিল। অসমীয়া ৰাইজেও বি্টিছৰ শাসন বিধাতাৰ আশীৰ্বাদ বুলি মূৰ পাতি লৈছিল আৰু ব্ৰিটিছৰ বিৰুদ্ধে দ্ৰোহ আচৰণ কৰাটো তেওঁলোকে মহাপাতক বুলি ভাবিছিল। সেই কালৰ অসমীয়া নেতৃ-স্থানীয় লোক সকলো হাড়ে-হিমজুৱে বি্টিছ ভক্ত আছিল। আনন্দ ৰাম ঢেকিয়াল ফুকনে কৈছে—'আমাৰ ইংৰাজ অধিপতিসকল কিমান বিদ্যোৎসাহী—সিবিলাকে স্বকীয় বিদ্যা শিকাই বঙ্গদেশক সভ্য কৰিছে; তোমালোককো সেইদৰে অনুগ্ৰহ কৰিব খোজে, কিন্তু পশুক মাণিক দিয়াৰ দৰে সেই অনুগ্ৰহ নোলোৱা' [১২]।

বুৰ্জোৱা আৰু দালাল শব্দ দুটা ব্যৱহাৰ কৰাটো এটা নতুন ধুন (fashion) হৈ পৰিছে। হৰনাথ পৰ্ব্বতীয়া বৰুৱাকো কোনোৱে বি্টিছৰ দালাল বুলি কয়। ব্ৰিটিছৰ আচল দালাল আৰু প্ৰথম বুৰ্জোৱা আছিল মণিৰাম দেৱান। লাল-বাল-পাল আদি কেইগৰাকীমান নেতাক বাদ দিলে ১৯৩০ চনলৈকে সৰ্বভাৰতীয় নেতাসকলৰ অধিকাংশই ব্ৰিটিছৰ দালাল আছিল। অসমৰ পৰিস্থিতি বেলেগ নাছিল। হলিৰাম ঢেকিয়াল ফুকন, দীননাথ বেজবৰুৱা, আনন্দৰাম ঢেকিয়াল ফুকন, ঘিণাৰাম গোহাঞি বৰুৱা, মাণিক চন্দ্ৰ বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা আদি ব্ৰিটিছৰ দালাল আছিল। প্ৰত্যেক গৰাকীৰ জীৱনী পঢ়ি চায় যেন। মাণিক চন্দ্ৰ বৰুৱাই 'সম্ৰাট আৰু সম্ৰাজ্ঞীৰ ওচৰত আঠু লৈ অসমৰ হৈ ৰাজভক্তি' জনাই স্বাধীনতাৰ যুদ্ধ কৰিছিল [১৩]।

হৰনাথ পৰ্ব্বতীয়া বৰুৱাই নিজৰ কৰ্তব্য নিষ্ঠাৰে পালন কৰি, প্ৰাণৰ ভয় কাতি কৰি বিদ্ৰোহ দমন কৰি দেশখন, অসমীয়া ৰাইজক ৰক্ষা কৰিছিল। তেওঁ সৰ্বভাৰতীয় নেতাসকলৰ নিচিনাকৈ ব্ৰিটিছৰ শাসন বিধাতাৰ আশীৰ্বাদ বুলি মানি লৈছিল, ব্ৰিটিছৰ শাসন অসমৰ মুক্তি-দায়ক বুলি সৰলভাবে বিশ্বাস কৰিছিল আৰু ব্ৰিটিছ ৰাজৰ সেৱা কৰি সৰ্বভাৰতীয় নেতাসকলৰ লগত খোজ মিলাই দেশৰ সেৱা কৰিছিল।

[১২] জীস পৃঃ ১৯। [১৩] জীস পৃঃ ১৮।

মণিৰাম দেৱানে দেশৰ স্বাধীনতাৰ কাৰণে বিদ্ৰোহ কৰিছিল বুলি কোৱাতো এটা ডাঙৰ ফাঁকি। হৰনাথে ধৰা পেলাই নিদিয়া হলে মণিৰামে দেশ স্বাধীন কৰিলেহেঁতেন; এইটো লেশমাত্ৰ বুজা-শক্তি-সম্পন্ন মানুহেও নকয়। মণিৰামে দেশৰ স্বাধীনতাৰ কাৰণে বিদ্ৰোহ কৰিব খোজা নাছিল। তেওঁ প্ৰতিবিদ্ৰোহ কৰিবলৈ উচটনি দিছিল। ডঃ সেনে কৈছে—'The patriots of Oudh fought for their king and country but they were not champions of freedom, for they had no conception of individual liberty. On the contrary they would, if thay could revive the old order and perpetuate everything it stood for. The English Government had imperceptibly effected a social revolution. They had removed some of the disabilities of women, they had tried to establish the equality of men in the eye of law, they had attempted to improve the lot of the peasant and the serf. The Mutiny would have set the clock back, they would have done away with the new reforms, with the new order, and gone back to the good old days, when a commoner could not expect equal justice with the noble, when the tenants were at the mercy of the talukdars and when theft was punished with mutilation. In short, they wanted a counter-revolution.'[১৪] মণিৰাম দেৱানো champion of freedom (স্বাধীনতাৰ প্ৰতিপোষক) নাছিল; তেওঁৰ conception of individual liberty (ব্যক্তিগত স্বাধীনতাৰ ধাৰণা) নাছিল। ইংৰাজ হত্যা আৰু মুমূৰ্ষু পুৰণি তন্ত্ৰৰ পুনৰ প্ৰতিষ্ঠাই আছিল তেওঁৰ স্বাধীনতাৰ সপোন আৰু তেওঁৰ আদৰ্শ আছিল 'খাজনা নাথাকিব পুৰণি দিনৰ লিকচৌ থাকিব'। পুৰণি কলীয়া ডাঙৰীয়া তন্ত্ৰ, সামন্ত তন্ত্ৰ, গোলাম তন্ত্ৰহে মণিৰাম দেৱানে ঘূৰাই আনিবলৈ বিচাৰিছিল। তেওঁ জনসাধাৰণৰ মুক্তি বিচৰা নাছিল। তেওঁ প্ৰতিক্ৰিয়াশীল প্ৰতিবিদ্ৰোহ আনিবলৈ বিচাৰিছিল।

[১৪] 1857 পৃঃ ৪১২—৩।

সিংহপুৰুষ হৰনাথ পৰ্ব্বতীয়া বৰুৱাই এই প্ৰতিক্ৰিয়াশীল বিদ্ৰোহৰ বিস্ফোৰণ হবলৈ নিদিলে, অসম ৰক্ষা কৰিলে। দাদা ভাই নাওৰোজীয়ে কৈছিল—'No native from one end of India to the other end could be found more loyal than I am to British rule': 'ভাৰতৰ ইমূৰৰ পৰা সিমূৰলৈকে ব্ৰিটিছ শাসনৰ প্ৰতি মোতকৈ অধিকতৰ অনুগত ভাৰতীয় পোৱা নাযাব'। ইয়াৰ পৰা এই গৰাকী মহান নেতাৰ মহত্বৰ লাঘৱ হোৱা নাই। দাদা ভাই নাওৰোজীৰ দৰে হৰনাথ পৰ্ব্বতীয়া বৰুৱায়ো ব্ৰিটিছৰ তলত একৈক নিষ্ঠাৰে চাকৰি কৰি অসম আৰু অসমীয়া ৰাইজৰ সেৱা কৰিছিল। তেৱেঁ অসমী আইৰ এগৰাকী মহান সন্তান।

মহান অসম সন্তান হৰনাথ পৰ্ব্বতীয়া বৰুৱাক আমাৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰোঁ।

★★

তৃতীয় ভাগ

ৰায়বাহাদুৰ হৰনাথ পৰ্ব্বতীয়া বৰুৱা সদৰামীনৰ জীৱনী

এক

হৰনাথৰ বাল্য জীৱন

হৰনাথ ১৭৩৩ শকৰ ১৪ মাঘ ইং ১৮১১ চনৰ জানুৱাৰীৰ ২৮ তাৰিখে জন্ম গ্ৰহণ কৰে। তেওঁৰ দেউতাক আছিল লোকনাথ চাংকাকতি আৰু মাক সুভদ্ৰা দেৱী। সুভদ্ৰা দেৱী গুৱাহাটীৰ আ'লা সদৰামীন দেৱবৰ বৰদলৈৰ ভনীয়েক আছিল। লোকনাথৰ যোৰহাট আৰু পকামুৰাত একোখন ঘৰ আছিল। হৰনাথৰ জন্ম হৈছিল পকামুৰাৰ ঘৰত। তেওঁৰ বয়স ছবছৰ হওঁতেই ১৮১৭ চনত দেউতাকৰ মৃত্যু হয়। তেওঁৰ গোপাল নামে এটি ভায়েক আৰু দময়ন্তী নামে এগৰাকী ভনীয়েক আছিল।

বংশ পৰিচয়—'পূৰ্বে কনৌজ প্ৰদেশৰ ধমৰশীল গাৱঁত কাশ্যপ গোত্ৰীয় কাগ্ন শাখাৰ গদাধৰ উপাধ্যায় নামে এজন সাৰ্বভৌম পণ্ডিত আছিল। তেখেতৰ গঙ্গাধৰ, গুণধৰ আৰু চক্ৰধৰ নামে তিনিপুত্ৰ হয়। কনিষ্ঠ পুত্ৰ চক্ৰধৰ হিন্দী, ফাৰচী, উৰ্দ্দু আৰু সংস্কৃতত সুপণ্ডিত আছিল। ২৫ বছৰ

বয়সত এবাৰ অৰ্দ্ধোদয় স্নান আৰু তীৰ্থ দৰ্শন কৰিবলৈ চক্ৰধৰ কাশী ধামলৈ আহে। সেই সময়তে শ্ৰীশ্ৰীআউনীআটীয় সত্ৰৰ ৺নিৰঞ্জনদেৱ ঈশ্বৰ পুৰুষ অধিকাৰ তীৰ্থ ভ্ৰমণ মানসে কাশীলৈ যায়। তাতে চক্ৰধৰৰ লগত ৺ঈশ্বৰ পুৰুষৰ সাক্ষাৎ হয় আৰু চক্ৰধৰৰ ৰূপ-গুণ, বুদ্ধিমত্তা আৰু পাণ্ডিত্যত মুগ্ধ হৈ ঈশ্বৰ পুৰুষে তেৰাৰ লগত চক্ৰধ্বজ উপাধ্যায়ক আসামলৈ লৈ আহি সত্ৰতে কিছুদিন ৰাখে। ১৫৭৭ শকৰ কাৰ্তিক মাহত ইন্দ্ৰবংশী সৌমাৰেশ্বৰ মহাৰাজ জয়ধ্বজ সিংহ স্বৰ্গদেৱে গালপুৰ ঘাটত ৺গোবিন্দ মহাপ্ৰভুক নি যজ্ঞ কৰি ঈশ্বৰ পুৰুষ নিৰঞ্জন দেৱত শৰণ লৈ শ্ৰীশ্ৰীআউনীআটীয় সত্ৰৰ অধিষ্ঠাতা দেৱতা ৺গোবিন্দ মহাপ্ৰভুৰ নামে বহুত মাটি-বৃত্তি আৰু পাইক তামৰ ফলিত লেখি উছৰ্গা কৰে। সুপণ্ডিত চক্ৰধৰৰ উক্ত যজ্ঞত, তামৰ ফলিৰ পাঠ ৰচনাত আৰু পূজা পদ্ধতিত কৃতিত্ব দেখি আৰু সুন্দৰ চেহেৰাত আকৃষ্ট হৈ স্বৰ্গদেৱ মহাৰাজে ঈশ্বৰ পুৰুষ আতাৰ পৰা খুজি ডেকা চক্ৰধৰক লগত লৈ ৰাজধানী গড়গাৱলৈ লৈ যায়। ক্ৰমে চক্ৰধৰৰ পাণ্ডিত্য, বুদ্ধিমত্তা আৰু বংশৰ আতি-গুৰি পাই আৰু নাগেৰী, ফাৰচী ভাষাত সুবিজ্ঞ দেখি শ্ৰীশ্ৰীআউনীআটীয় অধিকাৰ ঈশ্বৰ পুৰুষ নিৰঞ্জন দেৱত শৰণ দিয়াই ৰাজ বৈদ্য ঈশ্বৰগিৰি বেজবৰুৱাৰ একমাত্ৰ কন্যা মহামায়া দেৱীক বিবাহ দি 'কাথ বৰুৱা' বাব দি ৰাজসভাত ৰাখে আৰু ডবিকাৰ ওচৰত খাৰঘৰ বাৰী নামৰ ঠাইত বহুত মাটি-বৃত্তি দাস-দাসী দিয়ে। চক্ৰধৰৰ দুই পুত্ৰ অৰুণ আৰু জগন্নাথ। অৰুণে চাংকাকতি আৰু জনন্নাথে বৰকাকতি বাব পায়। অৰুণৰ পুত্ৰ অম্বৰীষ, তৎপুত্ৰ জনাৰ্দ্দন ওৰফে জনাই চাংকাকতি, তৎপুত্ৰ লোকনাথ চাংকাকতিয়ে প্ৰায় দুশ বছৰে স্বৰ্গদেৱ জয়ধ্বজ সিংহৰ পৰা অসমৰ শেষ ৰজা চন্দ্ৰকান্ত সিংহ স্বৰ্গদেৱৰ দিনলৈকে সুখ্যাতি আৰু প্ৰতিপত্তিৰে এই সন্মানজনক বিষয় ভোগ কৰে।

মহাৰাজ চন্দ্ৰকান্ত সিংহ স্বৰ্গদেৱে ৰংপুৰৰ পৰা অসমৰ ৰাজধানী যোৰহাট নগৰত পাতিলত লগতে লোকনাথ চাংকাকতিকো আনি পূবে বৰপাত্ৰ আলি, দক্ষিণে কমাৰবন্ধা আলি, উত্তৰে ছেউনী আলি আৰু পশ্চিমে শনিপাতৰ টিকা এই চৌহদৰ মাটি-বাৰী আৰু অন্যান্য খাট পাম দি যোৰহাটত পাতেহি; সেই বাবেই নগৰৰ এই অংশৰ নাম এতিয়াও 'কাকতি গাওঁ খণ্ড' [১]।

[১] দীপিকা পৃঃ ২২

এই বংশ চক্ৰধৰৰ ঘৰ তথা ধৰমশীলৰ ঘৰ নামে জনাজাত হৈছিল। এইটো পণ্ডিত বংশ আছিল। পুৰুষানুক্ৰমে অসমীয়া, হিন্দী আৰু ফাৰ্চী অধ্যয়ন কৰিছিল, জ্যোতিষ চৰ্চ্চা কৰিছিল কিন্তু জ্যোতিষী হোৱা নাছিল। আহোম ৰজা চন্দ্ৰকান্ত সিংহৰ দিনলৈকে অৰুণৰ দিনৰে পৰাই পুৰুষানুক্ৰমে চাংকাকতি বিষয় ভোগ কৰিছিল, প্ৰত্যেক গৰাকীয়ে নিজ গুণে স্বৰ্গদেওসকলক মুগ্ধ কৰি বিশ্বাসভাজন হৈছিল। চাংকাকতিৰ দায়িত্বই আছিল অতি বিশ্বস্ত, ভিতৰ বিশ্বাসী কাম।

মানৰ দিন ॥ লোকনাথ চাংকাকতিয়ে পৰিয়ালৰ কাৰণে পৰ্য্যাপ্ত পৰিমাণে ধন-সম্পত্তি এৰি গৈছিল। কিন্তু এইবিলাক তেওঁৰ পৰিবাৰবৰ্গই ভোগ কৰিবলৈ নেপালে। আহোম ৰাষ্ট্ৰৰ বিপৰ্য্যয় ঘটিবলৈ ধৰে। বুঢ়াগোঁহাই পূৰ্ণানন্দই গোহাটীৰ বৰফুকন বদনচন্দ্ৰই প্ৰজাক অত্যাচাৰ কৰা বুলি সঘনে অভিযোগ পাই আছিল। এওঁ বৰ ক্ষমতাশালী আছিল। এওঁক ৰাজমন্ত্ৰী ভাঙ্গিবলৈ বহুতে ষড়যন্ত্ৰ কৰিছিল। এওঁ প্ৰমাণ পালে যে বদন চন্দ্ৰও এই ষড়যন্ত্ৰত লিপ্ত আছে। এইবিলাক কাৰণে তেওঁ বৰফুকনক ধৰি আনিবলৈ পৰ্ব্বতীয়া ফুকনক পাচিলে। বৰফুকনৰ জীয়েক পিজৌ গাভৰু বুঢ়াগোঁহাইৰ বোৱাৰীয়েক আছিল। পিজৌ গাভৰুৱে বুৰুকৰ বৰুৱাৰ যোগেদি বৰফুকনক সাৱধান কৰি দিলে। সেইমতে বৰফুকন ১৭৩৭ শকৰ ৯ আহিনৰ দিনা মাজৰাতি পুতেক জন্মি, পিয়লি আৰু সুমলীক লৈ বঙ্গদেশলৈ পলাই গল। তেওঁ ৰংপুৰৰ মেজিষ্ট্ৰেট ডেভিদ স্কটৰ ওচৰত বুঢ়াগোঁহাইক ওফৰাবলৈ সহায় বিচাৰিলে। এই সময়ত ব্ৰিটিছে পৰৰাজ্যৰ ভিতৰুৱা কথাত হস্তক্ষেপ নকৰা নীতি পালন কৰিছিল। সেই কাৰণে বদনে ব্ৰিটিছৰ সহায় নেপালে। তেওঁ মীৰপুৰত আছিল। ইয়াত তেওঁ বৰ্মা ৰজাৰ এজন প্ৰতিনিধি লগ পায়। প্ৰতিনিধিৰ পৰা আশ্বাস পাই তেওঁৰ লগত মান ৰজাৰ কাষ পায়গৈ। তেতিয়া বডয়প মানৰ ৰজা আছিল। তেওঁৰ মহিষী ৰঙ্গিলী দুৱৰা খেলৰ জীয়ৰী আছিল। বদনো আছিল দুৱৰা বংশৰ। ৰাণীৰ কথা এৰাব নোৱাৰি মান ৰজাই বদনক সহায় কৰিবলৈ মান সৈন্য পঠিয়াই দিয়ে। বদনে ৰজাৰ পৰা ৬০০০ মান সেনা আৰু দাঁতি কাষৰৰ ৮০০০ সেনা সংগ্ৰহ কৰি ১৮১৬ চনৰ শেহৰ ফালে জয়পুৰ সোমায়। আহোম সৈন্য যুদ্ধত হাৰে। মানে চন্দ্ৰকান্তক ৰজা ৰাখিল আৰু বদনক প্ৰধানমন্ত্ৰী পাতিলে।

১৮১৭ এপ্ৰিল ১৭ তাৰিখে মানে ধন সোণ লৈ উলটি গল। বদন চন্দ্ৰই অত্যাচাৰ কৰিবলৈ ধৰিলে। ৰজাৰ মাক, ধনী বৰবৰুৱা আৰু নিৰ্ভয় বৰগোঁহাই আদিয়ে এক গোট হৈ ৰূপসিং চুবাদাৰৰ হতুৱাই ১৮১৮ চনত বদনক হত্যা কৰালে। চন্দ্ৰকান্ত সিংহ পলাই গল আৰু তেওঁৰ কাণ কুটাই অঙ্গক্ষত কৰোৱা হল।

১৮১৮ চনৰ পাচত পুৰন্দৰ সিংহক ৰজা পতা হল। চন্দ্ৰকান্তই প্ৰতিশোধ লবৰ কাৰণে বদনৰ ফলীয়া মানুহক মান ৰজাৰ ওচৰলৈ পাচিলে। মান ৰজাই আলমিঙ্গি বৰগোঁহাইক সসৈন্যে অসমলৈ পঠিয়ালে। ১৮১৯ চনৰ ১৭ ফেব্ৰুৱাৰীত পুৰন্দৰ সিংহৰ সৈন্যই মানৰ লগত যুদ্ধ কৰে কিন্তু হাৰে। ৰজা গুৱাহাটীলৈ পলাই যায়। মানে চন্দ্ৰকান্তক পুনৰ ৰজা পাতিলে (১৮১৯)। মানৰ মুখিয়াল সেনাপতি কেইজনো নিজ দেশলৈ উভতি গল। কিন্তু ১৮১৯—২৪ চনলৈকে দেশখন প্ৰকৃততে মানেহে শাসন কৰিছিল। চন্দ্ৰকান্ত নাম মাত্ৰ ৰজা আছিল। তেওঁ মানৰ হাত সাৰিবৰ উদ্দেশ্যে মান অহা বাট জয়পুৰত এটা গড় সজালে। মান ৰজা বাগিয়পই তেওঁৰ অভিসন্ধি বুজিব পাৰি তেওঁলৈ বহুমূলীয়া উপহাৰ পঠোৱাৰ চলেৰে মিঙ্গিমাহা তিলোৱাক সসৈন্যে পঠিয়ালে। ১৮২১ চন মাৰ্চত মান সেনাই জয়পুৰ দখল কৰে, পাতাল বৰবৰুৱাক হত্যা কৰে আৰু তেওঁৰ পৰিবাৰৰ ওপৰত অমানুষিক অত্যাচাৰ কৰে। আহোম সৈন্য ভয়তে পলাল। চন্দ্ৰকান্তই মান সেনাপতিৰ উদ্দেশ্য ভাল নহয় বুলি বুজি ১৮২১ এপ্ৰিলত গুৱাহাটীলৈ পলাই গল। আহোম সৈন্য মানৰ হাতত হাৰিল। মানে যোগেশ্বৰ সিংহক ১৮২১ নৱেম্বৰত ৰজা বুলি ঘোষণা কৰিলে। যোগেশ্বৰ নাম মাত্ৰ ৰজা হল। মানে অত্যাচাৰ কৰিবলৈ ধৰিলে। চন্দ্ৰকান্ত সিংহই মানক খেদিবলৈ ব্ৰিটিছৰ এলেকাত কিছুমান শিখ আৰু হিন্দুস্তানী সৈন্য গোটালে। তেওঁ হাদিৰাচকীত মানক হৰুৱাই যোৰহাটলৈ আগবাঢ়ি আহিল। মহগড়ত মানৰে সৈতে তেওঁৰ সৈন্যই প্ৰচণ্ড যুদ্ধ কৰে কিন্তু তেওঁ হাৰিল আৰু গোৱালপাৰালৈ পলাই গ'ল।

হৰনাথ মাজুলীত ॥ ১৮২২ চনৰ ১৯ এপ্ৰিলত মানে চন্দ্ৰকান্তক পৰাস্ত কৰে আৰু এই তাৰিখৰ পৰা মানৰ অবৰ্ণনীয় অমানুষিক নৃশংস অত্যাচাৰ আৰম্ভ হয়। সিহঁতৰ অত্যাচাৰৰ হাত সাৰিবলৈ মানুহবোৰে দিহিঙ্গে দিপাঙ্গে পলাবলৈ ধৰিলে। এই সময়ত লোকনাথ চাংকাকতিৰ ঘৰো

সৰ্বস্বান্ত হোৱাৰ উপক্ৰম হল। মানৰ পৰা আত্ম-ৰক্ষা কৰিবলৈ সুভদ্ৰা দেৱীয়ে হৰনাথ, গোপাল আৰু দময়ন্তীক লৈ ইঠাইৰ পৰা সিঠাইলৈ পলাই ফুৰিবলৈ ধৰিলে। লগত একমাত্ৰ সাৰথি আছিল প্ৰভু ভক্তিমতী ৰূপহী বেটী। যলৈকে যায় ততেই মানৰ ভয়। শেহান্তৰত মাজুলীৰ আউনীআটী সত্ৰলৈ যাবলৈ ওলাল। ৰাতি ৰাতি গৈ পুৱা ব্ৰহ্মপুত্ৰৰ পাৰ পালেগৈ। ইয়াত সুভদ্ৰাই এজন মানুহৰ সৈতে কথা বাৰ্ত্তা হল, আৰু জানিব পাৰিলে যে তেওঁ দৈচুঙীয়া মলীয়া পুৰোহিতৰ ঘৰৰ, তেওঁ আউনীআটী সত্ৰৰ পৰা বিশেষ কামত ৰজাৰ নগৰলৈ আহিছিল কিন্তু মানৰ উপদ্ৰৱৰ কথা শুনি ভয় খাই আধা বাটৰ পৰা ঘৰলৈ উভতি যাবলৈ ধৰিছে। সুভদ্ৰাৰ বিপদৰ কথা শুনি তেওঁ তেওঁলোকক নিজ ঘৰলৈ নি আশ্ৰয় দিবলৈ আগবাঢ়িল। সকলোটি একেলগে নাৱেৰে পাৰ হৈ আহিল। সুভদ্ৰাইঁতেও তেওঁৰ ঘৰতেই আশ্ৰয় ললে। কিন্তু ইয়ালৈকো কেইটামান মান আহি উৎপাত কৰিবলৈ ধৰিলে। ঘৰত থকা নিৰাপদ হৈ নাথাকিল। তেওঁৰ হাবিত এটা পামঘৰ আছিল। তেওঁ নিজৰ পৰিয়াল আৰু সুভদ্ৰাইঁতকো লৈ হাবিৰ পামঘৰত লুকাই থাকিলগৈ।

হাবিত থাকোতেই পুৰোহিতৰ পৰিবাৰৰ বৰআই ওলাল। দুদিনমানৰ পাচত হৰনাথৰ গাতো বৰআইয়ে দেখা দিলে। এই বিপদতো তেওঁলোক অধৈৰ্য্য নহল। ঈশ্বৰৰ কৃপাত দুয়ো নিৰাময় হল ; মাত্ৰ হৰনাথৰ হাত এখনত সামান্য বিকাৰ থাকি গ'ল। তেওঁলোকে অতি দুখ-কষ্টৰ মাজেদি দিন কটাবলগীয়াত পৰিল। প্ৰাণৰ ভয়, আহাৰ বিচাৰি ওলাব নোৱাৰি, চাউল দুষ্প্ৰাপ্য, মহাৰ্ঘ, বনৰ আলু-কচু, মূলা আদি খাই প্ৰাণ ধাৰণ কৰিলে। তথাপিও মানৰ ভয় নোযোৱালৈকে সকলোৱে একেলগে দিন কটালে। কিছুদিন পিচত মানৰ ভয় যোৱাত সুভদ্ৰাই পুত্ৰ-কন্যা সমন্বিতে আশ্ৰয়দাতা পুৰোহিতক কৃতজ্ঞতা জনাই বিদায় লৈ আহি আউনীআটী সত্ৰৰ প্ৰভু ঈশ্বৰৰ আশ্ৰয়ত থাকিলেহি। চক্ৰধৰৰ ঘৰ পুৰুষানুক্ৰমে আউনীআটী গোঁসাই ঈশ্বৰৰ শিষ্য আছিল। হৰনাথ এই গৰাকী পুৰোহিতৰ ওচৰত চিৰ-কৃতজ্ঞ আছিল।

প্ৰত্যাৱৰ্তন—১৮২৪ মাৰ্চ ২৮ তাৰিখে ইংৰাজে মানক হৰুৱাই গুৱাহাটী দখল কৰে। মানে উধাতু খাই উজনিলৈ পলাবলৈ ধৰিলে। ইংৰাজে খেদি খেদি মানক ১৮২৪ মে' ৩ তাৰিখে কলিয়াবৰত আৰু ১৮২৫

জানুৱাৰী ২৫ তাৰিখে গৌৰীসাগৰত ছত্ৰ-ভঙ্গ কৰি ৰংপুৰ সোমাইহি। মানে শান্তিৰ প্ৰস্তাৱ কৰিল, শান্তি হ'ল। এই শান্তিৰ চুক্তিমতে মান অসমৰ সীমা পাৰ হৈ গ'ল। ১৮২৫ চনৰ ফেব্ৰুৱাৰী ২৫ তাৰিখে ভাৰতৰ সকলো ব্ৰিটিছ কোঠত ৰবতোপ ফুটাই ইংৰাজৰ অসম বিজয় ঘোষণা কৰা হ'ল।

লাহে লাহে শান্তি উভতি আহিল। সুভদ্ৰা পুত্ৰ-কন্যা লৈ যোৰহাটলৈ উলটি আহিল। কিন্তু দেখিলে নিৰাপত্তা এতিয়াও নাই। গৰুমৰাৰ গোৱালগাওঁৰ জলাই ৰাজখোৱাৰ ঘৰলৈ গ'ল, ৰাজখোৱাই আশ্ৰয় দিলে। এদিন ঘৰত ৰাজখোৱাৰ ভায়েক মাত্ৰ আছিল। হঠাৎ দুটা মান আহি তেওঁক ঘৰৰ ভিতৰৰ খুটা এটাত মুখত সোপা দি বান্ধিবলৈ ধৰিলে। এনেতে জলাই ৰাজখোৱা আৰু হৰনাথ একেলগে আহি পালেহি। দুয়ো দেখি বিচুৰ্তি হ'ল কিন্তু কিংকৰ্তব্যবিমূঢ় নহ'ল। মানৰ তৰোৱাল দুখন মাটিত পৰি আছিল। গাইপতি একোখন তৰোৱাল লৈ মানে তৰ্কিবলৈ নৌপাওতেই দুইটা মানকে কাটি পেলালে। আউনীআটি সত্ৰৰ ঈশ্বৰপুৰুষক কথাটো কোৱাত দুয়োকো পৰাচিত কৰালে। ৰাজ-খোৱাৰ আচল নাম আছিল জলেশ্বৰ শৰ্ম্মা বৰুৱা। আউনীআটী সত্ৰৰ প্ৰভু ঈশ্বৰে নলনি খাত আদি কৰি কেইবাখন খাতৰ ওপৰত তেওঁক ৰাজখোৱা পাতিছিল। তেওঁৰ ভায়েক মানৰ হাতৰ পৰা উদ্ধাৰ পালে যদিও ইমান ভয় খাইছিল যে পিচত বলিয়া হৈ যায় আৰু শেহান্তৰত মৃত্যুৰ মুখত পৰে। কিছুদিন পিচত সুভদ্ৰাইঁত যোৰহাটৰ নিজৰ ঘৰলৈ উভতি আহিল। অস্থাৱৰ সম্পত্তি যি আছিল শেষেই হৈছিল। হাতত যৎ সামান্য ধন সোণ আছিল। দিনত এজনী মাইকী মানুহে কাম বন কৰি দিছিলহি। এদিন ৰাতি এই মানুহজনীয়ে আহি তাকো চুৰ কৰি লৈ গ'ল। সুভদ্ৰাই কাপোৰ বৈ প্ৰৱৰ্ত্তি অতি দুখ কষ্টৰ মাজেদি দিন কটাবলৈ ধৰিলে।

হৰনাথৰ শিক্ষা ॥ ১৮১৭ মাৰ্চৰ পৰাই মানে অসমৰ বিপৰ্য্যয় আনে। তেতিয়া হৰনাথৰ বয়স ৬ বছৰ। এইটো পঢ়া-শুনা কৰিবৰ সময়। সেই কালত যশস্বী অধ্যাপক আছিল যোৰহাট তৰাজানৰ ডম্বৰু ভট্টাচাৰ্য্য। এওঁক পাণ্ডিত্যৰ কাৰণে আউনী-আটী সত্ৰৰ প্ৰভু ঈশ্বৰে বিদ্যাবাগীশ উপাধি দিছিল। তেওঁ ক'লা অধ্যাপক নামে জনাজাত আছিল। এওঁৰে

টোললৈ সুভদ্ৰাই হৰনাথ আৰু ভায়েক গোপালক শিক্ষাৰ কাৰণে পঠাইছিল। পঢ়া-শুনা আৰম্ভ কৰাৰ পিচতেই মান সোমাল। মান সোমোৱাৰ লগে লগে দেশৰ শান্তি-নিৰাপত্তা নোহোৱা হল আৰু শিক্ষা-দীক্ষাও লুপ্ত হল। পলাই ফুৰা কালত কোনো পঢ়াশালী বা টোলত পঢ়াৰ কথাই নাছিল। সেই কালত স্ত্ৰী শিক্ষা নাছিল। সুভদ্ৰাৰো বিশেষ শিক্ষা একো নাছিল কিন্তু ভক্তিমূলক পাঠ, কীৰ্ত্তন, নাম-ঘোষা, গীত-পদ, স্তুতি-প্ৰাৰ্থনা ভালকৈ জানিছিল আৰু হৰনাথ-গোপালকো এই-বিলাক মুখে মুখে শিকাইছিল। চিৰ প্ৰচলিত ৰীতি অনুসৰি মাকৰ মুখৰ পৰা ৰামায়ণ, মহাভাৰত, ভাগৱতৰ কথাবিলাকো শুনিছিল। এনেকৈয়ে ধৰ্মমূলক শিক্ষা পাইছিল। মান অসমৰ সীমা পাৰ হৈ যোৱাৰ পিচত অধ্যাপক ডম্বৰু ভট্টাচাৰ্য্য বিদ্যাবাগীশে পুনৰ অধ্যাপনা আৰম্ভ কৰে। হৰনাথ আৰু ভায়েক গোপালো এওঁৰ কাষ পায়গৈ। এইজনা অধ্যাপকৰ ওচৰত সংস্কৃত আৰু অসমীয়া শিকে। সেই সময়ত ফাৰ্চী আদালতৰ ভাষা আছিল আৰু ফাৰ্চী শিকাটো আভিজাত্য সূচক আছিল। নিজ চেষ্টাৰে ফাৰ্চী আৰু হিন্দীও হৰনাথে শিকিছিল। এওঁৰ দিনত ইংৰাজী শিকা সুচল নাছিল। তথাপিও ইংৰাজীও অলপ-অচৰপ শিকিছিল আৰু ইংৰাজীত চহী কৰিছিল। তেওঁ বঙ্গলা ভাষাও বুজি পাইছিল।

দুই

অসমে ব্ৰিটিছক আদৰে আৰু হৰনাথে ব্ৰিটিছৰ বিষয় লয়

১৮২৪ চনত যেতিয়া মানৰ সৈতে ইংৰাজৰ যুদ্ধ আৰম্ভ হয় তেতিয়া ইংৰাজে কৈছিল যে যদিও মানক খেদি দিয়াৰ পাচত বিজয় স্বত্বে স্বত্বৱান হোৱাৰ কাৰণে অসম ব্ৰিটিছৰে হৈছিল, তথাপিও গৱৰ্ণৰ জেনেৰেলে অসমক চিৰকালৰ কাৰণে ব্ৰিটিছ ৰাজ্যৰ অন্তৰ্ভুক্ত কৰাৰ কথা ভবা নাছিল।

১৮২৪ মাৰ্চ ১৩ তাৰিখে ইংৰাজে মানক পৰাস্ত কৰি গুৱাহাটি দখল কৰে। ইংৰাজে অসমীয়া মানুহৰ অন্তৰ জয় কৰিবলৈ আৰু সহযোগ লাভ কৰিবলৈ ঘোষণা কৰিলে যে ইংৰাজ আত্ম-ৰক্ষাৰ্থে অসম সোমাইছে আৰু মানক বাহিৰ কৰি দিয়াৰ পিচত অসমত ৰাইজৰ মনোমত চৰকাৰ স্থাপন কৰা হ'ব। ১৮২৫ জানুৱাৰী ২৭ তাৰিখে ইংৰাজে মানক বিধ্বস্ত কৰি ৰংপুৰ (শিৱসাগৰ) দখল কৰে। মানে বাধ্য হৈ ইংৰাজৰ লগত শান্তি কৰে। এই শান্তি অনুসৰি মানে অসম এৰি গুচি যায়গৈ। কিন্তু ১৮২৫ জুন মাহত প্ৰায় দুশ মান সেনাই পাটকাই পৰ্বত পাৰ হৈ আহি চিংফৌবিলাকৰ সৈতে লগ লাগি উৎপাত আৰম্ভ কৰে। ইংৰাজে তৎক্ষণাৎ সিহঁতক খেদিবলৈ অভিজান চলায় আৰু যুদ্ধত হকৱাই বাহিৰ কৰি দিয়ে। আনহাতে মানহঁতে ব্ৰহ্মদেশৰ ভিতৰতো ইংৰাজৰ লগত যুঁজি আছিল। যুঁজত বিধ্বস্ত হ'ল। উপায়ন্তৰ হৈ ১৮২৬ ফেব্ৰুৱাৰী ২৪ তাৰিখে ইয়াণ্ডাবুত সন্ধি কৰে। এই সন্ধি মতে মান ৰজাই অসমৰ ওপৰত দাবি সম্পূৰ্ণ ভাবে পৰিত্যাগ কৰে।

ইংৰাজে ১৮২৫ ফেব্ৰুৱাৰী ২৫ তাৰিখে ৰংপুৰ দখল কৰাৰ লগে লগেই সমগ্ৰ অসমৰ ভাৰ ল'লে বুলি কব পাৰি। ইংৰাজে এই জয় কৰা দেশখন শত্ৰু ৰাজ্য বুলি দখলত ৰাখিলে আৰু সামৰিক আইন জাৰি কৰিলে। ১৮২৬ ফেব্ৰুৱাৰী ২৪ তাৰিখে ইয়াণ্ডাবু সন্ধি কৰাৰ পিচত অসম শত্ৰু ৰাজ্য হৈ নাথাকিল। তেতিয়া প্ৰশ্ন উঠিল আগৰ কথা মতে ইংৰাজে ৰাজ্যখন সাবেক ৰজাক ফিৰাই দিব নে নিজৰ ৰাজ্যৰ অন্তৰ্ভুক্ত কৰিব। পূৰ্ণ বিজয় লাভ কৰাৰ পিচত ইংৰাজৰ মনোভাবৰ পৰিবৰ্ত্তন হ'ল। মানক খেদাৰ পিচতেই কলিকতাৰ ব্ৰিটিছ চৰকাৰে ডেভিদ স্কট আৰু কৰ্ণেল ৰিচাৰ্দক কমিছনাৰ পাতি বিজিত দেশখনৰ শাসনৰ ভাৰ দিছিল। বিজিত অঞ্চলবিলাকৰ কি ব্যৱস্থা কৰিলে ভাল হ'ব সেই বিষয়ে কোম্পানীয়ে স্কটৰ মতামত বিচাৰিছিল। তেওঁৰ পৰামৰ্শমতে ব্ৰিটিছে মটক ৰাজ্যত বৰসেনাপতিক পাতিলে আৰু শদিয়াত শদিয়াখোৱা গোহাঁইক পাতিলে। তেনেকৈয়ে চিংফৌ এলেকাত যোলজন চিংফৌক গাম পতা হয়। কাছাৰত গোবিন্দ চন্দ্ৰক, জয়ন্তীয়াত ৰামসিংহক আৰু মণিপুৰত গম্ভীৰ সিংহক ৰজা পতা হ'ল। চিংফৌ গামৰ বাহিৰে এওঁলোক প্ৰত্যেকেই কোম্পানীৰ কৰতলীয়া হ'ল। 'কিন্তু আহোম বংশৰ

এজনকো ৰাজ্য দিয়া নহ'ল [২]। অৱশিষ্ট অঞ্চলবিলাকৰ বিষয়ে স্কটে এইদৰে প্ৰস্তাৱ দিছিলঃ—[ক] বাকী থকা আটাইবোৰ অঞ্চল এজন ৰাজবংশধৰক ৰজা পাতি চলাবলৈ দিয়া হ'ব আৰু ৰজাই বছেৰেকত দুই লাখ কৰ দিব। [খ] বিকল্পে পূৰ্বৰ প্ৰতিশ্ৰুতি অনুসৰি উজনি অসম এজন ৰজাক দিব আৰু বিশ্বনাথলৈকে নামনি অসম কোম্পানীৰ এলেকাৰ অন্তৰ্ভুক্ত কৰিব। কলিকতাৰ গৱৰ্ণৰৰ জেনেৰেলৰ পৰিষদে পূৰ্ব প্ৰতিশ্ৰুতি তল পেলালে। স্কটৰ বিকল্প পৰামৰ্শৰ এফাল গ্ৰহণ কৰি বিশ্বনাথলৈকে নামনি অসম আৰু দুৱাৰবিলাকো সুমাই লৈ ব্ৰিটিছ ৰাজ্যৰ অন্তৰ্ভুক্ত কৰিলে। কিন্তু উজনি অসমৰ বিষয়ে কোনো সিদ্ধান্ত গ্ৰহণ নকৰিলে। স্কট আৰু কৰ্ণেল ৰিচাৰ্দেই উজনি অসমৰ শাসন কাৰ্য্য চলাই থাকিল।

ইংৰাজক অসমীয়া মানুহে আদৰণি জনাইছিল। মানৰ অত্যাচাৰত অসমীয়া মানুহ ইমান জৰ্জৰিত হৈছিল যে ইংৰাজৰ পৰা তেওঁলোকে উদ্ধাৰ পালে বুলি ভাবিছিল আৰু সকলো ঠাইতে ইংৰাজক জয়ধ্বনি আৰু হৰিধ্বনি দিছিল। নেতৃস্থানীয় পুৰুষসকলেই ইয়াৰ গুৰি ধৰিছিল। হৰনাথেও ইয়াত যোগ দিছিল। তেওঁৰ ইংৰাজ বিষয়াৰ লগত পৰিচয় ঘটে। তেওঁ চাকৰি এটা বিচাৰি এছিষ্টেণ্ট এজেণ্ট কেপ্তেইন নিউৱিলক দেখা কৰে। তেতিয়া তেওঁৰ বয়স ওঠৰ বছৰ। যৌৱনত ভৰি দিছে, উন্নত বুকু, দীপ্ত মুখমণ্ডল, চকুত তীক্ষ্ণ বুদ্ধি। কেপ্তেইনে তেওঁৰ সৈতে কথা পাতিয়েই বুজিলে যে তেওঁৰ তেজ আছে, গুণ আছে। তেওঁ হৰনাথক এজেন্সি-মহৰি কামত নিযুক্ত কৰিলে। কিছুদিনৰ পিচত মেজৰ মেথিয়ে তেওঁক পঞ্চায়ত মহৰী কৰি আনে। কৰ্ণেল হোৱাইটে তেওঁক ১৮৩২ চনত দাৰোগা বিষয় দি লক্ষীমপুৰলৈ বদলি কৰে। তেওঁ ১৮৩৩ চনৰ এপ্ৰিললৈ দাৰোগা কাম কৰে।

[২] পিয়লি পৃঃ ২৮।

★★

তিনি

ৰজা পুৰন্দৰ সিংহ

গৱৰ্ণৰ জেনেৰেলৰ এজেণ্ট ডেভিদ স্কট কমিছনাৰ হৈ দেশৰ পূৰ্বৰ শাসন পদ্ধতিৰ সংস্কাৰ কৰিবলৈ ধৰিলে। বিশেষকৈ পাইক প্ৰথাৰ আমূল পৰিবৰ্তন অনা হ'ল। নতুনকৈ জমা বন্দৱস্তী কৰা হ'ল। জমা ৩৫০০০ তকৈ বেচি নহৈছিল। ১৮২৫ চনৰ মে মাহত ৰংপুৰৰ ৰাজনৈতিক এজেণ্ট নিউৱিল (নৱীন) চাহাবে মণিৰাম দেৱানক চিৰস্তাদাৰ পাতিলে। চিৰস্তাদাৰ হৈয়েই মণিৰামে জমাৰ নিৰিখ বহুত বঢ়াই দিলে। ৩৫০০০ ৰ পৰা '১৮২৮।২৯।৩০ চনত বাকী পৰি থকা খাজনা আদায় কৰা সৈতে ক্ৰমান্বয়ে এক লাখ কুৰি হেজাৰ, এক লাখ বাইছ হেজাৰ আৰু এক লাখ পচিছ হেজাৰ টকা জমা হলগৈ'। অন্যান্য সংস্কাৰবো প্ৰৱৰ্তন কৰা হল।

আগৰ প্ৰতিশ্ৰুতি মতে ইংৰাজে আহোম ৰাজবংশৰ এজনক ৰাজ্য ঘুৰাই নিদিয়াৰ বাবে কিছুসংখ্যক ডা-ডাঙৰীয়াৰ মাজত অসন্তুষ্টিয়ে দেখা দিছিল। মণিামৰ সংস্কাৰত তেওঁলোক আৰু জকি উঠিল। ১৮২৮ চনৰ পৰা ১৮৩০ চনলৈ কেইবাবাৰো বিদ্ৰোহ জ্বলে।

ঘনে ঘনে ঘটি থকা বিক্ষোভ অশান্তিবিলাকে ডেভিদ স্কটক চিন্তিত কৰে। তেওঁ ভাবি চিন্তি আগৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰি উজনি খণ্ডক পুৰন্দৰ সিংহক ৰজা পাতি শাসন কৰিবলৈ দিবলৈ গৱৰ্ণমেণ্টক পৰামৰ্শ দিয়ে। অলপ পিচতে তেওঁৰ মৃত্যু হয়। তেওঁৰ ঠাইত ৰবাৰ্টছন এজেণ্ট আৰু কমিছনাৰ হয়। তেওঁ গুৱাহাটীত পুৰন্দৰ সিংহক লগ ধৰে আৰু তেওঁ বিশ্বাস উপজিল যে পুৰন্দৰ সিংহ এজন উপযুক্ত ৰজা হব পাৰিব। তেওঁ চৰকাৰক পুৰন্দৰ সিংহক ৰজা পাতিবলৈ অনুমোদন

কৰে। চৰকাৰে এই অনুমোদন ৰাখে। পুৰন্দৰৰ লগত ১৮৩৩ মাৰ্চ ২ তাৰিখে এখন সন্ধিপত্ৰ চৰকাৰৰ হৈ ৰবাৰ্টছনে চহী কৰিলে। ৰজাক দিয়া ৰাজ্যখনৰ সীমা আছিল এইদৰে :—ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে, বিশ্বনাথ-কাছজানৰ পৰা দিহিং মুখলৈ ; দক্ষিণ পাৰে, ধনশিৰী নৈৰ পৰা বুঢ়ীদিহিঙলৈ ; উত্তৰে পৰ্বত, দক্ষিণে পৰ্বত। সন্ধিপত্ৰৰ প্ৰধান সৰ্ত আছিল, ৰজাই কোম্পানীক বছৰি পঞ্চাছ হেজাৰ টকা কৰ দিব।

১৭৫৫ শক বহাগৰ ৮ তাৰিখে শাস্ত্ৰানুযায়ী অভিষেক উৎসৱ পাতি পুৰন্দৰ সিংহ ৰাজসিংহাসনত বহে। পলিটিকেল এজেণ্ট এডেম হোৱাইটে সন্ধিৰ সৰ্তবিলাক বুজাই দি পুৰন্দৰ সিংহক ৰাজ্যভাৰ অৰ্পণ কৰে। লগে লগে ১৯ জঁাই হিলৈ মৰা হৈছিল। স্বৰ্গদেউক তেতিয়াৰ পৰা মহাৰাজ পুৰন্দৰ সিংহ নৰেন্দ্ৰ বুলি সকলোৱে শ্ৰদ্ধা কৰিবলৈ ধৰে। ৰজাই পূৰ্বৰ প্ৰথা অনুযায়ী নিজৰ পাত্ৰ-মন্ত্ৰী, বিষয়-বৰীয়াসকল নিযুক্ত কৰে, হৰনাথক পৰ্ব্বতীয়া বৰুৱা আৰু বোৰকাৰী নবিছ পাতে। হৰনাথেও নতুন দায়িত্ব গ্ৰহণ কৰি নিষ্ঠা আৰু দক্ষতাৰে স্বৰ্গদেৱৰ সেৱা কৰিবলৈ ধৰে। তেওঁৰ ভায়েক গোপালক ৰজাই ভঁৰালী বৰুৱা পাতে।

দুদিন নৌযাওঁতেই ব্ৰিটিছ চৰকাৰে আপশোচ কৰিবলৈ ধৰিলে যে পুৰন্দৰ সিংহক ৰাজ্য দিয়াটো ভুল হল। সেই কাৰণে সন্ধিপত্ৰখন খণ্ডন কৰি ১৮৩৩ চন ২৭ জুন তাৰিখে ৰজাক এখন চুক্তি গ্ৰহণ কৰিবলৈ কোৱা হল। নিৰুপায় হৈ ৰজাই এই চুক্তি মানি ললে। এই চুক্তি মতে ৰজাই একে ৰাতিতে মহাৰাজৰ ঠাইত যোৰহাট মহকুমাৰ জাই-গীৰদাৰ হল। বঙ্গ চৰকাৰে পুৰন্দৰ সিংহক ৰাজ্যখণ্ড দিয়াত বিলাতৰ ডিৰেক্টৰসকলৰ কৰ্ট (Court of Directors) অত্যন্ত বিতুষ্ট হৈছিল। কিন্তু ৰজাক জমীদাৰ খাপলৈ নমায়ে ব্ৰিটিছ চৰকাৰ সন্তুষ্ট হৈ থাকিব নোৱাৰিলে। এই খণ্ডৰাজ্য আছিল ৰত্নগৰ্ভা, শস্য-শ্যামলা, ধনে-সোণে পূৰ্ণা। কেনেকৈ ৰাজ্যখন ৰজাৰ পৰা কাঢ়ি লব পাৰি তাৰ চেলু বিচাৰি ফুৰিবলৈ ধৰিলে। চেলু পাবলৈ বেচিদিন নেলাগিল। ৰজাৰ শাসনত কিছুমান ত্ৰুটি-বিচ্যুতি ঘটিছিল। ৰজাৰ বিপক্ষ দলো আছিল। এইদলে সঁচাই-মিছাই ৰজাৰ বিৰুদ্ধে কমিছনাৰ জেনকিনচক লগাই আছিল; বেনামী দৰ্খাস্তও দিছিল। আটাইতকৈ মাৰাত্মক কথা হল

ৰজাই নিয়মিত ভাৱে লালবন্দী দি থাকিব পৰা নাছিল। জেনকিঞ্চে ৰজাৰ বিৰুদ্ধে কৰা অভিযোগবিলাক নিজে তদন্ত কৰে। ৰজা পুৰন্দৰ সিংহই ১৮৩৪ চন এপ্ৰিলৰ আগত এজন প্ৰজাবৎসল ৰজা বুলিয়েই খ্যাতি লাভ কৰিছিল। ১৮৩৮ এপ্ৰিল ৪ তাৰিখৰ চিঠিৰে জেনকিঞ্চে চৰকাৰক জনালে যে ৰজা পুৰন্দৰ সিংহ 'a rapacious miser, one of the worst characters we could have put over the unfortunate country.' [৩] 'কৃপণ খকুৱা এজন, তাৰে এগৰাকী, যিসকল অধম চৰিত্ৰক আমি এই দুৰ্ভগীয়া দেশখনৰ ওপৰত জাপি দিব পাৰিলোহেঁতেন।' বেনামী দৰ্খাস্ত এখনকে প্ৰমাণ স্বৰূপে দাঙ্গি ধৰা হল। ফলতঃ ১৮৩৮ চনৰ চেপ্তেম্বৰ ১৬ তাৰিখে তেওঁৰ জাইগীৰ কাঢ়ি লোৱা হ'ল।

[৩] HCIP IX পৃঃ ১৩৫।

চাৰি

হৰনাথে পুনৰ ইংৰাজৰ বিষয় লয়

ইংৰাজে পুনৰ শাসনভাৰ লোৱাত কেপ্তেইন হেনেই হৰনাথ পৰ্ব্বতীয়া বৰুৱাক ৰেজিষ্টাৰ মহৰি পাতে। ইয়াৰ কিছুদিন পিচত হৰনাথ ৰেজিষ্টাৰ নবিচ হয়। ৮।২।৩৯ তাৰিখে ব্ৰদি (বৰতি) চাহাবে হৰনাথক শিৱসাগৰৰ দাৰোগা পাতে। কিন্তু ২।১।১৮৪০ তাৰিখে হৰনাথ দাৰোগা পদৰ পৰা গৈ পেস্কাৰ হয়গৈ।

১৮৪৪ নবেম্বৰৰ ১৯ তাৰিখে হৰনাথক গোলাঘাটৰ দাৰোগা পতা হয় আৰু এই পদত ১৮।৬।১৮৪৮ তাৰিখে নিগাজী হয়। হৰনাথ গোলাঘাটৰ দাৰোগা হৈ থকা কালতেই শিৱসাগৰৰ কাছাৰী ঘৰত কোনোবা দুৰ্ব্বৃত্তই জুই লগাই দিয়ে। শিৱসাগৰৰ দাৰোগা আৰু ইংৰাজ বিষয়াসকলেও

বহুত অনুসন্ধান কৰি দুৰ্বৃত্তক ধৰিব নোৱাৰিলে। তেতিয়া কৰ্তৃপক্ষই কোনেবাই দুৰ্বৃত্ত ধৰিব পাৰিলে আগবাঢ়ি আহিবলৈ ক'লে। তেতিয়া হৰনাথে ধৰিব পাৰিম বুলি কৰ্তৃপক্ষক জনালে। কৰ্তৃপক্ষই আগ্ৰহেৰে তেওঁক তদন্তৰ ভাৰ দিয়ে। তেওঁ তিনিমাহ ধৰি দুৰ্গম দুৰ্গম ঠাই-বিলাকত দিনে ৰাতিয়ে জোৰ অনুসন্ধান চলাই দুৰ্বৃত্তক গ্ৰেপ্তাৰ কৰে। এই কাম কৰোঁতে তেওঁ বহু বিপদৰ সন্মুখীন হৈছিল, দুৰ্বৃত্তই তেওঁৰ প্ৰাণ নাশ কৰিবলৈ কেইবাবাৰো চেষ্টা কৰি নিৰাশ হৈছিল। এই মোকৰ্দমাত তেওঁৰ সুখ্যাতি ফাটি-ফুটি যায়। চৰকাৰে তেওঁক স্বীকৃতি স্বৰূপে ১৮৪৭ চনৰ অক্টোবৰ ১১ তাৰিখে ১০০০্ (এহেজাৰ) টকা আৰু এখন চাৰ্টিফিকেট দিয়ে।

১৮৫০ চনত তেওঁ যোৰহাট থানালৈ বদলি হৈ আহে, আৰু ১৮৫৮ ফেব্ৰুৱাৰীলৈকে এই থানাৰ দায়িত্ব বহন কৰে। মানৰ দিনত দেশৰ শান্তিৰক্ষা ব্যৱস্থা সম্পূৰ্ণ ভাঙ্গি পৰে। দেশখন চোৰ-ডকাইত, দুৰ্দান্ত দুৰ্বৃত্তেৰে ভৰি পৰে। কাৰো শান্তি আৰু নিৰাপত্তা নাছিল। চুৰি-ডকাইতি, লুট-পাট, খুন-জখম, অগ্নিদাহ সাধাৰণ কথা হৈ পৰিছিল। মানুহে ত্ৰাসৰ মাজেদি দিন নিয়াব লগাত পৰিছিল। ইংৰাজে মানক খেদি শাসন চলাবলৈ ললে যদিও যথোপযুক্ত পুলিচ ব্যৱস্থা কৰিব পৰা নাছিল। ৰজা পুৰন্দৰ সিংহৰ দিনতো বিশেষ একো কৰিব পৰা হোৱা নাছিল। পুনৰ যেতিয়া ইংৰাজে ৰাজ্য লয় তেতিয়া সকলো শ্ৰেণীৰ দস্যু-দুৰ্বৃত্তক দমন আৰু নিৰ্মূল কৰাটোৱেই প্ৰথম কথা হৈ উঠিছিল। দাৰোগা হিচাবে হৰনাথে এই কঠোৰ দায়িত্ব পালন কৰোঁতে উগ্ৰ সাহ আৰু দৃঢ়তা দেখুৱাইছিল। তেওঁ এফালৰ পৰা দুৰ্বৃত্ত-বিলাকক খেদি খেদি দমন কৰিছিল। তেওঁ কেইবাটাও ডাঙৰ ডাঙৰ ডকাইতিৰ ডকাইত ধৰিছিল। তেওঁ এনেকুৱা সন্ত্ৰাসৰ সৃষ্টি কৰিলে যে চোৰ-ডকাইত দুৰ্বৃত্তই তেওঁৰ নাম শুনিলেই ভয়ত কঁপিছিল। তেওঁৰ যেন এটা তৃতীয় চকু আছিল, মানুহ দেখিলেই ধৰিব পাৰিছিল চোৰ-ডকাইত নে সৎ মানুহ। তেওঁ সকলো শ্ৰেণীৰ দুষ্ট-দুৰ্জনক মষিমূৰ কৰিলে। জনসাধাৰণ ভীতি-মুক্ত হ'ল আৰু শান্তিৰে শুৱ পৰা হ'ল।

★★

পাঁচ

হৰনাথ গোলাঘাটৰ সদৰামীন

হৰনাথে যোৰহাট থানাৰ ভাৰ লৈ থাকোঁতেই চিপাহী বিদ্ৰোহ ঘটে আৰু তেওঁ কঠোৰ ভাৱে বিদ্ৰোহ দমন কৰে। ডাঃ কেৰামত আলিয়ে সাক্ষী হৈ কৈছিল যে চিপাহীয়ে ১৮৫৭ আগষ্ট ২৯ তাৰিখে ৰাতিয়েই যোৰহাটলৈ গৈ হৰনাথ পৰ্ব্বতীয়া বৰুৱাৰ মূৰ কাটি পেলাবলৈ বিচাৰিছিল (Let us go this night to Joorhaat. First cut Haranath Barooah's head off।' এই ষড়যন্ত্ৰমতে হৰনাথৰ মূৰ কাটিব নোৱাৰিলে যদিও চিপাহী আৰু অন্যান্য শত্ৰুবিলাকে তেওঁক প্ৰাণে মাৰিবলৈ চল চাই ফুৰিছিল। এদিন তেওঁ থানাত বহি থাকোঁতে অতৰ্কিতে দুজন চিপাহী সোমাই আহি তৰোৱাল উলিয়াই তেওঁক কাটিবলৈ আগবাঢ়ি আহিল। তেওঁ তেতিয়া তললৈ মূৰ কৰি কাম কৰি আছিল। ওচৰৰ দুজন পুলিচে দেখি চিঞৰ বাখৰ লগালে। হৰনাথে মূৰ তুলি সিহঁতক দেখি তৎক্ষণাৎ এজনক ধৰি পেলালে আৰু আনজনক পুলিচ দুজনে বাধা দিলে। দুয়োজন চিপাহীকে গ্ৰেপ্তাৰ কৰা হ'ল। হৰনাথ ৰক্ষা পৰিল। তেওঁ এনেকুৱা বিপদৰ সন্মুখীন কেইবাবাৰো হৈছিল। এইটো কথা শিৱসাগৰৰ চাহ খেতিয়কসকলে হলৰইডলৈ ১৮৫৮ এপ্ৰিল ১৬ তাৰিখে লেখা চিঠিত স্বীকাৰ কৰিছে:—'We would further beg that you will bring to the notice of Govt. the zeal and devotion shown by Haranath to its cause, at the imminent risk of his own life when, as you are aware, he alone among all his countrymen, stood prominently and fearlessly forward in the discharge of his duty.' অসমীয়া বহিজেও তেওঁক বিপুল সম্বৰ্দ্ধনা জনাইছিল আৰু দুৰ্যোৰ বিপদৰ পৰা ৰক্ষা কৰিলে বুলি মুক্তি কণ্ঠে স্বীকাৰ কৰিছিল। সেই কালত

লিখিত অভিনন্দন দিয়াৰ প্ৰথা নাছিল, ৰজাৰ ৰাজকাৰ্য্যও মুখে মুখেই চলিছিল। সেই কাৰণে কোনো ৰেকৰ্ড দঙ্গি ধৰিব পৰা নগ'ল।

নিজৰ প্ৰাণৰ ভয় কাতি কৰি থৈ অক্লান্ত আৰু অদম্য পৰিশ্ৰমেৰে বিদ্ৰোহ ধ্বংস কৰি সকলোকে ৰক্ষা কৰাৰ স্বীকৃতি স্বৰূপে ইংৰাজ চৰকাৰে হৰনাথক ১৮৫৮ ফেব্ৰুৱাৰী ১৮ তাৰিখে গোলাঘাটৰ সদৰামীন পাতে। ১৮৫৮ জুলাই ১লা তাৰিখে তেওঁক ৰায়বাহাদুৰ উপাধি প্ৰদান কৰি সন্মানিত কৰা হয়। ১৮৬০ জুলাই ৭ তাৰিখে তেওঁক ১০০০ বিঘাৰ লাখেৰাজ দিয়া হয়। বোধকৰো এৱেঁই অসমৰ একমাত্ৰ জাইগীৰদাৰ। সদৰামীন হৈ থকা কালত তেওঁক সময়ে সময়ে উচ্চ পদৰ আৰু উচ্চ ক্ষমতাৰ ভাৰ দিয়া হৈছিল। ১৮৬২ চেপ্তেম্বৰ ৮ তাৰিখে থৰ্নটন ছুটিত যোৱাত তেওঁক ই, এ, চি আৰু ডেপুটি কালেক্টৰৰ ভাৰ দিয়া হৈছিল। ১৮৬৪ এপ্ৰিল ১৩ তাৰিখে তেওঁক শিৱসাগৰ জিলাৰ ডেপুটি কালেক্টৰৰ ক্ষমতা দিয়া হৈছিল। তেনেকৈ ১৮৬৪ ডিচেম্বৰ ২২ তাৰিখে চৰকাৰে তেওঁক নগাওঁ আৰু শিৱসাগৰ জিলাৰ মেজিষ্ট্ৰেটৰ ক্ষমতা দিছিল।

গোলাঘাটৰ এছ, ডি, ও (মহকুমাধিপতি)ৰ গুৰু ভাৰো তেওঁৰ ওপৰতে আছিল। তেওঁ ইংৰাজী ভালকৈ নেজানিছিল। সেই কাৰণে কামৰ সুবিধাৰ কাৰণে পিচত এজন চাহাব ই, এ, চিক মকৰল কৰা হৈছিল। ই, এ, চি জনে বৰ্তমান য'ত গোলাঘাটৰ কাছাৰী আছে সেই ঠাইতে নকৈ অফিচ ঘৰ এটা সজাবলৈ যো-জা কৰিছিল। ইয়াৰ কাৰণে নাহৰ খুটা যোগাৰ কৰিছিল। নাহৰ খুটাবিলাক ধনশিৰী নৈয়েদি অনোৱা হৈছিল। নৈৰ পৰা খুটাবিলাক পাৰলৈ তুলিবলৈ হাতী লগোৱা হৈছিল। গড়া থিয় আছিল। হাতীয়ে খুটাবিলাক টানি ওপৰলৈ তুলিব নোৱাৰিলে। ই, এ, চিয়ে বহুত টকা খৰচ কৰিছিল কিন্তু অথলে গ'ল। তেওঁ বিমোৰত পৰিল, সদৰামীনক এটা উপায় উলিয়াবলৈ কলে। সদৰামীনে মুদৈগাওঁ, নৰাগাওঁ, কুমাৰগাওঁ আৰু কৈৱৰ্ত গাৱঁৰ ৰাইজক মতাই আনিলে। লগে লগেই ৰাইজ আহি উবুৰি খাই পৰিলহি আৰু নাৰিকল আৰু শণৰ ৰছিৰে খুটাবিলাক বান্ধি বাহেদি ওপৰলৈ তুলি আনিলে; দুঘণ্টা সময়ো নালাগিল; খৰচো পৰিল সামান্য।

নতুন ইংৰাজ কৰ্মচাৰী আহিলেই সদৰামীনক দেখা কৰিছিল আৰু সকলো গুৰু কাম তেওঁৰ পৰামৰ্শ মতেহে কৰিছিল। সদৰামীনৰ সকলো কামেই নিয়াৰি আৰু নিৰ্খুঁত আছিল; যি কোনো কামতে হাত নিদিয়ক সেই কামৰ সাফল্যই তেওঁক উচ্চ কৰ্তৃপক্ষৰ প্ৰশংসাভাজন কৰিছিল। নগাসকলে ১৮৭০ চনত গোলাঘাট অঞ্চলত উপদ্ৰৱ কৰিছিল। তেওঁ এই উপদ্ৰৱ দমন কৰে। নগা পাহাৰত ন-কৈ পতা সদৰ কাৰ্য্যালয় চামাগুটিং নগৰলৈ গোলাঘাটৰ পৰা এটা আলি বন্ধোৱা হৈছিল। এই আলি বান্ধোতে সদৰামীনে বিশেষ ভাৱে সহায় কৰিছিল, এটা প্ৰস্তাৱ যোগে বঙ্গ চৰকাৰে ইয়াৰ স্বীকৃতি দিছিল। গৌৰী চৰণ বৰবৰাই কৈছে :— 'Haranath Parbatia Barua was a very tactful and capable officer of the time, though he did not know English. He was a Police Inspector, Jorhat and for his meritorious service, he was promoted and became S. D. O. Golaghat': [৪] 'হৰনাথ পৰ্ব্বতীয়া বৰুৱা সেই কালৰ এজন অতি বুদ্ধিমান আৰু কৰ্মদক্ষ বিষয়া আছিল। তেওঁ যোৰহাটৰ পুলিচ পৰিদৰ্শক আছিল আৰু তেওঁৰ প্ৰশংসনীয় চাকৰিৰ কাৰণে পদোন্নতি হৈছিল আৰু তেওঁ গোলাঘাটৰ এছ, ডি, ও হৈছিল'।

জজৰ দায়িত্ব নিৰ্বাহ কৰাই অৰ্থাৎ ন্যায় সোধাই সদৰামীনৰ প্ৰধান কৰ্তব্য আছিল। জজ হিচাবেও তেওঁ প্ৰখৰ বিচাৰ বুদ্ধি, প্ৰতিভা প্ৰদৰ্শন কৰে। তেওঁৰ ৰায় ওপৰৰ আদালতেও কৰ্তন কৰিবলৈ সুৰুঙা নাপাইছিল। তেওঁৰেই ৰায় বাহাল ৰাখি প্ৰিভি কাউন্সিলে কেৰি কলিতানী বনাম মণিৰাম আপিলত ঘোষণা কৰিলে :— 'Property once vested cannot be divisted by reason of subsequent loss of chastity.' সদৰামীনে ৰায় দিছিল ১৮৭০ চনৰ ২৪ মাৰ্চ তাৰিখে। এইটো হিন্দু আইনৰ এটা যুগমীয়া নজীৰ।

ন্যায়পৰায়ণতাই সদৰামীনক সকলোৰে শ্ৰদ্ধাভাজন কৰি তুলিছিল। তেওঁ বিপক্ষ দলৰ মাজত সদ্ভাৱ স্থাপন কৰাত সহায় কৰিছিল। সকলোৰে প্ৰতি সহানুভূতিশীল আছিল। দীন-হীন জনক বিশেষকৈ সহায়

[৪] Table পৃঃ ৭।

কৰিছিল। নিবনুৱাক কাম-কাজৰ উপায় কৰি দিছিল। ভূমিহীনক ভূমি পত্তন পোৱাৰ ব্যৱস্থা কৰি দিছিল, বিশেষকৈ মটক শ্ৰেণীৰ বহু মানুহক মাটি দিছিল। সদৰামীন ৰাইজৰ আপোন আছিল, শ্ৰদ্ধাৰ পৰম আস্পদ আহিল।

ছয়

সদৰামীনৰ আদৰ্শ ধৰ্ম জীৱন

মানৰ দিনত যদিও ভয় আছিল তথাপিও আউনীআটী সত্ৰত নাম-প্ৰসঙ্গ চলি আছিল। সকলোৱে বিপদৰ পৰা উদ্ধাৰ কৰিবলৈ বিপদভঞ্জন, ভকততাৰণ দীনদয়াশীল মহাপ্ৰভুৰ ওচৰত স্তুতি-মিনতি কৰিছিল। হৰনাথেও নাম-প্ৰসঙ্গত যোগ দিছিল। ভকতৰ পৰা গোবিন্দ মহাপ্ৰভুৰ লীলা-কাহিনী আৰু নাম-মাহাত্ম্য শুনি ভোল গৈছিল, প্ৰভুক স্তুতি-প্ৰাৰ্থনা কৰিবলৈ শিকিছিল। পঢ়া-শুনা কৰিবলৈ সুচল নাছিল, মানৰ ভয়ত পঢ়া-শুনাত মনোযোগ দিয়া সম্ভৱপৰো নাছিল। হৰনাথে প্ৰভুৰ নাম-কীৰ্তন শুনি আৰু ঘোষা পদ-গীত গাই তন্ময় হৈছিল। তেওঁৰ বয়সৰ কোমল অন্তৰত ধৰ্মবোধে দ ৰেখাপাত কৰে আৰু তেতিয়াৰ পৰাই তেওঁৰ মন ভগৱন্মুখী হয় আৰু ভগৱানৰ প্ৰতি তেওঁৰ গভীৰ ভক্তি ওপজে। সেই কালত আজিৰ দিনৰ স্কুল-কলেজ নথকাৰ পৰা এক-প্ৰকাৰ মঙ্গলেই হৈছিল। মাকৰ পৰাই পুতেকে ৰামায়ণ, মহাভাৰত, ভাগৱত আদিৰ কথাবিলাক শিকিছিল; ঘোষা-পদ, বৰগীত গাবলৈ শিকিছিল। ইয়াৰ ফলত পুতেকৰ নৈতিক চৰিত্ৰ শক্তিশালী হৈছিল। পুতেক ঈশ্বৰবিশ্বাসী হৈছিল, মাতৃভক্ত হৈছিল। উনবিংশ শতাব্দী আৰু তাৰ আগত যিবিলাক ডাঙৰ মানুহে ভাৰতবৰ্ষত জন্ম লৈছিল, প্ৰত্যেক জনাই মাতৃভক্ত আছিল। হৰনাথেও মাক সুভদ্ৰাৰ পৰা ৰামায়ণ, মহাভাৰত, ভাগৱতৰ কথা, কীৰ্তন, নাম-ঘোষা আদি শিকিছিল। সেই

কাৰণে কোমল বয়সতেই তেওঁৰ অন্তৰত ঈশ্বৰ-ভক্তি অঙ্কুৰিত হৈছিল, তেনেকৈয়ে মাতৃ-ভক্তিও।

উপনয়নৰ পিচত নিয়মিত ভাবে সন্ধ্যা কৰিছিল, গায়ত্ৰী জপ কৰিছিল আৰু গোঁসাই ধূৱাইছিল। ইষ্ট দেৱতা আছিল শ্ৰীকৃষ্ণ, সেই কাৰণে গোঁসাই ঘৰত শ্ৰীকৃষ্ণৰ মূৰ্তি সিংহাসনত স্থাপন কৰা হৈছিল, এজন সন্ন্যাসীয়ে শালগ্ৰাম দি গৈছিল, শালগ্ৰাম গোঁসাইকো ভক্তিৰে স্থাপন কৰা হৈছিল। আন এগৰাকী সন্ন্যাসীয়ে দিয়া শিৱ লিঙ্গ এটিও গোঁসাই ঘৰত থাপি ভক্তিৰে পূজা কৰা হৈছিল। হৰনাথ প্ৰধানতঃ আছিল গোবিন্দ মহাপ্ৰভুৰ সেৱক; দৈনন্দিন সন্ধ্যা সমাপন কৰি, গোঁসাই ধুৱাই উঠি সদায় নাম-প্ৰসঙ্গ কৰিছিল। শঙ্খ, ঘণ্টা, তাল বাদ্য অপৰিহাৰ্য্য আছিল। সময় নোপোৱাত পিচলৈ গোঁসাই ধুৱা কাম এজন পুৰোহিতক দিয়া হৈছিল।

পৰ্ব্বতীয়া বৰুৱা হৈ থাকোতে হৰনাথে যোৰহাটৰ কাকতি গাঁৱৰ নিজা ঘৰত এটি গোঁসাইঘৰ সাজিছিল। গোঁসাইঘৰৰ ভেটি ডিঙ্গিলৈকে ওখ আছিল। ঘৰৰ খুটা ডাঙৰ, ৰাজসিক আছিল, বেৰবিলাক হেঙ্গুল হাইতালেৰে বোলোৱা হৈছিল, ওপৰ ভাগ নানা কাৰু-কাৰ্য্য খচিত আছিল; দৰ্শক মাত্ৰেই মুগ্ধ হৈছিল। এদিন ৰজা পুৰন্দৰ সিংহৰ বেটী ৰূপহী খাটনিয়াৰ পৰ্ব্বতীয়া বৰুৱাৰ ঘৰলৈ আহিছিল, ৰূপহীয়ে গোঁসাই ঘৰটি চাই অবাক হৈছিল আৰু উভতি গৈ ৰজাক লগালেগৈ। সেই দিনত ৰজাই কোনে কেনেকুৱা ঘৰ-বাৰী সাজিব, কেনেকুৱা কাপোৰ পিন্ধিব, কেনেকুৱা যান-বাহনত উঠিব আদি কথাবিলাক বান্ধি দিছিল। ৰজাই পৰ্ব্বতীয়া বৰুৱাক মতাই নি ৰাজতুল্য গোঁসাইঘৰ সজাৰ কথা সুধিলে। পৰ্ব্বতীয়া বৰুৱাই জনালে যে স্বৰ্গদেউৰ মঙ্গলৰ কাৰণেহে ঈশ্বৰক খাটিবলৈ গোঁসাইঘৰটি সজোৱা হৈছে আৰু ইয়াৰ পৰা স্বৰ্গদেউৰ যশস্যাহে বাঢ়িব। স্বৰ্গদেৱে সন্তোষ পাই পৰ্ব্বতীয়া বৰুৱাক ঈশ্বৰ-সেৱা কৰি ৰাইজৰ মতি ধৰ্ম-মুখী কৰিবলৈ উপদেশ দি বিদায় দিলে। ৰাজনৈতিক স্বাৰ্থ বজায় ৰাখিবলৈ ব্ৰিটিছে ৰজাৰ বিষয়ে যি কি নকওক, পুৰন্দৰ সিংহ একৰাকী উচ্চ স্তৰৰ আদৰ্শবাদী পুৰুষ আছিল। পৰ্ব্বতীয়া বৰুৱাই বুজিছিল যে ঘোষা-পদ, নাম-গীতেহে মানুহৰ অন্তৰত

গভীৰ ধৰ্মবোধ জগাব পাৰে। সেই কাৰণে তেওঁ যোৰহাটৰ কাকতি গাঁৱৰ নামঘৰৰ কাৰণে বহুত ঘোষা-পদ, নাম-গীত যুগুত কৰিছিল। এইবিলাক নাম-গীত আজিও কাকতি গাঁৱৰ নামঘৰত গোৱা হয়।

পৰ্ব্বতীয়া বৰুৱা গোলাঘাটত সদৰামীন হৈ থাকোতে এটি ডাঙ্গৰকৈ নাম ঘৰ সজাইছিল। নামঘৰৰ চাৰিওফালে নানা তৰহৰ ফুল-ফুলা গছ ৰুই দিছিল আৰু মনোমোহা ফুলনি পাতিছিল। বাৰেও মাহ বতৰ অনুযায়ী ফুল ফুলি সুশোভিত হৈছিল। ইয়ালৈ সোমোৱাৰ লগে লগে শান্তি পোৱা গৈছিল, মন জুৰ পৰিছিল, আধ্যাত্মিক ভাৱ সচেতন হৈ উঠিছিল। এই ধৰ্মানুষ্ঠানৰ নাম 'বৃন্দাবন' ৰখা হৈছিল। ভাটীৰ বৃন্দাবন যমুনা নৈৰ পাৰত। সেই কাৰণে পৰ্ব্বতীয়া বৰুৱাই দীঘলীয়া পুখুৰি এটি খন্দাই পুখুৰিৰ নাম থলে যমুনা। নিতৌ আবেলি ৬ বজাৰ পৰা ৰাতি ৯ বজালৈকে নাম-প্ৰসঙ্গ হৈছিল। পৰ্ব্বতীয়া বৰুৱাই নাম-প্ৰসঙ্গত যোগদান দিবলৈ সকলোলৈকে মুকলি নিমন্ত্ৰণ আগবঢ়াইছিল। বহু সংখ্যক ভক্তিপৰায়ণ লোক সদায় নামলৈ আহিছিল আৰু সাংসাৰিক দুখ-যন্ত্ৰণা পাহৰিছিল। নামৰ আৰম্ভণিৰ পৰা শেষলৈকে পৰ্ব্বতীয়া বৰুৱাৰ মন গোবিন্দ মহাপ্ৰভুৰ চৰণ দুখানি সাৱতি ধৰি থাকিছিল। মহাপ্ৰভুৰ চৰণত নিবেদন জনাইছিল:—

মোৰ জীৱ-ধন গোপীনাথ
প্ৰাণ গোপীনাথ পশিলো শৰণে।
মোৰ প্ৰাণ মন মজিয়া ৰহোক
তোমাৰ চৰণে॥

পৰ্ব্বতীয়া বৰুৱাই এই বৃন্দবন ধামত প্ৰধানকৈ জন্মাষ্টমী, দৌল আৰু নন্দোৎসৱ পাতিছিল। তেওঁ এই উৎসৱবিলাকত গাবলৈ বহুত ভক্তিমূলক নাম যুগুত কৰিছিল। এই নামবিলাক 'বৃন্দাবনীয়া নাম' বুলি জনাজাত হৈছিল। গোলাঘাটৰ কুমাৰ গাঁৱত নন্দোৎসৱৰ দিনা এই নামবিলাক আজিকালিও গোৱা হয়। তেওঁ গাঁৱৰ ৰাইজৰ মন ধৰ্মমুখী কৰিবলৈ অন্য ঠাইৰ পৰা ওজাপালি অনাই ওজাপালি শিক্ষা দিয়াইছিল। তেওঁৰ মন উদাৰ আছিল। তথাকথিত হীন জাতিবিলাককো তেওঁ নাম প্ৰসঙ্গলৈ আৰু উৎসৱবিলাকলৈ মাতিছিল। তেওঁলোক অতি উৎসাহেৰে দলে দলে

আহিছিল আৰু নামৰ প্ৰসাদ লৈ ভক্তি-গদ্গদ হৃদয়েৰে উভতি গৈছিল। তেওঁৰ মন ধৰ্মীয় গোঁড়ামি, পক্ষপাত-দোষৰ পৰা মুক্ত আছিল, ব্ৰিটিছ ডেপুটি কমিছনাৰেও তেওঁৰ শলাগ লৈছে :—'Freedom from religious bias—though a firm and conscientious adherent to your national religion.' পৰ্ব্বতীয়া বৰুৱাই প্ৰতি বছৰ পূজাৰ বন্ধত আউনীআটী, দক্ষিণপাট, গড়মূৰ, কমলাবাৰী, বেঙেনাআটী আদি মুখ্য সত্ৰলৈ গৈ ঈশ্বৰ পুৰুষসকলক দৰ্শন কৰিছিল, নাম কীৰ্ত্তন কৰিছিল আৰু যথা শক্তি দান বৰঙণি আদি আগবঢ়াইছিল। তেওঁ আউনীআটী সত্ৰৰ গোবিন্দ মহাপ্ৰভুৰ মণিকূটটি পিতলৰ চালেৰে ছোৱাই দিছিল আৰু এজোৰ তামৰ দুৱাৰো দিয়াইছিল। 'ব্ৰহ্মপুত্ৰৰ খহনিত সত্ৰ স্থানান্তৰ কৰিবলগীয়া যোৱাত মণিকূটৰ পিতলৰ চালখন খহাই তাৰে সত্ৰৰ জকা শৰাই আদি ভালেমান সজুলি কৰোৱা হয়। তামৰ দুৱাৰজোৰ এতিয়াও আউনীআটী সত্ৰৰ ৺গোবিন্দ প্ৰভুৰ মণিকূটত লগোৱা থাকি হৰনাথ পৰ্ব্বতীয়া বৰুৱাৰ অচলা ভগৱদ্ ভক্তিৰ অক্ষয় কীৰ্তি ঘোষণা কৰিব লাগিছে' [৫]।

---

[৫] দীপিকা পৃঃ ২৭।

সাত

পৰ্ব্বতীয়া বৰুৱাৰ ব্যক্তিত্ব

হৰনাথৰ স্বাস্থ্য সৰুকালত ভাল নাছিল। বিপদত মানুহৰ শুই থকা শক্তি, অন্তৰ্নিহিত শক্তি জাগ্ৰত হয়। মানৰ ভয়ত পলাই ফুৰোঁতে নাবালক হৰনাথৰ মনোবল সাৰ পালে আৰু শাৰীৰিক শক্তিও বাঢ়িবলৈ ধৰিলে। মাজুলীত থকা কেইবছৰত তেওঁৰ স্বাস্থ্য বহুখিনি ভাল হয় আৰু তাৰ পিচৰ পৰাই তেওঁৰ স্বাস্থ্যৰ ক্ৰমশঃ উন্নতি হয়। যৌৱনত যেতিয়া ভৰি দিয়ে তেতিয়া হৰনাথৰ ডেকা তেজ ফুটিবলৈ ধৰে।

যেতিয়া তেওঁ পূৰ্ণ অৱয়ব লাভ কৰে, তেতিয়া তেওঁ ওখই থাউকীয়াল, নাতি দীৰ্ঘ, নাতি হ্ৰস্ব, নোদোকা আছিল। দাৰোগা কাম কৰোঁতে তেওঁৰ শাৰীৰিক শক্তি দুৰ্জয় আছিল, অক্লান্ত, অতন্দ্ৰিত হৈ দিনৰ পিচত দিন কাম কৰি গৈছিল। কৰ্তব্য পালন কৰোঁতে ভাত-পানীও এৰিছিল। এৰিব নোৱাৰিছিল মাত্ৰ ইষ্টদেৱতৰে উপাসনা। মনৰ তেজ দিন দিন তীব্ৰতকৈ তীব্ৰতৰ হৈ উঠিছিল। তেওঁৰ চকুৰ পৰা যেন জুইহে ওলাইছিল। জনসাধাৰণে তেওঁৰ চকুলৈ চাবলৈ সাহ নকৰিছিল। শাৰীৰিক সাহ আৰু মানসিক সাহ অসীম আছিল। চোৰ-ডকাইত, দস্যু-দুৰ্বৃত্ত ধৰোঁতে, বিদ্ৰোহ দমন কৰোঁতে তেওঁ বহু বিপদৰ সন্মুখীন হবলগীয়া হৈছিল। কিন্তু তেওঁ কোনো বিপদকে বিপদ বুলি গণ্য নকৰিছিল; দৃঢ়তাৰে সকলো বিপদ-আপদ পাৰ হৈ য'তে কি লুকাই নাথাকক অপৰাধীক ধৰিছিল আৰু সফলকাম হৈ তৃপ্তি লাভ কৰিছিল। তেওঁৰ প্ৰচণ্ড ব্যক্তিত্বক অপৰাধীয়ে ভয় কৰিছিল, শ্ৰদ্ধা কৰিছিল। পৰিস্থিতিৰ অনুধাৱন আৰু খৰতকীয়া ব্যৱস্থা গ্ৰহণ কৰাত তেওঁ তিখৰ আছিল। মানৱ চৰিত্ৰও ভালকৈ জানিছিল। তেওঁ সহজে মানুহক মুহিব পাৰিছিল, মানুহৰ ৰপৰত প্ৰভাৱ বিস্তাৰ কৰিব পাৰিছিল। ব্যক্তিগত আদৰ্শেৰে সহকৰ্মীসকলক অনুপ্ৰাণিত কৰিছিল, অধীনস্থ কৰ্মচাৰীৰ পৰা আন্তৰিক সেৱা আদায় কৰিব পৰা শক্তিও তেওঁৰ সহজাত আছিল। যি সকল কৰ্মচাৰীয়ে তেওঁৰ লগত কাম কৰিছিল সেইসকলৰ শিৰাই শিৰাই হৰনাথৰ ব্যক্তিত্বৰ তেজে বিজুলি সঞ্চাৰিত কৰিছিল আৰু তেওঁলোকে দেহেকেহে তেওঁৰ দিহা মানি চলিছিল আৰু তেওঁক সেৱা কৰিৰিছিল। যিমানেই দিন গৈছিল সিমানেই তেওঁৰ মুখত আত্মবিশ্বাস আৰু ক্ষমতাৰ তেজ উদ্দীপ্ততৰ হৈ উঠিছিল।

দাৰোগা হৈ থকা কালত পৰ্ব্বতীয়া বৰুৱাৰ শৰীৰ আটিল আৰু বজ্ৰ সদৃশ আছিল, গলধন সুগোল, বুকু বহল আৰু উন্নত, হাত-ভৰি লোদোৰা লোদোৰ আৰু শক্তিশালী আছিল। সদৰামীন হোৱাৰ পিচত আৰু মঙ্গহীয়াল হৈ উঠিল, মুখ চালে লাৰুৱা গোপাল, পিয়াহ দুটা তললৈ ওলমি পৰিছিল। তেওঁৰ উদৰ ইমান বাঢ়িছিল যে তেওঁৰ খোৱা-লোৱা কষ্টকৰ হৈ উঠিছিল, লোথোৰা হাত চপাবলৈ টান পাইছিল, ভাত মুখলৈ দলি মাৰি দিয়াৰ নিচিনাকৈ খাইছিল। তেওঁ সকলোৰে

সৈতে মধুৰ অমায়িক ব্যৱহাৰ কৰিছিল আৰু তেওঁৰ সংস্পৰ্শলৈ অহা লোকসকলৰ অন্তৰ শান্ত আৰু উদ্বুদ্ধ হৈ পৰিছিল। জীৱনৰ শেহৰ ফালে তেওঁৰ মন মহাপ্ৰভু গোবিন্দৰ চৰণতে লীন হৈ আছিল, মুখত ভাৱ-তন্ময়তাই দেখা দিছিল ; গোটেই বদন মণ্ডলৰ পৰা পৱিত্ৰ জ্যোতি ফুটি উঠিছিল।

আঠ

সমাজ সেৱাত পৰ্ব্বতীয়া বৰুৱা

য'তেই কাম কৰিচিল ত'তেই পৰ্ব্বতীয়া বৰুৱা সকলোৰে শ্ৰদ্ধাভাজন আৰু বিশ্বাসভাজন হৈছিল। সেইদিনৰ অহংকাৰী প্ৰতাপী ব্ৰিটিছ অফিচাৰ বিলাকেও তেওঁক সমীহ কৰি চলিছিল আৰু উচ্চতম বিষয়ায়ো তেওঁৰ প্ৰতি সম্ভ্ৰম আগবঢ়াইছিল। ব্ৰিটিছ ডেপুটি কমিছনাৰ গ্ৰেগ'ৰী চাহাবে ১৮৬৮ জুলাই ১৫ তাৰিখৰ চিঠিত তেওঁলৈ লেখিছিল :—'My regard for your personal good qualities, esteem for the ability and integrity with which you have performed your public duties and the valuable services which you rendered to your state.' ইয়াৰ আগতে কমিছনাৰ জেনকিন্স চাহাবে ১৮৬১ জুলাই ১০ তাৰিখে মন্তব্য কৰিছিল :—'Babu Haranath Rai Bahadur has been so fortunate as to give satisfaction to all the officers he has served under in the various appointments he has been entrusted with, and I am aware that his superior officers had the highest esteem of his fidelity and ability.'

হলৰইড চাহাবে পৰ্ব্বতীয়া বৰুৱাক ইমান ভাল পাইছিল যে তেওঁ

পৰ্ব্বতীয়া বৰুৱাক এখন টম-টম গাড়ী উপহাৰ দিছিল। সকলো ব্ৰিটিছ অফিচাৰৰ ঘৰৰ দুৱাৰ পৰ্ব্বতীয়া বৰুৱাৰ কাৰণে খোলা আছিল। উচ্চ মৰ্য্যাদাৰ বিষয়াইয়ো তেওঁক আগবঢ়াই ভিতৰলৈ নি বহুৱাইছিল আৰু উভতি যাওঁতেও আগবাঢ়ি আহি বিদায় দিছিল। ঘৰুৱা পূজা-পাৰ্বণ, পূজা-পাতল, বিয়া-বাৰু আদিতো ব্ৰিটিছ অফিচাৰসকল আহি সানন্দে যোগদান কৰিছিল। মহাপ্ৰতাপী মহাৰাণী ভাৰত সম্ৰাজ্ঞী ভিক্টোৰিয়াৰ প্ৰতিনিধিসকলৰ পৰা এনেকুৱা মান-সৎকাৰ পাই অন্য কৰ্মচাৰীৰ মস্তিষ্ক বিকৃতি ঘটা হলে আচৰিত হবলগীয়া একো নাথাকিলহেঁতেন। বহুত ভাৰতীয় অফিচাৰৰ মূৰৰ বিকৃতি ঘটিছিলেঁা, তেওঁলোক পূৰ্ণ মাত্ৰাই চাহাব হৈ নিজৰ মানুহক হেয় জ্ঞান কৰিছিল। পৰ্ব্বতীয়া বৰুৱা যি আছিল সেই পৰ্ব্বতীয়া বৰুৱা হৈয়ে থাকিল। তেওঁ নিৰহঙ্কাৰী, নিৰভিমানী আছিল, কাকো তুচ্ছ জ্ঞান নকৰিছিল, কাকো সৰু বুলি নাভাবিছিল। স্বভাৱতে বিনয়ী, সকলোৰে প্ৰতি তেওঁ সদ্ভাৱ ৰাখিছিল, মিত্ৰতাপূৰ্ণ সম্পৰ্ক ৰক্ষা কৰিছিল, বিপদে-আপদে সকলোৰে খা-খবৰ লৈছিল, পাৰ্য্যমানে সহায় কৰিছিল। দীননাথ বেজবৰুৱা, প্ৰাণনাথ বেজবৰুৱা, কেশৰাম বৰুৱা, দিচিৰিগঞা সত্ৰৰ শ্ৰীশ্ৰীহেড়েম্বেশ্বৰ সত্ৰাধিকাৰ প্ৰভু, কৃষ্ণপ্ৰাণ চাংকাকতি আদিৰ সৈতে সদৰামীনৰ বিশেষ ঘনিষ্ঠতা আছিল। সদৰামীনৰ হুজনমান পুতেকক দিচিৰিগঞা সত্ৰাধিকাৰ প্ৰভুৱে সংস্কৃত শিকাইছিল। তেওঁৰ ঘৰ দৰ্শকেৰে ভৰি আছিল আৰু বন্ধু-বান্ধৱে তেওঁৰ অন্তৰত এখন কোমল ঠাই পাইছিল আৰু তেওঁৰ ওপৰত গভীৰ ভৰসা ৰাখিছিল। গোলাঘাট টাউনৰ পৰা তিনি মাইল দূৰত দিহিং সত্ৰ আছিল। এই সত্ৰৰ অধিকাৰৰ সৈতে সদৰামীনৰ আপোন ভাৱ আছিল। সত্ৰাধিকাৰ গৰাকীয়ে এই জগতৰ পৰা বিদায় লোৱাৰ আগক্ষণত তেওঁক মতাই ক'লে, তেওঁ আৰু বেচি দিন নাবাচে, আৰু সদৰামীনক অনুৰোধ কৰিলে সদৰামীনে যেন তেওঁৰ আদ্য-শ্ৰাদ্ধৰ সমুদায় কাম আগত থাকি তেওঁৰ ল'বাৰ হতুৱাই সুচাৰুৰূপে সমধা কৰায়। সদৰামীনে তেওঁক ক'লে, 'আপোনাৰ কাজ কৰাইহে যাম'। ১৮৭০ চনৰ শেহৰফালে সত্ৰাধিকাৰৰ মৃত্যু হৈছিল। সদৰামীনে শ্ৰাদ্ধৰ যাৱতীয় কাম নিজে আগত থাকি সুচাৰুৰূপে সম্পন্ন কৰাইছিল।

●●●

ন

ঘৰুৱা জীৱন

পৰ্ব্বতীয়া বৰুৱাই গঙ্গাৰাম বৰদলৈৰ জীয়েক হেমকান্তি আৰু ঘনকান্তিক বিয়া কৰিছিল। সেই কালত একাধিক বিবাহ ধৰ্মীয় আৰু সৌভাগ্য-বৰ্দ্ধক বুলি বিশ্বাস কৰা হৈছিল। গঙ্গাৰাম বৰদলৈ এগৰাকী বাক্‌সিদ্ধ বিদগ্ধ জ্যোতিষী পণ্ডিত আছিল। তেওঁৰ জীয়েক দুয়ো গৰাকী স্বাস্থ্যৱতী আৰু গুণৱতী আছিল। সেই দিনত স্ত্ৰী শিক্ষা নাছিল। দুয়োগৰাকীৰ শিক্ষা অ, আ, ক, খ তে শেষ হৈছিল। ঘৰ চলোৱাত, মানুহ চলোৱাত, দ্বতীয়া আছিল। ৰন্ধা-বঢ়া, বোৱা-কটাত কোনেও পেলাব নোৱাৰিছিল। চিপাহী বিদ্ৰোহৰ দিনত পৰ্ব্বতীয়া বৰুৱাৰ ঘনে ঘনে প্ৰাণ নাশৰ ভয় হৈছিল, দুয়োগৰাকী অত্যন্ত দুশ্চিন্তাগ্ৰস্তা হৈছিল কিন্তু ধৈৰ্য্য নেহেৰুৱাইছিল আৰু ঈশ্বৰৰ ওপৰত বিশ্বাস ৰাখি নিজ কৰ্তব্য পালন কৰি যাবলৈ মনত বল যোগাইছিল। দুয়ো গৰাকী ভক্তিপৰায়ণা আছিল। নিজৰ ঘৰৰ পূজা-পাতল, নাম কীৰ্তন যাতে নিয়মিত ভাৱে চলে তাৰ বাবে বিশেষ যত্ন লৈছিল। ঘৰখন সদায় আলহী-অতিথি সজ্জনেৰে ভৰপূৰ আছিল। তেওঁলোকৰ সেৱাত সকলোৱে সন্তোষ পাইছিল।

পৰ্ব্বতীয়া বৰুৱাই সাধাৰণতে ৰাতি ১২ বজাত শুইছিল আৰু দোক্-মোকালিতে উঠিছিল। শুই উঠি মূৰত ঠাণ্ডা পানী লোৱাতো তেওঁৰ নিয়মিত অভ্যাস আছিল। তাৰ পিচত তেওঁ প্ৰথমে সকতে মাক শুভদ্ৰাই শিকোৱা নাম, গীত-পদ একোটা গাইছিল। স্নান পুৱাতে কৰিছিল। গা ধুই গোঁসাই সেৱা কৰিছিল, সন্ধ্যা আহ্নিক কৰিছিল, গোঁসাই ধুৱাইছিল; আৰু ঘণ্টামান প্ৰসঙ্গ কৰিছিল। এনেকৈ গোঁসাই সেৱা নকৰাকৈ পানী টুপিও নাখাইছিল। সন্ধ্যাও এনেকৈয়ে ঈশ্বৰ সেৱা কৰিছিল।

ৰাতি পুৱাই শুই উঠি গা ধুই ধুতি কানি-কাপোৰ পিন্ধি গোঁসাইঘৰ মচাতো পৰ্বৰ্তীয়া বৰুৱাৰ পৰিবাৰদ্বয়ৰ প্ৰথম কৰ্তব্য আছিল। পৰ্বৰ্তীয়া বৰুৱাই গোঁসাইঘৰৰ কাম কৰিবলৈ কেইবাজনো বামুণ ৰাখিছিল, তেওঁৰ লগুৱা-লিকচৌৰো অভাৱ নাছিল। পৰ্বৰ্তীয়া বৰুৱাৰ পৰিবাৰদ্বয়ে পৱিত্ৰ অন্তঃকৰণেৰে নিতৌ পুৱাতে গোঁসাই ঘৰ মচা গৃহলক্ষীৰ প্ৰধান কৰ্তব্য বুলি বিশ্বাস কৰিছিল, সেই কাৰণে তেওঁৰ পৰিবাৰদ্বয়ে পুৱাতে উঠি সানন্দে গোঁসাইঘৰ মচিছিল, ধূপ-ধুনা দিছিল, গোঁসাইক স্তুতি-প্ৰাৰ্থনা, সেৱা জনাইছিল। তাৰ পিচতহে তেওঁলোকে জা-জলপান খাইছিল।

পৰ্ব্বতীয়া বৰুৱাই সাধাৰণ আহাৰ খাইছিল। চিৰা, কোমল চাউল, বৰা চাউল, দৈ, কল-কঠাল, ফল-মূল তেওঁৰ জলপান আছিল। তেতিয়া চাহ নাছিল। তেওঁ জহা চাউলৰ ভাত খাইছিল, লগত আছিল নানাবিধ মা-মছলা জলকীয়া নিদিয়া আঞ্জা-পাচলী। মাংস কাচিৎ খাইছিল, ৰৌ, চিতল, পাভ আদি মাছ খাইছিল। দিনত দৈ আৰু ৰাতি এৱাঁ গাখীৰেৰে আহাৰ সমাপন কৰিছিল। পৰ্ব্বতীয়া বৰুৱাই যাৱতীয় আহাৰ-সামগ্ৰী উৎপাদন কৰাৰ ব্যৱস্থা ঘৰতে কৰি লৈছিল আৰু ঘৰৰ বস্তুহে খাইছিল। সেই কালত ডা-ডাঙ্গৰীয়াসকলে ধুতি-নীতি মানি চলিছিল। তেৱোঁ এই বিষয়ে বিশেষ সংৰক্ষণশীল আছিল।

পৰ্ব্বতীয়া বৰুৱাই দাৰোগা কাম কৰোঁতে গাত খাজ-খাই থকা পোছাক পিন্ধিছিল আৰু টুপীও মূৰত লৈছিল, জোতাও পিন্ধিছিল। তেওঁ হাতী আৰু ম'হৰ গাড়ীৰে মফঃস্বল কৰিছিল। সদৰামীন হৈ আগ ভাগত মুগাৰ বা পাটৰ মিৰজাই চোলা আৰু পাটৰ চুৰীয়া পিন্ধিছিল আৰু মূৰত পাগুৰি মাৰিছিল, মসৃণ ভেলভেটৰ জোতা ব্যৱহাৰ কৰিছিল। পিচলৈ চোকা-চাপকান ব্যৱহাৰ কৰিছিল, ডিঙ্গিত আৰু হাতত ৰুদ্ৰাক্ষৰ মালা ধাৰণ কৰিছিল, কপালত চন্দনৰ ৰেখা লৈছিল। ঘৰত গুণাফুল বচা চাদৰ, চুৰীয়া আৰু খৰম ব্যৱহাৰ কৰিছিল। সদৰামীনে আড়ম্বৰ কি নাজানিছিল, সৰল জীৱন কটাইছিল, বিলাসিতা নকৰিছিল, কোনো প্ৰকাৰ বৰমানুহালি নেদেখুৱাইছিল। তেওঁৰ পৰিবাৰেও দুয়েও জাক-জমকীয়া সাজ-পোছাক ব্যৱহাৰ নকৰিছিল, জহাই নুফুৰিছিল, লোকৰ চকুত পৰাকৈ আনকি সোণৰ অলঙ্কাৰো পিন্ধি নুফুৰিছিল। তেওঁৰ

পৰিবাৰে এখন বিয়াত পানী তোলোতে মানুহৰ চকুত পৰিল যে তেওঁ ৰূপৰ খাৰুহে পিন্ধিছে, অথচ ঘৰত সোণৰ খাৰু এৰি থৈ আহিছে। এজনে সোধাত সদৰামীনে মিচিকাই হাঁহি উত্তৰ দিলে—'ৰূপৰ খাৰুহে বেচি শোভা পায়'।

প্ৰথম গৰাকী হেমকান্তিৰ সন্তান আছিল দীননাথ, কন্যা কেতেকী আৰু এটি পুত্ৰ, এইটি পুত্ৰ অকালতে ঢুকায়। দ্বিতীয় গৰাকী ঘনকান্তিৰ চাৰিটি পুত্ৰ, হলিৰাম, ধৰ্মেশ্বৰ, ভুবনেশ্বৰ আৰু টুনিৰাম, কন্যা ৰেৱতী আৰু খিৰেশ্বৰী। জ্যেষ্ঠ পুত্ৰ দীননাথে শিৱসাগৰত চিৰস্তাদাৰ কাম কৰিছিল। তেওঁ পত্নী মাহিন্দ্ৰী দেৱী আৰু দুটি পুত্ৰ এৰি অকালতে সংসাৰৰ পৰা বিদায় লয়। কনিষ্ঠ পুত্ৰৰ ১৪ বছৰ বয়সতে মৃত্যু হয়। জ্যেষ্ঠ ব্ৰজনাথ বৰুৱা চৰকাৰী স্কুলৰ সহকাৰী হেডমাষ্টৰ হৈছিল। সদৰামীনৰ মৃত্যুৰ পিচত হলিৰাম ই এ চি হৈছিল। এওঁৰো অকাল মৃত্যু ঘটিছিল। ধৰ্মেশ্বৰ মৌজাদাৰ হৈছিল। ভুৱনেশ্বৰে ঘৰুৱা সম্পত্তি চলাইছিল, কবিৰাজী জানিছিল, উচ্চস্তৰৰ নাড়ীজ্ঞানৰ অধিকাৰী আছিল। কনিষ্ঠ টুনীৰামে শিৱপুৰত ইঞ্জিনিয়াৰিং পৰীক্ষাত উত্তীৰ্ণ হৈ চৰকাৰী চাকৰিত সোমাইছিল কিন্তু ওপৰৱালাৰ লগত বনাবনি নোহোৱাত চাকৰি এৰি দিয়ে। এওঁলোকৰ বংশ পৰিয়ালৰ এতিয়াও বহুজন আছে। পৰ্ব্বতীয়া বৰুৱাৰ তিনিখন ঘৰ আছিল। প্ৰাচীন ঘৰ যোৰহাটৰ কাকতি গাওঁত আছিল। তেওঁ শিৱসাগৰত কাম কৰি থাকোঁতে, শিৱসাগৰৰ আমোলাপটিত এখন ঘৰ পাতিছিল। এই ঘৰ-বাৰী তেওঁৰ জ্যেষ্ঠ পুত্ৰ দীননাথ বৰুৱা চিৰস্তাদাৰক দিছিল। সদৰামীন হৈ গোলাঘাটত থকা কালছোৱাত তেওঁ ঘৰ-বাৰী ধনশিৰি নৈৰ পাৰত পুৰণা মাৰোৱাৰীপটি আৰু কুমাৰ গাওঁৰ মাজত সাজিছিল। তেওঁৰ মৃত্যুৰ পিচত তেওঁৰ পুত্ৰ-পৰিয়াল যোৰহাটলৈ উঠি অহাৰ কাৰণে এই ঘৰ-বাৰী পৰিত্যক্ত হয়।

ব্ৰিটিছ চৰকাৰে বেটী-বন্দী ৰখা প্ৰথা বন্দ কৰি সকলো বেটী-বন্দীক মোকোলাই দিছিল। বেটী-বন্দী নহলেও, বহু দাস-দাসীয়ে পৰ্ব্বতীয়া বৰুৱাৰ ঘৰ জনাকীৰ্ণ কৰি ৰাখিছিল আৰু পৰ্ব্বতীয়া বৰুৱাই দাস-দাসীসকলক বৰ মৰম চেনেহ কৰিছিল আৰু দাস-দাসীসকলে পৰ্ব্বতীয়া বৰুৱাক সাক্ষাৎ ঈশ্বৰ বুলি ভক্তি কৰিছিল। * * *

দহ

মহাপ্ৰয়াণ

পৰ্ব্বতীয়া বৰুৱাক চৰকাৰে সদৰ সদৰামীন কৰি ১৮৭০ চনত যোৰহাটলৈ বদলি কৰে। ভক্তিৰে স্থাপন কৰা নামঘৰ, বৃন্দাবন আৰু গোলাঘটীয়া ভক্তবৃন্দক এৰি আহিব লাগিব, এই ভাৱ মনলৈ অহাৰ লগে লগে তেওঁৰ অন্তৰ ভাঙ্গি যোৱা যেন লাগিল। তেওঁ চৰকাৰক গোলাঘাটতে ৰাখিবলৈ খাটিলে। চৰকাৰেও তেওঁৰ মনোবাঞ্ছা পূৰণ কৰি তাতে ৰাখিলে। তেওঁ পেন্সনত যাবলৈ যো-জা কৰোঁতেই, হঠাৎ সন্ন্যাস ৰোগত আক্ৰান্ত হ'ল। ১৮৭১ চনৰ জানুৱাৰী ২৪ দিন যাওঁতে নিজে পতা বৃন্দাৱন ধামত পৰ্ব্বতীয়া বৰুৱাৰ পুণ্যাত্মা স্বৰ্গলৈ প্ৰয়াণ কৰে। সকলো শ্ৰেণীৰ পুৰুষ-মহিলা উৎকণ্ঠিত হৃদয়েৰে বৃন্দাৱন ধামলৈ শেষবাৰৰ কাৰণে চাবলৈ আহে। অনুক্ষণ তেওঁৰ কাষতে আছিল প্ৰাণনাথ বেজবৰুৱা। হাজাৰ হাজাৰ মানুহ আহি শ্মশানত সমৱেত হল। সকলোৰে চকুৰ পানী, শ্ৰদ্ধাঞ্জলিৰ মাজত পৰ্ব্বতীয়া বৰুৱাৰ নশ্বৰ দেহা জুইত ভস্মীভূত হল।

এগৰাকী সিংহপুৰুষ, এটি মহান আত্মা এই জড়জগত এৰি চিন্ময় জগতৰ আপোন ঘৰলৈ উভতি গল! তেওঁ এৰি থৈ যোৱা জড়জগতৰ শ্মশান-শালীত এটি সমাধি মন্দিৰ নিৰ্মাণ কৰা হৈছিল আৰু মঙ্গল দাস নামে এগৰাকী সাধু-বাবাই তেওঁৰ অমৰ আত্মাৰ প্ৰতি শ্ৰদ্ধা জনাই নিতৌ প্ৰদীপ জলাই আছিল। চিৰ অমৰ হৰনাথ পৰ্ব্বতীয়া বৰুৱা।

★ ★

পৰিশিষ্ট

হৰনাথ পৰ্ব্বতীয়া বৰুৱা

শ্ৰীকৃষ্ণকান্ত ভট্টাচাৰ্য্য
ভূতপূৰ্ব আসাম বিলাসিনী সম্পাদক

বৰ্তমান অসমত কেইজন মান লিখকে নিজৰ ইচ্ছামতে ইতিহাস মূলক বুলি নাটক লিখি ছপা কৰাই অসমৰ নাট্যশালাবিলাকত অভিনয় কৰি সমূহ ৰাইজৰ আগত প্ৰকৃত ঐতিহাসিক ঘটনা বুলি প্ৰচাৰ কৰিছে। ৺মণিৰাম দেৱানৰ নাটক খনিও তাৰ ভিতৰতে পৰে। নাটকত একো জনক ৱিভৎস গালি আৰু নিন্দা কৰি একোটা বংশক বা ফৈদক মৰ্মান্তিক বেজাৰ দি এটা অপ্ৰীতিকৰ পৰিবেশ সৃষ্টি কৰি দেশৰ একতা নষ্ট কৰিছে। ইউৰোপ আদি দেশত ইয়াতকৈও ডাঙৰ ঘটনা ঘটিছিল কিন্তু এনে বিভৎস গালি নিন্দা কৰা নাটকত বিৰল। পুলিচ বিভাগত কৰ্তব্য কৰা ৺হৰনাথ পৰ্ব্বতীয়া বৰুৱাক দোষ দিবলৈ গলে, ভাৰতবৰ্ষত আজি পৰ্য্যন্ত কাম কৰা সকলো পুলিচ কৰ্মচাৰীয়েই দোষৰ পৰা বাদ নপৰিব। সিদিনা বোম্বেত, এজন কংগ্ৰেছ গৱৰ্ণমেণ্টৰ ঘাই কৰ্মচাৰীয়ে কোৱা শুনিছিলো যে পুলিচ বিভাগে আমাক এদিন বহুত জুলুম দিছিল এতিয়া তেওঁবিলাক আমাৰ তলত হ'ল, সেই বুলি তেওঁবিলাকে ভয় নেখাব, তেওঁবিলাকে জুলুম নিদিয়াহেঁতেনহে আমি বেয়া পালোহেঁতেন কাৰণ পুলিচ আৰু সৈন্য বিভাগ সদায় বিশ্বাসী হোৱাই যুক্তি সঙ্গত, যি গৱৰ্ণমেণ্টৰ তলতেই তেওঁলোকে কাম কৰক। যাহক নাটকখন অতিৰঞ্জিতকৈ লিখি প্ৰকৃত ইতিহাসত কালিমা ঢালিছে। উদাহৰণ স্বৰূপে 'হিজ মাষ্টৰ ভয়েচ' ৰেকৰ্ডত তোলা মণিৰাম দেৱানৰ অভিনয়ত মিলচ চাহাবে এঠাইত কৈছে—Inspector. I give you complete freedom absolute power……………take a small battalion with you. Arrest

all the insurgents etc etc. এঠাইত ৺হৰনাথক কৈছে 'জাতি-দ্ৰোহী' 'ৰাজদ্ৰোহী' 'দেশদ্ৰোহী' এইবোৰ ক'ত পাইছে ? ইংৰাজৰ আমোলত অকল ৺হৰনাথেই দাৰোগা কাম কৰিছিল নে ? 'জাতিদ্ৰোহী' আৰু 'দেশদ্ৰোহী' কি কাৰণে হ'ল ? ইংৰাজহে তেতিয়া ৰজা আছিল। ইংৰাজৰ অধীনস্থ দাৰোগাই কৰ্তব্য কাম নকৰাহেঁতেনহে 'ৰাজদ্ৰোহী' হ'লহেঁতেন। এনেকৈ অসত্য কথাৰে ৰহন সানি লিখা নাটকেই এদিন সত্য ইতিহাসত পৰিণত হ'ব। যেনেকৈ এজন লিখকৰ জুহালৰ গুৰিত শুনা কথাৰ আলম লৈয়েই ৺হৰনাথক জয়জয়তে অযথা আক্ৰমণ কৰি দেখুৱাই মূৰ ভাঙ্গি দি আজি ৺মণিৰাম দেৱানৰ নাটকত ৺হৰনাথৰ হাতটি লেথত লবলগীয়া হ'ল। ভবিষ্যত কি ৰূপ ধৰেগৈ ভগৱানেহে জানে। সেই কাৰণে সত্য ঘটনা প্ৰত্নতত্ব বিভাগৰ দ্বাৰাই অনুসন্ধান কৰোৱাই আচল নিৰপেক্ষ ইতিহাস লিপিবদ্ধ কৰি অসমৰ সমূহ ৰাইজক জানিবলৈ দিয়া উচিত। আচল আৰু নিৰহনিপানী ইতিহাসত কাৰো কবলৈ একো নাথাকিব। সেই উদ্দেশ্যে ৺হৰনাথ পৰ্বতীয়া বৰুৱাৰ এটি চমু জীৱনী জ্ঞাতাৰ্থে পঠালো।

৺হৰনাথ পৰ্বতীয়া বৰুৱা ১৮১১ চনত যোৰহাটৰ পকামুৰাত জন্ম গ্ৰহণ কৰে। তেখেতৰ পিতৃ আছিল লোকনাথ চাংকাকতি আৰু মাতৃ আছিল গুৱাহাটীৰ দেউবৰ প্ৰিন্সিপেল সদৰামীনৰ ভনীয়েক সুভদ্ৰা দেবী। তেখেতৰ ১০ বছৰ হওঁতেই পিতৃ লোকনাথ চাংকাকতি মৃত্যু হয়। তেখেতে ১৩ বছৰত ভৰি দিওঁতেই ১৮২৪-২৫ চনত তৃতীয় বাৰ মানে অসম আক্ৰমণ কৰে। আৰু সেই আক্ৰমণতে গোটেই দেশখনে ভীষণ ৰূপ ধাৰণ কৰি ঘোৰ অৰাজকতাৰ পৰিণত হয়। মানুহে গাওঁ-ভূই এৰি হাবিয়ে-বননিয়ে পলাই প্ৰাণ ৰক্ষা কৰিব লগাত পৰে। বহুতে দেশ এৰি বিদেশলৈও যাবলৈ বাধ্য হৈছিল। যি নোৱাৰিছিল তেওঁবিলাকৰ দশা বৰ্ণনা কৰা অসম্ভৱ। মানে ঘৰ-দুৱাৰ পুৰি চাই কৰিছিল। গৰ্ভাৱতীক গছত গজাল মাৰি বধিছিল। ধন-সোণ, গৰু-ম'হ আদি লুট-পাত কৰিছিল। কিছুমানক বধ নকৰিলে, সিহঁতক গৰু পশুৰ দৰে মাল কঢ়িওৱা কুলি কৰি মান দেশলৈ লৈ গ'ল। অসীম সাহশালী দৃঢ়প্ৰতিজ্ঞ ধৰ্মপৰায়ণ, বিধৱা সুভদ্ৰা দেৱীয়ে এদিন ৰাতি বৰপুত্ৰ হৰ আৰু দ্বিতীয় পুত্ৰ গোপালক হাতত ধৰি একমাত্ৰ কন্যা দময়ন্তীক ৰূপহী বেটীৰ কোলাত দি মৰমৰ ঘৰ-দুৱাৰ, মৰমৰ গাওঁ এৰি উত্তৰ ফালে ৰাওনা

হৈ ফেহুজালী দিয়াৰ সময়ত ব্ৰহ্মপুত্ৰ নদ পাই, এজন বামুণৰ সহায়ত ব্ৰহ্মপুত্ৰ নদ পাৰ হৈ তেখেতৰ নিজ গুৰু শ্ৰীশ্ৰীআউনীআটী সত্ৰৰ গোস্বামী প্ৰভুৰ সহায় ভিক্ষাৰ্থে গৈ দুপৰীয়া সেইখিনি পালেগৈ।

তাত থকাটোও প্ৰাণৰ সংশয় যেন ভাবি এজন বামুণৰ মাজুলীত অটব্য অৰণ্যৰ মাজত থকা পাম খৰত গৈ আশ্ৰয় লয়। দেশত মহা আকাল হৈছিল। এটেমী চাউলৰ দাম এটকা হৈছিল। মানুহবিলাকে জপৰা আলু, শাক-পাত খাই জীৱন ধাৰণ কৰিব লগাত পৰিছিল। কিছু-দিনৰ পাছত মাজুলীতো দুই চাৰিটা মানে লুট-পাট কৰিবলৈ সোমায়। উপদ্ৰৱ কৰাৰ কথা শুনিলত পুনৰ ব্ৰহ্মপুত্ৰ নদ পাৰ হৈ গৰুমৰা চাপৰিৰ জলাই ৰাজখোৱাৰ ঘৰত আশ্ৰয় ললহি। এদিন ৰাজখোৱাৰ ঘৰতো দুটা মানে লুট-পাট কৰিবলৈ সোমায়। ৺হৰনাথৰ বুদ্ধিমতে জলাইয়ে মান দুটাক গাতত সুমুৱাই তাহাতৰ তৰোৱালেৰেই মূৰ দুটা কাটি পেলায়। তৰোৱাল দুখন দুয়ো ভগায় লয়। এনেতে ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিমতে মিঙিমাহা তিলোৱাৰ পৰা ইংৰাজে অসম খন লয়। অসম ৰজা গোৱালপাৰাৰ ফালে আশ্ৰয়ত আছিল। দেশ কিছু সুস্থিৰ হ'লত সুভদ্ৰা দেৱীয়ে হৰ, গোপাল আৰু দময়ন্তীক লৈ পুনৰ নিজ ঘৰ পায়হি। কিন্তু ঘৰৰ অৱস্থা অতি শোচনীয়। তেতিয়াও দেশত চোৰ-ডকাইত আৰু ছদ্মবেশী মানে উপদ্ৰৱ কৰিবলৈ এৰা নাছিল। কোনেও নিৰ্ভয়ে ৰাতি শুব নোৱাৰিছিল।

সেই সময়ত পঢ়াশালি বা টোল একেবাৰে নাছিল। কোনো উপায় নাপায় সুভদ্ৰা দেৱীয়ে হৰ গোপালক ৺কলা অধ্যাপকৰ ঘৰলৈ পঠিয়াই অলপ শিক্ষা দিয়াইছিল। সেই শিক্ষাই হৰনাথৰ শেষ শিক্ষা। ১৮ বছৰ বয়সত হলত হৰনাথে ১৮২৯ চনত মেজৰ মেথিউৰ তলত দুবছৰ পঞ্চায়ত মহৰী কৰে।

এই সময়ত দেশত বিদেশী শাসনৰ বাবে অসমীয়া জাতি অলপ অসন্তুষ্ট হোৱা দেখা গৈছিল। (বিশেষকৈ মাটি-বাৰীৰ কৰ-কাটল খাজনা বৃদ্ধিৰ কাৰণে) পৰ্ব্বতীয়া বৰুৱাই ৰজা পুৰন্দৰ সিংহক ওপৰ অসম খণ্ডৰ শাসন ভাৰ দিবলৈ চাহাব সকলক টানি ধৰে। সেই সময়তে পুৰন্দৰ সিংহ স্বৰ্গদেৱে আকৌ ৰজা হিচাবে পৰিগণিত হয়। স্বৰ্গীয় হৰনাথে

ৰজাৰ তলত বোৱাকচ নভিচ আৰু পৰ্ব্বতীয়া বৰুৱাৰ বাবথন পাইছিল। পুনৰ ইংৰাজৰ হাতলৈ ওপৰ অসম আহিলত ১৮৩৯ চনৰ ৮ ফেব্ৰুৱাৰী তাৰিখে স্বৰ্গীয় হৰনাথ ৰংপুৰৰ দাৰোগা হয়। ১৮৪০ চনৰ ২০ ফেব্ৰু-ৱাৰী তাৰিখে ফৌজদাৰী পেস্কাৰ কামত নিযুক্ত হয়। ১৮৪৭ চনৰ ১৯ নৱেম্বৰ দিনা গোলাঘাটত স্বৰ্গীয় ৰাম লোচন দাৰোগাৰ মৃত্যু হোৱাত স্বৰ্গীয় হৰনাথক সেই কামত একটিং দাৰোগা ৰূপে পঠায়। ১৮৪৮ চনৰ ১৩ জুনৰ দিনা তেখেতক গোলাঘাটত নিগাজী দাৰোগা পাতে। ১৮৫৮ চনত যোৰহাট থানাত বৰ দাৰোগা ৰূপে কাম কৰে। স্বৰ্গীয় হৰনাথ দাৰোগা হৈ থকা কালত অসমত মানৰ দিনত সৃষ্টি হোৱা চোৰ-ডকাইতি, ঠগ ৰাজ্যৰ পৰিবৰ্তে শান্তিৰ ৰাজ্য গঢ়ি তুলিবলৈ অশেষ পৰিশ্ৰম কৰিব লগাত পৰিছিল আৰু স্বৰ্গীয় হৰনাথে সেই কালত নিপুনতা প্ৰকাশ কৰি ৰাইজৰ প্ৰশংসা আৰু গৱৰ্ণমেণ্টৰ পৰা বহুত শলাগণি পত্ৰ, এবাৰ এক হাজাৰ আৰু এবাৰ পঞ্চাশ টকা পুৰস্কাৰ লাভ কৰিছিল। ১৮৫৮ চনত তেওঁ সদৰামীন পদত নিযুক্ত হয় আৰু অসমৰ প্ৰথম ৰায়বাহাদুৰ খিতাপ পায়। ১৮৫৯ চনত ই-এ-চি পদ পায় আৰু সেই চনতে 'জাইগীৰ' লাভ কৰে। ১৮৬০ চনৰ এজন চাহাবৰ ঠাইত এচিষ্টেণ্ট কমিচনাৰ হয়। ১৮৬৩ চনত ডেপুটী কলেক্টৰ পদ লাভ কৰি নগাওঁ, শিৱসাগৰ আৰু গোলাঘাট এই তিনি ঠাইৰ কামো স্বৰ্গীয় হৰনাথেই চলায়। গোলাঘাটত সদৰামীন থকা কালৰ তেখেতৰ বিচাৰ বুদ্ধিৰ পৰিচয় স্বৰূপে আইন বিভাগত এটি মোকৰ্দ্দমাৰ নজিৰ এতিয়াও জিলিকি আছে।

তেখেত অসমৰ কিছুমান ওপঙি ফুৰা মাটিহীন মটকক নিজৰ মাটি-বাৰি দি প্ৰতিপাল কৰিছিল। নগাৰ উপদ্ৰৱৰ পৰা অসমীয়া প্ৰজা ৰক্ষা পাবলৈ তেখেতে গোলাঘাটৰ পৰা কহিমালৈ চিপাহী পঠাব পৰা আলি বন্ধোৱাত গৱৰ্ণমেণ্টক যথেষ্ট নতায় কৰিছিল। পানীৰ অভাৱ গুচাবলৈ গোলাঘাটত এখন 'যমুনা' খন্দাইছিল। গোলাঘাটত কৃত্ৰিম বৃন্দাবন পাতি গধূলি সন্ত মহন্ত গোসাই আমোলা····মহৰীৰ সৈতে আলোচনা কৰি ধৰ্ম চৰ্চাৰ যোগেদি অসমীয়া ভাষাৰে নাম কীৰ্ত্তন ৰচনা কৰাই বৃন্দাবনীয়া নাম দি মাতৃ ভাষাৰ উৎকৰ্ষ সাধন কৰিছিল। শ্ৰীশ্ৰীআউনীআটী সত্ৰৰ পিতলৰ মণিকূট নিজ ধনেৰে সজাই দিছিল। তেখেত এজন ওখ, ডাঙৰ বহল বুকুৰ, শকত, তেজী আৰু এজন বিতোপন

চেহেৰাৰ পুৰুষ আছিল। পোষাক হিচাবে মূৰত পাগুৰী, গাত চোকা ছাপকন, চাদৰ, পাতৰ ধুতি, ভৰিত ভেলভেট কাপোৰৰ জোতা পিন্ধিছিল। চোলাৰ তলত ৰুদ্ৰাক্ষৰ মালা সদায় পিন্ধিছিল। চুলি দীঘলকৈ ৰাখিছিল। চেহেৰাত সাক্ষাৎ এজন গোসাইৰ নিচিনা দেখাইছিল। লগত এজন বামুণৰ ল'ৰা তামোল যোগনীয়া হিচাবে আছিল। তেখেত দেখাত গহীন, গম্ভীৰ কিন্তু শ্ৰীকৃষ্ণৰ নাম ধৰ্মত তেখেতৰ চকুলো বৈ গৈছিল। তেখেতৰ নাচ-গান আৰু ৰাগিয়াল বস্তৰ পৰা সদায় আতৰত আছিল। ১৮৭১ চনত তেখেতক পূৰা দৰ্মহাৰে পেনচন্ দিবলৈ যো-জা কৰোঁতেই চাকৰী জীৱনতে ভাদ মাহত সন্ন্যাস ৰোগত হঠাৎ ইহলীলা সম্বৰণ কৰে। অন্তীম সময়ত তেখেতৰ গোটেই পৰিয়াল আৰু বন্ধু ডাঙৰীয়া দীননাথ বেজবৰুৱা প্ৰভৃতি গণ্যমান্য মানুহ উপস্থিত আছিল। তেখেতৰ সমাধিত মঙ্গল দাস নামেৰে এজন সন্ন্যাসী বহু বছৰ দৈনিক ধুপ-ধুনা জলাই বাস কৰি আছিল, (গোলাঘাটৰ ধনশিৰি নৈৰ পাৰত)। এনে এজন পুৰুষক মণিৰাম দেৱানৰ নাটকত বিভৎস ভাষা প্ৰয়োগ কৰা নাটকীয় অভিনয় চাই বহুতে আনন্দ উপভোগ কৰিছে।

১৮৫৭ চনৰ বিদ্ৰোহত ৺হৰনাথ বৰুৱাক দোষৰ ভাগি কৰিবলৈ কোনো যুক্তিযুক্ত কাৰণ; কাগজ-পত্ৰ আৰু ইতিহাসত বিচাৰি পোৱা নাযায়। ১৮৫৭ চনত তেখেত যোৰহাটত দাৰোগা আছিল। পুলিচ বিভাগৰ কৰ্ত্তব্য কৰিবলৈ যি গবৰ্ণমেণ্টেই নহওক সকলোৱে নিজ কৰ্ম কৰিবই লাগিব। বিদ্ৰোহৰ ষড়-যন্ত্ৰৰ ফিৰিঙ্গতি প্ৰথমে তেখেতৰ এলেকাৰ বাহিৰত ডিব্ৰুগড়তহে আৰম্ভ হৈছিল। (See Gait History) তাত উচিত ব্যৱস্থা গবৰ্ণমেণ্টে লৈছিল। তলে তলে যেতিয়া আহি চাৰিং ৰজাৰ ঘৰ পায়হি আৰু তাত মন্ত্ৰণা পাতে আৰু ইতিমধ্যে স্বৰ্গীয় মণিৰাম দেৱানৰো তাত যোগ থকা চিঠিৰ প্ৰমাণ প্ৰকাশ পায় অৰু অসমীয়া গাৱলীয়া প্ৰজাই ভয় খাই দাৰোগাক খবৰ দিয়ে, তেতিয়া স্বৰ্গীয় হৰনাথে ওপৰ বিভাগৰ কৰ্মচাৰীলৈ ৰিপোৰ্ট দিবলৈ বাধ্য হয়। সেই ৰিপোৰ্টত সন্তুষ্ট নহৈ চতুৰ ইংৰাজ চাহাব হলৰইদ আৰু কেপ্টইন লুথাৰে ৰজাৰ ঘৰ খানাতালাচ কৰি যথেষ্ট প্ৰমাণ পায়হে দোষীক দণ্ড দিছিল বুলি Gait চাহাবৰ ইতিহাসত আৰু চাহাব দুজনে এনেকৈ খানাতালাচ কৰা কথাটো শ্ৰীযুত বেণুধৰ শৰ্মাৰ ৫৭ সাল বোলা কিতাপখনত লিখিছে; অকল পৰ্ব্বতীয়া বৰুৱাৰ ৰিপোৰ্টত কৰাহেঁতেন চাহাব দুজনে এনেকৈ অনুসন্ধান নকৰিলে-

হেঁতেন। স্বৰ্গীয় হৰনাথে মিছাতে ষড়যন্ত্ৰ কৰি কোনো মানুহক বিপদত পেলাইছে বুলি ইতিহাসত নাই। যি বিশ্বাসে আজি তেখেতক এনে ব্যৱহাৰত পেলাইছে। স্বৰ্গীয় হৰনাথে ইংৰাজী সমূলি নাজানিছিল আৰু গৱৰ্ণমেণ্টৰ ডাক গ্ৰহণ কৰা বাবো তেখেতৰ গাত নাছিল। ইংৰাজ এটা চতুৰ জাতি। এজন—সেই কালৰ ভোলানাথ, ধৰ্মভীৰু, অসমীয়াৰ হাতত পুতলা স্বৰূপে হলৰইদ আৰু মিলচ্ চাহাবে কোনো কাম কৰা কেতিয়াও বিশ্বাস কৰিব নোৱাৰে।

স্বৰ্গীয় হৰনাথ বৰুৱাৰ লগত মণিৰাম দেৱানৰ শত্ৰুতা থকা, কোনো কাগজ-পত্ৰত বা জনশ্ৰুতিৰ পৰা পোৱা নাযায়। হৰনাথ বৰুৱাৰ বৰ বোৱাৰীৰ পৰা আমি নিজ কাণে শুনিছিলো বোলে দেৱানৰ ফাঁচী হোৱাৰ দিনা গধূলি দেৱানৰ পৰিবাৰ হৰনাথ বৰুৱাৰ ঘৰলৈ আহিছিল। তেখেতৰ পৰিচয় সোধাত হেনো মাটিত আঙুলিৰে লিখি নাম আৰু পৰিচয় দিছিল। সেই দিনত তিৰোতাই লিখা-পঢ়া জনাতো বিস্ময়ৰ কথা আছিল। সেই কাৰণে বহুত দিনলৈকে এইটো গল্প পৰ্ব্বতীয়া বৰুৱাৰ বৰ বোৱাৰীয়েকে কৈ আছিল। পৰ্ব্বতীয়া বৰুৱাই তেখেতৰ পৰিচয় পাই বৰ দুঃখ প্ৰকাশ কৰি হেনো কলে—আপুনি আগতে কিয় নাহিল? অহাহলে আপোনাৰ দ্বাৰাই আপিলৰ দৰখাস্ত কৰাই আজিৰ দিনত ফাঁচী দিয়া বন্ধ কৰিব পৰা হ'লহেঁতেন। ইয়াৰ দ্বাৰাই বুজা গ'ল স্বৰ্গীয় মণিৰাম দেৱানৰ শাস্তিৰ বিধানটো পৰ্ব্বতীয়া বৰুৱাৰ সংশ্ৰৱৰ পৰা বহুত আতৰত আছিল। তেখেত সেই সময়ত গহীন আৰু উদাসীন হৈ থাকিবলৈ বাধ্য হৈছিল, কাৰণ মণিৰাম দেৱানৰ শাস্তি Military Court Martial Law মতে Military Officer বৰ হুকুম অনুসাৰে হৈছিল। স্বৰ্গীয় হৰনাথ পৰ্ব্বতীয়া বৰুৱাৰ বিষয়ে অসমৰ খ্যাতনামা উপন্যাসিক স্বৰ্গীয় ৰজনীকান্ত বৰদলৈ দেৱৰ অভিমত 'সন্দিপীকা'ৰ পৰা তুলি দিয়া হ'ল। 'আমাৰ ইংৰাজ ৰাজত্বৰ আদিতেও মহামতি স্বৰ্গীয় হৰনাথ পৰ্ব্বতীয়া বৰুৱাই তেওঁৰ পুলিচ দাৰোগাৰ অৱশ্যে কৰ্তব্য কাম কৰি দেশক ডাঙৰ দুৰ্গতিৰ পৰা ৰক্ষা কৰিছিল। বিদ্ৰোহটো কৃতকাৰ্য্য নহ'লহেঁতেন, ফলত প্ৰৱল পৰাক্ৰমী ক্ৰুদ্ধ ইংৰাজৰ হাতত আমাৰ আৰু বহুত নষ্ট পালেহেঁতেন। বিদ্ৰোহটো হবলৈ নোপাওঁতেই তেওঁ তেওঁৰ কৰ্তব্য কৰি তেওঁৰ কৰ্তব্যৰ পুৰস্কাৰ লভিছিল'।

আজি কালি এজন লিখকে স্বৰ্গীয় মণিৰাম দেৱানক ভাল বুলিব'লৈ গৈ স্বৰ্গীয় হৰনাথ পৰ্ব্বতীয়া বৰুৱা দেৱক Unscrupulous দাৰোগা, এনে বিধৰ বিশেষণ দিয়ে আৰু Holroyd চাহাবক এজন অত্যাচাৰী বিচাৰক বোলে যদি সেইজন লিখকৰ মতহে সচা, তেন্তে মিলচ চাহাবৰ ৰিপোৰ্ট, গেইট চাহাবৰ বুৰঞ্জী, এলেন চাহাবৰ চেঞ্চাচ ৰিপোৰ্ট (Gazetter) সেই সময়ত বাগিচাৰ চাহাববিলাকৰ ৰিপৰ্ট আৰু অন্যান্য চৰকাৰী নথি-পত্ৰ আদি সকলোবিলাক মিছা আৰু অন্যায়জনক। যি হওক এই বিষয়ে আমাৰ বাদানুবাদৰ প্ৰয়োজন নাই। সকলকে এই পুথিত স্বৰ্গীয় হৰনাথ পৰ্ব্বতীয়া বৰুৱাই তেওঁৰ কঠোৰ কৰ্তব্যহে পালন কৰিছিল। কাকো হিংসা কৰা নাছিল। অতীতৰ ঘটনা এটা লৈ এতিয়া স্বৰ্গীয় মণিৰাম দেৱানৰ তিথি পালোতে এক বিপক্ষ আন পক্ষে আক্ৰমণ কৰা উচিত নহয়। এজন তদানীন্তন ডিপুটি কমিছনাৰে ১৮৬৮ চনৰ ১৫ জুলাই তাৰিখেদিয়া এখন চিঠিৰ পৰা কেইশাৰীমান উদ্ধৃত কৰা হ'ল। '... ....My regard for your personal good qualities, esteem for the ability and integrity with which you have performed your public duties and the valuable services which you have rendered to the state. I have known you for more than five years, having been thrice in close official connection with you.—thrice as Sub-divisional Officer, Cnce as your Deputy Commissioner. On all three occasions I was more than satisfied with your manner of performing your duties, your firm yet conciliatory demeanour towards Europeans who had to appear in your Court, your freedom from religious bias though a firm and conscentious adherent to your national religion,—your efforts to discourage litigation amongst the more ignorant of your countrymen, the wise use to which you put your great personal and social influence have all been noted by me and combined to win respect. Your fair fame has never been tarnished with even a breath of slander in that particular in which so few of your countrymen escape scandal ... ...Receive. Dangoria, the assurnnce of my continued esteem.

Sd/—J. Gregory,
Dy. Commissioner.

❁❁❁